● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

■ দেওবৰীয়া চৰ্চা ঃ অসম-মেঘালয়ৰ অচলাৱস্থা কিহৰ ইংগিত?

■ মানুহ, গছ আৰু বানপানী

**দিগ্দৰ্শন**

জনতাই সম্পদ সৃষ্টি কৰে, চৰকাৰে ভক্ষণ কৰে। জনতাক সম্পদ সৃষ্টিৰ বাবে কৰকাটলৰ ক্ষেত্ৰত সকাহ দিয়াৰ প্ৰয়োজন।



মাৰ্গাৰেট থেচাৰ
*প্ৰাক্তন ব্ৰিটিছ প্ৰধানমন্ত্ৰী*

৬ — পেছাগত ভুলৰ বাবে ক্ষতিৰ ভয়? সুৰক্ষা দিব পাৰে এই বীমাই

৪ — আত্মজিজ্ঞাসা ঃ আকাশত মেঘৰ ছাঁ

১৫ — আজিৰে পৰা স্প'ৰ্টিং উইকেটত দ্বিতীয় টেষ্ট

RNI-Regd No. 62953/96 ■ একত্ৰিংশত্তম বছৰ ● ৩১৫ তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ৫ ভাদ ১৪৩৩ ভাস্কৰাব্দ ২৩ আগষ্ট ২০২৬ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 23 August 2026 মূল্য ঃ ৯.০০ টকা

## আমাক আমনি নকৰিব আমাৰ সময় নাই

**প্ৰসংগক্ৰমে**

**দয়ানন্দ পাঠক**



**এই** বক্তব্য এগৰাকী বিশেষ উচ্চপদস্থ ব্যক্তিৰ। বক্তব্যৰ মাজত বিৰক্তি লুকাই আছে। অনাস্থাও লুকাই আছে। বিৰক্তি হ'ল পঁইতাচোৰাৰ 'মইমতালি'ৰ বিৰুদ্ধে। পঁইতাচোৰাই প্ৰকৃততে মইমতালি কৰিছেনে? নে *১০ পৃষ্ঠাত চাওক*

■ মেঘালয়ৰ আতিথ্য-পৰ্যটন খণ্ডত প্ৰচণ্ড আঘাত ■ বছৰৰ এই সময়ছোৱাত মেঘালয় ভ্ৰমণ কৰা অধিকাংশ পৰ্যটকেই অসমৰ ঃ হোটেলৰ স্বত্বাধিকাৰী

## শ্বিলং-চেৰাপুঞ্জী-ডাউকিৰ হোটেলৰ ৮০-৯০ শতাংশ বুকিং বাতিল



■ আমি আশা কৰো যে শীঘ্ৰে সমস্যা সমাধান হ'ব

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ আগষ্ট ঃ** যোৱা ১৯ আগষ্টৰ নিশা শ্বিলং কাণ্ডই সৃষ্টি কৰা জটিল পৰিস্থিতিৰ সমাধান সূত্ৰ আজিও নোলোৱাত প্ৰচণ্ড ক্ষতিৰ সন্মুখীন হৈছে মেঘালয়ৰ আতিথ্য আৰু পৰ্যটন খণ্ড। চলিত মাহত পৰ্যটকৰ আগমন হ্ৰাস হোৱাৰ পৰিপ্ৰেক্ষিতত সাধাৰণতে শ্বিলং-চেৰাপুঞ্জীৰ হোটেলসমূহৰ বুকিং প্ৰায় ২০ শতাংশহে হয়। এনে অৱস্থাতে শ্বিলং কাণ্ড সংঘটিত হোৱাত বিগত তিনিদিনত এই হোটেলসমূহৰ বুকিং *১০ পৃষ্ঠাত চাওক*

■ সমগ্ৰ বিশ্বৰ বতৰৰ ওপৰত পেলাইছে প্ৰভাৱ ■ এইবাৰ বৰ্ষাত ভাৰতত বৰষুণ হ্ৰাসৰ অন্যতম কাৰণ প্ৰশান্ত মহাসাগৰৰ এল নিনো

## সাৱধান! ২০২৭ ইতিহাসতে সবাতোকৈ গৰম বছৰ হ'ব!



■ **নিউজ ব্যুৰ'**
**লণ্ডন, ২২ আগষ্ট ঃ** সাৱধান! অহা বছৰটো হ'ব ইতিহাসৰে সবাতোকৈ গৰম বছৰ। প্ৰশান্ত মহাসাগৰৰ এল নিনোসহ বিভিন্ন কাৰকৰ ক্ৰিয়াৰ ফলত আগন্তুক বছৰটোত অসহনীয় গৰম পৰাৰ আশংকা কৰিছে বতৰ বিজ্ঞানীসকলে। উল্লেখ্য যে এইবাৰ বিভিন্ন অঞ্চলত প্ৰচণ্ড বানৰ কবলত পৰিলেও দৰাচলতে এইবাৰৰ বৰ্ষাকালত বৰষুণৰ পৰিমাণ হ্ৰাসহে পায়। এই কথা সম্ভৱতঃ সকলোৱে লক্ষ্য কৰিছে। বৰ্ষাৰ দিনত বৰষুণ *১০ পৃষ্ঠাত চাওক*



## দুই ৰাজ্যৰ মীমাংসাৰ পাছতো ফেপেৰি খাচি চালক সন্থাৰ

### অসমৰ পৰ্যটন বাহন মেঘালয়ত প্ৰৱেশ কৰিবলৈ নিদিয়াৰ হুংকাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ আগষ্ট ঃ** শ্বিলঙত অসমৰ বাহন আৰু যাত্ৰীক আক্ৰমণ কৰা ঘটনাক লৈ অসমৰ চালক সন্থাই *দুই পৃষ্ঠাত চাওক*

### চোঁচা লোকপিয়লৰ গণনাকাৰীলৈ

## 'মোক চৰকাৰে কি দিছে' বুলি গালি পাৰি চোকা অস্ত্ৰৰে ঘপিওৱাৰ চেষ্টা

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ২২ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ চৌটাকীত আজি আবেলি লোকপিয়লৰ এজন গণনাকাৰীক চোকা অস্ত্ৰৰে ঘপিয়াই আক্ৰমণ কৰি হত্যাৰ চেষ্টা চলায় এজন লোকে। *দুই পৃষ্ঠাত চাওক*

## ফাঁচীবজাৰৰ তিনিটা মূল পথ হ'ব ব্যৱসায় নিষিদ্ধ অঞ্চল

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ আগষ্ট ঃ** গুৱাহাটীৰ ব্যৱসায়িক প্ৰাণ কেন্দ্ৰ ফাঁচীবজাৰত আৰু নাথাকিব সৰ্বপৰিচিত ব্যৱসায়ৰ পৰিৱেশ। কিয়নো অহা পহিলা ছেপ্টেম্বৰৰ পৰা পৰ্যায়ক্ৰমে ফাঁচীবজাৰৰ *দুই পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৭° |
| ডিব্ৰুগড় | ৩৪° | ২৮° |
| দিল্লী | ৩৪° | ২৭° |
| কলকাতা | ৩৪° | ২৮° |
| মুম্বাই | ৩১° | ২৭° |
| চেন্নাই | ৩৬° | ২৭° |
| বাংগালুৰু | ২৭° | ২১° |
| শ্বিলং | ২৯° | ২২° |

*২২ আগষ্ট, ২০২৬*

**চেঙা তেল**



*নাই নাই, কাজিয়া-পেচাল লগা নাই! আমি সকলোৱে মিলি উৎসৱহে উদ্‌যাপন কৰিছো!*

■ শ্বিলঙত খাচি ছাত্ৰ সন্থাৰ হিংসাত্মক প্ৰতিবাদত অসমৰ ক্ষতিৰ বাবে দুখ প্ৰকাশ মেঘালয় চৰকাৰৰ ■ ক্ষতিগ্ৰস্ত বাহনৰ ক্ষতিপূৰণ-আহতক চিকিৎসা ব্যয় আদায় দিব

# অস্থিৰতাৰ পৰা স্বাভাৱিকলৈ দুই ৰাজ্য



মেঘালয়ৰ ভুল দেখুৱাবলৈহে আমাৰ এই প্ৰতিবাদ ঃ চালক সন্থা ঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সমালোচনা লুৰীণজ্যোতি গগৈ-কংগ্ৰেছৰ

শ্বিলঙত অসমৰ বাহনত আক্ৰমণৰ ঘটনাত জড়িতক চিনাক্ত কৰিবলৈ এছআইটি গঠন কৰিব মেঘালয় চৰকাৰে ঃ মন্ত্ৰী বৰা ■ ১৫ খন এজাহাৰ পঞ্জীয়ন মেঘালয়ত



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ আগষ্ট ঃ** শ্বিলঙত সংঘটিত হিংসাত্মক ঘটনাক লৈ অসমত অব্যাহত থকা অৱৰোধ-প্ৰতিবাদ প্ৰত্যাহাৰ কৰিবলৈ প্ৰতিবাদকাৰীসকলক আজি অসম আৰু মেঘালয় চৰকাৰে যৌথভাৱে আহ্বান জনায়। যোৱা ১৯ আগষ্টত খাচি ছাত্ৰ সন্থাই প্ৰতিবাদী সমদল উলিওৱাৰ নামত শ্বিলঙত সংঘটিত কৰা ব্যাপক হিংসাত্মক ঘটনাৰ পাছত অসমত তীব্ৰ প্ৰতিবাদ অব্যাহত আছে। অসমৰ বিভিন্ন দল-সংগঠনৰ সহযোগত ৰাজ্যিক চালক সন্থাই মেঘালয়ৰ বিৰুদ্ধে প্ৰবল অৱৰোধ গঢ়ি তুলিছে। তিনিদিনীয়া এই অৱৰোধত ইতিমধ্যে সমগ্ৰ মেঘালয়ত স্থবিৰতা বিৰাজ কৰিছে। সমান্তৰালভাৱে ৰাজ্য দুখনৰ একাংশ লোকৰ মাজত সংঘাতময় পৰিৱেশৰ সৃষ্টি হৈছে। তিনিদিনৰ অৱৰোধতে মেঘালয়ৰ অৰ্থনীতিৰ ওপৰতো মাধমাৰ পৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি মেঘালয় চৰকাৰৰ প্ৰতিনিধি হিচাপে উপ-মুখ্যমন্ত্ৰী এছ ধৰক গুৱাহাটীত উপস্থিত হয়। মেঘালয় চৰকাৰে অসম চৰকাৰৰ লগত আলোচনাৰ প্ৰস্তাৱ দিয়াৰ পাছতে অসম চৰকাৰেও ইয়াত সঁহাৰি জনায়। ইয়াকে লৈ আজি ইয়াৰ কইনাধৰাস্থিত ৰাজ্যিক অতিথিশালাত মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰী আৰু অসম চৰকাৰৰ আবকাৰী- সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাৰ মাজত তিনিঘণ্টীয়া আলোচনা অনুষ্ঠিত হয়। মেঘালয় আৰু অসম *১০ পৃষ্ঠাত চাওক*

## চালকৰ দাবী পূৰণৰ আশ্বাসত যোৰাবাটত যাতায়াত পুনৰ স্বাভাৱিক

■ দিনজুৰি যোৰাবাটত উত্তেজনা অব্যাহত ■ মেঘালয়ৰ মুখ্য সচিবৰ কনভয়তো বাধা প্ৰদান ■ প্ৰতিবাদস্থলীত সিদ্ধান্ত পাঠ কৰিলে মন্ত্ৰী বৰাই



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ আগষ্ট ঃ** নিশাৰ সময়ছোৱাৰ বাদে যোৱা তিনিদিন মেঘালয়ৰ বিৰুদ্ধে যোৰাবাটত কঠোৰ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰা অসমৰ প্ৰতিবাদকাৰীসকলে তেওঁলোকৰ আন্দোলন সাময়িকভাৱে স্থগিত ৰখা বুলি আজি সন্ধিয়া ঘোষণা কৰে। এই আন্দোলনৰ ফলত দুয়োখন ৰাজ্যৰ মাজত সৃষ্টি হোৱা জটিল পৰিস্থিতিক লৈ আজি কইনাধৰাত মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰী আৰু অসমৰ সীমান্ত অঞ্চল উন্নয়ন মন্ত্ৰীৰ নেতৃত্বত এখন উচ্চ *১০ পৃষ্ঠাত চাওক*

■ সংঘাতময় পৰিস্থিতিৰ অন্ত পৰিলেও মেঘালয়ৰ আইন-শৃংখলা পৰিস্থিতি অদ্যাপি স্পৰ্শকাতৰ ■ সুৰক্ষা ব্যৱস্থাৰে আবদ্ধ পৰ্যটকক অসমৰ যোৰাবাটলৈ প্ৰেৰণ অব্যাহত



## শ্বিলঙত ৰেপিড একচন ফ'ৰ্চৰ ফ্লেগ মাৰ্চ ঃ বিভিন্ন অঞ্চলত নিৰাপত্তা বাহিনী নিয়োগ

### অসম আৰু মেঘালয়ৰ নাগৰিকৰ মাজত শক্তিশালী বান্ধোন সুৰক্ষিত ৰাখিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ ঃ মুখ্যমন্ত্ৰী চাংমা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ আগষ্ট ঃ** খাচি ছাত্ৰ সন্থাই নিজ ৰাজ্যৰ আভ্যন্তৰীণ বিষয়ক লৈ কৰা প্ৰতিবাদৰ পৰিণাম মেঘালয়ে নিজে ভুগিবলগীয়া হৈছে। প্ৰতিবাদৰ নামত অসমৰ বাহন আৰু সাধাৰণ লোকক আক্ৰমণৰ লক্ষ্য কৰি লোৱাৰ বিৰুদ্ধে অসম ৰাজ্যিক চালক সন্থাই যোৰাবাটত যোৱা তিনিদিনে সাব্যস্ত কৰা প্ৰতিবাদৰ গুৰুতৰ প্ৰভাৱ পৰিছে মেঘালয়ৰ সৰ্বস্তৰত। আইন-শৃংখলাজনিত বিষয়ৰ পৰা সাধাৰণ জীৱন যাত্ৰা, ৰাজ্যৰ অৰ্থনীতি আদি সকলোতে ইয়াৰ প্ৰভাৱ পৰিছে। আজি অসম আৰু মেঘালয় চৰকাৰৰ মাজত হোৱা আলোচনাৰ পাছত অসমৰ চালক সংগঠনে মেঘালয়ৰ বিৰুদ্ধে চলোৱা অৱৰোধ কাৰ্যসূচী প্ৰত্যাহাৰ কৰে। ফলত নিশাৰ পৰা যোৰাবাটৰে পুনৰ স্বাভাৱিক যাতায়াত আৰম্ভ হৈছে। সেইবুলি কিন্তু মেঘালয়ৰ আভ্যন্তৰীণ নিৰাপত্তাৰ বিষয়ত ৰাজ্য *১০ পৃষ্ঠাত চাওক*

## ভেদ নহ'ল অন্বেষা শইকীয়াৰ মৃত্যুৰ ৰহস্য

### দুই মূল অভিযুক্ত আৰিয়ন-অংকিতক ন্যায়িক জিম্মালৈ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২২ আগষ্ট ঃ** এজনৰ পাছত আনজনকৈ *১০ পৃষ্ঠাত চাওক*

## ভূমি অধিকাৰ কৰ্মী প্ৰণৱ দলেক শীঘ্ৰে মুক্তিৰ দাবীত মহানগৰীত ধৰ্ণা-অৱস্থান

■ ভূমি অধিকাৰ বিচাৰি কৰা সংগ্ৰামক দুৰ্বল কৰাৰ ষড়যন্ত্ৰ বুলি সৰৱ প্ৰতিবাদকাৰী




**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ আগষ্ট ঃ** ভূমিৰ অধিকাৰ সংগ্ৰামৰ লগত জড়িত নেতা প্ৰণৱ দলেক ৰাষ্ট্ৰীয় সুৰক্ষা আইন (এনএছএ)ৰ অধীনত গ্ৰেপ্তাৰৰ *১০ পৃষ্ঠাত চাওক*

## ৰাজপথত বিধায়ক অৰূপ কুমাৰ দেৰ কনভয়ৰ গাড়ীৰ দৌৰাত্ম্য



**অগ্ৰদূত বাৰ্তা**
**বিজনী/কাজলগাঁও, ২২ আগষ্ট ঃ** তীব্ৰ বেগেৰে বিজনীৰ বিধায়ক অৰূপ কুমাৰ *দুই পৃষ্ঠাত চাওক*

■ অসমৰ লোকৰ দ্বাৰাই পূব অসম ধ্বংস ঃ আটাছুৰে বৈঠকৰ অন্তত সংবাদমেলত স্পষ্ট কৰি দিলে তিনি নগা কন্যাক সংগঠনে

## নগালেণ্ডত খনিজ সম্পদৰ খনন-সৰবৰাহ অসমৰ লোকৰ দ্বাৰা হয়

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২২ আগষ্ট ঃ** পূব অসমৰ শেহতীয়া জলপ্ৰলয়ৰ কাৰণ চুবুৰীয়া নগালেণ্ডত কয়লা আৰু শিল-বালি খনন বুলি বিভিন্ন স্তৰত চলি থকা চৰ্চাক সম্প্ৰতি নতুন ৰূপ দিলে তিনিটা প্ৰভাৱশালী নগা জনগোষ্ঠীয় সংগঠনে। নগালেণ্ডত কয়লা আৰু শিল-বালি খনন শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউৰ শেহতীয়া বিধ্বংসী বানৰ অন্যতম কাৰণ বুলি মানি লৈছে এই তিনি নগা সংগঠনে। অৱশ্যে নগালেণ্ডত খনিজাত সম্পদৰ খনন আৰু সৰবৰাহ অসম লোকৰ দ্বাৰা অসমৰ মাজেৰে হয় বুলি দাবী কৰিছে তিনি কন্যাক সংগঠনে। আজি সীমাকে ধৰি অসম-নগালেণ্ডৰ বিভিন্ন সমস্যা সন্দৰ্ভত ইয়াত সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু)ৰ বসন্ত গোটৰে নগা কন্যাক ইউনিয়ন, কন্যাক ষ্টুডেণ্ট ইউনিয়ন আৰু কন্যাক মাদাৰ্ছ ইউনিয়নৰ নেতৃবৰ্গ *দুই পৃষ্ঠাত চাওক*

■ চলিত বৰ্ষত ইথানল প্ৰস্তুতত ব্যৱহাৰ ৩২ লাখ মেট্ৰিকটন ■ বিগত দুসপ্তাহত চেনিৰ মূল্য প্ৰতি কিলোত ৪৭-৪৮ৰ পৰা বৃদ্ধি হৈ ৭০ টকা হৈছে ■ বৃদ্ধিৰ হাৰ ৪৫ শতাংশৰ অধিক

## ইথানলযুক্ত পেট্ৰ'ল উৎপাদনৰ বাবে দেশত প্ৰতিদিনে চেনিৰ মূল্যবৃদ্ধি!



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২২ আগষ্ট ঃ** বজাৰত চেনিৰ মূল্য হোৱাহোৱে বৃদ্ধি পাইছে। গৃহস্থই মূৰে কপালে হাত দিছে। মিঠাইৰ ব্যৱসায়ীসকলৰ মাজতো হাহাকাৰ। বিগত দুসপ্তাহত চেনিৰ মূল্য প্ৰতি কিলোত দেশজুৰি গড়ে ৪৭-৪৮ৰ পৰা বৃদ্ধি হৈ প্ৰায় ৭০ টকা হৈছে। অৰ্থাৎ এই বৃদ্ধিৰ হাৰ ৪৫ শতাংশৰ অধিক। এসপ্তাহ পূৰ্বেও চেনিৰ মূল্য আছিল ৬০ টকা। আজি পাইকাৰী বজাৰত ৫০ কিলোৰ এবস্তা চেনিৰ মূল্য ৩,২৫০ টকা। অৰ্থাৎ ৬৫ টকা এক কিলো চেনিৰ মূল্য। ইয়াৰ স'তে সৰবৰাহ ব্যয় আৰু লাভৰ বিষয়টো আছে। পাইকাৰী ব্যৱসায়ীসকলৰ অভিযোগ অনুসৰি সকলো খেল মালিকৰে। সুযোগ বুজি প্ৰতিদিনে চেনিৰ মূল্য বঢ়াইছে। দেশৰ চেনি উৎপাদনকাৰী ৰাজ্যসমূহৰ ভিতৰত আছে মূলতঃ *১০ পৃষ্ঠাত চাওক*

■ দেশত ৪২ শতাংশ আইফোনেই বিক্ৰী হৈছে ইএমআইত

## আইফোনৰ আসক্তিয়ে ধাৰত পুতিছে ভাৰতৰ কোটি কোটি পৰিয়ালক



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২২ আগষ্ট ঃ** ধৰক আপোনাৰ বা আপোনাৰ পৰিয়ালৰ মাহিলি আয় ৪০-৫০ হেজাৰ টকা। এই আয়ৰে আপুনি পৰিয়াল পোহপাল দি আছে। কিন্তু আপুনি বা আপোনাৰ সন্তানে সময়ৰ স'তে সময় তথা বন্ধুবৰ্গৰ স'তে তাল মিলাই চলিবলৈ এটা আইফোন ক্ৰয় কৰিবলৈ মনস্থ কৰিছে। এনে অৱস্থাত হয়তো আপুনি ঋণ লৈ মন পছন্দৰ এটা আইফোন ক্ৰয় কৰিলে। তাৰ বিনিময়ত মাহিলি নিৰ্দিষ্ট হাৰৰ কিস্তি পৰিশোধ কৰি থাকিব লাগিব। কেৱল আপুনিয়েই নহয়, ভাৰতত আপোনাৰ দৰে কোটি কোটি লোকে ইএমআইত আইফোন ক্ৰয় কৰিবলৈ লৈছে। কাৰণ একোটা আইফোনৰ প্ৰাৰম্ভিক মূল্য আৰম্ভ হয় ৭৫ হেজাৰ টকাৰ পৰা। *১০ পৃষ্ঠাত চাওক*

# নগৰবেৰাৰ কল্যাণপুৰত নিশা মহিলাসহ চাৰি ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**নগৰবেৰা, ২২ আগষ্ট ঃ** কামৰূপ জিলাৰ বকো-ছয়গাঁও সমষ্টিৰ নগৰবেৰা আৰক্ষী থানাৰ অন্তৰ্গত কল্যাণপুৰত নিশা আৰক্ষীয়ে চলোৱা ড্ৰাগছবিৰোধী অভিযানত মহিলাসহ চাৰিজনকৈ সন্দেহযুক্ত ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। অভিযানকালত ধৃত লোককেইজনৰ পৰা ড্ৰাগছভৰ্তি ৩০ টা কণ্টেইনাৰ, চাৰিটা ম'বাইল ফোন আৰু নগদ ৩,২৪০ টকা জব্দ কৰে আৰক্ষীয়ে। গ্ৰেপ্তাৰ কৰা লোককেইজন ক্ৰমে জাহিদুল ইছলাম, জমিৰণ নেছা, তাহিনুৰ আলী আৰু জামাল বাদশ্বা বুলি জানিব পৰা গৈছে। ইয়াৰ উপৰি ঘটনাস্থলীৰ পৰা ১৫৭ টা খালী কণ্টেইনাৰ আৰু দুটা খালী চাবোনৰ বাকচো আৰক্ষীয়ে জব্দ কৰে। বকো-ছয়গাঁও সমজিলাৰ আৰক্ষী অধীক্ষক জান কিশোৰ গগৈৰ নিৰ্দেশত নগৰবেৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হৰজিৎ দাস আৰু টুপামাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া চম্পক কলিতাৰ নেতৃত্বত যুটীয়াভাৱে এই অভিযান চলোৱা হয়। উল্লেখ্য যে দীৰ্ঘদিন ধৰি বৃহত্তৰ কল্যাণপুৰ অঞ্চলত একাংশ ড্ৰাগছ সৰবৰাহকাৰীয়ে গোপনে নিষিদ্ধ ড্ৰাগছৰ বেহা চলাই অহাৰ অভিযোগ উত্থাপিত হৈ আহিছিল। আৰক্ষীৰ এই অভিযানৰ পাছত অঞ্চলটোত ড্ৰাগছবিৰোধী তৎপৰতা অধিক শক্তিশালী হোৱাৰ আশা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে।

# পূব নলবাৰী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত শৈক্ষিক সভা

অগ্ৰদূত বাৰ্তা
**ঘগ্ৰাপাৰ, ২২ আগষ্ট ঃ** হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ কেন্দ্ৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত পৰীক্ষাৰ্থী আৰু অভিভাৱক যাতে কোনো ধৰণৰ অসুবিধা বা বিবুধিত পৰিবলগীয়া নহয়, সেই দিশটোৰ প্ৰতি গুৰুত্ব আৰোপ কৰাৰ আহ্বান জনাইছে বিশিষ্ট ক্ৰীড়া সংগঠক দীপক কুমাৰ দাসে। পূব নলবাৰী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত ২০ আগষ্টত শিক্ষাসেৱী সুভাষ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত এখন শৈক্ষিক সভাত অংশগ্ৰহণ কৰি দাসে কয় যে পৰীক্ষা কেন্দ্ৰসমূহ এক নিৰ্দিষ্ট দূৰত্বৰ ভিতৰত পৰীক্ষাৰ্থীসকলৰ বাবে সুবিধাজনক স্থানত স্থাপন কৰা উচিত। পৰীক্ষাৰ্থী আৰু অভিভাৱকৰ যাতায়াতৰ সুবিধা, নিৰাপত্তা আৰু অন্যান্য আনুষংগিক বিষয়সমূহৰ প্ৰতিও গুৰুত্ব দিয়াৰ প্ৰয়োজনীয়তা আছে বুলি তেওঁ মত প্ৰকাশ কৰে।

# কল্লোল চিত্ৰাংকন বিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপনৰ প্ৰস্তুতি

ষ্টাফ ৰিপ'ৰ্টাৰ
**নগাঁও, ২২ আগষ্ট ঃ** চিত্ৰশিল্পৰ আনুষ্ঠানিক শিক্ষা প্ৰদানৰ লক্ষ্যৰে নগাঁও চহৰৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক গোষ্ঠী কল্লোলৰ উদ্যোগত ১৯৭৬ ৰ ১২ ছেপ্টেম্বৰত নগাঁও চহৰত স্থাপিতক কল্লোল চিত্ৰাংকন বিদ্যালয়ে চলিত বৰ্ষত সোণালী জয়ন্তী বৰ্ষত পদাৰ্পণ কৰিছে। চিত্ৰশিল্পৰ সোণালী যাত্ৰাপথত কল্লোল চিত্ৰাংকন বিদ্যালয়ে এক গৌৰৱোজ্বল কলাত্মক ইতিহাস ৰচনাৰে সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। কল্লোল চিত্ৰাংকন বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱ বৰ্ষজোৰা কাৰ্যসূচীৰে উদযাপন কৰিবলৈ কল্লোল সাংস্কৃতিক গোষ্ঠীয়ে সিদ্ধান্ত গ্ৰহণ কৰে। সেয়ে কল্লোল চিত্ৰাংকন বিদ্যালয়ৰ প্ৰতিষ্ঠা দিনৰ লগত সংগতি ৰাখি অহা ৰচ আৰু ৰ ছেপ্টেম্বৰত নগাঁও চহৰৰ হলধৰ ভূঞা পথ স্থিত 'কল্লোল ভৱন'ত দুদিনীয়া কাৰ্যসূচীৰে চিত্ৰশিল্প কলাৰ শিক্ষানুষ্ঠানখনৰ সোণালী জয়ন্তীৰ আৰম্ভণি অনুষ্ঠান অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি ১২ ছেপ্টেম্বৰৰ পুৱা পতাকা উত্তোলন, প্ৰাক্তন শিক্ষাৰ্থী আৰু শিক্ষক সমাৰোহ আৰু দুপৰীয়া চিত্ৰ কৰ্মশালা অনুষ্ঠিত হ'ব। আনহাতে, ১৩ ছেপ্টেম্বৰত শোভাযাত্ৰা, দুপৰীয়া চিত্ৰ প্ৰদৰ্শনী মুকলি আৰু মুকলি সভা অনুষ্ঠিত হ'ব। আনহাতে, দেশ বিদেশৰ বিভিন্ন প্ৰান্তত বিয়পি থকা কল্লোল চিত্ৰাংকন বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শুভাকাংক্ষী সকলক সাংস্কৃতিক গোষ্ঠী কল্লোলে সোণালী জয়ন্তী উৎসৱৰ কাৰ্যসূচীলৈ আমন্ত্ৰণ জনোৱাৰ লগতে যোগদানৰ আহ্বান জনায় । এই ক্ষেত্ৰত সবিশেষ জানিবৰ বাবে ৯৪৩৫০৬৩৪১৭, ৮১৩৪০৭৭৪৭৪ আৰু ৮৬৩৮০৯৬২০৬ ম'বাইল নম্বৰত যোগাযোগ কৰিবৰ বাবে কল্লোলৰ সম্পাদক নৌচাদ আখতাৰ হাজৰিকা, কল্লোল চিত্ৰাংকন বিদ্যালয়ৰ অধ্যক্ষ ট্ৰিকেন্দ্ৰজিৎ শইকীয়া আৰু চিত্ৰশিল্পী শৈলেন কুমাৰ দাসে অনুৰোধ জনাইছে।

## মিৰ্জাত দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ অভিনন্দন অনুষ্ঠান

# অসম-মেঘালয়ৰ মাজত স্থায়ী সমাধান ব্যৱস্থাৰ আহ্বান ঃ ড° ভট্টাচাৰ্য




অগ্ৰদূত বাৰ্তা
**পলাশবাৰী, ২২ আগষ্ট ঃ** দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠানটি আজি মিৰ্জাৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে উপলক্ষে পুৱা সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি বেদব্ৰত দাসে। ছহিদ তৰ্পণ কৰে সন্থাৰ সাধাৰণ সম্পাদক চন্দন কলিতাই। দিনৰ ভাগত বেদব্ৰত দাসৰ সভাপতিত্বত অনুষ্ঠিত বিশেষ অভিনন্দন অনুষ্ঠান মুকলি কৰে সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক ভৰজ্যোতি দাসে। এই সভাত মুখ্য অতিথি নগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য সমুদ্ৰগুপ্ত কাশ্যপে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যি শিক্ষামূলক ভাষণ প্ৰদান কৰে। বিশিষ্ট অতিথি সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই ছাত্ৰ-ছাত্ৰীসকলক শিপা পাহৰি নাযাবলৈ কয়। পঢ়া-শুনাৰ লগতে দেশ আৰু সমাজৰ স্বাৰ্থতো কাম কৰি যাবলৈ আহ্বান জনায়। অসম-মেঘালয়ৰ সাম্প্ৰতিক পৰিস্থিতিৰ সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নত তেওঁ দুই চৰকাৰক বিষয়টো সমাধানৰ আহ্বান জনায়। এই সংঘাতৰ সোনকালে সমাধান নকৰিলে পৰিস্থিতি বেয়া হ'ব পাৰে বুলি মত প্ৰকাশ কৰে। এই সভাত লগতে সন্মানীয় অতিথি পলাশবাৰীৰ সমজিলা আয়ুক্ত ভাস্কৰজ্যোতি কলিতা, সমজিলা আৰক্ষী অধীক্ষক ডেইজী গগৈ, দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দাদুল দেউৰী, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীয়ে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰে। আমন্ত্ৰিত অতিথি হিচাপে বিশিষ্টা কণ্ঠশিল্পী গীতাঞ্জলি দাসে উপস্থিত থাকি গীত-মাত পৰিৱেশন কৰে। এই সভাত ২০২৬ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা অঞ্চলটোৰ ১১২ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক এখনি মানপত্ৰ, ফুলাম গামোচা আৰু এটি গছপুলিৰে অভিনন্দন প্ৰদান কৰাৰ লগতে বিভিন্ন বিদ্যালয়ৰ ৩৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা জনোৱা হয়।

# নগাঁৱত বৃদ্ধি পাইছে চুৰিৰ ঘটনা

ষ্টাফ ৰিপ'ৰ্টাৰ
**নগাঁও, ২২ আগষ্ট ঃ** আৰক্ষী প্ৰশাসনৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি অপৰাধী চক্ৰই নগাঁও চহৰ আৰু ইয়াৰ পাৰ্শ্ববৰ্তী অঞ্চলত সঘনাই চুৰিকাণ্ড সংঘটিত কৰাত সাধাৰণ নাগৰিকসকল চিন্তিত হৈ পৰিছে। ঘৰত মানুহ নথকাৰ সুযোগ গ্ৰহণ কৰি চোৰে ইটোৰ পাছত সিটোকৈ চুৰিকাণ্ড সংঘটিত কৰি গৈছে। বিগত কিছুদিন ধৰি নগাঁৱত বহুকেইটা চুৰিৰ ঘটনা সংঘটিত হৈছে যদিও চোৰৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান সফল হোৱা নাই। আজি পুৱতি নিশা নগাঁও চহৰৰ গাতে লাগি থকা ডিফলুত চুৰিকাণ্ড সংঘটিত হয়। চিত্ৰ ৰঞ্জন বৰা নামৰ এজন লোকৰ ঘৰত চুৰিকাণ্ড সংঘটিত হয়। গৃহস্থ শুই থকা অৱস্থাত এই চুৰিকাণ্ড সংঘটিত হয়। চোৰৰ দলে ঘৰৰ ভিতৰত কৌশলেৰে প্ৰৱেশ কৰি চাফাই অভিযান চলায়। চোৰৰ দলে লোকজনৰ ঘৰৰ পৰা লক্ষাধিক টকা মূল্যৰ সোণৰ অলংকাৰসহ নগদ প্ৰায় ২০ হেজাৰ টকা লুট কৰি নিয়ে।

**নাম শুধৰণি**
মই, সনেশ্বৰ ৰায়, পিতা-মৃত পঞ্চানন ৰায়, সাং-কৃষ্ণাই গুৰিয়া ২য় খণ্ড, ডাকঘৰ- আৰু থানা- কৃষ্ণাই, জিলা- গোৱালপাৰা (অসম)। ইং ১৫/০৬/২০২৬ তাৰিখে গোৱালপাৰা ন'টাৰী যোগে সম্পন্ন কৰা এক শপতনামাৰ দ্বাৰা ঘোষণা কৰো যে গোৱালপাৰা জিলাৰ মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত কৃষ্ণাই গুৰিয়া দ্বিতীয় খণ্ড ৰাজহ গাঁৱৰ মাজত ২০৫ নং খেৰাজ ম্যাদী পট্টাৰ, ১আৰু ২৬ নং দাগৰ সৰ্বমুঠ ৮ বিঘা, ২ কঠা, ১১ লেচা এজমালী জমিৰ জমাবন্দী কপিত মোৰ নামটো সনেশ্বৰ ৰায়ৰ পৰিৱৰ্তে ভুলক্ৰমে চনক ৰায় আৰু মোৰ পিতাৰ নামটো পঞ্চানন ৰায়ৰ পৰিৱৰ্তে ভুলক্ৰমে পথচানন ৰায় হিচাপে ৰেকৰ্ড হৈ আছে।

**NAME CORRECTION**
Vide Affidavit on 19/08/2026, I, SANJILA CHAUHAN C/O BINDHYACHAL CHAUHAN R/O Bakalia, Karbi Anglong declare that SANJILA CHAUHAN, wrongly recorded as SONGITA CHAUHAN.

**NAME CHANGE**
I, SACHIN RAI S/O HASTA BAHADUR RAI R/O Tinsukia have changed my name from SASIN RAI to SACHIN RAI vide affidavit Notary, Tinsukia dated 29.07.2026.

# তেজপুৰত অনুবাদ কৰ্মশালা আৰম্ভ




ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ২২ আগষ্ট ঃ** তেজপুৰ সাহিত্য সভাৰ শেহতীয়া অনুবাদ সাহিত্য প্ৰকল্পৰ অধীনত অসমীয়া কালজয়ী সৃষ্টিশীল সাহিত্যসমূহক ইংৰাজী ভাষাৰ পাঠক সমাজৰ মাজলৈ কঢ়িয়াই নিয়াৰ নিৰলস প্ৰয়াস অব্যাহত ৰখা প্ৰখ্যাত অনুবাদক অধ্যাপিকা ড° অনিন্দিতা কৰৰ মুখ্য তত্ত্বাৱধানত আজিৰে পৰা দুদিনীয়াকৈ তেজপুৰ সাহিত্য সভা ভৱনত আৰম্ভ হৈছে এক অনুবাদ কৰ্মশালা। তেজপুৰ সাহিত্য সভাৰ মাইনু হাজৰিকা ন্যাসৰ উদ্যোগত আৰু নগাঁৱৰ বুকনুকৰ সহযোগত অনুষ্ঠিত এই অনুবাদ কৰ্মশালাৰ আজি তেজপুৰ সাহিত্য সভা ভৱনত আৰম্ভ হয় মাইনু হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলিৰে। তেজপুৰ সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি দাসে আৰম্ভ কৰে এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। তেজপুৰ সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক পংকজ বৰুৱাই আঁত ধৰা আৰু সম্পাদক ড° পল্লৱ ভট্টাচাৰ্যই আদৰণি ভাষণ আগবঢ়োৱা আৰম্ভণি অনুষ্ঠানটোত কৰ্মশালাখনৰ মুখ্য তত্ত্বাৱধায়ক ড° অনিন্দিতা কৰৰ বিষয়ে সদৰী কৰে বুকনুকৰ স্বত্বাধিকাৰী তথা অধ্যাপক ড° বিজিৎ বৰঠাকুৰে। ড° বৰঠাকুৰে অনিন্দিতা কৰ এগৰাকী অনুবাদক আৰু সাময়িক কবি বুলি কৈ তেওঁৰ কবিতা আৰু অনুবাদসমূহ সাহিত্য অকাডেমীৰ ইণ্ডিয়ান লিটাৰেচাৰ, মিউজ ইণ্ডিয়া, দ্য এন্ট'নিম, পয়েট্ৰি এট সংগম, দ্য বম্বে লিটাৰেৰী মেগাজিন আদি গুৰুত্বপূৰ্ণ আলোচনীত প্ৰকাশ পাইছে বুলি মন্তব্য কৰি তেওঁৰ অনুবাদ কৰ্মৰাজি বিভিন্ন উল্লেখনীয় সাহিত্য প্ৰকল্পলৈ বিস্তৃত হৈ আছে বুলি কয়। কৰ্মশালাত অংশগ্ৰহণকাৰীসকলক উৎকৃষ্ট অনুবাদ বা অনুবাদক হ'ব পাৰিলে অনূদিত গ্ৰন্থ প্ৰকৃত পথ অৱলম্বনৰ জৰিয়তে বিশ্ব দৰবাৰত ভুমুকি মাৰিব পৰা কৌশল আয়ত্ত কৰিব পাৰিলেহে আমি সফলকাম হ'ব পাৰিম বুলি বৰঠাকুৰে মন্তব্য কৰে। অধ্যাপক ড° বৰঠাকুৰে পাগত উঠা অনুবাদৰ বাবে দ্বিভাষিক অভিধান আদি ব্যৱহাৰৰ প্ৰয়োজনীয়তাৰ কথাও দোহাৰে। উল্লেখ্য যে ইয়াৰ পাছতেই তেজপুৰ বিশ্ববিদ্যালয়, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ লগতে দৰং মহাবিদ্যালয়কে ধৰি একাংশ শিক্ষানুষ্ঠানৰ গৱেষক শিক্ষাৰ্থী, আন শিক্ষাৰ্থী আৰু শিক্ষকেও প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰা এই বিদ্যায়তনিক কৰ্মশালাৰ পূৰ্বেই ড° অনিন্দিতা কৰে তেওঁৰ এই যাত্ৰাৰ কথা সদৰী কৰি এই যাত্ৰা পথৰ অন্যতম গুৰু অধ্যাপক বৰঠাকুৰ বুলি মন্তব্য কৰে। আনহাতে, কৰ্মশালাখনত অংশগ্ৰহণ কৰা শিক্ষাৰ্থীসকলে নিজৰ নিজৰ পৰিচয় দাঙি ধৰাৰ পাছতেই ড° কৰে শিক্ষাৰ্থীসকলক অনুবাদৰ পাঠদান কৰে।

# মৰিগাঁৱত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ নৱাগত আদৰণি অনুষ্ঠান

অগ্ৰদূত বাৰ্তা
**মৰিগাঁও, ২২ আগষ্ট ঃ** অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ মৰিগাঁও নগৰ শাখাৰ উদ্যোগত ২০ আগষ্টত মৰিগাঁৱত নৱাগত আদৰণি আৰু কৃতী ছাত্ৰ-ছাত্ৰীৰ এটি সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। মৰিগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানৰ আৰম্ভণিতে একোগছিকৈ বন্তি প্ৰজ্বলন কৰে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ নগাঁও, হোজাই আৰু মৰিগাঁও জিলাৰ বিভাগ সংযোজক দীপাংকৰ বৰ্ধন আৰু মৰিগাঁও জিলা সমিতিৰ সভাপতি সৌৰভ হাজৰিকাই। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতি, জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকা, বিশিষ্ট সমাজকৰ্মী বিষ্ণু ভাগৱতী, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ নগাঁও, হোজাই আৰু মৰিগাঁও জিলাৰ বিভাগ সংযোজক দীপাংকৰ বৰ্ধনে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি একোটাকৈ উদগনিমূলক ভাষণ প্ৰদান কৰে। অনুষ্ঠানত মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মা, প্ৰাক্তন সম্পাদক প্ৰণৱ ভট্টাচাৰ্য প্ৰমুখ্যে কে'বাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা জিলাখনৰ ১৫০ গৰাকী কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক গামোচা, মানপত্ৰ আদিৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ আঁত ধৰে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ মৰিগাঁও নগৰ শাখাৰ সম্পাদক ৰিকি প্ৰবাল দলৈ আৰু কৰ্মকৰ্তা গৰিমা দেৱীয়ে। এই নৱাগত আদৰণি আৰু কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰতিষ্ঠিত কণ্ঠশিল্পী দীপান্বিতা ডেকাৰ অংশগ্ৰহণৰে এটি সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

# জীৱন চন্দ্ৰ শৰ্মা বঁটা ২০২৬ৰ লেখা আহ্বান

**গুৱাহাটী, ২২ আগষ্ট ঃ** বিশিষ্ট ভাষাতত্ত্ববিদ, মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক তথা প্ৰবন্ধকাৰ জীৱন চন্দ্ৰ শৰ্মাৰ আঠ অক্টোবৰৰ মৃত্যু তিথিৰ লগত সংগতি ৰাখি 'জীৱন চন্দ্ৰ শৰ্মা স্মৃতি ন্যাসৰ' উদ্যোগত প্ৰতি বছৰে একাদশ শ্ৰেণীৰ পৰা স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষাৰ্থীসকলৰ মাজত সদৌ অসম ভিত্তিত এখন প্ৰবন্ধ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। এইবেলি প্ৰথমবাৰৰ বাবে 'জীৱন চন্দ্ৰ শৰ্মা বঁটা ২০২৬' প্ৰদান কৰা হ'ব। এই বঁটাত থাকিব ১০ হেজাৰ টকাৰ নগদ ধন, এটা স্মাৰক আৰু এখন মানপত্ৰ। প্ৰবন্ধৰ বিষয় ঃ 'অসমত অভিধান চৰ্চাৰ ইতিহাস' ১৫শ শব্দৰ ভিতৰত অসমীয়া ভাষাত লিখা প্ৰবন্ধটো অহা ১০ ছেপ্টেম্বৰ, ২০২৬ৰ ভিতৰত তলত দিয়া ঠিকনাত পঠিয়াব লাগিব। প্ৰবন্ধটো তলত উল্লেখ কৰা ম'বাইল নম্বৰ অথবা ই-মেইল ঠিকনালৈও পিডিএফ ৰূপতো পঠিয়াব পাৰিব। প্ৰতিযোগীসকলে প্ৰবন্ধটোৰ লগত অধ্যয়ন কৰি থকা শিক্ষানুষ্ঠানৰ প্ৰমাণপত্ৰ, একপি পাছপ'ৰ্ট আকাৰৰ ফটো আৰু যিকোনো এখন পৰিচয়পত্ৰ প্ৰেৰণ কৰিব লাগিব। প্ৰতিযোগিতাৰ বাবে কোনো ভৰ্তি মাচুল নালাগে। প্ৰবন্ধ জমা দিয়াৰ ঠিকনা ঃ ঘৰ নম্বৰ ৩৫, গোসাঁইবাৰী, বেলতলা কলেজ ৰোড, বেলতলা, ম'বাইল নম্বৰ ঃ ৯৮৬৪০৬১৭৭৮, ই-মেইল bedanta69@ediffmail.com অসমীয়া ভাষা-সাহিত্য আৰু অভিধান চৰ্চাৰ ইতিহাসৰ প্ৰতি আগ্ৰহী সকলো যোগ্য শিক্ষাৰ্থীক এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ আন্তৰিকতাৰে আহ্বান জনোৱা হৈছে।

# দুই ৰাজ্যৰ মীমাংসাৰ পাছতো ফেপেৰি

*এক পৃষ্ঠাৰ পৰা* যোৱাবাটত ৰূপায়ণ কৰা অৱৰোধ প্ৰত্যাহাৰ কৰিলেও বিপৰীত স্থিতি গ্ৰহণ কৰিছে মেঘালয়ৰ চালক সন্থাই। আজি গুৱাহাটীত দুয়োখন ৰাজ্যৰ মন্ত্ৰী পৰ্যায়ত হোৱা আলোচনাৰ পাছত অসম ৰাজ্যিক চালক সন্থাৰ উদ্যোগত যোৱাবাটত মেঘালয়ৰ বাহনক অসমত প্ৰৱেশত বাধা দিয়া কাৰ্যসূচী প্ৰত্যাহাৰ কৰা হয়। ইয়াৰ লগতে অসমত মেঘালয়ৰ বাহনে প্ৰৱেশ কৰিব পাৰিব বুলিও চালক সন্থাই ঘোষণা কৰে। কিন্তু ইয়াৰ বিপৰীতে আজি নিশা 'অল খাচি মেঘালয় টুৰিষ্ট টেক্সী এছ'চিয়েছন'-এ তেওঁলোকৰ প্ৰতিবাদ অব্যাহত ৰাখিব বুলি ঘোষণা কৰে। সংগঠনটোৰ নেতৃবৃন্দই ঘোষণা কৰে যে অসমত পঞ্জীয়নভুক্ত টুৰিষ্ট বাহনক তেওঁলোকে মেঘালয়ত প্ৰৱেশ কৰিব নিদিয়ে। মেঘালয়ৰ টুৰিষ্ট বাহনেও অসমত প্ৰৱেশ নকৰে। সেই অনুসৰি মেঘালয়ৰ টুৰিষ্ট বাহনে পৰ্যটকক কঢ়িয়াই আনি আন্তঃৰাজ্যিক সীমান্তৰ যোৱাবাটত নমাই দিব। সংগঠনটোৱে তেওঁলোকৰ এই সিদ্ধান্তক লৈ কাইলৈ পুৱা আঠ বজাৰ পৰা বৰ্ণিহাটত অৱস্থান কাৰ্যসূচীও ৰূপায়ণ কৰিব। এই কাৰ্যসূচীত মেঘালয়ৰ স্থানীয় সকলো টুৰিষ্ট বাহনৰ সংগঠনৰ প্ৰতিনিধিক যোগদান কৰিবলৈও আহ্বান জনাইছে। সংগঠনটোৱে আজিৰ যৌথ বৈঠকত মেঘালয়ৰ বাহনৰ ক্ষতি হোৱাক লৈ কোনো সিদ্ধান্ত গ্ৰহণ নকৰা বুলিও ক্ষোভ প্ৰকাশ কৰে। সংগঠনটোৱে অভিযোগ কৰে যে যোৱাবাটত চলা অসমৰ চালকৰ প্ৰতিবাদৰ সময়ত মেঘালয়ৰ কে'বাখনো বাহনৰ ক্ষতিসাধন কৰা হয়। সেইবোৰৰ ক্ষতিপূৰণক লৈ কোনো সিদ্ধান্ত নহ'ল। অথচ শ্বিলঙত অসমৰ বাহনৰ হোৱা ক্ষতিৰ ক্ষতিপূৰণ দিবলৈ মেঘালয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে।

# ৰাজপথত বিধায়ক অৰূপ কুমাৰ দেৰ

*এক পৃষ্ঠাৰ পৰা* দেৰ কনভয়ৰ গাড়ীৰে এখন স্কুটীক খুন্দিওৱাত আজি অঞ্চলটোৰ ঝাৰবিষপানীত এক উত্তাল পৰিৱেশৰ সৃষ্টি হয়। দুৰ্ঘটনাটোৰ পাছতে বিধায়কৰ সতীৰ্থসকল আৰু একাংশ লোকৰ মাজত প্ৰচণ্ড মাৰধৰ লাগে। অভিযোগ অনুসৰি বিধায়ক হোৱা সত্ত্বেও সাত-আঠখন গাড়ী লৈ জনবসতিপূৰ্ণ অঞ্চলটোত বিধায়ক দে তীব্ৰ বেগে যাত্ৰা কৰি আছিল। সেয়েহে একাংশ লোক অতিষ্ঠ হৈ বিধায়কৰ সতীৰ্থসকলৰ স'তে মাৰধৰত লিপ্ত হয়। ইয়াকে লৈ পৰিস্থিতি উত্তপ্ত হোৱাত কনভয়সহ বিধায়কজনে পলায়ন কৰে। তেতিয়া একাংশ লোকে বিধায়কৰ কনভয়ৰ এখন গাড়ী (এএছ-১৭ ই-৮৫৪৩)ৰ সন্মুখৰ গ্লাছ ভাঙি পেলোৱাৰ অভিযোগ উত্থাপন হৈছে। পাছত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ইয়াৰ পূৰ্বে একাংশ ক্ষুব্ধ লোকে বিধায়কৰ একাধিক সতীৰ্থক গাড়ীৰ পৰা টানি-আঁজুৰি বাহিৰলৈ আনি চৰ-ঘোচা শোধায়। আনহাতে ঘটনাৰ একাংশ প্ৰত্যক্ষদৰ্শীয়ে কয়, 'আমি বিধায়কৰ সতীৰ্থসকলক ইমান বেগেৰে গাড়ী নচলাবলৈ অনুৰোধ জনাইছিলো। তাকে লৈ তেওঁলোক ক্ষুব্ধ হৈ মাৰধৰত লিপ্ত হয়। এই পথেৰে স্কুলীয়া অনেক ল'ৰা-ছোৱালীয়েও যাতায়াত কৰি থাকে। গতিকে আমি ইমান বেগেৰে গাড়ী নচলাবলৈ অনুৰোধ জনাইছিলো। তাতে তেওঁলোক ক্ষুব্ধ হৈ উঠে।' অৱশ্যে কি কাৰণত বিধায়কজনে অধিক গাড়ীৰে বিচৰণ কৰি ফুৰে সেয়া পোহৰলৈ অহা নাই। আনহাতে, আৰক্ষীয়ে জনোৱা মতে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত আছে।

# 'মোক চৰকাৰে কি দিছে' বুলি গালি

*এক পৃষ্ঠাৰ পৰা* আৰক্ষীয়ে জনোৱা মতে, উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত চৌটাকীৰ মছজিদৰ ওচৰৰ নিৱাসী বাপন ৰায় ওৰফে বিপন্ন ৰায়ৰ ঘৰত লোকপিয়লৰ গণনাকাৰী ভাস্কৰ চন্দ্ৰ দাস আজি চাৰি বজাত উপস্থিত হয়। তাৰ পাছতে ঘৰৰ গৰাকী ৰায়ে 'মোক চৰকাৰে কি দিছে', 'তোমালোক চৰকাৰৰ মানুহ', 'তোমালোকে কি কৰিছা' বুলি গালি পাৰি লোকগণনাকাৰীজনক চোকা অস্ত্ৰৰে আক্ৰমণ কৰিবলৈ উদ্যত হয়। ঘটনাৰ আকস্মিকতাত কিংকৰ্তব্যবিমূঢ় হৈ পৰা লোক গণনাকাৰীজনে ওচৰৰে আন এঘৰত উপস্থিত হৈ কথমপি প্ৰাণৰক্ষা পৰে। পাছত ঘটনাৰ খবৰ পাই ৰাজহ চক্ৰ বিষয়া তৎপৰ হৈ উঠাত দাসক ঘটনাস্থলীৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰি আনে। তেওঁ দাখিল কৰা এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰিছে। অৱশ্যে বাতৰি লিখা পৰলৈ ঘটনাৰ প্ৰকৃত কাৰণ পোহৰলৈ অহা নাই। ঘটনা সম্পৰ্কত আৰক্ষীৰ তদন্ত অব্যাহত আছে।

# ফাঁচীবজাৰৰ তিনিটা মূল পথ হ'ব

*এক পৃষ্ঠাৰ পৰা* তিনিটা মুখ্য পথক কেন্দ্ৰ কৰি চলা ব্যৱসায় নিষিদ্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু গুৱাহাটী পৌৰ নিগমে। আজি ইয়াৰ বাবে এখন জৰুৰী সভা অনুষ্ঠিত হয়। গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰাইৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত অহা পহিলা ছেপ্টেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ ফাঁচীবজাৰৰ সদাব্যস্ত এমএছ পথ আৰু এইছবি পথ ব্যৱসায় নিষিদ্ধ অঞ্চল ঘোষণা হ'ব। তাৰ পাছতে ব্যৱসায় নিষিদ্ধ কৰা হ'ব সৰ্বপৰিচিত এছএছ পথটো। এই বৈঠকত মন্ত্ৰী ৰাই মন্তব্য কৰে যে ফাঁচীবজাৰত দীৰ্ঘদিনৰ পৰা চলি অহা যানজঁটৰ সমস্যা দূৰ কৰাৰ লগতে যানবাহন ব্যৱস্থাপনা উন্নত কৰাৰ উপৰি সুশৃংখল ব্যৱসায়িক পৰিৱেশ নিশ্চিত কৰিবলৈ উক্ত তিনিটা পথ ব্যৱসায় নিষিদ্ধ অঞ্চল হিচাপে ঘোষণাৰ সিদ্ধান্ত লোৱা হয়। যানবাহন ব্যৱস্থাপনা আৰু পাৰ্কিং ব্যৱস্থাৰ অংশ হিচাপে উক্ত পথকেইটাৰে নিশা ন বজাৰ পৰা পুৱা সাত বজালৈ বাণিজ্যিক বাহন চলাচল কৰিব পাৰিব। পথকেইটাত সাধাৰণ ৰাইজৰ যানবাহনৰ বাবে পাৰ্কিঙৰ ব্যৱস্থা উপলব্ধ হ'ব। তদুপৰি পথকেইটাত ঠেলা চলাচলৰ অনুমতিও থাকিব। আজিৰ সভাখনত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, জিলা আয়ুক্ত স্বপ্নীল পাল, পৌৰ নিগমৰ আয়ুক্ত চিন্ময় প্ৰকাশ ফুকন, যানবাহন শাখাৰ উপ-আৰক্ষী আয়ুক্ত জয়ন্ত সাৰথি বৰা আদি উপস্থিত থাকে।

# নগালেণ্ডত খনিজ সম্পদৰ খনন

*এক পৃষ্ঠাৰ পৰা* এক আলোচনাত মিলিত হয়। আলোচনাৰ অন্তত আটাছু নেতৃত্বৰ স'তে এখন যৌথ সংবাদমেলত কন্যাক ইউনিয়নৰ সভাপতি কন্যাকে কয়, 'পূব অসমৰ শেহতীয়া জলপ্ৰলয়ৰ কাৰণ নগালেণ্ডৰ নদীবান্ধত পানী জমা হোৱাৰ ফলত হোৱা নাই। নগালেণ্ডত কোনো নদীবান্ধ নাই। অৱশ্যে নগালেণ্ডত হোৱা কয়লা-শিল-বালি আদিৰ অবৈধ খনন এই বানৰ এটা কাৰণ হ'ব পাৰে। এইসমূহ সম্পদ নগালেণ্ডৰ; কিন্তু এই সমূহৰ খনন নগা লোকে নকৰে। এই খননৰ ঠিকাদাৰসকল হয় অসমৰ নতুবা বেলেগ ৰাজ্যৰ। এই খনন আৰু পৰিবহণ অসমৰ লোকৰ দ্বাৰা আৰু অসমৰ মাজেৰে হয়।' এই খনিজ সম্পদৰ খনন যাতে বৈজ্ঞানিক পদ্ধতিৰে আৰু পৰিৱেশৰ বিৰূপ প্ৰভাৱ নপৰাকৈ হয় তাৰ প্ৰতি সজাগ হৈ থাকি ব্যৱস্থা গ্ৰহণ কৰিব বুলিও নগা সংগঠনটোৰ নেতাজনে মন্তব্য কৰে। লগতে তেওঁ ভৱিষ্যতে অসম-নগালেণ্ডৰ মাজত পাৰস্পৰিক সহযোগিতা বৃদ্ধিৰো আশা কৰে। তেওঁ লগতে প্ৰকাশ কৰে যে পূব অসমৰ শেহতীয়া জলপ্ৰলয়ৰ ফলত নগালেণ্ডতো নজন লোকৰ মৃত্যু হয়। আনহাতে, সংবাদমেলত আটাছু সভাপতি গগৈয়ে কয়, 'আজি আলোচনাত সাম্প্ৰতিক জলপ্ৰলয় আৰু প্ৰাকৃতিক দুৰ্যোগৰ পৰা দুয়োখন ৰাজ্যৰ লোকক ৰক্ষা সম্পৰ্কেও আলোচিত হয়। নগালেণ্ডৰ খনিজ সম্পদ নগা জনতাৰ সম্পদ। দেশৰ সংবিধানৰ ৩৭১ অনুচ্ছেদে এই সম্পদৰ অধিকাৰ নগা জনতাক দিছে। এই সম্পদ কেন্দ্ৰ অথবা ৰাজ্য চৰকাৰৰ নহয়। গতিকে এই সম্পদৰ বৈজ্ঞানিক খনন আৰু উচিত ব্যৱহাৰৰ দ্বাৰা দুয়োখন ৰাজ্যৰ জনতাৰ মাজত ভ্ৰাতৃত্ববোধ কিদৰে বৰ্তাই ৰাখিব পাৰি সেই বিষয়েও আজি আলোচনা কৰো।' গগৈয়ে লগতে জনোৱা মতে, নগালেণ্ডত হোৱা কয়লা খনন, শিল খনন, বন ধ্বংসৰ আৰু এই ধ্বংস কাৰ্য ৰোধৰ বিষয়েও আজি তিনি নগা সংগঠনসমূহৰ স'তে আলোচনা কৰা হয়। তদুপৰি অসম-নগালেণ্ড সীমা সমস্যা সমাধানৰ বিষয়েও সভাত আলোচিত হয় বুলি তেওঁ জনায়।

## আজিৰ দিনটো


**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ৮৮২২৯-১১১৭১, ৯০৮৫৯৪৯৩০৯

### ৫ ভাদ দেওবাৰ ২৩ আগষ্ট

**সূৰ্যোদয় ঃ** ঘঃ ৫।১।৪২। **সূৰ্যাস্ত ঃ** ঘঃ ৫।৫০।৭। **তিথি ঃ** শুক্লা, একাদশী, দং ৫৬।৫০।৫৩ ৰাঘ ৩।৪৬।৩। **নক্ষত্ৰ ঃ** মূলা, দং ৩৩।৪৭।৪৮ সঘ ৬।৩২।৪৯। **যোগ ঃ** বিষ্কুম্ভ, দং ৭।৫৭।৫৭ ঘঃ ৮।১২।৫৩। **কৰণ ঃ** বণিজ। **জন্মত ঃ** ধনুৰাশি, ক্ষত্ৰিয়বৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, দেৱাৰিগণ, গন্ধৰ্বৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী শনি বিংশোত্তৰী কেতুৰ দশা, সঘ ৬।৩২।৪৯ যোৱাত মনুষ্যগণ, অষ্টোত্তৰী বৃহস্পতি, বিংশোত্তৰী শুক্ৰৰ দশা। **আদ্যঋতু হ'লে ঃ** তিনিমহীয়া পতিহীনা যোগ, সাতদিনীয়া সুভগা যোগ। **মৰণত দোষ ঃ** এপদ, ৰাঘ ৩।৪৬।৩ যোৱাত দ্বিপদ। **যোগিনী ঃ** অগ্নিকোণত, ৰাঘ ৩।৪৬।৩ যোৱাত নৈঋতকোণত। **যাত্ৰা ঃ** শুভ ত্ৰ্যমৃতযোগ, পশ্চিমত নাই সঘ ৬।৩২।৪৯ যোৱাত নাই, পাপযোগ দোষ, ৰাঘ ৩।৪৬।৩ যোৱাত দিনদগ্ধা দোষ। **শুভকৰ্ম ঃ** দীক্ষা, জাতকৰ্ম, নামকৰণ, ৰত্নাদিধাৰণ, নৱবস্ত্ৰ, পৰিধান, দোকান-নাট্যাৰম্ভ, নাওযাত্ৰা, আৰোগ্যস্নান গ্ৰহপূজা শান্তিস্বস্ত্যয়ন, গছৰোৱা, ধানৰোৱা, ঋণদান, ঋণগ্ৰহণ, ক্ৰয়-বিক্ৰয়, ঔষধকৰণ আৰু সেৱন। **ভক্ষ্যাভক্ষ্য ঃ** উৰহী, ৰাঘ ৩।৪৬।৩ যোৱাত পূবৈশাক খোৱা আৰু প্ৰায়শ্চত্ত নিশেষ।

***দিনটোৰ ৰাশিফল***

**মেষ ঃ** যুক্তিসংগত কথাৰ বাবে আপুনি কিছু কষ্ট অনুভৱ কৰিব। কোনো কথাৰ পৰিৱেশত অনাহক চিন্তিত হ'ব পাৰে। ঘৰুৱাত বাধা কম। হঠাৎ ব্যস্ততা বৃদ্ধি। শুভ ৰং বগা। শুভ সংখ্যা ১।

**বৃষ ঃ** কৰ্মস্থানত নিজৰ দায়িত্ব পালন কৰক। দাৰ্শনিক চিন্তাই কিছু উদ্বুদ্ধ কৰিব। দাম্পত্যত শুভ ফল ব্যৱসায়ত টকা খটুৱালে লাভৰ কাৰকতা। প্ৰেমত বাধা আঁতৰিব। শুভ ৰং ৰঙা। শুভ সংখ্যা ৩।

**মিথুন ঃ** কমক্ষেত্ৰত সহকৰ্মীৰ মতামতক প্ৰাধান্য নিদিব। আৰ্থিক লেন-দেনত গুৰুতনৰ পৰামৰ্শ লোৱা বাঞ্ছনীয় অভিনেতা-অভিনেত্ৰীসকলৰ কাৰ্যদক্ষতা হ্ৰাস পাব। শুভ ৰং গেৰুৱা। শুভ সংখ্যা ৫।

**কৰ্কট ঃ** নিবনুৱা ব্যক্তিসকলৰ কৰ্মপ্ৰাপ্তি যোগ। ভাবি থকা কামত বাধাৰ কাৰকতা। পতি-পত্নীৰ যৌথ প্ৰচেষ্টা সফল হোৱাৰ কাৰকতা। দেহভাৱ স্বাভাবিক। শুভ ৰং কমলা। শুভ সংখ্যা ২।

**সিংহ ঃ** অভিনৱ পৰিকল্পনাৰ সুদক্ষ ৰূপায়ণ আৰু মান-সন্মান বৃদ্ধি। কৰ্ম আৰু ধৰ্মত সমভাৱে আসক্ত হ'ব পাৰে। দাম্পত্য সম্পৰ্ক শুভ। ধনাভাৱ যথাযথ। শুভ ৰং হালধীয়া। শুভ সংখ্যা ২।

**কন্যা ঃ** কৰ্মত অগ্ৰিম পদোন্নতি। মনোবল বৃদ্ধি আৰু উদ্যোগ প্ৰতিষ্ঠাৰ চেষ্টা। পুত্ৰ বা কন্যাৰ পৰা ক্ষয়-ক্ষতিৰ আশংকা। সমস্ত্য স্থলত অপতা লাভ। শুভ ৰং ক'লা। শুভ সংখ্যা ৪।

**তুলা ঃ** প্ৰয়োজনীয় আৰু অপ্ৰয়োচনীয় কথাত মন গধুৰ হৈ থাকিব। কিন্তু সামগ্ৰিকভাৱে সমগ্ৰ দিনটো অনুকূল প্ৰভাৱ থাকিব। বুদ্ধিৰো উন্নত ফল।শুভ ৰং নীলা। শুভ সংখ্যা ৭।

**বৃশ্চিক ঃ** শৰীৰ ভালেই যাব। পাৰিবাৰিক ক্ষেত্ৰত সু-সংবাদ লাভৰ কাৰক। কোনো বিষয়তে ভাৱপ্ৰৱণতা বা কক্ষতা বৰ্জন কৰাই উচিত। ভ্ৰমণত মধ্যম। শুভ ৰং গুলপীয়া, শুভ সংখ্যা ৬।

**ধনু ঃ** উন্নত সংযোগ। ভ্ৰমণত সাধাৰণ ব্যাঘাত। আৰ্থিকত যিমান আশা কৰিব তাৰ কিয়দংশ হে মৃদু পূৰণৰ আশা। দিনৰ ১০ বজাৰ পৰা এঘন্টা সময় কাৰ্যকৰী। শুভ ৰং আকাশী নীলা। শুভ সংখ্যা ৮।

**মকৰ ঃ** পাৰিপাৰ্শ্বিকৰ পৰা কিছু অশান্তি বা কৰ্মক্ষতি আদিৰ সম্ভাৱনা আছে। নিজৰ অজান্তে কোনো প্ৰগতিশীল কৰ্মত ক্ষতিগ্ৰস্ত হ'ব পাৰে। বিদ্যাত বেয়া নহ'ব। শুভ ৰং ক'লা। শুভ সংখ্যা ১।

**কুম্ভ ঃ** মনটো ধীৰে ধীৰে ভালৰ পিনে আহিব। ব্যৱসায়ত চিন্তাৰ কাৰণ নাই। কৰ্মস্থান শুভ বুলি ক'ব পাৰি অৰ্থভাগ্যৰ সুযোগ। দাম্পত্য জীৱন মধুৰ হ'ব। শুভ ৰং কমলা। শুভ সংখ্যা ৩।

**মীন ঃ** অবাস্তৱ কথাৰ মাজত কষ্ট পাব। যোগাযোগত সুফল ক'ম পাব। শৰীৰ সম্পৰ্কে উদাসতা। খৰচ-পাতি বৰ্জন কৰক। উপৰ্যুপতি দায়িত্বৰ কাৰক। প্ৰেমত শুভ সংযোগ। শুভ ৰং গেৰুৱা। শুভ সংখ্যা ২।

## শব্দবেহু ঃ ২৩ আগষ্ট ২০২৬



**পথালিয়ে**
১। খং, ক্ৰোধ, ৰোষ (২)
২। মেকুৰী (৩)
৪। হাঁহ, বিষ্ণুৰ এক অৱতাৰ (৩)
৬। ধুন-পেচ, আমোদ-প্ৰমোদ (২)
৭। অতি অলপ সময়, মুহূৰ্ত (৩)
১০। প্ৰাপ্ত, লাভ কৰা (২)
১১। চিৰন্তন, নিত্য, সদায় থকা (৪)
১৩। ছানাই আদিৰ ঐকতান-বাদন (৪)
১৫। প্ৰাপ্তি, ব্যৱসায়ৰ পৰা হোৱা আয় (২)
১৬। নায়ক, তদাৰক কৰোঁতা (৩)
২০। প্ৰস্তুত, সপ্তম (২)
২১। কোনো বস্তু ধৰিবলৈ তাৰ গাত লগোৱা বেতৰ আঙঠি (৩)
২২। শপত, আদালতত সাঁচা ক'বলৈ লোৱা শপত (৩)
২৩। গিৰ্মিটীয়া বনুৱা (২)

**থিয়কৈ**
১। কোৰ্হাল, হাই-উৰুমি (৪)
২। সংগীতৰ এটা ৰাগ (৩)
৩। দয়া, কৃপা (৩)
৫। ভাৰসাম্য ৰক্ষা হৈ থকা অৱস্থা (৪)
৮। মহামাৰী, জহনী ৰোগ (৩)
৯। অৱস্থান, বস্ত্ৰ, বসন (২)
১২। অভিযোগ, মোকৰ্দমা (৩)
১৩। বতাহ, বায়ু (৪)
১৪। বাদানুবাদ, বাচ্যাবাচ্যি (২)
১৭। সপ্ত পাতালৰ নিম্নতমখন (৪)
১৮। গ্ৰাস, মুখত এবাৰতে ধৰা পৰিমাণৰ বস্তু (৩)
১৯। অতিপাত চেঁচা হৈ গোট মৰা পানী (৩)

উত্তৰ অহা সংখ্যাত

**২২ আগষ্ট ২০২৬ সংখ্যাৰ উত্তৰ**

**পথালিয়ে**
২। বিলাস ৪। মৰিশালি ৭। চহা ৯। মাৰ্জনা ১০। ৰসনা ১২। ৰৰ ১৩। ময়ু ১৬। গদা ১৮। ফৰ্দ ১৯। ফটকা ২১। লতাৰ ২২। পাব ২৪। নৰহৰি ২৫। দগধা

**থিয়কৈ**
১। আদিজামাল ৩। সমাদৰ ৪। মচ ৫। ৰিহা ৬। লিপ্যন্তৰ ৮। অনাময় ১১। সন্ধি ১৪। আদালত ১৫। তট ১৭। বাৰবনিতা ১৮। ফৰমান ২০। কাকুবাদ ২২। পাহ ২৩। বৰি

C M Y K

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

গুৱাহাটী, ২৩ আগষ্ট ২০২৬ দেওবাৰ পৃষ্ঠা তিনি

## অখিলে ক্ষমা খোজাৰ দাবীৰে শিৱসাগৰত বিজেপিৰ প্ৰতিবাদী কাৰ্যসূচী

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২২ আগষ্টঃ** শিৱসাগৰৰ বিধায়ক অখিল গগৈক ক্ষমা খোজাৰ দাবীৰে আজি শিৱসাগৰত জিলা বিজেপিয়ে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। শিৱসাগৰ নগৰৰ দলমুখ চাৰিআলিত অৱস্থিত সুধাকণ্ঠ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিৰ কাষত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদস্থলীত শিৱসাগৰ জিলা বিজেপিয়ে এখন প্ৰতিবাদী আঠ পৃষ্ঠাত চাওক

## যোৰহাটৰ গৰুমাৰাত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২২ আগষ্টঃ** যোৰহাটৰ পুলিবৰ আৰক্ষী থানাৰ অন্তৰ্গত মধ্যগৰুমৰা নামঘৰৰ উত্তৰ দিশৰ মৰিদিচৈত আজি এখন নদীৰ মেটেকাৰ মাজৰ পৰা এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হয়। স্থানীয় লোকসকলে খেতিপথাৰলৈ নাৱৰে পাৰ হৈ যোৱাৰ সময়ত আঠ পৃষ্ঠাত চাওক

### বৰবালি বালিকা প্ৰাথমিকৰ ১০৬ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে থকা শিক্ষকজনকো নিয়োজিত

# লোকপিয়লৰ বাবে বিদ্যালয়ত পাঠদান বন্ধ

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ২২ আগষ্টঃ** জিলা প্ৰশাসনৰ অবিবেচক কাণ্ডৰ ফল ভুগিছে হোজাইৰ একাংশ চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে। বিশেষকৈ লোকপিয়লৰ কামত এজনীয়া শিক্ষক থকা বিদ্যালয়সমূহ ৰেহাই নিদিয়াত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে হোজাইতো একাংশ চৰকাৰী বিদ্যালয়ত পাঠদান ব্যাহত হৈছে। জিলাখনৰ লংকা শিক্ষাখণ্ডৰ অন্তৰ্গত মোৰাঝাৰ বৰবালি প্ৰাথমিক বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশত ব্যাঘাত জন্মিছে বুলি অভিযোগ উঠিছে। তথ্য অনুসৰি বিদ্যালয়খনত মুঠ ১০৬জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে শিক্ষক আছে মাথোঁ এজন। অভিযোগ অনুসৰি, শেহতীয়াকৈ চলি থকা লোকপিয়লৰ কামত জিলা প্ৰশাসনে একমাত্ৰ প্ৰধান শিক্ষক বুধেশ্বৰ বৰদলৈক নিয়োজিত কৰিছে। যাৰ বাবে যোৱা কিছুদিন ধৰি বিদ্যালয়খনৰ পাঠদান সম্পূৰ্ণৰূপে বন্ধ হৈ আছে। শিক্ষাৰ অধিকাৰ আইন ২০০৯ অনুসৰি প্ৰতি ৩০জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন শিক্ষক থাকিব লাগে যদিও কিন্তু এই বিদ্যালয়ত ১০৬ঃ১ অনুপাতে এজন শিক্ষকৰে চলি আছে। এনে অৱস্থাত শিক্ষকজনক লোকপিয়লৰ কামত নিয়োগ কৰাত অভিভাৱকৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে।

**লোকপিয়লৰ কামত নিয়োজিত জিলা প্ৰশাসনৰ অবিবেচক কাণ্ড**

বিদ্যালয় পৰিচালনা সমিতি আৰু অভিভাৱকে সদৰী কৰা মতে, প্ৰতিদিনে ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়লৈ আহি শিক্ষক নাপাই ঘৰলৈ উভতি যাবলগীয়া হৈছে। সেয়েহে এজনীয়া শিক্ষক যুক্ত বিদ্যালয়সমূহৰ শিক্ষকক লোকপিয়লৰ দৰে অতিৰিক্ত দায়িত্বৰ পৰা ৰেহাই দিয়াৰ নিয়ম থকাৰ পাছতো কিয় নিয়োগ কৰা হ'ল তাকে লৈ প্ৰশ্ন উত্থাপিত হৈছে। এই ক্ষেত্ৰত লংকা শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া আৰু হোজাই জিলা আয়ুক্ত মোৰাঝাৰ বৰবালি বালিকা প্ৰাথমিক বিদ্যালয়ৰ অতিৰিক্ত শিক্ষক নিয়োগৰ লগতে একমাত্ৰ শিক্ষকজনক লোকপিয়লৰ দায়িত্বৰ পৰা অব্যাহতি দি বিদ্যালয়খনত পাঠদান প্ৰক্ৰিয়া অব্যাহত ৰখাৰ দাবী উত্থাপন কৰিছে ৰাইজে।



শ্বিলঙত অসমীয়া লোকৰ বাহনত আক্ৰমণ কাণ্ড, যোৰহাটত কেব চালকৰ প্ৰতিবাদ।

## কুসুমটোলাত দুৰ্ঘটনাত প্ৰাক্তন সৈনিকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২২ আগষ্টঃ** জামুগুৰিহাটৰ কুসুমটোলাত আজি চাৰিশাৰীযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ সংঘটিত এক পথ দুৰ্ঘটনাত এজন প্ৰাক্তন সৈনিকৰ মৃত্যু হয়। মৃত লোকজন প্ৰহ্লাদ হাজৰিকা। তথ্য মতে, প্ৰাক্তন সৈনিক হাজৰিকাই স্কুটীৰে আহি থকাৰ সময়ত এখন বাছে প্ৰচণ্ড জোৰে খুন্দা মাৰে। ফলত গুৰুতৰভাৱে আহত লোকজনক কুসুমটোলাৰ মডেল হাস্পতাললৈ নিয়া হয়। প্ৰাথমিক চিকিৎসাৰ অন্তত বুকুত আৰু মূৰত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা আঠ পৃষ্ঠাত চাওক

■ বান বিধ্বস্তক চৰকাৰী ক্ষতিপূৰণ প্ৰদানৰ দাবী ■ চৰকাৰে প্ৰদান কৰা তুলী অতি নিম্নমানৰ বুলি দাবী ■ তুলীত শুই প্ৰতিবাদ ■ আয়ুক্তৰ বিৰুদ্ধে সৰৱ কৃষক মুক্তি

## শিৱসাগৰত বানত ক্ষতিগ্ৰস্ত লোক-কৃষক মুক্তিৰ প্ৰতিবাদ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২২ আগষ্টঃ** শিৱসাগৰৰ প্ৰলয়ংকৰি বানত ক্ষতিগ্ৰস্ত লোকসকলক চৰকাৰী ক্ষতিপূৰণ দিয়াৰ লগতে মুখ্যমন্ত্ৰীৰ তাৎক্ষণিক এককালীন সাহায্য ১৫ হেজাৰ টকাৰ প্ৰাপ্য প্ৰদানৰ দাবীত আজি কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। শিৱসাগৰৰ দ'লমুখ চাৰিআলিৰ পৰা জিলা আয়ুক্তৰ কাৰ্যালয়লৈ এক প্ৰতিবাদী সমদল উলিয়াই জিলা কৃষক মুক্তিয়ে বানপীড়িত ৰাইজৰ সহযোগত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলে অভিনৱ কাৰ্যসূচী ৰূপায়ণ কৰে। বিশেষকৈ একাংশ প্ৰতিবাদকাৰীয়ে তুলিত শুই শুয়ে প্ৰতিবাদ সাব্যস্ত কৰে। আনহাতে, প্ৰতিবাদত অংশ লৈ কৃষক মুক্তিৰ কেন্দ্ৰীয় নেতা ৰিতুমণি হাজৰিকাই 'মামা অ' মামা, তোমাৰ যে লীলা। শিৱসাগৰৰ ডিচিজনক তোমাৰ মতে কিয় চলোৱা' বুলি গীতৰ কলিৰে ইতিকিংসূচক মন্তব্য কৰি শিৱসাগৰৰ আয়ুক্তই নিজৰ দাদাগিৰি আৰু মইমতালিৰে বানত ক্ষতিগ্ৰস্ত ভুক্তভোগী পৰিয়ালক ক্ষতিপূৰণ দি অহা বুলি অভিযোগ উত্থাপন কৰে। লগতে তেওঁ কয় যে ক্ষতিপূৰণ দিয়াৰ নামত সকলো গণ্ডগোল আয়ুক্ত কাৰ্যালয়ৰ পৰা হৈ আছে। অথচ সদায় দায়সৰা মন্তব্যৰে বিষয়টোৰ পৰা আঁতৰি থকাৰ চেষ্টা কৰিছে বুলি অভিযোগ কৰে। তেওঁ কয় যে এইসমূহ কথা যেতিয়া এজন জনপ্ৰতিনিধিয়ে তেওঁক ক'বলৈ আহে তেতিয়া আয়ুক্তই কৰ্মচাৰীসকলক কৰ্মবিৰতি দিয়ে বুলি উল্লেখ কৰি কালি আয়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীসকলে বিধায়ক অখিল গগৈৰ বিৰুদ্ধে সাব্যস্ত কৰা প্ৰতিবাদৰ কথাও উল্লেখ কৰে। ইয়াৰ দ্বাৰা আয়ুক্তজনে 'মই মোৰ ইচ্ছামতে কৰ্মচাৰীসকলক কৰ্মবিৰতি দিব পাৰো, ইচ্ছা কৰিলে কৰিলে কাম নকৰিবও পাৰো' ধৰণৰ ব্যৱহাৰ কৰা বুলিও কৃষক নেতাজনে অভিযোগ কৰে। কালি কৰ্মচাৰীসকলৰ প্ৰতিবাদৰ বাবে বানত ক্ষতিগ্ৰস্ত লোকসকলে সাহায্য লাভৰ পৰা আৰু এদিন পিছুৱাই গ'ল বুলি মন্তব্য কৰি তেওঁ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আয়ুক্তজনক নিজৰ মতে নচলাবলৈ কৈ আন ঠাইলৈ বদলি কৰিবলৈ দাবী জনায়। বানাক্ৰান্ত ৰাইজৰ বাবে আঠ পৃষ্ঠাত চাওক

## তেজপুৰৰ বিশিষ্ট সত্ৰীয়া শিল্পী, দক্ষ বায়ন মহেন্দ্ৰ শইকীয়াৰ মৃত্যু



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২২ আগষ্টঃ** তেজপুৰৰ নিকটৱৰ্তী মিলনপুৰৰ বিশিষ্ট সত্ৰীয়া শিল্পী তথা দক্ষ বায়ন, সমাজকৰ্মী বৈষ্ণৱ মহেন্দ্ৰ শইকীয়া (৮৩)ৰ কালি বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। অঞ্চলটোৰ ৰাস-ভাওনাৰ লগতে আন বৈষ্ণৱ সংস্কৃতিৰে ওতঃপ্ৰোতভাৱে জড়িত দক্ষ খোলবাদক আঠ পৃষ্ঠাত চাওক

**মই শিৱসাগৰ জিলাৰ প্ৰতিটো বানাক্ৰান্ত পৰিয়ালক সাহায্য দিবলৈ জোৰ দিহে জিলা আয়ুক্তক কৈছিলো ঃ অখিল গগৈ**

## হিমন্ত বিশ্ব শৰ্মাই 'অই ডিচি, এছপি' বুলি ক'লে একো জগৰ নালাগে!

**ষ্টাফ ৰিপ'ৰ্টাৰ**



**গুৱাহাটী, ২২ আগষ্ট ঃ** 'হিমন্ত বিশ্ব শৰ্মাই 'অই ডিচি, এছপি' বুলি ক'লে জগৰ নালাগে! মই শিৱসাগৰ জিলাৰ তিনিটা সমষ্টি ক্ৰমে শিৱসাগৰ, নাজিৰা আৰু ডিমৌৰ প্ৰতিটো বানাক্ৰান্ত পৰিয়ালে চৰকাৰী জৰুৰী সাহায্য পাবই লাগিব বুলি জিলা আয়ুক্তক জোৰ দিহে কৈছিলো। মই তেওঁক অভদ্ৰ আচৰণ কৰা নাছিলো। এটাও অভদ্ৰ শব্দ কোৱা নাছিলো।' অলপতে শিৱসাগৰৰ জিলা আয়ুক্তক কাৰ্যালয়তে অভব্য আচৰণ কৰা বুলি অভিযোগ উত্থাপন কৰা আইএএছ বিষয়া ইউনিয়নক উভতি ধৰি আজি এই মন্তব্য কৰে ৰাইজৰ দলৰ সভাপতি বিধায়ক অখিল গগৈয়ে। ঘটনা সন্দৰ্ভত ইয়াত এখন সংবাদমেলত গগৈয়ে লগতে কয়, 'যি চৰকাৰী জৰুৰী সাহায্য তিনি-চাৰি দিনৰ ভিতৰত পাব লাগিছিল সেই সাহায্য আজি বানৰ এমাহ চাৰিদিনৰ পাছতো বানাক্ৰান্তসকলে পোৱা নাই। তেওঁলোকে চৰকাৰী ১৫ হেজাৰ টকা সাহায্য পাবই লাগিব। আজি মাজনিশালৈ সময় দিলো। অন্যথা কাইলৈ মই পুনৰ গুজৰিম।' আনহাতে, আইএএছ বিষয়া আঠ পৃষ্ঠাত চাওক

**বন বিভাগক সকীয়ালে ঃ গণ আন্দোলনৰ হুংকাৰ আটাছুৰ**

## কাজিৰঙাৰ পাহাৰত অবৈধ খনন চলি থকাৰ অভিযোগ



**অগ্ৰদূত বাৰ্তা**

**বোকাখাত, ২২ আগষ্ট ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰিৱেশ সংবেদনশীল মণ্ডলৰ পৰিসৰ হ্ৰাসৰ চৰকাৰী প্ৰস্তাৱক লৈ বিতৰ্কৰ মাজতে আজি সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু)ই অভিযোগ উত্থাপন কৰে যে ৰাষ্ট্ৰীয় উদ্যানখনৰ পাহাৰত অবৈধভাৱে অসাধু চক্ৰই খনন চলাই শিল-মাটি সংগ্ৰহ কৰি আছে। এই অবৈধ খনন শীঘ্ৰে বন্ধ নকৰিলে বৃহৎ গণ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিছে সংগঠনটোৱে। এই সম্পৰ্কত আটাছুৰ গোলাঘাট জিলা সমিতিৰ বিষয়ববীয়াসকলে কয়, 'কাজিৰঙাৰ পাৰ্শ্বৱৰ্তী পাহাৰসমূহত দীৰ্ঘদিন ধৰি অবৈধভাৱে পাহাৰ কাটি মাটি আৰু শিল সংগ্ৰহ কাৰ্য চলি আছে। ফলত অঞ্চলটোৰ প্ৰাকৃতিক পৰিৱেশ আৰু পৰিৱেশ তন্ত্ৰৰ ওপৰত বিৰূপ প্ৰভাৱ পৰাৰ আশংকা বৃদ্ধি পাইছে। পাহাৰ কেৱল শিল-মাটিৰ উৎস নহয়। ই এক গুৰুত্বপূৰ্ণ প্ৰাকৃতিক সম্পদ।' অবাধে পাহাৰ খননৰ ফলত পাহাৰৰ স্বাভাৱিক ভাৰসাম্য বিনষ্ট হোৱাৰ লগতে আঠ পৃষ্ঠাত চাওক

## অগপৰ দিছপুৰ বিধান পৰিষদৰ সম্বৰ্ধনা-মত বিনিময় সভা



**গুৱাহাটী, ২২ আগষ্ট ঃ** দলীয় সংগঠনক অধিক গতিশীল আৰু শক্তিশালী কৰাৰ উদ্দেশ্যৰে অগপৰ দিছপুৰ বিধানসভা পৰিষদৰ উদ্যোগত আজি এক বিশেষ সৌজন্যমূলক সম্বৰ্ধনা আৰু মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। অগপৰ কেন্দ্ৰীয় বিত্ত সম্পাদক তথা দিছপুৰ বিধান পৰিষদৰ সভাপতি অতুলানন্দ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত মত বিনিময় সভাত দলীয় কৰ্মীসকলৰ মাজত নতুন উৎসাহ-উদ্দীপনা দেখা পৰিলক্ষিত হয়। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে দিছপুৰ বিধানসভা সমষ্টিৰ বিধায়ক প্ৰদ্যুৎ বৰদলৈ আৰু ডিমৰীয়া বিধানসভা সমষ্টিৰ বিধায়ক ড° তপন দাস। দুয়োজন নেতাই বৃহত্তৰ অঞ্চলটোৰ উন্নয়ন আৰু আঠ পৃষ্ঠাত চাওক

**গুৰুতৰভাৱে আহত এটি শিশু**

## তামুলপুৰৰ এন চি আঙাৰকাটাত বনৰীয়া হাতীৰ আক্ৰমণত নিহত মহিলা

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২২ আগষ্ট ঃ** তামুলপুৰ জিলাৰ ভূটান সীমান্তত অব্যাহত আছে হাতী-মানুহৰ সংঘাত। নিশা ভূটান সীমান্তৰ এন চি আঙাৰকাটাত বনৰীয়া হাতীৰ আক্ৰমণত নিহত হয় অঞ্জলি মণ্ডল নামৰ এগৰাকী মহিলা। আনহাতে, হাতীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হয় শুভংকৰ মণ্ডল নামৰ এটি ১০ বছৰীয়া শিশু। প্ৰাপ্ত তথ্য মতে, দুপৰ নিশা দুই মান বজাত জাকৰ পৰা ফালৰি কাটি অহা দুটা বনৰীয়া হাতীয়ে এন চি আঙাৰকাটা অঞ্চলত প্ৰৱেশ কৰি উপদ্ৰৱ চলাই নিশা শোৱাপাটীতে বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাই মানুহৰ ঘৰ-দুৱাৰ ভাঙিব ধৰাত আতংকিত হৈ পৰে অঞ্চলটোৰ লোক। ইফালে, হাতীয়ে ঘৰ ভাঙি থাকোতে অঞ্চলটোৰ এটা পৰিয়ালৰ এগৰাকী মহিলাই নিজৰ কণমানি পুত্ৰসহ ঘৰৰ পৰা পলাবলৈ চেষ্টা কৰোতে হাতীয়ে খেদি আহি আক্ৰমণ কৰি গচকি দিয়াত থিতাতে নিহত হয় অঞ্জলি মণ্ডল নামৰ মহিলাগৰাকীৰ। আনহাতে, হাতীয়ে শুঁৰেৰে কোবাই দিয়াত গুৰুতৰভাৱে আহত হয় শুভংকৰ মণ্ডল নামৰ শিশুটি। হাতীৰ আক্ৰমণৰ পৰা কোনোমতে প্ৰাণ ৰক্ষা পৰে পৰিয়ালটোৰ আন কে'বাজনো লোকৰ। গুৰুতৰভাৱে আহত শিশুটিক নিশাই কুমাৰীকাটা ৰাজ্যিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও আজি পুৱাৰ ভাগত উন্নত চিকিৎসাৰ বাবে নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পাতাললৈ আঠ পৃষ্ঠাত চাওক

## ভৈৰৱকুণ্ডত হাতীৰ পোৱালি উদ্ধাৰ



**ওদালগুৰি, ২২ আগষ্টঃ** ওদালগুৰি জিলাৰ অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী ভৈৰৱকুণ্ডত আজিৰ পুৱাৰ ভাগত এটা বন্যহস্তীৰ পোৱালি উদ্ধাৰ হয়। ভৈৰৱকুণ্ডস্থিত পৰিদৰ্শন বঙলাৰ এটা টেংকিৰ ভিতৰত হাতীৰ পোৱালিটো প্ৰত্যক্ষ কৰি স্থানীয় ৰাইজে আৰক্ষীক খবৰ দিয়ে পাছত ঘটনাস্থলীত ভৈৰৱকুণ্ড আৰক্ষীৰ লগতে বন বিভাগৰ লোক আঠ পৃষ্ঠাত চাওক

## শংকৰদেৱ সমাজৰ উদ্যোগত বৰপেটাত ৬৩ সংখ্যক ভাগৱত জয়ন্তী আৰম্ভ

**বিশেষ সংবাদদাতা**

**বৰপেটা ২২ আগষ্ট ঃ** ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰ চৌহদত অৱস্থিত শংকৰদেৱ সমাজৰ উদ্যোগত আজিৰে পৰা সপ্তাহজোৰা ৬৩ সংখ্যক ভাগৱত জয়ন্তী আৰম্ভ হৈছে ।বৰপেটা সত্ৰ চৌহদৰ শংকৰদেৱ অধ্যয়নাগাৰত অনুষ্ঠিত এই ভাগৱত জয়ন্তী বিয়লি চাৰি বজাত ভাগৱত লৈ শোভাযাত্ৰা অনুষ্ঠিত হয়। থুল নহাটীৰ সভাপতি লক্ষ্মণ দাসে ভাগৱত বহন কৰা এই শোভাযাত্ৰাত বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাস, নাম-কীৰ্তন, গায়ন বায়ন, আইসকলৰ নাম আদিৰ দলে বৰপেটা সত্ৰৰ পৰা উলিওৱা শোভাযাত্ৰা সত্ৰৰ কৰাপাটেৰে গৈ প্ৰথমে থুল দক্ষিণ হাটীৰ বাটচ'ৰা, থুল নহাটীৰ বাটচ'ৰা আৰু শেষত উত্তৰ হাটীৰ বাটচ'ৰালৈ গৈ তাৰ পৰা পুনৰ বৰপেটা সত্ৰৰ শংকৰদেৱ অধ্যয়নাগাৰত সামৰণি পৰে ।প্ৰথম দিনৰ ভাগৱত জয়ন্তীৰ ভাগৱত পাঠ কৰে গুৱাহাটীৰ ৰবীন্দ্ৰ নাথ দাসে।

**মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমীয়া জাতিক সকলো দি গৈছে ঃ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাস**

শংকৰদেৱ সমাজৰ সভাপতি উদ্ধৱ চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ধৰ্মালোচনা সভা উদ্বোধন কৰে বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাসে । উদ্বোধনী ভাষণত বুঢ়াসত্ৰীয়া গৰাকীয়ে কয় যে ভক্তি উপলব্ধিৰ বস্তু। ধ্যানৰ জৰিয়তে সকলো পাব পাৰি ।ভাগৱত চৰ্চা বহু পুৰণি। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ অৱতাৰী পুৰুষ আছিল । ভাগৱতৰ মাজেদি গুৰু দুজনাই দি যোৱা ধৰ্ম বিচাৰি পোৱা যায়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমীয়া জাতিক সকলো দি গৈছে আমিহে আঁকোৱালি লব পৰা নাই শংকৰদেৱ সমাজৰ সম্পাদক গুনীন্দ্ৰ নাথ ওজাই উদ্দেশ্য ব্যাখ্যা কৰা ধৰ্মালোচনা সভাত নিৰ্দিষ্ট বক্তা হিচাপে চেঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ অপূৰ্ব কুমাৰ তালুকদাৰ উপস্থিত থাকে। আজিৰ ভাগৱত জয়ন্তীত কে'বাশ পুৰুষ মহিলাই অংশগ্ৰহণ কৰে ।

**জীয়াভৰলী নদীৰ গাইড বান্ধৰ ওপৰত স্কুটী-মানিবেগ উদ্ধাৰ ঃ এছডিআৰএফৰ অভিযান**

## জামুগুৰিহাটত সন্ধানহীন যুৱক



**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২২ আগষ্টঃ** শোণিতপুৰ জিলাৰ জামুগুৰি আৰক্ষী নিবেশৰ অন্তৰ্গত কুসুমটোলাৰ দীপাটোলা গাঁৱৰ এজন যুৱক কালিৰে পৰা সন্ধানহীন হৈ থকাৰ ঘটনাই অঞ্চলটোৰ ৰাইজৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। ইফালে, আজি যুৱকজনৰ স্কুটীখন জীয়াভৰালী নদীৰ কাষত উদ্ধাৰ হোৱাৰ পাছত সন্ধানহীন হোৱা ঘটনাই গভীৰ ৰহস্যৰ সৃষ্টি কৰিছে। তথ্য মতে, কুসুমটোলাস্থিত দীপাটোলাৰ মনোজ ছেত্ৰী (২৭) নামৰ যুৱকজন কালিৰে পৰা নিৰুদ্দেশ হৈ আছে। আজি অঞ্চলটোৰে জীয়াভৰালী নদীৰ চকীঘাট দলঙৰ সমীপৰ গাইড বান্ধৰ ওপৰত যুৱকজনে ব্যৱহাৰ কৰা স্কুটীখন, ডিঙিৰ এডাল চেইন মানিবেগটো উদ্ধাৰ হয়। যাৰ বাবে যুৱকজনে জীয়াভৰালী নৈত জাঁপ দিয়াৰ সন্দেহ কৰিছে ৰাইছে। ইয়াৰ পাছতে স্থানীয় আৰক্ষীৰ তৎপৰতাত জীয়াভৰালী নৈৰ বুকুত এছ ডি আৰ এফে অভিযান চলাই যদিও কোনো শুংসূত্ৰ নাপালে। অৱশ্যে সন্ধিয়া হোৱাৰ বাবে এছডিআৰএফে অভিযান স্থগিত ৰাখিছে। কাইলৈ পুনৰ উদ্ধাৰ অভিযান চলোৱা হ'ব বুলি ব্যক্ত কৰিছে। অৱশ্যে কি কাৰণত যুৱকজন ঘৰৰ পৰা অন্তৰ্ধান হ'ল তাৰ কোনো প্ৰকৃত তথ্য পোহৰলৈ অহা নাই।

**খিৰিকীৰ ৰড ভাঙি ঘৰত সোমাল চোৰ ঃ লৈ গ'ল সোণৰ গহনা-নগদ ধন**

## বিশিষ্ট লেখিকা শৰ্মিষ্ঠা প্ৰীতমৰ বাসগৃহত চুৰিকাণ্ড

**ষ্টাফ ৰিপ'ৰ্টাৰ**



**নগাঁও, ২২ আগষ্ট ঃ** বিশিষ্ট লেখিকা শৰ্মিষ্ঠা প্ৰীতমৰ নগাঁৱৰ ডিমৌৰ পূৱ শালমৰাৰ ৰজাগাঁওস্থিত বাসগৃহত কালি নিশা এক চুৰিকাণ্ড সংঘটিত হয়। ঘৰটোত কোনো নথকাৰ সুযোগ লৈ চোৰৰ দলে খিৰিকীৰ ৰড ভাঙি ঘৰৰ ভিতৰত সোমাই লুটপাট চলাই লুটি নিলে সোণৰ গহনা, নগদ ধন আৰু অন্যান্য সামগ্ৰী। উল্লেখ্য যে লেখিকা শৰ্মিষ্ঠা প্ৰীতমক লগত লৈ তেওঁৰ স্বামী আঠ পৃষ্ঠাত চাওক

### কনিষ্টবলক আক্ৰমণ কৰি জিম্মাৰ পৰা পলায়নৰ অপচেষ্টা

## বঙাইগাঁও জিলাৰ যোগীঘোপাত আৰক্ষীৰ গুলিত আহত ধৃত ডকাইত

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও/অভয়াপুৰী ২২ আগষ্ট ঃ** যোৱা নিশা যোগীঘোপাত এজন কনিষ্টবলক আক্ৰমণ কৰি জিম্মাৰ পৰা পলায়নৰ চেষ্টা চলাওতে আৰক্ষীৰ গুলিত এজন ডকাইতিত অভিযুক্ত আহত হয়। আহতজন গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ বৰাত আলী বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষী সূত্ৰই জনোৱা মতে, যোৱা নিশা আলীক গ্ৰেপ্তাৰ কৰি যোগীঘোপা থানালৈ আনি থকাৰ সময়তে নৰনাৰায়ণ সেতুৰ সমীপত সংঘটিত হয় এই ঘটনা। নৰনাৰায়ণ সেতুৰ সমীপত ৰাষ্ট্ৰীয় ঘাইপথত আৰক্ষীৰ আঠ পৃষ্ঠাত চাওক

**মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টি হোৱাৰ পাছতো জলবন্দী কে'বাটাও আৱাসিক অঞ্চলৰ ৰাইজ**

## কৃত্ৰিম বানত জনজীৱন ব্যাহত উত্তৰ গুৱাহাটীবাসীৰ

**উত্তৰ গুৱাহাটী, ২২ আগষ্টঃ** কৃত্ৰিম বানত জনজীৱন ব্যাহত হৈছে উত্তৰ গুৱাহাটীৰ বৃহত্তৰ অঞ্চলবাসীৰ। উত্তৰ গুৱাহাটীত যোৱা দুদিন ধৰি হোৱা মুষলধাৰ বৰষুণৰ ফলত অঞ্চলটোৰ মধুপুৰ, কটহবজাৰ, ৰহধলা, অভয়পুৰ, কলবাৰী ৰজাদুৱাৰ, বিহলঙনী আদি বিভিন্ন অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি হৈছে। ফলত জলবন্দী হ'বলগীয়া হৈছে কৃত্ৰিম বানত অধ্যুষিত অঞ্চলৰ ৰাইজ। উল্লেখ্য যে বিগত চাৰি-পাঁচদিন ধৰি হোৱা বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানপানী আঁতৰি নৌযাওঁতেই আঠ পৃষ্ঠাত চাওক



Advertisement Service

বিজ্ঞাপন সেৱা

'দৈনিক অগ্ৰদূত'ত ৰঙীণ
(Display- Clour, Black & white)
আৰু শ্ৰেণীবদ্ধ বিজ্ঞাপন
(Classified) প্ৰকাশৰ বাবে
তলৰ নম্বৰত যোগাযোগ কৰক।
9957222140 (WhatsApp), 98648 97175

বিজ্ঞাপন বিভাগ, দৈনিক অগ্ৰদূত
অগ্ৰদূত ভৱন, দিছপুৰ-৬

C M Y K

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ৫ ভাদ ১৪৩৩ ভাস্কৰাব্দ ২৩ আগষ্ট ২০২৬

# মানৱ হিতৈষী



যোৱা ১৯ জুলাইত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট আদি জিলাবিলাকত ভয়াৱহ মহা প্লাৱনত শতাধিক মানুহ উটি যোৱা আৰু লাখ লাখ লোকৰ ঘৰ-বাৰী বানত বুৰি নিঃশেষ হোৱাত ৰাজ্যবাসীয়ে যিদৰে সহায়ৰ হাত আগবঢ়ালে দুখ-দুৰ্দশাৰ মাজতে সেয়াও অবিস্মৰণীয় হৈ থাকিব। এই মহান মানৱ দৰদী, মানৱ হিতৈষী গুণৰ লগতে আমাৰ জাতীয়তাবোধৰো ই পৰিচয় দিয়ে। এহাতে ই মানৱ প্ৰেম আৰু ইয়াৰ লগতে ই আমাৰ জাতি প্ৰেমৰো নিদৰ্শন। এনে মানৱতাবাদী বা মানৱ হিতৈষী গুণ তথা চৰিত্ৰ অসমীয়াই জাতীয় বা জাতিগত চৰিত্ৰৰ পৰাই যেন আহৰণ কৰিছে। দল বা চৰকাৰে যেতিয়া ৰাইজক সহায় কৰে, তেতিয়া সমৰ্থন অথবা ভোট আদিৰ আশাও থকাৰ সম্ভাৱনা থাকিব পাৰে; কিন্তু সাধাৰণ জনতাই পীড়িতসকলৰ কাষত থিয় দিয়াৰ সময়ত তেনে ধৰণৰ কোনো স্বাৰ্থ বা আকাংক্ষা নাথাকে। সেয়া প্ৰকৃতাৰ্থত মানৱতাবাদী বা মানৱ হিতৈষী আদৰ্শ। উল্লেখ্য যে যোৱা ১৯ জুলাইৰ বিভীষিকাৰ পাছতে যোৱা ১৯ আগষ্টত বিশ্ব মানৱতাবাদী অথবা মানৱ হিতৈষী দিৱস সমগ্ৰ বিশ্বই উদ্‌যাপন কৰিছে। ৰাষ্ট্ৰসংঘৰ উদ্যোগত অনুষ্ঠিত হৈ আহিছে এই বিশ্ব মানৱতাবাদী বা মানৱ হিতৈষী দিৱস (ৱৰ্ল্ড হিউমেনিটাৰিয়ান ডে)। উল্লেখ্য যে যোৱা ২০০৩ৰ ১৯ আগষ্টত ইৰাকৰ ৰাজধানী বাগদাদৰ কেনেল হোটেলত বোমা আক্ৰমণত ২২ জন নিৰপৰাধী কৰ্মী নিহত হৈছিল। ইয়াৰ পাঁচ বছৰৰ পাছতে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ১৯ আগষ্টৰ দিনটো 'মানৱ হিতৈষী দিৱস' হিচাপে উদ্‌যাপন কৰিবলৈ আগবঢ়োৱা প্ৰস্তাৱ গৃহীত হয়। বিভিন্ন সমস্যাত পীড়িত হোৱা বিশ্বৰ অগণন লোকৰ কাষত সহায়ৰ বাবে থিয় দিয়ে এই মানৱ হিতৈষীসকলে। আধুনিক মানৱ সমাজৰ ইতিহাস নানান দুৰ্যোগ, হিংসা যুদ্ধ অথবা সংঘাত, নানান সংকটৰ ইতিহাস বুলি ক'ব পাৰি। আহত, পীড়িত, ভুক্তভোগীসকলৰ সহায়ৰ বাবে বিভিন্ন দেশৰ মানৱতাবাদী বা মানৱ দৰদীসকলে আগবাঢ়ি অহা পৰিলক্ষিত হয়। লাখ লাখ দুৰ্দশাগ্ৰস্ত, পীড়িত, আহতৰ সেৱা-শুশ্ৰূষাৰ বাবে জীৱন উছৰ্গা কৰি আহিছে তেওঁলোকে। প্ৰাকৃতি দুৰ্যোগত, যুদ্ধ বিধ্বস্ত অঞ্চলত এই মানৱ হিতৈষীসকলে সকলো ধৰণৰ সহায় অথবা সেৱা আগবঢ়াই আহিছে; কিন্তু মানৱিক সেৱাৰ বাবে দিনে-নিশাই কাম কৰা এইসকল লোক নিৰাপদ নহয়; তেওঁলোক চিকাৰ হৈছে আক্ৰমণকাৰীৰ বিধ্বংসী হিংসা কাৰ্যকলাপৰ বাবে; কিন্তু অনেক বাধা-বিঘিনিৰ মাজতো মানৱপ্ৰেমীসকলে পীড়িতসকলৰ সেৱা কৰি আহিছে। চলিত (২০২৬) বছৰৰ এপ্ৰিলৰ শেষলৈকে বিশ্বৰ এনে মানৱ হিতৈষীসকলে অতি কমেও চাৰি কোটি ৫২ লাখ লোকৰ প্ৰতি সেৱা আগবঢ়াইছে বুলি প্ৰকাশ পাইছে; কিন্তু যোৱা ২০২৫ত এই মানৱতাবাদী কৰ্মীসকল বিশ্বৰ ২১ খন দেশত মৃত্যুৰ মুখত পৰিছে মুঠ ৩২৬ জন আৰু যোৱা তিনিটা বছৰত এহেজাৰজন মানৱতাবাদী কৰ্মী নিহত হৈছে। ইয়াৰ বিপৰীতে ৰাষ্ট্ৰসংঘৰ তথ্য অনুসৰি যোৱা ২০২৫ত হোৱা বিশ্বৰ বিভিন্ন দেশৰ ২০টা সশস্ত্ৰ সংঘৰ্ষত ৩৭ হেজাৰ সাধাৰণ লোক নিহত হৈছে, অৰ্থাৎ প্ৰতি ১৪ মিনিটত প্ৰায় এজন অসামৰিক লোক এনে সংঘৰ্ষৰ বাবে নিহত হৈছে। ইয়াৰ এটা উদ্বেগজনক পৰিণাম হ'ল, সংঘৰ্ষপীড়িত অঞ্চলত মানৱীয় সাহায্য আগবঢ়োৱা কাৰ্য পিছ পৰিছে নাইবা বন্ধ হৈ পৰিছে, যাৰ ফলত লাখ লাখ লোকৰ জীৱন সংকটাপন্ন হৈছে, শ শ লোক— বিশেষকৈ বয়োজ্যেষ্ঠ তথা শিশুসকল, মাতৃ মহিলাসকলে জীৱন হেৰুৱাবলগীয়া হৈছে। চলিত বছৰৰ মাজভাগলৈকে আঠ কোটি ৯০ লাখ লোকৰ জীৱন সংকটাপন্ন হৈছে, যিসকলক 'লাইফ ছেভিং ছাপ'ৰ্ট'ৰ অত্যন্ত প্ৰয়োজন আছিল। ধনৰ অভাৱত আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰীৰ অভাৱত বহু সংখ্যক এনে লোকক সহায় কৰিব পৰা নগ'ল বুলি প্ৰকাশ পাইছে।

যিহেতু আজি এনে মানৱতাবাদী সেৱাৰ কৰ্মীসকল নিৰাপদ হ'ব পৰা নাই আৰু তেওঁলোকে প্ৰাপ্য সন্মান পোৱাৰ পৰা বঞ্চিত হৈছে, সেয়ে মানৱ হিতৈষী দিৱস উদ্‌যাপনৰ যোগেদি তেওঁলোকৰ প্ৰতি সহায়-সমৰ্থন, সন্মান আগবঢ়োৱাৰ ক্ষেত্ৰত সজাগতা সৃষ্টি কৰিব বিচাৰে ৰাষ্ট্ৰসংঘই। মানৱতাবাদী সেৱা কৰ্মীসকলে প্ৰয়োজনীয় নিৰাপত্তা, আৰ্থিক সাহায্য তথা সা-সুবিধা লাভ কৰিলেহে বিশ্বৰ বিভিন্ন দেশৰ লাখ লাখ পীড়িতই জীয়াই থাকিবলৈ সক্ষম হ'ব। আজি যে বিভিন্ন কাৰণত, বিশেষকৈ সশস্ত্ৰ সংঘৰ্ষৰ বাবে লাখ লাখ অসামৰিক অথবা সাধাৰণ নাগৰিকৰ জীৱন ধ্বংসৰ মুখত পৰিছে আৰু এইসকল লোকৰ জীৱন বচোৱাৰ ক্ষেত্ৰত যে মানৱতাবাদী সেৱাৰ কৰ্মীসকলৰ ভূমিকাই আটাইতকৈ বেছি— সেই কথা সকলোৱে স্বীকাৰ কৰিছে। বিশ্বৰ যিকোনো অঞ্চল বা দেশৰ পীড়িতসকলৰ বাবে সহায় কৰা বা সহায় আগবঢ়োৱাসকলৰ জীৱন যাতে সুৰক্ষিত হয়, তেওঁলোকে যাতে সকলোতে প্ৰয়োজনীয় সন্মান লাভ কৰে— সেয়া নিশ্চিত কৰাৰ দায়িত্ব সকলোৰে। আমাৰ ৰাজ্যত সশস্ত্ৰ সংঘৰ্ষ বৰ্তমান হ্ৰাস পাইছে; কিন্তু বানপানীৰ দুৰ্যোগত ভোগা পীড়িত অথবা ভুক্তভোগীসকলৰ কাষত সাহায্যৰ সামগ্ৰী লৈ উপস্থিত হোৱা লোকসকল প্ৰকৃততে মানৱতাবাদী সেৱাৰ কৰ্মী, যিসকলে চিকিৎসা স্বাস্থ্য সেৱাৰ পৰা আৰম্ভ কৰি খাদ্য, খোৱা পানী, বস্ত্ৰ, গৃহ নিৰ্মাণৰ সামগ্ৰী, ঘৰত ব্যৱহৃত দৈনন্দিনৰ সামগ্ৰী আদি বিভিন্ন সামগ্ৰী মানৱ দৰদী সাহায্য আগবঢ়াইছে। অসমবাসীয়ে হিয়া উজাৰি সাধ্যানুসৰি বিভিন্ন ধৰণে সাহায্য আগবঢ়াইছে আৰু সেইবিলাক এই মানৱ হিতৈষী সেৱাৰ কৰ্মীসকলে পীড়িতসকলৰ ওচৰলৈ লৈ গৈছে। অসমৰ ৰাইজে এইসকল সাহায্য কৰ্মীক প্ৰতি প্ৰশংসা আৰু সন্মানেৰে উপচাই দিয়া পৰিলক্ষিত হৈছে। ক'ৰবাত দুই-একে তিক্ত অভিজ্ঞতাৰ সন্মুখীন হ'ব পাৰে; কিন্তু প্ৰায় সকলো সাহায্য দিয়া কৰ্মীকেই অসমৰ ৰাইজে সন্মান জনাইছে, আদৰিছে। অসমত ভৱিষ্যতেও আৰু যে কিমান আৰু কি ধৰণৰ বিপদ-বিঘিনি আহিব তাৰ কোনো নিশ্চয়তা নাই; কিন্তু অনেক বিপদ যে আহিব, সেই বিষয়ে কোনো সন্দেহ নাই। বিশেষকৈ ভয়াৱহ বানপানী প্ৰায় প্ৰতি বছৰে অহাৰ আশংকাই দেখা দিছে। অসমবাসীয়ে সেই বিষয়ে সজাগ হ'ব লাগিব। বিপৰ্যয়ত পীড়িতসকলৰ জীৱন বচোৱা আৰু সকলো ধৰণৰ সাহায্য আগবঢ়োৱাৰ বাবে সংশ্লিষ্ট পক্ষবিলাক প্ৰস্তুত হৈ থকাটো সেয়ে জৰুৰী হৈ পৰিছে। অসম-অসমীয়া বা অসমবাসী নিজেই আজিৰ অসমৰ ত্ৰাণকৰ্তা হ'ব লাগিব— দায়িত্ব কান্ধ পাতি ল'ব লাগিব; আমি প্ৰত্যেকেই মানৱ হিতৈষী হ'ব লাগিব। দিল্লীয়েনো কি দিছে সেয়া ৰাইজে দেখিছেহে।

# আকাশত মেঘৰ ছাঁ

## চাটলুজে আমাক দেখুৱাই দিয়ে যে ৰাষ্ট্ৰই কেৱল মানুহৰ জীৱনৰ ওপৰতে নহয়, স্মৃতি, শোক, বেদনা, মৃত্যুৰ ওপৰতো শাসন চলায়



**আত্মজিজ্ঞাসা**

কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

**আকাশত মেঘৰ ছাঁ**
**মুস্তাফিজুৰ ৰহমান**

জীৱন মানেতো
অংকৰ বহী নহয় যে
কেৱল হিচাপ মিলালেই
সকলো শেষ
জীৱন মানে কেৱল
ৰূপকথাৰ গল্পও নহয়
এই দুইৰ মাজৰ যি ধূসৰ জগত
তাতেই আমাৰ প্ৰতিদিনৰ
জীয়াই থকা
সুখ কোনো কিনিব পৰা
বস্তু নহয়
এয়া জীৱনক সহজ চকুৰে দেখাৰ
এক কঠিন শিল্প।

**দুই**

মহাকাশত উপগ্ৰহ পঠোৱা আৰু মঙল গ্ৰহত বসতি কৰাৰ স্বপ্ন দেখা এই সভ্যতা আজি এক অদ্ভুত দ্বন্দ্বৰ মাজত থিয় হৈ আছে। কৃত্ৰিম বুদ্ধিমত্তাই এতিয়া মুহূৰ্তৰ ভিতৰত জটিলতম সমস্যাৰ সমাধান দিছে। চিকিৎসা বিজ্ঞানে মানুহৰ আয়ুস বঢ়াই দিছে। পৃথিৱীক সঁচা অৰ্থত এক গ্ল'বেল ভিলেজত পৰিণত কৰিছে; অথচ এই একেই পৃথিৱীতে একেই সময়তে এক কোণত মানুহে জিমত গৈ অতিৰিক্ত কেলৰি পুৰিছে আন এক কোণত এটি শিশুৱে নাজানে তাৰ পাতত ভাত মিলিবনে নাই; এয়া কোনো কাব্যিক অতিৰঞ্জন নহয়। এয়া আমাৰ সময়ৰ সবাতোকৈ কঠিন আৰু নিৰ্মম বাস্তৱতা! এজন ক্ষুধাৰ্ত মানুহৰ কাষত গণতন্ত্ৰৰ তত্ত্ব, ডিজিটেল ৰূপান্তৰৰ স্বপ্ন, মহাকাশ গৱেষণাৰ অগ্ৰগতি কিম্বা কৃত্ৰিম বুদ্ধিমত্তাৰ বিস্ময়— কোনোটোৱেই বিন্দুমাত্ৰ অৰ্থ বহন নকৰে। তেওঁৰ বাবে পৃথিৱীৰ সবাতোকৈ ডাঙৰ সত্য, সবাতোকৈ জৰুৰী প্ৰশ্ন হ'ল *এমুঠি অন্ন।*

সভ্যতাৰ সাফল্য জোখাৰ সঠিক মান গগনচুম্বী অট্টালিকাৰ ওপৰত নিৰ্ভৰ নকৰে। নিৰ্ভৰ কৰে ৰাতি কেইজন মানুহ খালী পেটে শুবলৈ গ'ল, তাৰ ওপৰত। ক্ষুধা কোনো এখন দেশৰ আভ্যন্তৰীণ ব্যৰ্থতা নহয়। এয়া সমগ্ৰ মানৱ জাতিৰ সন্মিলিত দায়িত্বহীনতাৰ সাক্ষ্য। এটি শিশু যেতিয়া নাখাই খালী পেটে শোৱে, তেতিয়া সি অকলে ব্যৰ্থ নহয়, আমি প্ৰত্যেকে, আমাৰ প্ৰতিটো নিৰ্লিপ্ততাৰ মাজেৰে অলপ অলপকৈ ব্যৰ্থ হওঁ।

**তিনি**

বুদ্ধিজীৱীৰ প্ৰধান কাম ক্ষমতাৰ স'তে সখ্য নহয়; বৰঞ্চ ক্ষমতাৰ কেন্দ্ৰত অনবৰত আঘাত কৰা। শত্ৰুৰ অন্যায়ৰ প্ৰতিবাদ কৰা সহজ; কিন্তু নিজৰ পক্ষৰ অন্যায়ৰ বিৰুদ্ধে থিয় দিয়াতেই বুদ্ধিজীৱীৰ সততাৰ প্ৰকৃত পৰীক্ষা। বুদ্ধিজীৱী হিচাপে এই ডাঙৰ পৰীক্ষাত দেশৰ বিজেপি বুদ্ধিজীৱীবোৰ সম্পূৰ্ণ ব্যৰ্থ।

বুদ্ধিজীৱীৰ অস্ত্ৰ তাৰ কলম আৰু ভাষা। ব্ৰিটিছ সাংবাদিক আৰু লেখক জৰ্জ অৰৱেলে হাতে-কলমে দেখুৱাইছিল যে আমাৰ নিত্য ব্যৱহাৰ্য ভাষা ব্যৱহাৰ কৰি এদল বুদ্ধিজীৱীয়ে কেনেকৈ ষ্টেলিন অথবা হিট্‌লাৰৰ দৰে নিৰ্মম স্বৈৰশাসককো অপৰিহাৰ্য প্ৰমাণ কৰিব পাৰে।

ৰাজনৈতিক ভাষাৰ এটা কাম হ'ল, সত্যক মিথ্যা আৰু মিথ্যাক সত্য প্ৰমাণ কৰা। এই কাম সবাতোকৈ ভালদৰে কৰিবলৈ সক্ষম দেশৰ খ্যাতিমান বুদ্ধিজীৱীসকল। তেওঁলোক জনপ্ৰিয়, সাধাৰণ নাগৰিকৰ মাজত তেওঁলোকৰ গ্ৰহণযোগ্যতা থাকে। ফলত দুৰ্নীতিগ্ৰস্ত ৰজাৰ পক্ষ লৈ তেনে কোনো বুদ্ধিজীৱীয়ে যেতিয়া কলম ধৰে, সেই কথা মানুহে মন দি শুনে। সি কথাৰে আস্থা স্থাপন কৰে। তেওঁলোকৰ ওকালতিত কেৱল মিথ্যা নহয়, ঠাণ্ডা মস্তিষ্কৰ গুম খুনও পাৰ পাই যায়।

দেশত নাগৰিক অধিকাৰ লংঘিত হৈছে। ভোটাধিকাৰ কাঢ়ি লোৱা হৈছে। বাক্ স্বাধীনতা সংকুচিত হৈছে। আন সকলোৰে দৰে বিজেপি বুদ্ধিজীৱীবোৰেও সেইবোৰ লংঘনৰ প্ৰত্যক্ষদৰ্শী; কিন্তু পাৰ্থক্য এয়াই যে সেই লংঘনক তেওঁলোকে আদৰ্শগত কাৰণে প্ৰয়োজনীয় বিবেচনা কৰিছে, ফলত তেওঁলোকে এই লংঘনৰ পক্ষে গীত গাইছে বা নীৰৱে আছে।

**চাৰি**

সম্প্ৰতি ভাৰতত মানৱাধিকাৰ কৰ্মী যশোৱন্ত সিং খালৰাৰ সত্য ঘটনা অৱলম্বনত নিৰ্মিত 'চাটলুজ' নামৰ এখন চিনেমা চৰকাৰে নিষিদ্ধ কৰিছে। প্ৰশ্ন হ'ল, ৮০ আৰু ৯০ৰ দশকত পাঞ্জাৱত সংঘটিত ৰাষ্ট্ৰীয় সহিংসতা লৈ নিৰ্মিত 'চাটলুজ' চিনেমাখন মানুহক চাবলৈ দিয়াত মোদী চৰকাৰে ইমান ভয় খাইছে কিয়?

যুক্তি অনুযায়ী, বিজেপিতো খুচী হোৱাৰে কথা। কাৰণ কংগ্ৰেছৰ আমোলত ৰাষ্ট্ৰই কি যে ভয়াৱহ হত্যাকাণ্ড কৰিছে! কেৱল গান্ধী-নেহৰু নহয়, সমগ্ৰ গান্ধী পৰিয়ালৰ ৰাজনীতিক ব্যংগ-বিদ্ৰূপ কৰা আৰু উত্তৰ ঔপনিৱেশিক ভাৰতৰ প্ৰায় সকলো ঐতিহাসিক সমস্যাৰ বাবে কংগ্ৰেছক দায়ী কৰা আজিৰ বিজেপিৰ ৰাজনীতিৰ এক স্থায়ী বৈশিষ্ট্য; কিন্তু বাস্তৱত দেখা গ'ল এই চিনেমাখনক সহজ পথেৰে মুক্তি পাবলৈ নিদিলে। দীৰ্ঘ তিনিৰ পৰা চাৰি বছৰৰ চেন্সৰ নিপীড়নৰ পাছত ওটিটিত 'গেৰিলা মুক্তি' ঘটিলেও ৪৮ ঘন্টাৰ ভিতৰত বন্ধ কৰি দিয়া হ'ল; কিন্তু কিয়? প্ৰতিটো নিষেধাজ্ঞাই নিজেই এক ৰাজনৈতিক প্ৰশ্নচিহ্ন ৰাখি থৈ যায়। সেয়ে এই প্ৰশ্নৰ ভিতৰতে লুকাই আছে বহু গুৰুত্বপূৰ্ণ উত্তৰ।

> এজন ক্ষুধাৰ্ত মানুহৰ কাষত গণতন্ত্ৰৰ তত্ত্ব, ডিজিটেল ৰূপান্তৰৰ স্বপ্ন, মহাকাশ গৱেষণাৰ অগ্ৰগতি কিম্বা কৃত্ৰিম বুদ্ধিমত্তাৰ বিস্ময়— কোনোটোৱে বিন্দুমাত্ৰ অৰ্থ বহন নকৰে। তেওঁৰ বাবে পৃথিৱীৰ সবাতোকৈ ডাঙৰ সত্য, সবাতোকৈ জৰুৰী প্ৰশ্ন হ'ল এমুঠি অন্ন।

কে'বা দশক ধৰি ভাৰতীয় চিনেমাত সহিংসতা আৰু সন্ত্ৰাসবাদৰ গল্প কোৱা যেন দাইল-ভাতৰ দৰে স্বাভাৱিক হৈ গৈছে। 'দ্য কাশ্মীৰ ফাইলছ (২০২২), 'দ্য কেৰালা ষ্ট'ৰী' (২০২৩), 'আৰ্টিকেল ৩৭০' (২০২৪), 'দ্য সবৰমতী ৰিপ'ৰ্ট' (২০২৪), 'দ্য বেংগল ফাইলছ' (২০২৫) কিম্বা 'ধুৰন্ধৰ' (২০২৫)ৰ দৰে অকণমান ইতিহাসৰ ছাঁ বাকীখিনি মুছলিম সহিংসতা আৰু হিন্দু জাতীয়তাবাদৰ মিশ্ৰণত তৈয়াৰী ৰাজনৈতিক প্ৰোপাগাণ্ডা নিৰ্ভৰ ছবিবোৰ আজি ভাৰতীয় মূল ধাৰাৰ সবাতোকৈ ব্যৱসায় সফল ছবিত পৰিণত হৈছে। ইয়াতে স্বাভাৱিকভাৱে এটা প্ৰশ্ন আহে। কাৰ সহিংসতা বা সন্ত্ৰাসবাদ চিনেমাত অনায়াসে দেখুওৱা যায়? ভাৰতৰ ভিতৰৰ বা বাহিৰৰ মুছলমানবোৰৰ সন্ত্ৰাসবাদ দেখুওৱা ছবিবোৰৰ ইতিহাস যিমানেই বিকৃত কৰক বা উদ্দেশ্যমূলকভাৱে বনোৱা হওক, সাধাৰণতে কোনো কাট-কুট অবিহনেই সেইবোৰ চেন্সৰৰ অনুমোদন পাই যায়; কিন্তু চেন্সৰ ব'ৰ্ডে ভাবি নাচায় যে এই ধাৰাবাহিক চিত্ৰায়ণত এটা নিৰ্দিষ্ট সংখ্যালঘু সম্প্ৰদায়ক 'সন্ত্ৰাস' বা 'জাতীয় শত্ৰু' হিচাপে নৰমালাইজড কৰি উপস্থাপন কৰাৰ ফলত সেই সম্প্ৰদায়ৰ নিৰাপত্তা আৰু চেন্স অৱ বিলংগিং কিমান গভীৰভাৱে বিপন্ন হ'ব পাৰে!

**পাঁচ**

'চাটলুজ' কোনো প্ৰোপাগাণ্ডা ছবি নহয়। এজন মানৱাধিকাৰ কৰ্মী যশোৱন্ত সিং খালৰাৰ জীৱন কাহিনী ভিত্তিক আৰ্কাইভধৰ্মী গল্প। শ্মশানৰ পৰা শ্মশান ঘূৰি আৰু নানান নথি-পত্ৰ বিচাৰি যশোৱন্ত সিং খালৰাই উন্মোচন কৰিছিল কেনেকৈ ৰাষ্ট্ৰই তাৰ পুলিচ বাহিনীৰ মাধ্যমত 'সন্ত্ৰাসবাদী' আৰু 'সাধাৰণ নিৰ্দোষী মানুহ'ৰ ভেদৰেখা ইচ্ছাকৃতভাৱে অস্পষ্ট কৰি প্ৰায় ২০ হেজাৰ শিখক গুম কৰি হত্যা কৰিছে। সন্ত্ৰাস নিৰ্মূলৰ নামত নিৰীহ মানুহক নিৰ্বিচাৰে হত্যা কৰাৰ বিৰুদ্ধে মানৱাধিকাৰ আন্দোলন আৰম্ভ কৰা যশোৱন্ত সিং খালৰাকো পুলিচী হেফাজতত নিৰ্মমভাৱে হত্যা কৰা হয়। এজন সাধাৰণ মানুহে কেনেকৈ ৰাষ্ট্ৰৰ গণগুম আৰু গণহত্যাৰ ক'লা ছাঁৰ বিৰুদ্ধে অকলেই প্ৰতিৰোধ গঢ়ি তুলিছিল, সেয়াই 'চাটলুজ' ছবিৰ মুখ্য কাহিনী।

নতুন প্ৰজন্ম, ভাৰত আৰু বিশ্বৰ বহু মানুহে পঞ্জাৱৰ এই ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ ইতিহাস নাজানে। এই প্ৰতিৰোধৰ গল্পও মূলতঃ অজানা। ঠিক সেইবাবেই ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ সেই মচি পেলোৱা নথিবোৰক 'চাটলুজে' পুনৰ পৰ্দাত দলিল হিচাপে হাজিৰ কৰে। ছবিৰ প্ৰতিটো ৰিল নিজেই হৈ উঠে এটা এটা সাক্ষ্য। ২৫ হেজাৰ লাচৰ সাক্ষ্য।

ভাৰতৰ বৰ্তমান হিন্দুত্ববাদী সাংস্কৃতিক শাসনৰ এক গুৰুত্বপূৰ্ণ প্ৰৱণতা হ'ল ৰাষ্ট্ৰ, পুলিচ আৰু নিৰাপত্তা বাহিনীক বাৰে বাৰে নায়ক হিচাপে হাজিৰ পৰা। 'চাটলুজে' এনে আখ্যানক ভাঙি দিয়ে। ৰাষ্ট্ৰ নিয়ন্ত্ৰিত সহিংসতাৰ ভুক্তভোগী হিচাপে শিখবোৰৰ আৰু খালিস্তানী বিচ্ছিন্নতাবাদী আন্দোলনত অংশগ্ৰহণকাৰীবোৰক সন্মুখলৈ আনে আৰু বিপৰীতে ৰাষ্ট্ৰ, পুলিচ আৰু নিৰাপত্তা বাহিনীক অপৰাধী হিচাপে হাজিৰ কৰে। ফলত ৰাষ্ট্ৰ আৰু তাৰ নিৰাপত্তা যন্ত্ৰৰ নায়কোচিত চেহেৰা ভাগি পৰে। সেয়ে 'চাটলুজ'ক জাতীয় নিৰাপত্তা আৰু 'ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ বিৰুদ্ধে' এক ধৰণৰ (অপ) প্ৰচেষ্টা হিচাপে চিহ্নিত কৰা হৈছে।

ৰাষ্ট্ৰই কোন স্মৃতিক নিৰাপদ আৰু কোন স্মৃতিক বিপজ্জনক মনত কৰে বুজিবলৈ অসুবিধা নহয়, যেতিয়া দেখো 'কাশ্মীৰ ফাইলছ' বা 'বেংগল ফাইলছ'ৰ দৰে চিনেমা 'ইতিহাস কথন' বুলি নিৰ্ভয়ে চলে, কিন্তু 'চাটলুজ'ৰ দৰে ৰাষ্ট্ৰীয় সহিংসতাৰ ইতিহাস সন্মুখলৈ অনা নিষিদ্ধ হৈ যায়। চৰকাৰী চেন্সৰে ঠিক কৰি দিয়ে কোন ইতিহাস অনুমোদিত আৰু কোনটো নহয়। কোন সহিংসতা প্ৰচাৰ কৰা যাব আৰু কোন সহিংসতা নীৰৱে মচি পেলাব লাগিব। 'চাটলুজে' সেয়ে আমাৰ চকুত আঙুলি দি দেখুৱাই দিয়ে যে ৰাষ্ট্ৰই কেৱল জীৱনৰ ওপৰতে নহয়, স্মৃতি শোক, মৃত্যুৰ ওপৰতো শাসন কৰে।

'চাটলুজ' কেৱল নিষিদ্ধ হোৱা এখন চিনেমা নহয়। এয়া এপিনে যেনেকৈ সমসাময়িক ভাৰতৰ ইতিহাস আৰু স্মৃতি নিৰ্মাণৰ ৰাজনীতি আৰু হিন্দুত্ববাদী সাংস্কৃতিক শাসনৰ প্ৰকৃতি বুজাৰ এক গুৰুত্বপূৰ্ণ কেচ ষ্টাডি, আনপিনে এই ছবিয়ে আমাক বুজিবলৈ শিকায় ভাৰত কেনেকৈ ধীৰে ধীৰে 'উত্তৰ-ঔপনিৱেশিক নিৰাপত্তা ৰাষ্ট্ৰ'ত পৰিণত হৈছে।

**ছয়**

**নদাই ঃ** মোদীৰ সন্মুখত নচা নাচনীক
পঁচিশ হেজাৰেৰে যাচিলে মান
বানত সৰ্বস্ব হেৰুৱাক দিলে
পোন্ধৰ হেজাৰ দান।
**ভদাই ঃ** মোদী নাহিল
শ্বাহ আহিল
আহিল নাড্ডা
হিমন্তৰ স'তে মাৰিলে আড্ডা।

*ফোন ঃ ০০১৪০৩২৭০১৮১৭*

# নক্সালৰ পৰা ডিমাগী নক্সাল

## উৎপল কুমাৰ কলিতা

**১৯৬৪ত** ভাৰতৰ কমিউনিষ্ট পাৰ্টি দুভাগ হোৱাৰ পাছত চিপিআইএমৰ জন্ম হয়। এই চিপিআইএম কেইজনমান নেতাই ধাৰণা কৰিছিল যে ভাৰতত কেৱল সংসদীয় পন্থাৰে




বিপ্লৱ নহয়। চীনৰ মাও চে তুঙৰ দৰে সশস্ত্ৰ কৃষক যুদ্ধহে লাগে। ইয়াৰ নেতৃত্বত আছিল চাৰু মজুমদাৰ, কানু সান্যাল, জংগল সান্থাল আদি। ১৯৬৭ত পশ্চিমবংগৰ তেতিয়াৰ দাৰ্জিলিং জিলাৰ নক্সালবাৰীৰ পৰা আৰম্ভ হয় এক বিদ্ৰোহী যাত্ৰা। এই বিদ্ৰোহত কৃষকসকলে জমিদাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। মাটিৰ অধিকাৰ, জমিদাৰী শোষণ আৰু প্ৰশাসনৰ অৱহেলাৰ পৰাই এই বিদ্ৰোহৰ জন্ম হৈছিল। নক্সালবাৰীৰ পৰা আৰম্ভ হোৱা এই বিদ্ৰোহক নক্সালবাদ বোলা হৈছিল। ইয়াৰ কাৰণ আছিল জনজাতীয় আৰু দলিত লোকসকলক মাটিৰ পৰা উচ্ছেদ, আৰু বনজ সম্পদৰ পৰা বঞ্চিতকৰণ, শিক্ষা, স্বাস্থ্য, বাট-পথ, কৰ্মসংস্থাপনৰ অভাৱ, দুৰ্নীতি আৰু চৰকাৰী নিৰ্যাতন। নক্সালবাদৰ পৃষ্ঠপোষক চিপিআই (এম-এল)ৰ প্ৰতিষ্ঠাতা চাৰু মজুমদাৰে কৈছিল— 'ভাৰত এতিয়াও আধা সামন্তবাদী, আধা ঔপনিৱেশিক দেশ। গতিকে ইয়াত দীৰ্ঘম্যাদী জনযুদ্ধৰ দ্বাৰাহে নতুন গণতান্ত্ৰিক বিপ্লৱ সম্ভৱ। শেষত তেওঁ শ্ৰেণী শত্ৰু নিধনৰ চৰম পন্থা লয়। ১৯৭১-৭২ত ইন্দিৰা গান্ধী চৰকাৰে Operation Steeplechase চলাই বহু নক্সাল কৰ্মীক নিধন কৰে, গ্ৰেপ্তাৰ কৰে। চাৰু মজুমদাৰৰ আৰক্ষী জিম্মাত মৃত্যু হয়। কানু সান্যাল জেললৈ যায়। লগে লগে চিপিআই (এম-এল) বহু বিভক্ত হয়। এটা অংশই সশস্ত্ৰ বিদ্ৰোহৰ পৰা আঁতৰি যায়।

কিন্তু তথাপি নক্সাল বিদ্ৰোহ শেষ নহ'ল। ১৯৮০ত সীতাৰামাইয়াৰ নেতৃত্বত অন্ধ্ৰপ্ৰদেশৰ দণ্ডকাৰণ্য হাবিক ঘাটি হিচাপে লৈ নক্সালবাদে পুনৰ মূৰ দাঙি উঠে। অন্ধ্ৰপ্ৰদেশৰ এই গ্ৰুপ পিপলছ ৱাৰ গ্ৰুপ আৰু বিহাৰ ঝাৰখণ্ড মাওইষ্ট কমিউনিষ্ট চেন্টাৰ নামৰ আন এটা নক্সাল গ্ৰুপ শক্তিশালী হয়। ২০০৪ত দুয়োটা গ্ৰুপ লগ লাগি গঠন কৰে চিপিআই (মইষ্ট)।

শোষণ, বঞ্চনা, অত্যাচাৰৰ বুকুত যদিও নক্সাল বিদ্ৰোহৰ সৃষ্টি হৈছিল তথাপি ইয়াৰ নীতি গণতন্ত্ৰৰ পৰিপন্থী। সশস্ত্ৰ বিদ্ৰোহ কেতিয়াও গণতান্ত্ৰিক হ'ব নোৱাৰে।

কিন্তু ইয়াৰ বিপৰীতে শাসক পক্ষই সম্প্ৰতি দেশত এনে এটা ধাৰণাৰ সৃষ্টি কৰিব বিচাৰিছে যে চৰকাৰৰ নীতিৰ বিৰুদ্ধে প্ৰশ্ন তোলা মানুহসকল নক্সাল। শাসক পক্ষই প্ৰথমতে বাঁওপন্থী আদৰ্শৰ অনুগতসকলক নক্সালবাদৰ সমৰ্থক হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে উঠিপৰি লাগিল। অৱশ্যে পাছলৈ কেৱল বাঁওপন্থীসকল নহয় শাসকৰ কাম-কাজক সমালোচনা কৰা, শাসকৰ কামক লৈ প্ৰশ্ন তোলা, শাসকৰ বিৰুদ্ধে গণতান্ত্ৰিক প্ৰতিবাদ কৰা সকলো এতিয়া শাসকৰ দৃষ্টিত নক্সাল।

২০১৪ত বিজেপি নেতৃত্বৰ চৰকাৰ অহাৰ পৰাই এটা কথা বিয়পাই দিয়া হ'ল 'আৰবান নক্সাল'। সাধাৰণতে সশস্ত্ৰ নক্সাল বিদ্ৰোহৰ ঘাটি হ'ল গ্ৰামাঞ্চল। কিন্তু চহৰাঞ্চলত যিসকলে চৰকাৰক প্ৰশ্ন কৰে তেওঁলোকক শাসক পক্ষই আৰবান নক্সাল অৰ্থাৎ চহৰীয়া নক্সাল হিচাপে প্ৰতিপন্ন কৰিবলৈ উঠিপৰি লাগে। আৰবান নক্সাল শব্দটো আহিছিল বিবেক অগ্নিহোত্ৰীৰ ২০১৮ৰ কিতাপ Urban Naxais, The Making of Buddha in a Traffic Jam', ৰ পৰা। ২০১৮ত ভীমা কোৰেগাঁও গোচৰত কেইগৰাকীমান মানৱ অধিকাৰ কৰ্মী, অধ্যাপক, অধিবক্তাক ইউএপিএ গোচৰত গ্ৰেপ্তাৰ কৰাৰ পাছত শব্দটোৰ অধিক প্ৰচলন হৈ পৰে। বৰ্তমানৰ শাসক পক্ষই সঘনে উচ্চাৰণ কৰে এই শব্দ। সমাজকৰ্মী, সামাজিক মাধ্যমৰ ইনফ্লুৱেন্সাৰ যি সকলে শাসকৰ সকলো কথাতে হয় হুজুৰ ভাব প্ৰকাশ নকৰি অপশাসন, দুৰ্নীতি, অন্যায়, ব্যৰ্থতা গণবিৰোধী নীতিৰ বিৰুদ্ধে মাত মাতে, প্ৰশ্ন তোলে শাসকপক্ষই সেই সকলকে আৰবান নক্সাল সজাই দিয়ে। চৰকাৰ অৰ্থাৎ শাসকৰ বিৰুদ্ধে প্ৰশ্ন কৰাসকলক সৰ্বদা চৰকাৰক অস্থিৰ কৰাৰ বাবে কাম কৰি আছে বুলি প্ৰচাৰ চলোৱা হয়। আনকি বহু আৰবান নক্সাল অভিহিত লোকে ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত চৰকাৰী হাৰাশাস্তিৰো সন্মুখীন হৈছে।

এতিয়া দেশৰ প্ৰধানমন্ত্ৰীয়েই আন এটা শব্দ আনিছে 'ডিমাগী নক্সাল' অৰ্থাৎ 'জ্ঞানী নক্সাল।' স্বাধীনতা দিৱসৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰিছে 'দেশে সশস্ত্ৰ নক্সালবাদক বহু পৰিমাণে দমন কৰিবলৈ সফল হৈছে। কিন্তু এতিয়া নতুন বিপদ হৈছে ডিমাগী নক্সাল। যি চিষ্টেমৰ ভিতৰত সোমাই আছে নীতি নিৰ্ধাৰণত প্ৰভাৱ পেলাই আহিছে আৰু সমাজৰ বাবে ভাবুকি কঢ়িয়াই আনিছে। এওঁলোকে হিংসা আৰু নৈৰাজ্যক প্ৰৰোচিত কৰে। এইসকল লোকক চিনাক্ত কৰি বিচ্ছিন্ন কৰিব লাগে।

প্ৰধানমন্ত্ৰী এই কথাৰে কাক লক্ষ্য কৰিছে তাক সকলোৱে বুজি পাইছে। যিসকল শাসকৰ নীতিৰ বিৰোধী সেইসকল আজি নক্সাল অভিধাৰে অভিহিত। যিসকলে চৰকাৰৰ অন্যায়, অপশাসন, দুৰ্নীতিৰ বিৰুদ্ধে ৰাজপথত গৈ মাত মাতে আৰু সেই গণতান্ত্ৰিক সংগ্ৰামক যিসকলে বৌদ্ধিকভাৱে সমৰ্থন কৰে সেইসকল আজি ডিমাগী নক্সাল। এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত গণতান্ত্ৰিক প্ৰতিবাদ জনতাৰ গণতান্ত্ৰিক অধিকাৰ। কিন্তু বৰ্তমানৰ শাসকে ২০১৪ৰ পৰাই সেই অধিকাৰ দমন কৰিবলৈ প্ৰয়াস কৰি আহিছে। বৰ্তমানেও জনতাৰ বাবে গণতান্ত্ৰিক সংগ্ৰামৰ নেতৃত্ব দিয়া বহু সংগ্ৰামীক বিভিন্ন আইন জাপি দি কাৰাগাৰত ৰখা হৈছে, হাৰাশাস্তি কৰা হৈছে। গণতন্ত্ৰৰ প্ৰতি শ্ৰদ্ধাশীল মানুহে গণতান্ত্ৰিক প্ৰতিবাদ কৰে। কিন্তু শাসকৰ বাবে গণতান্ত্ৰিক প্ৰতিবাদ আৰু অগণতান্ত্ৰিক পন্থাৰে সশস্ত্ৰ বিদ্ৰোহ কৰা সকল একাকাৰ। এয়া গণতন্ত্ৰৰ বাবে চৰম পৰিহাস। গণতান্ত্ৰিক প্ৰতিবাদৰ ধাৰাটোৰ প্ৰতি শাসকৰ অসহিষ্ণুতাৰ বহিঃপ্ৰকাশ হ'ল আৰবান নক্সাল, ডিমাগী নক্সাল আদি অভিধা।

গণতান্ত্ৰিক প্ৰতিবাদী, গণতান্ত্ৰিকভাৱে প্ৰশ্ন কৰা, গণতান্ত্ৰিকভাৱে মানুহৰ পক্ষত থাকি বৌদ্ধিক পথেৰে প্ৰতিবাদ কৰাসকলক বেআইনী অস্ত্ৰধাৰীৰ লগত তুলনা কৰি শাসকে সেইসকলক অগণতান্ত্ৰিক, দেশ বিৰোধী সজোৱাৰ কচৰৎ হ'ল এইবোৰ শব্দ। আচলতে গণতান্ত্ৰিক প্ৰতিবাদকাৰী, বৌদ্ধিক প্ৰশ্নকৰ্তাক অসাংবিধানিক কোনোবাৰ লগত সাঙুৰিব যোৱাটোৱে অগণতান্ত্ৰিক কাৰ্য। গণতন্ত্ৰৰ বাবে এয়া অশুভ। এনে কাৰ্যই গণতন্ত্ৰ দুৰ্বল কৰে। এয়াও এক দমননীতি বা স্বৈৰতন্ত্ৰৰ অংশ মাথোন।

*ফোন ঃ ৯৭৯৪৯২৫২৫৭*

# স্বাধীনতাৰ চমক পৰাধীনতাৰ ধমক

## মনোজ কুমাৰ ভট্টাচাৰ্য

— হেৰা, আজি দেখোন হাইঠা মাটিত পৰিল। কথাটো বা কি?
— একো কথা নাই।
— ক'লেই হ'বনে তুমি? নিশ্চয় ইয়াৰ আঁৰত গভীৰ ৰহস্য লুকাই আছে। সেইটো মই ভালদৰেই জানো।
— কোনটো কথাতনো আপুনি ৰহস্যৰ গোন্ধ নাপায় কওকচোন মোক?
— হেৰা, আজি কিবা পৰ্ব আছে নেকিহে?
— নাই।
— তেনেহ'লে সঁচাকৈয়ে মই গৰ্ব কৰিব পাৰো দেখোন। আজিহে তোমাক মোৰ পত্নী আৰু এইখন ঘৰৰ বোৱাৰী যেন লাগিছে।
— আপোনাৰ লগত চলিব নোৱাৰি দিয়ক।
— হে মোৰ অৰ্ধাংগিণী, ব্যক্ত কৰা অচিৰে কি হেতু পৰিধান কৰিছা এই বেশ?
— ভাওনাৰ বচন মতা দিছে দেখোন? আগতে ভাওনাত ভাগ লৈছিল যেন পাওঁ।
— সৰুতে সৰু-সুৰা ভাওত ভাগ নোলোৱা নহয়, লৈছিলো। এতিয়া আৰু নাই।
— আজি পুৱাৰে পৰা মনটো বিৰাট ভাল লাগি আছে জাননে?
— সেইবাবেই তুমি আজি মেক্সি এৰি মেখেলা-চাদৰ পিন্ধিছা, হয়নে?
— অ।
— মন ভাল বাবেই মেখেলা-চাদৰ পিন্ধিছা নে মেখেলা-চাদৰ পিন্ধিছা বাবেই মনটো ভাল লাগিছে?
— আচলতে বতৰটোৰ কাৰণে। এই সময়ত গৰমত ৰক্ষা নোপোৱা হ'ব লাগিছিল। অথচ আমাৰ ইয়াত গৰমো নাই, ঠাণ্ডাও নাই।
— সেইবাবে তোমাৰ মনটো ভাল নে মাৰাৰ ঘৰলৈ যাব খুজিছা?
— নাযাওঁ। যোৱাৰ কথা এতিয়া ভবা নাই। কিয় সুধিলে আপুনি?
— নহয়, মাৰাৰ ঘৰলৈ ওলোৱাৰ দিনটোত আৰু মোৰ দৰমহাৰ টকাখিনি থপিয়াই লোৱাৰ দিনটোতহে তোমাৰ মনটো ভাল লাগি থাকে। তাৰ বাদেতো সদায় অশান্তিয়েই অশান্তি।



— সেইবোৰ এতিয়া এৰকচোন। জৰুৰী কথা এটা আছে, এতিয়াই নক'লে কোৱাই নহ'ব। আপোনাৰ গা ধুবৰ হ'বই।
— কোৱা। মই একান্ত মনেৰে কাণ পাতি তোমাৰ কথা শুনিবলৈ সাজু আছো।
— স্বাধীনতা দিৱস পালেহিয়েই দেখোন?
— অ, আহিলেই। কিয় সুধিলা?
— এইবাৰ ঘৰে ঘৰে পতাকা উৰুৱাব লাগিব নহয়? মই এটা কথা ভাবিছো।
— কি?
— আমি চোতালত বাহ এডাল পুতি দুয়ো মিলি ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিম। গতিকে অফিচৰ পৰা আহোতে আজিয়েই ডাঙৰ এখন পতাকা লৈ আহিব।
— আজিয়েই আনিব কিয় লাগে? সময়ত পাবা দিয়া। আনি দিম মই।
— আপোনাৰ লগত সেইটোৱেই সমস্যা। আজি আনি থ'লেনো কি ক্ষতি হ'ব। সময়ত পতাকাৰ নাটনি হ'লে কৰিব কি কওকচোন?
— তোমালো যে কথা আৰু। হ'ব দিয়া। তিৰীয়ে যি কয় গিৰীয়ে যদি চকু মুদি মানি লয়, সেইখনহে আচলতে সুখৰ সংসাৰ হয়।
— শুনক, কেইটামান ফুল, এডাল দীঘল ৰছী আৰু এডাল পোন বাহ লাগিব। সেইখিনি দায়িত্ব আপোনাৰ। নাপাহৰিব কিন্তু।
— নাপাহৰো দিয়া। কিয় পাহৰিম?
— পাহৰা স্বভাৱটো আপোনাৰ আছে বাবেই কৈছো, আৰু এটা কথা।
— কোৱা।
— কাইলৈ হাজিৰা কৰা মানুহ এজন মাতিব। ঘৰৰ চৌহদটো পৰিষ্কাৰ কৰিব লাগিব। বন আৰু লতাই একেবাৰে আবৰি ধৰিছে।
— আৰু কিবা আছেনে? তোমাৰ হ'ল যদি এতিয়া মই বাতৰি কাকতখন পঢ়ো।
— সেইখন এতিয়া থওকচোন, পাছতো পঢ়িব পাৰিব। মোৰ কথাখিনি আগতে শুনি লওক।
— শুনি আছো দিয়া, কৈ যোৱা তুমি।
— ৰাতিৰ কাৰণে লাইটৰ ব্যৱস্থা কৰিব লাগিব নহয়?
— আমাৰ ঘৰৰ লাইটবোৰ কি হ'ল?
— নহয়হে? লাইটৰ মালাৰ কথা কৈছো। ঘৰ, চোতাল, পদূলি সকলোতে লাইটৰ মালা লগাব লাগিব। তেতিয়াহে দেখিবলৈ ভাল লাগিব।
— মানে দেৱালী পাতিব খুজিছা? যি দেখিছো স্বাধীনতাৰ সোৱাদ তুমি বাৰুকৈয়ে পাইছা। এই তিনিদিন তুমি তোমাৰ খুচি মতে উপভোগ কৰা বুজিছা?
— তিনিদিন নহয়, আপুনি পাহৰিছে হ'বলা? ১৬ আগষ্টত আমাৰ প্ৰথম বিবাহ বাৰ্ষিকী। খুব ধুমধামেৰে পাতিম বুজিছে?
— পাতা। যাকে ইচ্ছা তাকে মাতা। মোৰ কোনো আপত্তি নাই।
— চোতালত ডাঙৰকৈ টেন্ট দিব লাগিব। ভাবিছো খানা ইয়াত নবনাও। ভাল হোটেলৰ পৰাই অৰ্ডাৰ কৰি আনিম। দুশমান মানুহ নহ'ব জানো?
— মই কেনেকৈ জানিম? তুমিহে জানিবা কাক মাতিব খুজিছা?
— হিচাপ এটা উলিয়াইছো মই। মোৰ ফালৰ ১৫০ জন আৰু আপোনাৰ ফালৰ ৫০ জন। সেইদিনা ছুটীৰ কথাটো কিন্তু আপুনি আজিয়েই অফিচত কৈ থ'ব।
— কি কোৱাহে? বিবাহ বাৰ্ষিকীৰ কাৰণে ছুটী ল'ব পাৰি নেকি? কোনে ছুটী দিব মোক?
— তেনেহ'লে মই অকলে চম্ভালিম কেনেকৈ? আনহাতে, অভ্যাগতই আপোনাক নেদেখিলে কি বুলি ভাবিব কওকচোন?
— তুমি যি ভাল দেখা তাকেই কৰা। ইয়াৰ মাজলৈ মোক নাটানিবা বুজিছা?
— বিবাহ বাৰ্ষিকী কেৱল মোৰহে নেকি? আমাৰ দুয়োৰে। গতিকে আপুনি গা এৰা দিলেই নহ'ব। এই দিনটো আমাৰ জীৱনৰ কিমান উল্লেখনীয় জানেনে?
— জানো। এই দিনটো আমাৰ বাবে নিশ্চয় অতিকৈ স্মৰণীয়।
— তেনেহ'লে?
— এই দিনটো তোমাৰ বাবে যিমান আনন্দৰ, মোৰ বাবে সিমান বিষাদৰ বুজিছা?
— কি কৈছে আপুনি এইবোৰ?
— ঠিকেই কৈছো। এই দিনটোতেই তুমি মোৰ ওচৰত স্বাধীন হৈছা আৰু মই হৈছো তোমাৰ ওচৰত পৰাধীন। গতিকে..... ।
— কি?

*ফোন ঃ ৯১০১৭৭৪৮৬৮*

দেওবৰীয়া দৈনিক
অগ্ৰদূত
২৩ আগষ্ট দেওবাৰ, ২০২৬ পৃষ্ঠা ৫



# মানুহ, গছ আৰু বানপানী

**মানুহৰ জীৱন নিৰাপদ আৰু বানপানীৰ অজ্ঞতা দূৰ কৰাৰ ব্যৱস্থা কৰিব লাগিব আৰু মই ভাবো, হয়তো মই ভবাটো ভুলো হ'ব পাৰে— তাৰ কাৰণে পঢ়াশালিয়েই হ'ল আটাইতকৈ উপযুক্ত ঠাই। মানুহৰ জীৱন নিৰাপদ আৰু সুন্দৰ কৰি তুলিবলৈ গছ-গছনিৰ অপৰিহাৰ্য প্ৰয়োজনৰ কথা আৰু বানপানী প্ৰতিৰোধৰ কিছুমান শিকিবলগীয়া কথা যদি ল'ৰা-ছোৱালীক আৰম্ভণিৰ পৰাই শিকোৱা যায়, তেন্তে সেই প্ৰেম আৰু জ্ঞান ক্ৰমশঃ ডাঙৰলৈকে সঞ্চাৰিত হ'ব**

চিত্ত বৰা

**'মোৰ** উদৰত, কোটৰত, গহ্বৰত, কন্দৰত ভাঁজে ভাঁজে, খাপে খাপে, শিখৰে শিখৰে অংগ-ভংগিমাৰ বিভংগে বিভংগে ভূ-তাত্ত্বিক, বৈজ্ঞানিক, প্ৰত্ন-তাত্ত্বিকৰ বাবে আছে এক সেউজীয়া বিস্তীৰ্ণ পথাৰ।' গিৰি-গুহা পৰিবৃতা, নদ-নদী বিনন্দিতা, সুজলা, সুফলা, শস্য-শ্যামলা অসমী মাতৃ কেৱল প্ৰাকৃতিক সৌন্দৰ্য বিমণ্ডিতাই নহয়, প্ৰাকৃতিক সম্পদবোৰেও অপূৰ্ণ সমৃদ্ধা। অজস্ৰ নদ-নদী, জান- জুৰি, নিজৰাৰে বিধৌতা, হিমগিৰি মণ্ডিতা, অসমৰ পৰ্বতে-ভৈয়ামে, গুহাই-গহ্বৰে অজস্ৰ অজস্ৰ সম্পদৰ অযুত ভাণ্ডাৰ প্ৰকৃতিয়ে চিৰদিন সঞ্চিত কৰি ৰাখিছে— 'বহুজন হিতায় বহুজন সুখায়'।

ভৈয়ামৰ সুবিস্তীৰ্ণ সেউজীকোলাত যিদৰে শত-সহস্ৰ সম্পদ অসমীয়া আইয়ে প্ৰসৱ কৰিছে, সেইদৰে সেউজীয়া গিৰিমালাৰ স্তৰে স্তৰে, সিৰাই সিৰাই, বিভংগে বিভংগে, শিখৰে, খলপে খলপে পুঞ্জীভূত কৰি, সঞ্চিত কৰি ৰাখিছে অজস্ৰ সম্পদ অসমৰ সমৃদ্ধি বৃদ্ধিৰ কাৰণে, অসমীয়া জাতিৰ সৰ্বাংগীণ উন্নয়নৰ কাৰণে।

আমি এতিয়া দৃষ্টিপাত কৰো আমাৰ এই নিবন্ধৰ মূল বিষয় ঃ মানুহ, গছ আৰু বানপানীৰ এক চমু আলোচনা।

বিশ্ববিশ্ৰুতা নৰ্তকী আনা পাভ্‌লোভাই কিছুদিন লণ্ডনত বাস কৰিছিল। তেওঁৰ ঘৰৰ চাৰিওফালে বিৰাট ফুলনিবাৰী। আহৰি পালেই পাভ্‌লোভাই ফুলনিত বহি আৰাম কৰে আৰু মালীয়ে ঘাঁহ চিকুণোৱা চাই থাকে। কিন্তু যেতিয়াই মালীয়ে দাখন ওখ ওখ ঘাঁহ-বনবোৰ কাটিবলৈ আৰম্ভ কৰে, পাভ্‌লোভাই আৰ্তনাদ কৰি চিঞৰি উঠে ঃ 'ৰ'বা ৰ'বা, আজিয়েই সিহঁতক কাটি নেপেলাবাচোন, বাছাহঁতক আৰু কেইটামান দিন জীয়াই থাকিবলৈ দিয়া।'

আনা পাভ্‌লোভাৰ স্বদেশবাসী আন এজন মানুহেও গছক প্ৰাণভৰি ভাল পাইছিল। এণ্টন চেখভে তেওঁৰ 'ৱানিয়া খুড়া' নামৰ নাটকৰ বিভিন্ন চৰিত্ৰৰ মুখেদি গছৰ বিষয়ে যিবোৰ কথা কোৱাইছে, সেইবোৰ যে চেখভৰ নিজৰেই প্ৰাণৰ কথা— সেই কথা বুজিবলৈ বেছি টান নহয়। তেওঁ কয় যে অৰণ্যই দেশৰ সৌন্দৰ্য বৃদ্ধি কৰে, মহৎ অনুভূতি জগাই তোলে। অৰণ্যই ৰুক্ষ জলবায়ুক কোমল কৰি তোলে। যিবোৰ দেশৰ জলবায়ু কোমল, সেইবোৰ দেশত মানুহে প্ৰকৃতিৰ লগত সংগ্ৰামত কম শক্তি খৰচ কৰিব লগা হয়, ফলত মানুহবোৰৰ প্ৰকৃতি শান্ত আৰু অনুভূতি কোমল হয়। তেনেবোৰ দেশত মানুহবোৰ সুন্দৰ, সংবেদনশীল আৰু নমনীয় স্বভাৱৰ হয়। তেওঁলোকৰ ভাষা সুৰুচিপূৰ্ণ আৰু খোজ-কাটল সুচাৰুমণ্ডিত হয়। তেওঁলোকৰ মাজত বিজ্ঞান আৰু সুকুমাৰ কলাৰ শ্ৰীবৃদ্ধি হয়। তেওঁলোকৰ জীৱন দৰ্শন আনন্দময় হয়।

মানুহৰ মূৰ্খামিৰ কাৰণেই গছ-গছনিৰ সংখ্যা দিনে দিনে হ্ৰাস পাই আহিছে, নৈবোৰ শুকাই যাব ধৰিছে, বনৰীয়া জীৱ-জন্তু প্ৰায় বিলুপ্ত হৈছে, জলবায়ু জীৱন-পোষণৰ অনুপযোগী হৈ পৰিছে।

মূৰ্খ আৰু অদূৰদৰ্শী ধনীৰ দুলালে চকু মুদি পৈ্ ক সম্পত্তি খৰচ কৰি দেউলীয়া হোৱাৰ দৰে মানৱ জাতিয়েও যোৱা কে'বা শতাব্দী ধৰি প্ৰকৃতিক লুটিপুতি শেষ কৰি এতিয়া দেউলীয়া হ'বলৈ আৰম্ভ কৰিছে। প্ৰকৃতিৰ এই ধ্বংসলীলা আৰু কিছুকাল অব্যাহতভাৱে চলি থাকিলে মানুহে যে নিজে জ্বলোৱা জুইত জাঁপ দি আত্মহত্যা কৰিব লাগিব সেই বিষয়ে কোনো সন্দেহ নাই। বিশেষকৈ অৰণ্যৰ অবিহনে বনৰীয়া পশু-পক্ষী দূৰৰ কথা, পৃথিৱীত মানুহৰ অস্তিত্বই অসম্ভৱ হৈ উঠিব।

মানৱ সমাজৰ অতীত ইতিহাসৰ পৰাও আমি এই বিষয়ে শিক্ষা ল'ব পাৰো। গ্ৰীক সভ্যতা ধ্বংস হোৱাৰ কাৰণ কি? কোনো কোনো পণ্ডিতে অনুমান কৰে যে মেলেৰিয়া জ্বৰেই প্ৰাচীন জগতৰ সুসভ্যতম জাতি গ্ৰীকসকলৰ ধ্বংস আৰু অৱক্ষয়ৰ প্ৰধান কাৰণ। প্ৰাচীন ভাৰতৰ হৰপ্পা আৰু মহেঞ্জোদাৰোত যি উন্নত সভ্যতা গঢ়ি উঠিছিল, সি কিয় নিশ্চিহ্ন হৈ গ'ল? একশ্ৰেণীৰ পণ্ডিতৰ মতে বানপানীৰ ধ্বংসলীলাই তাৰ প্ৰধান কাৰণ।

প্ৰায় এহেজাৰ বছৰ আগতে দক্ষিণ আমেৰিকাত মায়াসকলে এক মহান সভ্যতা গঢ়ি তুলিছিল। এই সভ্যতাৰ ক্ৰোড়ভূমি আছিল বৰ্তমানৰ গোৱাটেমালাৰ বিশাল বনাঞ্চল; কিন্তু মাত্ৰ কেই শতাব্দীমানৰ ভিতৰতে এই বৈচিত্ৰ্যপূৰ্ণ বিশাল সভ্যতা সম্পূৰ্ণৰূপে ধ্বংসপ্ৰাপ্ত হ'ল। তেওঁলোকৰ জনসংখ্যাও ৫০ লাখৰ পৰা হ্ৰাস পাই পাই এদিন প্ৰায় শূন্যত পৰ্যবসিত হ'ল।

বৰ্তমান কালত উন্নয়নশীল দেশসমূহতো জনসংখ্যা দুগুণ হ'বলৈ প্ৰায় ৩০ বছৰ সময় লাগে। কিন্তু বিখ্যাত মায়া সভ্যতা সৃষ্টি কৰা মানৱ-গোষ্ঠীৰ জনসংখ্যা দুগুণ হ'বলৈ সময় লাগিছিল প্ৰায় চাৰিশ বছৰ। ইমান মন্থৰ গতিৰে জনসংখ্যা বৃদ্ধি হোৱা সত্ত্বেও খেতিৰ মাটি মুকলি কৰিবৰ কাৰণে তেওঁলোকে এনে ভাবে হাবি-বন কাটি নিৰ্মূল কৰিছিল যে সেই অঞ্চলত হোৱা প্ৰবল বৃষ্টিপাতে নঙঠা মাটিবোৰ ধুই উটুৱাই নি হ্ৰদ আৰু সাগৰত পেলাইছিলগৈ, ফলত ৰিক্তা ধৰিত্ৰীয়ে হেৰুৱাই পেলাইছিল জীৱন-পোষণৰ সমস্ত শক্তি।

খেতিৰ প্ৰধান বিপদ দুটা ঃ অনাবৃষ্টি আৰু বানপানী। এই দুয়োটাকেই হাবি-বননিয়ে নিয়ন্ত্ৰণ কৰে। বাৰিষাৰ বতৰত উজনিৰ পৰা কোবাল গতিৰে বৈ অহা পানীৰ গতিবেগ নিয়ন্ত্ৰিত কৰিবলৈ যদি ব্যাপক বনাঞ্চল নাথাকে, তেন্তে বানপানীয়ে প্ৰবল আৰু অনিয়ন্ত্ৰিত ৰূপ ধাৰণ কৰে। অসমৰ মানুহে নিজৰ ভয়াৱহ অভিজ্ঞতাৰ পৰাই এই কথা বুজি পোৱা উচিত।

যোৱা কে'বা দশক ধৰি অসমত বানপানীয়ে অভূতপূৰ্ব প্ৰলয়ংকৰী ৰূপ ধাৰণ কৰিছে। পাহাৰীয়া অঞ্চলৰ হাবি-বননি সেৰেঙা হৈ অহাটোৱেই তাৰ প্ৰধান কাৰণ। এখন ঠাইত বৰষুণ কিমান হ'ব— এই কথাও বহু পৰিমাণে নিৰ্ভৰ কৰে হাবি-বননিৰ ওপৰত। অৰণ্যৰ ধ্বংসই সদায় অনাবৃষ্টি মাতি আনে। কিন্তু বৰষুণ কেৱল দিলেই নহ'ব, বৰষুণৰ পানী শুহি ল'বলৈ মাটিৰ শক্তি থাকিব লাগিব। গছৰ শিপা আৰু গেলি-পচি মাটিৰ লগত মিহলি হৈ যোৱা পাতবোৰে এটা ৰাসায়নিক প্ৰক্ৰিয়াৰে মাটিৰ পানী শুহি ল'ব পৰা শক্তি বৃদ্ধি কৰে। কেৱল তেনে মাটিয়েহে বৰষুণৰ পানী শুহি লৈ খেতিৰ উপযোগী হ'ব পৰাকৈ ৰসাল হৈ থাকিব পাৰে। হাবি-বননি নোহোৱা ঠাইত বৰষুণৰ পানী মাটিৰ ওপৰেদি বাগৰি গুচি যায় আৰু ফলত প্ৰকৃতিৰ এই অমূল্য দানৰ বিপুল অপচয় হয়।

নৈৰ গৰাখহনীয়াও মানুহৰ এটা ডাঙৰ বিপদ হৈ দেখা দিছে। খহনীয়াই যে কেৱল খেতিৰ মাটি আৰু গাঁও-ভূঁইকে ভাঙি উটুৱাই নিয়ে এনে নহয়, জনপূৰ্ণ সমৃদ্ধিশালী নগৰ একোখনৰ ভেটিও সি ৰাতিটোৰ ভিতৰতে কঁপাই দিয়ে। খহনীয়াৰ এটা প্ৰধান



কাৰণ হ'ল যথেষ্ট পৰিমাণৰ হাবি-বননিৰ অভাৱ, পানীৰ গতিবেগ নিয়ন্ত্ৰিত কৰিবলৈ আৰু মাটি শিপাৰে কামুৰি ধৰি ৰাখিবলৈ হাবি-বন নাথাকিলেই নৈয়ে পাৰ খহাবলৈ আৰম্ভ কৰে।

মানৱ জীৱন-ধাৰণৰ কাৰণে হাবি-বননিৰ প্ৰয়োজনীয়তাৰ কথা কৈ শেষ কৰিব নোৱাৰি। প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰি মানুহকো জীয়াই থকাত সহায় কৰিবৰ কাৰণে পশু-পক্ষী আৰু কীট-পতংগৰ অস্তিত্ব অপৰিহাৰ্য।

জলসিঞ্চন আৰু জলবিদ্যুৎ আহৰণৰ কাৰণে নদীৰ গতিবেগ নিয়ন্ত্ৰিত হৈ থকাটো একান্ত প্ৰয়োজনীয়। নদীৰ এই গতিবেগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আটাইতকৈ ডাঙৰ ভূমিকা লয় হাবি-বননিয়ে। হাবি-বননিয়ে যিবোৰ নদীৰ গতিবেগ স্বাভাৱিকভাৱে নিয়ন্ত্ৰণ কৰে, সেইবোৰ নদীৰ পৰা জলসিঞ্চন আৰু জলবিদ্যুৎ আহৰণ কৰাটো দুঃসাধ্য হৈ পৰে।

আধুনিক সভ্যতাৰ এটা প্ৰধান উপকৰণ হ'ল কাগজ। অৰণ্যই হ'ল কাগজৰ একমাত্ৰ উৎস।

বায়ুৰ অবিহনে মুহূৰ্তমাত্ৰ জীয়াই থাকিব নোৱাৰে, কিন্তু সেই বায়ুৰ অস্তিত্ব মানুহে সচেতনভাৱে অনুভৱেই নকৰে। খন্তেকৰ বাবে উশাহ লোৱাৰ পৰা বঞ্চিত হ'লেহে বুজি পায় যে বায়ুৱেই হ'ল মানুহৰ সৰ্বপ্ৰথম আৰু সৰ্বপ্ৰধান প্ৰয়োজন।

যোৱা দুশ বছৰৰ ঔদ্যোগিক সভ্যতাই ভূ-পৃষ্ঠ ক্ৰমে বনশূন্য আৰু অনাবৰণ কৰি অনাৰ পাছতহে মানুহে এতিয়া উপলব্ধি কৰিবলৈ আৰম্ভ কৰিছে যে অৰণ্যৰ অবিহনে মানুহৰ জীৱন ধাৰণ অসম্ভৱ। অৰণ্যই হ'ল জীৱনৰ একমাত্ৰ চিৰন্তনী মাতৃ আৰু ধাত্ৰী। কেৱল যে মানুহৰ শাৰীৰিক অস্তিত্ব ৰক্ষাৰ কাৰণেই অৰণ্যৰ প্ৰয়োজন এনে নহয়, মানুহৰ আত্মিক বা আৱেগিক জীৱনৰ কাৰণে অৰণ্যৰ প্ৰয়োজন তাতোকৈ হেজাৰগুণে বেছি।

যিখন পৃথিৱীত মানুহৰ ক্লান্ত চকুত মোহাঞ্জন সানি দিবলৈ অৰণ্যৰ শ্যামলিমা নাই, যিখন পৃথিৱীত বতাহে গছৰ পাতত মৰ্মৰধ্বনি তুলি থৈ নাযায়, যিখন পৃথিৱীত পশুৰ চকিত পদধ্বনি আৰু চৰাইৰ কলকাকলি চিৰকাললৈ নীৰৱ হৈ গৈছে, সেইখন পৃথিৱীত মানুহৰ হৃদয়ো পৰিণত হ'ব এখন মৰুভূমিত।

কংক্ৰীটৰ কাৰাগাৰত বন্দী মানুহে তেতিয়া চিৰিয়াখানৰ পশু-পক্ষীৰ নিচিনাকৈ কাৰাগাৰৰ দেৱালত হাত-ভৰি আছাৰি ক্ষত-বিক্ষত হ'ব লাগিব। মানুহক মানুহ কৰিছে কেৱল অৰণ্যই।

সন্দেহাতীত সত্য এইটোৱেই যে অৰণ্যৰ অবিহনে পৃথিৱীৰ প্ৰাণৰ অস্তিত্ব অসম্ভৱ। সেইকাৰণে অৰণ্যক ৰক্ষা কৰিবলৈ প্ৰাণপণ চেষ্টা কৰিব লাগিব আৰু নিৰ্বিচাৰভাৱে যাতে অৰণ্য ধ্বংস কৰা নহয় তাৰ কাৰণে জনসাধাৰণক শিক্ষা দিব লাগিব। অজ্ঞতাৰ কাৰণেই মানুহে ভৱিষ্যতৰ কথা চিন্তা নকৰি অৰণ্য ধ্বংস কৰে আৰু তাৰ ফলস্বৰূপে পাহাৰীয়া অঞ্চলৰ পৰা ভৈয়ামলৈ বৈ অহা পানীবোৰে বছৰৰ পাছত বছৰ ধৰি বানপানীৰ সৃষ্টি কৰি আহিছে।

উজনি অসমৰ সাম্প্ৰতিক দিখৌৰ বানৰ বিভীষিকাৰ ছবিখন দেখি স্বাভাৱিকতেই মোৰ মনত এনে এটা প্ৰশ্নৰ উদয় হয় যে এয়া কেৱল প্ৰকৃতিৰ ক্ৰোধ নে মানুহৰ অবিবেচক সিদ্ধান্তৰ পৰিণতি?

প্ৰতি বছৰে লাখ লাখ টকাৰ শস্য নষ্ট হৈছে! হেজাৰ হেজাৰ গৰু-ম'হ উটি গৈছে; মানুহৰো প্ৰাণহানি হৈছে। আৰু কিমান দিন যে কালে অসমৰ বুকুত দুৰ্যোগৰ সৃষ্টি কৰি অসমীয়া জাতিৰ ৰাজহাড় পোনাব নোৱৰা কৰি, অসমীয়াক অকাল জৰাগ্ৰস্ত কৰি ৰাখিব কোনে জানে?

সামৰণিত কওঁ— মানুহৰ জীৱন নিৰাপদ আৰু বানপানীৰ অজ্ঞতা দূৰ কৰাৰ ব্যৱস্থা কৰিব লাগিব আৰু মই ভাবো, হয়তো মই ভবাটো ভুলো হ'ব পাৰে— তাৰ কাৰণে পঢ়াশালিয়েই হ'ল আটাইতকৈ উপযুক্ত ঠাই। মানুহৰ জীৱন নিৰাপদ আৰু সুন্দৰ কৰি তুলিবলৈ গছ-গছনিৰ অপৰিহাৰ্য প্ৰয়োজনৰ কথা আৰু বানপানী প্ৰতিৰোধৰ কিছুমান শিকিবলগীয়া কথা যদি ল'ৰা-ছোৱালীক আৰম্ভণিৰ পৰাই শিকোৱা যায়, তেন্তে সেই প্ৰেম আৰু জ্ঞান ক্ৰমশঃ ডাঙৰলৈকে সঞ্চাৰিত হ'ব।

*ফোন ঃ ৮৮১১৯৬৬৩৮৭*

# পৰিৱৰ্তিত ৰাজনীতিৰ পৰিৱেশত মূল্যবোধ

**বৰ্তমানৰ ৰাজনীতি যেন এক প্ৰকাৰৰ ন্যস্তস্বাৰ্থ জড়িত নেতাৰ ক্ষমতা লিপ্সাৰ অৱলম্বনস্বৰূপে পৰিগণিত হ'বলৈ লৈছে। এনে ধৰণৰ পৰিৱেশ আৰু পৰিস্থিতিয়ে গণতন্ত্ৰৰ বৈচিত্ৰ্য, মৰ্যাদা আৰু আকৰ্ষণক ক্ষুণ্ণ আৰু নিষ্প্ৰভ কৰি পেলোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি**



জেচমিন আৰা আহমেদ

**বৰ্তমান** অসমৰ ৰাজনীতি সাংঘাতিক ধৰণে এক নিম্নমানলৈ অপসাৰিত হৈ পৰিছে। এনে ক্ষেত্ৰত বহুকেইটা প্ৰশ্নই বিবেক জোঁকাৰি যায়। কেৱল ক্ষমতাত থকাৰ খাতিৰত বহু অভিজ্ঞ প্ৰাৰ্থীয়ে দল সলনি কৰিছে। ভাৰতীয় গণতন্ত্ৰ বা ভাৰতীয় ৰাজনীতিৰ ব্যৱস্থাটোৰ প্ৰতি বিশ্বক শ্ৰদ্ধাশীল কৰা, জনগণক আকৰ্ষিত কৰা এক মাত্ৰ ব্যৱস্থাটো আছিল মূল্যবোধৰ ৰাজনীতি। স্বৰাজোত্তৰ দেশত নাছিল কোনো উদ্যোগ অথবা উপযুক্ত স্বাস্থ্য সেৱা বা সুন্দৰ শিক্ষাৰ পৰিৱেশ- চৌদিশে বিয়পি থকা দৰিদ্ৰতাৰ মাজত সমাজে সচেতনে সাঁচি ৰখা সম্পদটো আছিল মূল্যবোধ। প্ৰতিটো ভাল চিন্তাৰ, ভাল আদৰ্শৰ মূল্য অনুধাৱন কৰিব পৰাৰ আগ্ৰহে দৰিদ্ৰতাৰ মাজতো সমাজখনক প্ৰদান কৰিছিল এক উচিত দিশ। জীৱনৰ মূল্যক উপলব্ধি কৰিব পৰা, মানুহক বিশ্বাস কৰা, সৰ্বোত্তম আদৰ্শক অনুসৰণ কৰাৰ প্ৰতি থকা প্ৰৱল আগ্ৰহে সমাজখনক শৃংখলাবদ্ধ কৰি ৰাখিছিল। এই শৃংখলাৰ মাজৰ পৰাই ৰাজনীতিত প্ৰৱেশ কৰাৰ বাবে তেওঁলোকৰ সৰহভাগেই আছিল গভীৰ মূল্যবোধসম্পন্ন আৰু সমাজ মুখী। কিন্তু বিগত দশকবোৰত এই পৰিৱেশ সলনি হ'বলৈ ধৰিছে। এতিয়াৰ ৰাজনীতিত মূল্যবোধৰ স্থান সম্পৰ্কে বেলেগ ব্যাখ্যাৰ প্ৰয়োজন হয়তো নাই। নীতিহীন ক্ষমতাকেন্দ্ৰিক এক ধৰণৰ ৰাজনীতিয়ে সমগ্ৰ ব্যৱস্থাটোক গ্ৰাস কৰি পেলোৱা যেন অনুভৱ হয়।

কিন্তু আমি সন্দিহান যে বৰ্তমানৰ ৰাজনীতিত মূল্যবোধ সম্পন্ন ভব্য পৰিৱেশ প্ৰায় নোহোৱা হৈ পৰিছে। একাংশ ৰাজনৈতিক ধাৰাভাষ্যকাৰৰ মতে নিকা ভাবমূৰ্তিৰ প্ৰাৰ্থীতকৈ অপৰাধৰ লগত জড়িত বুলি চিহ্নিত প্ৰাৰ্থীৰ নিৰ্বাচনত জয়ী হোৱাৰ সম্ভাৱনা তিনি গুণ বেছি। গতিকে প্ৰাৰ্থী এগৰাকীৰ সৎ ভাবমূৰ্তিতকৈ জয়ী হোৱাৰ ক্ষমতা আছে নে নাই মুলতঃ তাৰহে বিবেচনা কৰা হয়। ৰাজনৈতিক দলসমূহৰ ক্ষেত্ৰতো একে কথাকে ক'ব পাৰি। দলীয় নীতি আদৰ্শৰ সলনি দলটোত থাকি জয়ী হোৱাৰ সম্ভাৱনা কিমান শতাংশ হ'ব তাৰ প্ৰতি সন্দিহান হৈও দল সলনি কৰি নিজা ভৱিষ্যৎ সুৰক্ষিত কৰাৰ চিন্তা ৰাজনৈতিক কৰ্মী এজনে কৰাটো কোনো অস্বাভাৱিক কথা হয়তো নহ'ব পাৰে। এনে ক্ষেত্ৰত মূল্যবোধত বিশ্বাসী বহু ৰাজনৈতিক নেতা-কৰ্মী একাষৰীয়া হৈ পৰিব পাৰে অথবা কিছুমান আদৰ্শ সমৃদ্ধ দলো অপ্ৰাসংগিক হৈ পৰিছে। আৰু কিছুমান ৰাজনীতিজ্ঞই ক্ষমতাত বৰ্তি থাকিবলৈ সততে পক্ষ সলনি কৰিব লগা হৈছে।

ৰাজনীতিকসকলক সাধাৰণতে দুটা ভাগত ভাগ কৰা হয়— ৰাজনীতিৰ আৰু ৰাষ্ট্ৰনায়ক। দুয়োৰে দৃষ্টিভংগীৰ মিল নাই। ক্ষমতা উভয়ে বিচাৰে পাৰ্থক্য কেৱল লক্ষ্যপ্ৰাপ্তিৰ। নিৰ্বাচনক এতিয়া শৰাইঘাটৰ শেষ ৰণ আখ্যা দিয়া হয়। ৰণত সকলো প্ৰযোজ্য। গতিকে প্ৰেম আৰু যুদ্ধত সকলো পন্থাই ন্যায় সংগত। যুদ্ধত বিজয় প্ৰাপ্তিৰ বাবে নৈতিক বা অনৈতিক যিকোনো উপায় অৱলম্বন কৰাটোৱেই নীতি। 'সূৰ্য কুমাৰ ভূঞা'ৰ 'লাচিত বৰফুকন'ত আছে 'চোৰবচা' অসমীয়া সৈন্যই মোগলৰ হিলৈৰ মুখত পানী ভৰাই থ'লে। শেষ নিশা দুৰ্গ আক্ৰমণ কৰিলে। মোগলৰ হিলৈ নুফুটিল। আহোম সৈন্য জিকিল। ইটাখুলি দুৰ্গ অসমীয়াৰ হস্তগত হ'ল। মোগল সেনাক মানাহ পাৰ কৰাই থৈ আহিল। দেশৰ স্বাধীনতা ৰক্ষাৰ স্বাৰ্থত সকলো পন্থাই গ্ৰহণযোগ্য বুলি মানি ল'ব পাৰি যদিও আন্তঃৰাষ্ট্ৰীয় আইনৰ বাধ্যবাধকতা আছে। দেশৰ স্বাধীনতাৰ বাবে যুদ্ধ আৰু দেশ পৰিচালনাৰ বাবে জনসাধাৰণৰ পৰা মতদান আদায় কৰা নিশ্চয় একে বিষয় নহয়। কিন্তু মুল কথা লক্ষ্যৰ প্ৰাপ্তি। কেনে পন্থা অৱলম্বন কৰা হ'ল ই বিবেচনাৰ বিষয় নহয়। গান্ধীজীয়ে অহিংসাক ন্যায্যতা দিছিল।

বৰ্তমানৰ বাস্তৱ সত্য হ'ল ক্ষমতা আহৰণৰ বাবে গ্ৰহণ কৰা পন্থা নৈতিক বা অনৈতিক তাৰ বিচাৰ কৰাৰ যোগ্য বুলি অনুভৱ কৰা নহয়। নৈতিকতা আৰু মূল্যবোধৰ ক্ৰমত অপ্ৰাসংগিক হৈ আহিছে আমি তাক অনুশোচনা কৰাৰ যোগ্য বুলি ভবা নাই। কালাৰছ টিভিৰ এক ৰিয়েলিটি শ্ব' প্ৰচাৰ কৰা হয়। যিটো অতি জনপ্ৰিয় অনুষ্ঠানৰ এক। এই শ্ব'টো যিসকলে উপভোগ কৰিছে তেওঁলোকে জানিব ইয়াত উপস্থাপন কৰা হয় কিদৰে মানুহে ক্ষমতাৰ লোভৰ বশৱৰ্তী হৈ নৈতিক চিন্তা- চৰ্চা আৰু মৌলিক মূল্যবোধক নেওচি ক্ষমতাক হস্তগত কৰাৰ মানসিকতাত যি কোনো নৈতিক অথবা অনৈতিক কাৰ্যক প্ৰাধান্য দিব পাৰে। যি কোনো ব্যক্তিয়ে সামাজিক জীৱনৰ সৎ ভাৱমূৰ্তি কলংকিত কৰি হঠাৎ সামঞ্জস্যহীন ৰাজনৈতিক জীৱনক আঁকোৱালি লোৱাটো কোনো নতুন ঘটনা নহয়। কিন্তু নেতাসকলৰ এনে উদাহৰণবোৰে ৰাজনীতিজ্ঞৰ সংশ্লিষ্ট সামাজিক বিশ্বাসযোগ্যতা আৰু গ্ৰহণযোগ্যতা হ্ৰাস কৰি অনা যেন অনুভৱ হয়। বৰ্তমানৰ ৰাজনীতিও যেন এক প্ৰকাৰৰ ন্যস্তস্বাৰ্থ জড়িত নেতাৰ ক্ষমতা লিপ্সাৰ অৱলম্বনস্বৰূপে পৰিগণিত হ'বলৈ লৈছে। এনে ধৰণৰ পৰিৱেশ আৰু পৰিস্থিতিয়ে গণতন্ত্ৰৰ বৈচিত্ৰ্য, মৰ্যাদা আৰু আকৰ্ষণক ক্ষুণ্ণ আৰু নিষ্প্ৰভ কৰি পেলোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। শেহতীয়াকৈ দেখা পোৱা জেন জেদৰ শাসকৰ অন্যায়ৰ বিপক্ষে যি প্ৰতিবাদ দেখা গৈছে ই তাৰে এক জ্বলন্ত সাক্ষী।



***ফোন ঃ** ৮০১১২-১৩৩০৮*

## জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

**যি নাগাৰ নৰোত্তমক বৈষ্ণৱ বুলি গৌৰৱ কৰা হয় তেওঁৰ নাগিনী পত্নীৰ লেখা ওলাল মায়ান্‌মাৰত।। নক্তে ৰজা লথা খুনবাওক বৈষ্ণৱ কৰাৰ আঁৰৰ আহোম স্বৰ্গদেউৰ ৰাজনীতি-অৰ্থনীতি ইতিহাস মাত্ৰেই ধৰ্ম-ৰাজনীতি- অৰ্থনীতি-অৰ্থনীতিৰে অবিচ্ছেদ্য।।**

দ° দেৱব্ৰত শৰ্মা

**অসমীয়া** দৈনিক অগ্ৰদূত কাকতৰ বিগত ৯/৮/২৬ সংখ্যাত মই অৰুণাচলৰ নক্তে নাগা লথা খুনবাৰে বৈষ্ণৱ ধৰ্মত দীক্ষা লৈ শ্ৰী শ্ৰী চলিহা বাৰেঘৰ সত্ৰৰ শ্ৰীৰামআতাৰ শিষ্য হৈ নগানৰোত্তমত পৰিণত হোৱাৰ কাহিনী লিখিছিলো। সেই সম্পৰ্কে সত্ৰখনৰ ভাষ্য ইতিমধ্যে তুলি ধৰা হৈছে। কিন্তু ইতিহাস সদায় বহুমাত্ৰিক। সেয়েহে এইবাৰ আন কিছু গুৰুত্বপূৰ্ণ দিশ আগবঢ়াইছো। পূৰ্ণকান্ত বুঢ়াগোহাঁইৰ **পাটকাইৰ সিপাৰে ন বছৰ** এখন বিখ্যাত গ্ৰন্থ। এইজন অসমীয়াই মায়ানমাৰ থাইলেণ্ড চীনলৈ গৈ বেপাৰ বাণিজ্যৰ লগতে অসমীয়া মানুহৰ সন্ধান কৰিছিল। অসমীয়া পুথিৰো তেখেতে সন্ধান কৰিছিল। তেওঁ মায়ানমাৰত এখন অসমীয়া আখৰত লিখা পুথি দেখা পাইছিল। সেইখনৰ সম্পৰ্কে তেওঁ এনেকৈ লিখিছিল ঃ

'নিৰঞ্জন আৰু ইয়াং দুয়োকে লগত লৈ 'নংমউ' গাঁও চাবলৈ গলো। এই গাঁওখন ইয়োৱানেদিৰ পৰা ডেৰ মাইল মান দূৰ হ'ব। এই গাঁৱত 'মোহন বামুণ' আদি বংশৰ পৰিয়াল আছে। গুৱাহাটী অঞ্চলৰ ধমনা বামুন বুলি এজনক আনিছিল। তেওঁ ঢেকেৰি বামুন বুলি জনাজাত আছিল। তেওঁৰ পুতেক মোহন। মোহনৰ পুত্ৰ ফোংজান আৰু ফ্যুংএঙা নামৰ দুজন আছে। ঘৰফলীয়া আহোম খেলৰ ঙিকায়েই নামঘৰত মেধি। এওঁ অসমীয়া কথা ক'ব নাজানে। কিন্তু অসমীয়া দশম, কীৰ্তন ঘোষা পঢ়ি পদ মুখস্থ কৰি ৰাখিছে। এৰেঁই নামগুণ গাই সকাম আদি কৰি ভাঙে। এওঁৰ আশীৰ্বাদ দিয়া শুনি বৰ ভাল লাগিল। তলত নাম উল্লেখ কৰা পুথি কেইখন এই মেধিৰ ঘৰত আছে। যেনে-একাদশ স্কন্ধ ভাগৱত শ্যান কাকতত লিখা। আখৰ বৰ সুন্দৰ ।

এই পুথিখন বন্ধা যি ডাল ফিটা আছে, সাত হাত দীঘল। **উক্ত ফিটা ডালত ভক্তিমূলক পদ সুতাৰে বছা আছে। স্বৰ্গদেৱ সিংহৰ দিনত শ্ৰীনৰোত্তম দেৱৰ বৰ ভাৰ্যায়ে লিখিতং বুলি আছে। এওঁ শংকৰদেৱৰ দিনত জনাজাত আছিল। বৰদুৱৰীয়া নগাৰ গুৰু নৰোত্তম দেৱেই হ'ব পায়। ফিটা ডালো নগা মাকোৰে বোৱাদি বোৱা। ফিটা ডালৰ নৈপুণ্য দেখিলে আচৰিত হব লাগে। পঞ্চম বছৰ সপ্তম** সংখ্যা **'আৱাহনত' এই ফিটাডালৰ ছবি প্ৰকাশ হৈ গৈছে। এই, ফিটাডালো অসমৰ হিষ্ট্ৰিকেল এণ্ড এন্টিকোৰিয়েন ষ্টাডিজ বিভাগত দিয়া হ'ল।'**

ইয়াত আমি আগতে কৈ অহা নাগাৰ নৰোত্তমৰ ডাঙৰগৰাকী পৰিবাৰে লিখা বুলি স্পষ্ট উল্লেখ আছে। এই পুথিখনৰ সম্পৰ্কত আৱাহনতো প্ৰকাশ পাইছিল আৰু বুৰঞ্জী আৰু পুৰাতত্ব বিভাগতো তথ্য জমা দিয়া হৈছিল বুলি বুঢ়াগোঁহাই ডাঙৰীয়াই এনেকৈ লিখিছে ঃ

'১৯৩৪ চনৰ ২৪ মে'ৰ দিনা কলিকতা পালোহি। ঠিক বাৰ বজাত ফৰ্ট উইলিয়াম দুৰ্গৰ ওচৰৰ আউটৰাম ঘাট পালোহি। ঘাটত জাহাজ চপাই আমি নামো মানে এক বাজিল। কলিকতাৰ ঘড়ীত দুই বাজিল। অসম অভিমুখে ঘোঁৰা গাড়ী এখনত এক অনা দুপইছা দি হেৰিশ্যন ৰোডৰ নেশ্যনেল বৰ্ডিঙলৈ আহিলো। গা-পা ধুই অলপ আহাৰ কৰি সেই দিনালৈ অৰ্থাৎ ২৪ মে'ৰ দিনা তাতে আশ্ৰয় গ্ৰহণ কৰিলো। পিছদিনা এডভোকেট হলিৰাম ডেকা এমএবিএলৰ ঘৰলৈ গৈ, তেখেতক দেখা কৰিলোগৈ। তাতে আমাৰ পখিলাৰ সম্পাদক আছে। তেওঁৰ লগতো কথা বতৰা পাতি আনন্দ পালো। কি উৎসাহী ডেকা! আৱাহনৰ সম্পাদককো ডেকাৰ ঘৰতে লগ পালো। তেখেতে ষষ্ঠ স্কন্ধ ভাগৱতৰ পাততো আৰু ফিটা দালৰ ফটো লৈ আৱাহনত দিবৰ কাৰণে ৰাখিলে।'

স্বাভাৱিকতে ই নাগাৰ নৰোত্তমৰ সম্পৰ্কে আমাৰ কৌতূহল দুগুণে বৃদ্ধি কৰিছে। কিন্তু এই নাগাৰ নৰোত্তমৰ ধৰ্মান্তৰণত নিহিত নিমখৰ অৰ্থনীতি আৰু আহোম স্বৰ্গদেউসকলৰ ৰাজনীতি সম্পৰ্কে আৰু আলোকপাত কৰিছে ডক্টৰ ৰক্তিম ৰঞ্জন শইকীয়াই। **প্ৰাক ঔপনিৱেশিক অসমৰ অৰ্থনৈতিক ইতিহাস** নামৰ গৱেষণা গ্ৰন্থখনত ড° শইকীয়াই লিখিছে ঃ

'নক্তেসকলৰ বাৰম্বাৰ আক্ৰমণ প্ৰতিহত কৰি ধন-জন হানি নোহোৱাকৈ টিৰাপৰ নিমখৰ যোগান অব্যাহত ৰখাৰ বাবে কূটনৈতিক পদক্ষেপ লোৱাটো আহোমসকলৰ বাবে অত্যন্ত জৰুৰী হৈ পৰিছিল। মধ্যযুগৰ পৰিৱেশত এই কামৰ বাবে ধৰ্মতকৈ উপযুক্ত অস্ত্ৰ একো নাছিল। প্ৰাচীন কালৰে পৰা ধৰ্মানুষ্ঠান আৰু শাসকসকলে পৰস্পৰ সহযোগিতাৰে কাম কৰি আহিছে। কেতিয়াবা স্বাৰ্থৰ পৰিপন্থী হোৱাৰ বাবে সংঘাতৰ সৃষ্টি হয় যদিও বৃহৎ পৰিসৰত ধৰ্মানুষ্ঠান আৰু শাসকসকলে সহযোগী হিচাপেই কাম কৰি অহা পৰিলক্ষিত হয়। শাসকসকলে সদায়েই স্বাৰ্থসিদ্ধিৰ বাবেই ধৰ্মৰ পৃষ্ঠপোষকতা কৰি আহিছে আৰু প্ৰয়োজনত ধৰ্ম সলনিও কৰি আহিছে। ৰোমান সম্ৰাট কনষ্টেন্টাইনৰ খ্ৰীষ্টান ধৰ্মগ্ৰহণ ইয়াৰ উৎকৃষ্ট উদাহৰণ। এইক্ষেত্ৰত আহোম ৰজাসকলো ব্যতিক্ৰম নহয়।'

স্বৰ্গদেউ ৰুদ্ৰসিংহই নিজে শাক্ত হৈও ইতিপূৰ্বে আহোম ৰাজতন্ত্ৰই বিৰোধিতা কৰি অহা কাল সংহতিৰ সত্ৰ চলিহা বাৰেঘৰ সত্ৰক নিয়োগ কৰি অৰুণাচলৰ নিমখ পুঙৰ অধিকাৰী নক্তে নাগাসকলক কেনেকৈ বশ মনাইছিল তাৰ সম্পৰ্কে ড০ শইকীয়াৰ ব্যাখ্যা এনেধৰণৰ ঃ




'ৰুদ্ৰসিংহ পাটত উঠিয়েই নক্তে সমস্যাটো সমাধান কৰিবলৈ এইবাৰ ধৰ্মৰ আশ্ৰয় লোৱাৰ কথা চিন্তা কৰিলে। ৰজাই নিশ্চয়কৈ উপলব্ধি কৰিছিল যে সম্পূৰ্ণ জনজাতীয় চৰিত্ৰৰ উগ্ৰ নক্তেসকলৰ বাবে যিকোনো ব্ৰাহ্মণ্য ধৰ্ম মুঠেই উপযোগী নহয়। গতিকে টিৰাপৰ জনজাতিসকলৰ বাবে গ্ৰহণযোগ্য হোৱাকৈ সৰল আৰু তুলনামূলকভাৱে উদাৰ ধৰ্ম এটাৰ প্ৰয়োজন হ'ল। তাৰ বাবে ৰজাঘৰৰ চকুত সকলোতকৈ উপযুক্ত বিবেচিত হ'ল তুলনামূলকভাৱে উদাৰ দৃষ্টিভংগীৰ শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱৰ আজ্ঞাপৰ কালসংহতিৰ সত্ৰসমূহ। সেয়েহে যদিও গদাধৰ সিংহৰ পুত্ৰ ৰুদ্ৰসিংহও শাক্ত আছিল তথাপি তেওঁৰ দিনতে হঠাৎ আহোম ৰাজচ'ৰাই বৈষ্ণৱ সত্ৰসমূহৰ প্ৰতি কিছু নমনীয় মনোভাব পোষণ কৰিবলৈ আৰম্ভ কৰে। সকলোতকৈ আচৰিত কথা আছিল ৰজাঘৰৰ পৰা সৰ্বাধিক অত্যাচাৰৰ বলি হোৱা কাল সংহতিৰ সত্ৰসমূহৰে এখন চলিহা বাৰেঘৰ সত্ৰৰ প্ৰতি অত্যধিক পৃষ্ঠপোষকতা আগবঢ়োৱা কাৰ্যটো। আহোম ৰজাই চলিহা বাৰেঘৰ সত্ৰখন আনকি পকীকৈ তৈয়াৰ কৰাই দিছিল। মানৰ দিনত এই সত্ৰখন ধ্বংস হৈছিল যদিও তাৰ পকী ভেটিটোৰ ধ্বংসাৱশেষ আজিও বিদ্যমান। আমি নিজে সেই ইটা আৰু কৰালসমূহ পৰীক্ষা কৰি সেয়া আহোম যুগৰ ইটা বুলি নিশ্চিত হৈছো। ৰাজসভাত হোৱা তৰ্কবাদত কোনো বহিৰাগত পণ্ডিতক পৰাস্ত কৰাটোৱেই এই ৰাজপৃষ্ঠপোষকতাৰ কাৰণ বুলি শ্ৰীৰাম আতাৰ চৰিত্ৰত উল্লেখ আছে- 'আৰু এক যুগুতি ব্ৰাহ্মণে মনে লৈলা, জিনিবো সাধুক বাদে ৰাজা আগে কৈলা।' কিন্তু কথাটো বিশ্বাসযোগ্য নহয়। সমসাময়িক কোনো আহোম বুৰঞ্জীত এনে তৰ্কবাদৰ ঘটনাৰ উল্লেখ পোৱা নাযায়। আহোম বুৰঞ্জীবোৰত ৰাজচ'ৰাৰ খুটি-নাটিবোৰো বৰ্ণিত হয়।'

ডক্তৰ শইকীয়াই নগাৰ নৰোত্তমৰ ধৰ্মান্তৰণক এক অলৌকিক কাহিনী বুলি গণ্য নকৰে; ইয়াক এক সুচতুৰ ৰাজনৈতিক অৰ্থনৈতিক পৰিকল্পনাৰ অংশ বুলিহে গণ্য কৰে। সেয়ে তেখেতে লিখিছে

"ৰাজপৃষ্ঠপোষকতা পোৱাৰ পাছতে আমি দেখিম শ্ৰীৰাম আতাৰ টিৰাপ গমন আৰু নক্তে ৰজা লথা খুনবাওক দীক্ষা প্ৰদানৰ দৰে ঐতিহাসিক ঘটনা। শ্ৰীৰাম আতাৰ চৰিত পুথিত খুনবাওক দীক্ষা প্ৰদানৰ এক অলৌকিক কাহিনী আছে যদিও স্থান-কাল- পাত্ৰ ভেদে ইয়াক এক ৰাজনৈতিক পদক্ষেপ বুলিহে প্ৰতিপন্ন কৰে। শ্ৰীৰাম আতা টিৰাপৰ ধৰমপানী নামৰ ঠাইলৈ গৈছিল বুলি নক্তে কিংবদন্তীয়ে কয়। অন্যান্য জনগোষ্ঠীসমূহক বাদ দি কেৱল নক্তেসকলক লক্ষ্য আৰু উদ্দেশ্য হিচাপে দীক্ষিত কৰাৰ ঘটনাটো নিশ্চয়েই আহোম ৰজাৰ নিৰ্দেশনাত হোৱা এক ৰাজনৈতিক প্ৰক্ৰিয়া। আন সংহতিৰ সত্ৰবোৰতকৈ কাল সংহতিৰ সত্ৰসমূহ কিছু উদাৰ হোৱাৰ বাবে জনজাতীয় লোকসকলৰ বাবে এইসমূহ সত্ৰৰ গ্ৰহণযোগ্যতা আটাইতকৈ বেছি আছিল। সেয়ে ৰুদ্ৰসিংহই এক সুচতুৰ ৰাজনৈতিক পদক্ষেপ লৈ নক্তেসকলক নিয়ন্ত্ৰণৰ বাবে শ্ৰীৰাম আতাক ব্যৱহাৰ কৰিলে। কোনো অৰ্থনৈতিক স্বাৰ্থ নথকাৰ বাবেই কাষৰীয়া অন্য জনজাতিসকলক সম্পূৰ্ণৰূপে উপেক্ষা কৰি কেৱল নক্তেসকলকে লক্ষ্য কৰি লোৱা হ'ল। ফলাফল ৰাজবংশৰ বাবে ইতিবাচকেই হ'ব। লথা খুনবাওৰ শিষ্যত্ব গ্ৰহণৰ পাছতে ১৮০৭ খ্ৰীষ্টাব্দ পৰ্যন্ত ১০৬ বছৰ আহোম আৰু নক্তেসকলৰ মাজত নিমখক লৈ কোনো সংঘৰ্ষৰ সৃষ্টি হোৱা নাছিল। এইদৰেই আহোম ৰজাৰ নিমখৰ ৰাজনীতি আশাতীতভাৱেই সফল হৈছিলা।'

কিন্তু ইয়াৰ উপৰি আমাৰ আৰু এক সংযোজন কৰিবলগীয়া আছে। আমাৰ আগৰ লেখাত নাগাৰ নৰোত্তমৰ সতি সন্ততিসকল খৃস্তান বুলি উল্লেখ কৰাৰ বিপৰীতে শ্ৰী শ্ৰী চলিহা বাৰেঘৰ সত্ৰ প্ৰপন্ন শিষ্য গোলাপ বৰাই জনাইছে যে এতিয়াও অৰুণাচলত ভালেসংখ্যক বৈষ্ণৱ আছে আৰু অলপতেই ২৫জন নাগাই এই শত্ৰৰ শিষ্য হিচাপে শৰণ লৈছে। সি যি কি নহওক, নাগাৰ নৰোত্তম প্ৰসংগই আমাৰ সমাজতাত্বিক-ঐতিহাসিক- অৰ্থনৈতিক-ৰাজনৈতিক গৱেষণাৰ পৰস্পৰ সম্পৰ্কিত সম্ভাৱনাৰ দুৱাৰ বহলকৈ মুকলি কৰিলে।

*লেখক অসমীয়া জাতীয় অভিধান তথা জাতীয় ইতিহাসৰ মুখ্য সম্পাদক*
*ফোন ঃ ৯৪৩৫৩৫১২৫৫*




নিজৰ পেছা বা চাকৰিটোক সুৰক্ষিত কৰি ৰাখিবলৈ জীৱন বা স্বাস্থ্য বীমাৰ কথা বহুতে ভাবে। কিন্তু পেছাগত সেৱা আগবঢ়োৱাৰ সময়ত হোৱা ভুল, অৱহেলা বা ভুল পৰামৰ্শৰ ফলত কোনো গ্ৰাহক বা তৃতীয় পক্ষই ক্ষতিপূৰণ দাবী কৰিলে কি হ'ব? এনে পৰিস্থিতিত আইনী খৰচ আৰু ক্ষতিপূৰণৰ আৰ্থিক বোজাৰ পৰা পেছাদাৰীসকলক সুৰক্ষা দিব পাৰে 'প্ৰফেচনেল ইনডেমনিটি ইনছুৰেন্স' বা পেছাদাৰী ক্ষতিপূৰণ বীমাই।

# পেছাগত ভুলৰ বাবে ক্ষতিৰ ভয়? সুৰক্ষা দিব পাৰে এই বীমাই

নিজৰ পেছা বা চাকৰিটোক সুৰক্ষিত কৰি ৰাখিবলৈ জীৱন বা স্বাস্থ্য বীমাৰ কথা বহুতে ভাবে। কিন্তু পেছাগত সেৱা আগবঢ়োৱাৰ সময়ত হোৱা ভুল, অৱহেলা বা ভুল পৰামৰ্শৰ ফলত কোনো গ্ৰাহক বা তৃতীয় পক্ষই ক্ষতিপূৰণ দাবী কৰিলে কি হ'ব? এনে পৰিস্থিতিত আইনী খৰচ আৰু ক্ষতিপূৰণৰ আৰ্থিক বোজাৰ পৰা পেছাদাৰীসকলক সুৰক্ষা দিব পাৰে 'প্ৰফেচনেল ইনডেমনিটি ইনছুৰেন্স' বা পেছাদাৰী ক্ষতিপূৰণ বীমাই।

**কি এই প্ৰফেচনেল ইনডেমনিটি বীমা?**

প্ৰফেচনেল ইনডেমনিটি বীমা মূলতঃ পেছাগত সেৱা আগবঢ়োৱাৰ সময়ত হোৱা অনিচ্ছাকৃত ভুল, ত্ৰুটি, অৱহেলা বা বাদ পৰাৰ অভিযোগৰ ফলত সৃষ্টি হোৱা আইনী আৰু আৰ্থিক দায়বদ্ধতাৰ বিৰুদ্ধে সুৰক্ষা প্ৰদান কৰা একধৰণৰ সাধাৰণ বীমা। বীমাৰ চৰ্ত অনুসৰি কোনো দাবীৰ বিৰুদ্ধে আইনী প্ৰতিৰক্ষা ব্যয়, আদালতৰ খৰচ আৰু অনুমোদিত ক্ষতিপূৰণ বা নিষ্পত্তিৰ ধন সামৰি ল'ব পাৰে।

**চিকিৎসা ক্ষেত্ৰত কিয় গুৰুত্ব বাঢ়িছে?**

চিকিৎসা সেৱাৰ ক্ষেত্ৰত ভুল নিৰ্ণয়, চিকিৎসাত ত্ৰুটি বা অৱহেলাৰ অভিযোগ উঠিলে চিকিৎসক আৰু চিকিৎসা প্ৰতিষ্ঠানৰ বিৰুদ্ধে ক্ষতিপূৰণৰ দাবী উত্থাপন হ'ব পাৰে। এনে দাবীৰ বিৰুদ্ধে আইনী যুঁজ চলাবলৈ যথেষ্ট ধনৰ প্ৰয়োজন হয়। সেয়েহে চিকিৎসক আৰু চিকিৎসা সেৱা প্ৰদানকাৰীৰ মাজত প্ৰফেচনেল ইনডেমনিটি বীমাৰ প্ৰতি আগ্ৰহ বৃদ্ধি পাইছে।

উদাহৰণস্বৰূপে, বজাৰত উপলব্ধ কিছুমান চিকিৎসা ভিত্তিক পলিচীত আইনী প্ৰতিৰক্ষা ব্যয়, মেডিকো-লিগেল পৰামৰ্শ, নথি হেৰুওৱাৰ ফলত হোৱা খৰচ, পেছাগত অনুসন্ধানৰ খৰচ আৰু নিৰ্দিষ্ট চৰ্তত আদালতৰ বাহিৰত হোৱা নিষ্পত্তিৰ খৰচো সামৰি লোৱাৰ সুবিধা থাকে। অৱশ্যে এই সকলো সুবিধা প্ৰতিখন পলিচীতে একে নহয়; অতিৰিক্ত ক'ভাৰৰ বাবে অতিৰিক্ত প্ৰিমিয়ামো লাগিব পাৰে।

মন কৰিব, এই বীমা কেৱল চিকিৎসকৰ বাবেই নহয়। চিকিৎসক, নাৰ্ছ, পেৰামেডিক, ডায়েগন'ষ্টিক চেণ্টাৰ, চিকিৎসালয়ৰ উপৰি চাৰ্টাৰ্ড একাউণ্টেন্ট, আইটি কোম্পানী আৰু অন্যান্য পেছাদাৰী সেৱা প্ৰদানকাৰীৰ বাবে বিভিন্ন ধৰণৰ প্ৰফেচনেল ইনডেমনিটি পলিচী বজাৰত আছে।

**কি কি খৰচ সামৰি ল'ব পাৰে?**

পলিচীৰ চৰ্ত আৰু ক'ভাৰৰ ওপৰত নিৰ্ভৰ কৰি সাধাৰণতে-
পেছাগত ভুল বা অৱহেলাৰ অভিযোগৰ বিৰুদ্ধে আইনী প্ৰতিৰক্ষা ব্যয়;
আদালতৰ প্ৰক্ৰিয়াৰ স'তে জড়িত নিৰ্দিষ্ট খৰচ;
অনুমোদিত ক্ষতিপূৰণ বা দাবীৰ নিষ্পত্তিৰ ধন;
আদালতৰ বাহিৰত বুজাবুজিৰে নিষ্পত্তি কৰাৰ ক্ষেত্ৰত নিৰ্দিষ্ট খৰচ;
চিকিৎসা পেছাৰ ক্ষেত্ৰত মেডিকো-লিগেল পৰামৰ্শ আদি সামৰি ল'ব পাৰে।

অৱশ্যে, ইয়াৰ অৰ্থ এইটো নহয় যে যিকোনো ভুল বা যিকোনো আইনী জৰিমনা বীমাই বহন কৰিব। উদাহৰণস্বৰূপে, কিছুমান পলিচীত ইচ্ছাকৃত অসৎ বা অপৰাধমূলক কাৰ্য, জৰিমনা আদি সামৰি লোৱা নহয়।

কোনসকলে এই বীমাৰ কথা ভাবিব পাৰে?

যিসকলৰ পেছাগত পৰামৰ্শ, সিদ্ধান্ত বা সেৱাৰ ফলত গ্ৰাহকৰ আৰ্থিক ক্ষতি বা শাৰীৰিক ক্ষতি হোৱাৰ সম্ভাৱনা থাকে, তেওঁলোকে এই বীমাৰ প্ৰয়োজনীয়তা বিবেচনা কৰিব পাৰে। চিকিৎসক আৰু চিকিৎসা প্ৰতিষ্ঠানৰ লগতে চাৰ্টাৰ্ড একাউণ্টেন্ট, আইটি সেৱা প্ৰদানকাৰী আৰু অন্যান্য পেছাদাৰীসকলৰ বাবেও এনে পলিচী উপলব্ধ।

উল্লেখ্য যে চিকিৎসকৰ মাজত ইয়াৰ জনপ্ৰিয়তা বৃদ্ধি কৰিবলৈ কোম্পানীসমূহে এই ধৰণৰ বীমাৰ সুবিধাসমূহে পূৰ্বৰ তুলনাত বহু পৰিমাণে বৃদ্ধি কৰা পৰিলক্ষিত হৈছে। উদাহৰণস্বৰূপে, আইচিআইচিআই লম্বাৰ্ডে শেহতীয়াকৈ ক্ষুদ্ৰ আৰু মজলীয়া চিকিৎসা সেৱাৰ স'তে জড়িত স্বাস্থ্যকৰ্মীসকলৰ বাবে এনে এক নতুন বীমা প্ৰৱৰ্তন কৰিছে। পেছাগত জীৱনত ভুলৰ অভিযোগ উঠিলে কেৱল সুনামৰ ক্ষতিয়েই নহয়, যথেষ্ট আৰ্থিক ক্ষতিও হ'ব পাৰে। সেইবাবেই প্ৰফেচনেল ইনডেমনিটি বীমা লোৱাৰ কথা বিবেচনা কৰাটো পেছাদাৰীসকলৰ বাবে এক গুৰুত্বপূৰ্ণ বিত্তীয় পৰিকল্পনা হ'ব পাৰে। চমুকৈ পি আই পলিচী বুলি জনাজাত এই ধৰণৰ আঁচনি বাজাজ এলায়েঞ্জ, আইচিআইচিআই লম্বাৰ্ড, এইছডিএফচি এৰগো, নিউ ইণ্ডিয়া এছুৰেন্স, এছবিআই জেনেৰেল আদিত উপলব্ধ।







# জীৱন উৎসৱ পৰিকল্পনাত পাব পাৰে পৰ্যাপ্ত পেন্সন

কেৱল সঞ্চয়ৰ ওপৰত নিৰ্ভৰ কৰিয়েই জীৱনৰ বিয়লি বেলাটো আৰ্থিকভাৱে সুৰক্ষিত কৰিব পাৰিম বুলি ভবাটো ডাঙৰ ভুল। বিশেষজ্ঞসকলৰ মতে, পৰ্যাপ্ত ৰিটাৰ্ণৰ নিশ্চয়তা নথকা কোনো আঁচনিয়েই অৱসৰৰ পাছৰ জীৱনটোৰ নিৰাপত্তাৰ দায়িত্ব ল'ব নোৱাৰে। দিনক দিনে বাঢ়ি থকা মুদ্ৰাস্ফীতিৰ তুলনাত আজিৰ তাৰিখত সন্তোষজনক যেন লগা জমাৰাশিৰ মূল্য হয়তো কাইলৈ অতি সামান্য হৈ পৰিব। গতিকে সঠিক সময়ত পৰ্যাপ্ত ৰিটাৰ্ণৰ নিশ্চয়তা থকা আঁচনিতহে বিনিয়োগ কৰা উচিত। দেশৰ নিৰ্ভৰযোগ্য চৰকাৰী বীমা সংস্থা ভাৰতীয় জীৱন বীমা নিগমে এনে এক পেন্সন আঁচনি বজাৰলৈ আনিছে যিয়ে বীমাকাৰীক প্ৰতিমাহে নিৰ্দিষ্ট পৰিমাণৰ ধন প্ৰদানৰ নিশ্চিতি দিয়ে। আপুনিও যদি প্ৰতিমাহে সন্তোষজনক পৰিমাণৰ পেন্সন বিচাৰে, তেন্তে এলআইচিৰ এই পলিচীত বিনিয়োগ কৰিলে অৱসৰৰ পাছত চিন্তা কৰাৰ প্ৰয়োজন নাথাকিব।

এলআইচিৰ এনে কিছুমান আঁচনি আছে য'ত কম টকা বিনিয়োগ কৰিও ভাল ৰিটাৰ্ণ পাব পাৰি। শেহতীয়াকৈ এই সংস্থাটোৱে জীৱন উৎসৱ পৰিকল্পনা নামেৰে এক নতুন পলিচী প্ৰৱৰ্তন কৰিছে। এই পলিচীত নিশ্চিত ৰিটাৰ্ণৰ সুবিধা থকাৰ লগতে প্ৰিমিয়ামো সীমিত সময়ৰ বাবে দিলেই হয়। তদুপৰি ইয়াত গ্ৰাহকে ১০ শতাংশ আয়ৰ সুবিধাও লাভ কৰে। এই পলিচীত পাঁচৰ পৰা ১৬ বছৰৰ বাবে প্ৰিমিয়াম দিয়াৰ নিয়ম। ম্যাদপূৰ্তিৰ শেষত প্ৰতিমাহে এক লাখ টকা পৰ্যন্ত পেন্সন দিয়া হয়। জীৱন উৎসৱ পৰিকল্পনাৰ পলিচীধাৰীয়ে ডেথ বেনিফিট অৰ্থাৎ পলিচীৰ ম্যাদ চলি থকা কালত মৃত্যুৰ ক্ষেত্ৰত প্ৰাৰম্ভিক ধনৰ সাতগুণ বা বাৰ্ষিক প্ৰিমিয়াম (যিটো বেছি)ৰ সুবিধা লাভ কৰে। পলিচীধাৰীৰ হৈ মনোনীত ব্যক্তিয়ে এই সুবিধা আহৰণ কৰিব পাৰে। আনহাতে, যদি পলিচীধাৰীয়ে দীৰ্ঘ সময়ৰ বাবে পলিচী অব্যাহত ৰাখিব বিচাৰে তেন্তে বীমাকৃত মূলধনৰ ১০ শতাংশ আয় হিচাপে প্ৰদান কৰা হয়।

উল্লেখ্য যে এই আঁচনিত বয়স আৰু আৰ্থিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি প্ৰিমিয়াম নিৰ্ধাৰণ কৰা হয়।

# অক্টোবৰৰ পৰা এছবিআইৰ বিএছবিডি একাউণ্টত নতুন নিয়ম




## চাৰিবাৰতকৈ অধিক নগদ উলিয়ালে লাগিব মাচুল

ভাৰতীয় ষ্টেট বেংকৰ বিএছবিডি একাউণ্টধাৰী গ্ৰাহকৰ বাবে আছে গুৰুত্বপূৰ্ণ খবৰ। অহা পহিলা অক্টোবৰৰ পৰা বিএছবিডি একাউণ্টৰ নগদ ধন উলিওৱাৰ ক্ষেত্ৰত নতুন নিয়ম কাৰ্যকৰী হ'ব।

ভাৰতীয় ষ্টেট বেংকৰ (SBI)ৰ বিএছবিডি একাউণ্টধাৰী গ্ৰাহকৰ বাবে আছে গুৰুত্বপূৰ্ণ খবৰ। অহা পহিলা অক্টোবৰৰ পৰা বিএছবিডি একাউণ্টৰ নগদ ধন উলিওৱাৰ ক্ষেত্ৰত নতুন নিয়ম কাৰ্যকৰী হ'ব। নতুন নিয়ম অনুসৰি, মাহটোত প্ৰথম চাৰিবাৰ নগদ ধন উলিওৱা সম্পূৰ্ণ বিনামূলীয়া হ'ব। কিন্তু ইয়াৰ পাছত প্ৰতিবাৰতে ১৫ টকাকৈ আৰু লগতে জিএছটি মাচুল পৰিশোধ কৰিব লাগিব।অৱশ্যে এই নতুন মাচুল সকলো ধৰণৰ লেনদেনৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব। ভাৰতীয় ষ্টেট বেংকৰ তথ্য অনুসৰি, বেংকটোৰ কোনো শাখাৰ জৰিয়তে খোলা বিএছবিডি একাউণ্টৰ পৰা নগদ ধন উলিওৱাৰ ক্ষেত্ৰতহে এই মাচুল প্ৰযোজ্য হ'ব। আনহাতে, ডিজিটেল লেনদেনৰ ক্ষেত্ৰত কোনো নতুন মাচুল বা সীমাবদ্ধতা আৰোপ কৰা হোৱা নাই। অৰ্থাৎ গ্ৰাহকে ডিজিটেল মাধ্যমত আগৰ দৰেই লেনদেন অব্যাহত ৰাখিব পাৰিব।

মনকৰিবলগীয়া যে ভাৰতীয় ষ্টেট বেংকত বিএছবিডি একাউণ্ট থকা গ্ৰাহকে একেটা বেংকতে আন কোনো জমা একাউণ্ট ৰাখিব নোৱাৰে। কোনো গ্ৰাহকৰ যদি এছবিআইত ইতিমধ্যে সঞ্চয় একাউণ্ট থকা কোনো গ্ৰাহকে যদি নতুনকৈ আকৌ বিএছবিডি একাউণ্ট খোলে, তেন্তে ৩০ দিনৰ ভিতৰত পুৰণি সঞ্চয় একাউণ্টটো বন্ধ কৰিব লাগিব। উল্লেখ্য যে বিএছবিডি বা Basic Savings Bank Deposit একাউণ্ট সাধাৰণ লোকৰ বাবে মৌলিক বেংকিং সেৱা সহজলভ্য কৰাৰ উদ্দেশ্যে প্ৰৱৰ্তন কৰা হৈছে। এই একাউণ্টত ন্যূনতম বেলেঞ্চ ৰখাৰ বাধ্যবাধকতা নাই।

অৰ্থাৎ গ্ৰাহকে একাউণ্টত নিৰ্দিষ্ট পৰিমাণৰ ধন সদায় ৰাখি থোৱাৰ প্ৰয়োজন নহয়। এই একাউণ্টৰ জৰিয়তে গ্ৰাহকে মৌলিক বেংকিং সেৱা লাভ কৰাৰ লগতে বছৰেকীয়া কোনো মাচুল নোহোৱাকৈ বেছিকৰূপে ডেবিট কাৰ্ড লাভ কৰাৰ সুবিধাও পায়।

# বিত্তীয় সংকটত সকাহ দিব পিপিএফ ঋণে




জৰুৰী অৱস্থাত প্ৰয়োজন সাপেক্ষে পিপিএফ একাউন্টত জমা হোৱা টকাৰ পৰা ঋণ ল'ব পৰা যায়। এনে ঋণৰ সুতৰ হাৰ আৰবিআইৰ নিৰ্দেশ অনুসৰি সময়ে সময়ে সলনি হৈ থাকে। আহকচোন এই বিষয়ে কিছু কথা জানো...

আকস্মিক বিত্তীয় সংকট বা যিকোনো সম্পত্তি ক্ৰয়ৰ সময়ত ধনৰ প্ৰয়োজন হ'লে, পিপিএফ একাউণ্টৰ পৰা ঋণ লোৱাটো অতি সহজ আৰু উপযোগী। প্ৰয়োজন হ'লে হঠাতে বেংকৰ পৰা ঋণ ল'বলৈ গ'লে গেৰাণ্টি হিচাপে আপুনি কিছুমান চৰ্ত মানিব লগা হয়। কিন্তু পিপিএফ একাউণ্টত তেনে কোনো চৰ্ত নাই। বেংকতকৈ পিপিএফ একাউণ্টত সুতৰ হাৰো কম। পিপিএফৰ পৰা লোৱা ঋণ দুটা সৰল ইএমআইত পৰিশোধ কৰিব পাৰি। কিন্তু যদি ঋণ সময়মতে পৰিশোধ কৰা নহয়, সুতৰ হাৰ বৃদ্ধি হ'ব পাৰে।

যিটো বিত্তীয় বৰ্ষত পিপিএফ একাউণ্ট খোলা হৈছে তাৰ নিম্নতম এবছৰৰ পাছত আৰু পাঁচ বছৰ সম্পূৰ্ণ হোৱাৰ আগতে এনে ঋণ প্ৰাপ্ত কৰিব পাৰি। পিপিএফ একাউন্টৰ পৰা পাঁচ বছৰ উকলাৰ পাছতহে একাউণ্টৰ পৰা টকা উলিয়াব পাৰি। এবাৰ টকা উলিওৱাৰ পাছত, গ্ৰাহকে কোনো ঋণ ল'ব নোৱাৰে।

পিপিএফ একাউণ্টত জমা কৰা জমাৰাশিৰ ২৫ শতাংশ ঋণ লোৱাৰ দুবছৰৰ পাছত লাভ কৰিব পাৰি। গ্ৰাহকসকলে ঋণ লোৱাৰ তিনি বছৰৰ ভিতৰত মূল পৰিশোধ কৰিব লাগিব। পাছত সুতো পৰিশোধ কৰিব লাগিব।

উল্লেখ্য যে দীৰ্ঘম্যাদৰ বাবে বিনিয়োগ কৰিব বিচাৰিলেও পিপিএফ বা ৰাজহুৱা ভৱিষ্যনিধিতকৈ নিৰাপদ আশ্ৰয় একোৱেই নাই। এই আঁচনিত বিনিয়োগৰ সবাতোকৈ ডাঙৰ সুবিধাটো এই যে প্ৰাপ্ত সুতৰ বাবে আয়কৰ দিব নালাগে ইয়াত। যিকোনো বেংকত অনায়াসে পিপিএফ একাউন্ট খুলি তাত টকা জমা ৰাখিব পৰা যায়। এইদৰে জমা হোৱা টকা ১৫ বছৰৰ বাবে 'লক' বা 'ফিক্সড্' হৈ যায় আৰু সেই জমাৰাশিৰ ওপৰতে চক্ৰবৃদ্ধি হাৰত সুত প্ৰদান কৰে বেংকে। উপভোক্তাই যদি এনেদৰে ১৫ বছৰ ধন জমাৰ বাবদ পোৱা ৰিটাৰ্ণক লৈ সন্তুষ্ট হয় তেন্তে ইচ্ছা কৰিলে আৰু পাঁচ বছৰৰ বাবে উক্ত পুঁজিক পিপিএফ একাউন্টত ৰাখি থ'ব পৰাৰ সুবিধা আছে।

# ঋণৰ ইএমআই কমাব বিচাৰিছে?

## জানি লওক কিস্তিৰ বোজা হ্ৰাস কৰাৰ সহজ উপায়

ঋণ লৈ ঘৰ বা ফ্লেট এটা কিনাৰ পাছত ইএমআই গণনা কৰি জানো কোনো লাভ আছে? বৰঞ্চ মাহেকীয়া কিস্তিত দুপইচা কেনেকৈ ৰাহি কৰিব পাৰি তাৰ পৰিকল্পনাতহে বেছি গুৰুত্ব দিয়া উচিত। বিশ্বাস কৰক, এই পইচা বচোৱাৰ ইচ্ছাই আপোনাৰ ক্ষুদ্ৰ চখবোৰ পূৰণ কৰি সুখী কৰি তুলিব পাৰে আপোনাক। বহু সময়ত প্ৰশ্ন উঠে, সঁচাকৈয়ে ইএমআই হ্ৰাস কৰাৰ কিবা উপায় আছেনে? ঋণ পৰিশোধ কৰাৰ উপায় সৰল কৰিব পৰা বা ঋণৰ মাহেকীয়া কিস্তিৰ হেঁচা অলপ হ'লেও হ্ৰাস কৰিব পৰা উপায় কি? এক পৰিসংখ্যা অনুসৰি, আমাৰ দেশৰ ৮০ শতাংশ মানুহেই কোনোবাটো নহয় কোনোবাটো বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ গ্ৰহণ কৰে। ঋণ লোৱাজনে সাধাৰণতে এক দীৰ্ঘ সময়ৰ বাবে ইএমআই বা মাহিলি কিস্তিত এই ঋণ পৰিশোধ কৰিব লাগে।

দীৰ্ঘকালীনভাৱে দিবলগীয়া ঋণ বেছিভাগ লোকৰ বাবে বোজা হৈ পৰে। মাত্ৰাধিক ধাৰৰ বোজাত বহু লোকৰ ব্যক্তিগত জীৱনৰ সুখ শান্তি নোহোৱা হৈ পাৰে। কিন্তু ঋণ লোৱাজনে ইচ্ছা কৰিলে এই মানসিক ক্লান্তিৰ পৰা সহজতে মুক্তি পাব পাৰে। ঋণৰ বোজা কমাব পৰা কেতবোৰ সহজ উপায় আছে। আহকচোন সেই বিষয়ে কিছু কথা জানো..

**ফ্লোটিং ৰেট ঃ** কিছুমান ঋণ আঁচনিত নিৰ্দিষ্ট সুতৰ হাৰৰ ওপৰত ভিত্তি কৰি ঋণৰাশি দিয়া হয়। কিন্তু আন কিছুত ফ্লোটিং ৰেটৰ হিচাপত ঋণৰাশি দিয়া হয়। এনে ঋণ আঁচনিক কোৱা হয় হাইব্ৰিড ঋণ বুলি। হাইব্ৰিড ঋণৰ ক্ষেত্ৰত ফ্লোটিং ৰেট অনুসৰি সুতৰ হাৰ নিৰ্ধাৰণ কৰা হয়। অৰ্থাৎ অৰ্ধনিৰ্দিষ্ট হাৰত প্ৰথম তিনি বছৰৰ সুতৰ পাছত গ্ৰাহকে সুতৰ পৰিৱৰ্তনশীল হাৰ বাছি ল'ব পাৰে।

**সুতৰ হাৰৰ গাঁথনি ঃ** ২০১৯ৰ পাছৰে পৰা আমাৰ দেশৰ বিত্তীয় প্ৰতিষ্ঠানসমূহৰ সকলো ঋণ এক্সটাৰ্ণেল বেঞ্চমাৰ্ক ৰেট (External Benchmark Rate) অৰ্থাৎ ৰেপ'ৰ স'তে জড়িত হাৰৰ ভিত্তিত নিৰ্ধাৰণ কৰাৰ নিয়ম চলি আহিছে যদিও পুৰণি ঋণগ্ৰহীতাই সুতৰ হাৰ পৰিৱৰ্তনৰ বাবে আবেদন কৰিলে ইবিআৰ পদ্ধতিৰ জৰিয়তে সলনি কৰাটো সম্ভৱ। কিয়নো গ্ৰাহকে উন্নত ক্ৰেডিট স্ক'ৰৰ ভিত্তিত সুতৰ হাৰ হ্ৰাস কৰিবলৈ বেংকত নিজাববীয়াকৈ আবেদন কৰিব পাৰে। এই সুবিধাৰ বিষয়ে বহু গ্ৰাহকেই নাজানে।




**আন বেংকৰ ঋণৰ সুতৰ হাৰ জনাটো গুৰুত্বপূৰ্ণ ঃ** আপুনি দি থকা সুতৰ হাৰৰ লগতে আন বেংকৰ সুতৰ হাৰৰ ওপৰতো চকু ৰাখক। যদি আপুনি কম সুতৰ হাৰৰ কোনো সন্ধেদ বিচাৰি পাইছে, তেন্তে ঋণদাতা বেংক বা প্ৰতিষ্ঠানটো সলনি কৰাৰ কথাও চিন্তা কৰিব পাৰে।

**ক্ৰেডিট স্ক'ৰৰ সুবিধা ঃ** যদি আপুনি ঋণ পৰিশোধ কৰাৰ ক্ষেত্ৰত সঠিক অনুশাসন নিশ্চিত কৰে, তেন্তে আপুনি ইয়াৰ পুৰস্কাৰৰো যোগ্য। উন্নত ক্ৰেডিট স্ক'ৰৰ ভিত্তিত গ্ৰাহকে সুতৰ হাৰ হ্ৰাস কৰিবলৈ বেংকত আবেদন কৰিব পাৰে। **কাৰ্যকাল বৃদ্ধি ঃ** যদি আপুনি বৃদ্ধি পোৱা ইএমআই পৰিশোধ কৰাত অসুবিধা পায়, তেন্তে আপুনি ঋণদাতাক ম্যাদ বৃদ্ধিৰ মাধ্যমৰে মাহেকিয়া কিস্তি হ্ৰাস কৰিবলৈ অনুৰোধ কৰিব পাৰে।

# বিদ্যুৎ গ'লেও ১০ ঘণ্টালৈ চলিব ফেন বজাৰত অৰিয়েন্টৰ নতুন চিলিং ফেন

বিদ্যুৎ সৰবৰাহ ব্যাহত হ'লেও যাতে গৰমৰ সময়ত ফেন বন্ধ নহয়, তাৰ বাবে অৰিয়েন্ট ইলেকট্ৰিকে নতুন বিএলডিচি চিলিং ফেন বজাৰলৈ আনিছে। ইক'টেক ভল্ট নামৰ এই ফেনখনত আভ্যন্তৰীণভাৱে ইনবিল্ট ৰিচাৰ্জেবল বেটাৰী সংযোগ কৰা হৈছে। কোম্পানীটোৱে দাবী কৰা অনুসৰি, বিদ্যুৎ নথকাৰ সময়তো ফেনখনে একেৰাহে ১০ ঘণ্টালৈকে চলিব পাৰে। ফেনখনৰ বিশেষত্ব এই যে ইয়াৰ বাবে পৃথক ইনভাৰ্টাৰ বা বাহ্যিক পাৱাৰ বেকআপৰ প্ৰয়োজন নহয়। বিদ্যুৎ থাকোতে ফেনখনৰ ভিতৰত থকা বেটাৰী চাৰ্জ হৈ থাকিব আৰু বিদ্যুৎ গ'লে সেই বেটাৰীৰ সহায়ত ফেনখন চলিব। কোম্পানীটোৰ ৱেবছাইটত ফেনখনৰ মূল্য ৪,৫৯৪ টকা বুলি উল্লেখ কৰা হৈছে। নিয়মিত বিদ্যুৎ সৰবৰাহ ব্যাহত হোৱা অঞ্চলত এই ফেন বিশেষ উপযোগী হ'ব পাৰে। আনহাতে, ঘৰত ইনভাৰ্টাৰ থকা লোকেও ফেনখনৰ নিজা বেটাৰী ব্যৱহাৰ কৰি ইনভাৰ্টাৰৰ বিদ্যুৎ আন জৰুৰী বৈদ্যুতিক সঁজুলিৰ বাবে সংৰক্ষণ কৰিব পাৰিব।

ইক'টেক ভল্টত ২৮ ৱাটৰ বিএলডিচি মটৰ ব্যৱহাৰ কৰা হৈছে। যাৰ ফলত, সাধাৰণ ইণ্ডাকচন মটৰযুক্ত ফেনৰ তুলনাত এই ফেনখনে ৫০ শতাংশলৈকে কম বিদ্যুৎ খৰচ কৰিব। তদুপৰি, ১২০ ভল্টৰ পৰা ২৮০ভল্ট পৰ্যন্ত ভল্টেজৰ উঠা-নমাৰ মাজতো ফেনখন চলিব। ফলত ভল্টেজৰ তাৰতম্য হোৱা অঞ্চলতো ফেনখন ব্যৱহাৰ কৰিব পৰা যাব।



ফেনখনত তিনি বছৰৰ ৱাৰেণ্টী আৰু বেটাৰীৰ বাবে পৃথক এবছৰৰ ৱাৰেণ্টী আগবঢ়োৱা হৈছে।




# এইবোৰৰ মাধ্যমত বিনিয়োগ কৰোঁতে সাৱধান

বিনিয়োগৰ প্ৰতি আগ্ৰহীসকলে সততে বিনিয়োগৰ বিভিন্ন উৎস বিচাৰি ফুৰে। অভিজ্ঞ বিনিয়োগকাৰীসকলে ক'ত বিনিয়োগ কৰিলে লাভ হ'ব বা ক'ত লোকচান হ'ব তাক আগতীয়াকৈ অনুমান কৰিব পাৰে। কিন্তু নতুন বিনিয়োগকাৰীৰ বাবে বিনিয়োগৰ মাধ্যম এটা বাছনি কৰাটো বৰ এটা সহজ কাম নহয়। কেতিয়াবা দেখা যায় প্ৰচলিত বিনিয়োগৰ ধাৰাৰ স'তে খোজ মিলাবলৈ গৈ বহু নতুন বিনিয়েগকাৰীয়ে পাছলৈ মুখ থেকেচা খাবলগীয়া হয়। গতিকে নতুন বিনিয়োগকাৰীসকলে এই ট্ৰেণ্ডৰ পৰা নিজকে বচাই সঠিক স্থানত বিনিয়োগ কৰাটো অতি প্ৰয়োজনীয়...

**ইউলিপ বা ইউনিট লিংকড বীমা পলিচী ঃ** এই ধৰণৰ পলিচীত বিনিয়োগকাৰীৰ বাবে বীমাৰ সুবিধা থকাৰ নগতে ৰিটাৰ্ণো মিউচুৱেল ফাণ্ডৰ দৰেই বুলি কোৱা হয়। কিন্তু বাস্তৱিকতে ইউলিপৰ ৰিটাৰ্ণ মিউচুৱেল ফাণ্ডতকৈ বহু কম। তদুপৰি এই ধৰণৰ পলিচীত বিভিন্ন কৰ কৰ্তন কৰা হয়। লগতে টাৰ্ম বীমাৰ তুলনাত ইউলিপৰ ক'ভাৰেজো বহুত কম। সেয়ে বিনিয়োগ কৰাৰ পূৰ্বে এই ধৰণৰ দিশবোৰ ভালদৰে চালি-জাৰি চাই লোৱাটো জৰুৰী।

**ফিউচাৰ এণ্ড অপচনছ ঃ** বহু নতুন বিনিয়োগকাৰীয়ে 'ফিউচাৰ এণ্ড অপচনছ' বা ভৱিষ্যৎ আৰু বিকল্প মাধ্যমত বিনিয়োগ কৰাটো পছন্দ কৰে। কাৰণ এই ধৰণৰ বিনিয়োগে বিনিয়োগকাৰীক অতি সোনকালে অতি ধনী কৰি তুলিব পাৰে। কিন্তু এই ধৰণৰ বিনিয়োগত 'ৰিস্ক' বহুত বেছি। ৱাৰেন বাফেটে ভৱিষ্যৎ আৰু বিকল্পক পাৰমাণৱিক অস্ত্ৰৰ স'তে তুলনা কৰিছে। তেওঁ কয়, 'ভৱিষ্যৎ আৰু বিকল্পসমূহ আচলতে গণধ্বংসৰ অস্ত্ৰ'।

**ট্ৰেডিং ঃ** ট্ৰেডিঙে ইণ্ট্ৰাডে, মোমেণ্টাম ট্ৰেডিং বা ছুইং ট্ৰেডিঙক বুজায়। ট্ৰেডিঙত যদিহে কোনো ষ্টকৰ মূল্য হঠাতে সলনি হয় বা বৃদ্ধি হৈ থকা ষ্টকৰ মূল্য হঠাতে কমি যায় তেন্তে বিনিয়োগকাৰীয়ে মুহূৰ্তৰ ভিতৰতে বহু টকা হেৰুৱাব পাৰে।

**পিয়েৰ টু পিয়েৰ লেণ্ডিং ঃ** পি টু পি বা পিয়েৰ টু পিয়েৰ লেণ্ডিং আজিৰ তাৰিখত বহুলভাৱে জনপ্ৰিয় এক বিনিয়োগ মাধ্যম হিচাপে পৰিগণিত হৈছে। আজিকালি এই পি টু পি ঋণৰ জৰিয়তে বহুত টকা উপাৰ্জনৰ সপোন দেখোৱা বিভিন্ন এপৰ সৃষ্টি হৈছে। কিন্তু উক্ত এপবোৰে এই ধৰণৰ বিনিয়োগৰ লগত জড়িত আশংকাৰ কথা এবাৰলৈও নকয়।

**কৰ্প'ৰেট বণ্ড ঃ** ফিক্সড্ ডিপ'জিটৰ পৰা বিনিয়োগকাৰীয়ে খুব বেছি ছয়ৰ পৰা সাত শতাংশ ৰিটাৰ্ণ লাভ কৰে। তাৰ বিপৰীতে, কৰ্প'ৰেট বণ্ডৰ পৰা প্ৰায় ১০ শতাংশ ৰিটাৰ্ণ পাব পৰা যায়। কিন্তু এইখিনিতে এটা প্ৰশ্ন উত্থাপন হয় যে কোম্পানীটোৱে কিয় সাধাৰণ মানুহৰ পৰা ধন উঠাইছে? তাতোকৈ বেংকৰ পৰা ঋণ ল'লে হয়তো কম সুতৰ হাৰতে কোম্পানীটোৱে ঋণ ল'ব পাৰিলেহেঁতেন, সেয়েহে এই ক্ষেত্ৰত বিনিয়োগকাৰীয়ে একেবাৰতে বিনিয়োগৰ বাবে ৰখা সকলো ধন কৰ্প'ৰেট বণ্ডত বিনিয়োগ নকৰি আধা ধন বেংকৰ ফিক্সড্ ডিপ'জিটত আৰু বাকী ধন মিউচুৱেল ফাণ্ডত বিনিয়োগ কৰিব লাগে। ইয়াৰ দ্বাৰা অন্ততঃ বিনিয়োগত ঘাটিৰ আশংকা হ্ৰাস পায়।

**ৰিয়েল এষ্টেট ঃ** ঘৰ-মাটিৰ নামত বিনিয়োগ কৰাটো সদায়েই লাভজনক বুলি ধৰা হয়। কিন্তু তাতো কিছুমান চৰ্ত থাকে। বিনিয়োগ পৰামৰ্শদাতাসকলৰ মতে, পুৰণি ফ্লেট আদি যিমানেই সস্তা নহওক কিয়, কেতিয়াও কিনিব নালাগে। কাৰণ এই ধৰণৰ সম্পত্তিৰ বেছিভাগৰেই সময়ৰ লগে লগে মূল্য হ্ৰাস পোৱাৰ প্ৰৱণতা থাকে। তাৰ পৰিৱৰ্তে, দাম বেছি হ'লেও নিৰ্মীয়মাণ কোনো নতুন ফ্লেটত বিনিয়োগ কৰাটো ভাল বিকল্প। অৱশ্যে, যদি কোনোবাই পুৰণি ঘৰ বা বাংলোৰ লগত মাটি সংলগ্ন কৰি কিনি লয়, তেতিয়া সেই ঘৰ বা বাংলোটোৰ মূল্য সময়ৰ লগে লগে কমি গ'লেও মাটিৰ দাম বাঢ়ি গৈ থাকে। সেয়েহে পুৰণি ফ্লেট কিনাৰ ক্ষেত্ৰত সাৱধান হ'ব লাগে।

**পেনি ষ্টক ঃ** বহুতে পেনি ষ্টকত বিনিয়োগ কৰিব বিচাৰে, কিন্তু 'পেনি ষ্টক'ৰ প্ৰকৃত সংজ্ঞা কি সেই বিষয়ে নাজানে। পেনি ষ্টক আচলতে এনে কিছুমান ষ্টক যাৰ প্ৰতিটো শ্বেয়াৰৰ দাম কম আৰু লগতে কোম্পানীটোও তুলনামূলকভাৱে সৰু। বহুতৰে মনত ভুল ধাৰণা আছে যে সস্তাত পোৱা ষ্টক মানেই পেনি ষ্টক। কিন্তু কোম্পানী এটাৰ শ্বেয়াৰৰ মূল্য যদি তিনি বা চাৰি টকা হয়ো, সেয়া পেনি ষ্টক নহ'বও পাৰে। উদাহৰণ স্বৰূপে, শেহতীয়াকৈ এমআৰএফ কোম্পানীটোৰ ষ্টকৰ মূল্য এক লাখ টকাৰ ওচৰ চাপিছে। এতিয়া যদি এমআৰএফ কোম্পানীয়ে ইয়াৰ প্ৰতিটো শ্বেয়াৰ এক লাখ শ্বেয়াৰত বিভক্ত কৰে তেন্তে শ্বেয়াৰে প্ৰতি দাম কমি যাব। কিন্তু সেই বুলিয়েই এমআৰএফৰ ষ্টক পেনি ষ্টক নহ'ব। কিয়নো এমআৰএফৰ বজাৰ মূলধন ৪৫ হেজাৰ কোটি টকাতকৈও অধিক। গতিকে পেনি ষ্টকৰ সংজ্ঞা নুবুজাকৈ বিনিয়োগ কৰিবলৈ গ'লে আশানুৰূপ ফল নাপাবও পাৰে বিনিয়োগকাৰীয়ে।

**আইপিঅ' ঃ** আইপিঅ'ৰ ধাৰণাটো কম বেছি পৰিমাণে প্ৰায় সকলোৰে জ্ঞাত। কোম্পানীসমূহে নিজৰ শ্বেয়াৰ যেতিয়া প্ৰথমবাৰৰ বাবে শ্বেয়াৰ বজাৰত বিনিয়োগকাৰীয়ে কিনিব পৰাকৈ মুকলি কৰে তেনে শ্বেয়াৰক আইপিঅ' বোলা হয়। সময়ে সময়ে বিভিন্ন কোম্পানীয়ে ইয়াৰ অংশীদাৰিত্ব জনসাধাৰণৰ হাতত বিক্ৰী কৰাৰ উদ্দেশ্যে শ্বেয়াৰ বজাৰত আইপিঅ' মুকলি কৰে। বজাৰৰ প্ৰচলিত নিয়ম অনুসৰি, বিক্ৰেতাই যেতিয়া কিবা এটা বস্তু বিক্ৰী কৰিবলৈ যায় তেতিয়া তেওঁ সদায়েই ক্ৰেতাৰ পৰা সেই বস্তুটোৰ সৰ্বোচ্চ মূল্য বিচাৰে। আইপিঅ'ৰ ক্ষেত্ৰতো এই একেই কথা প্ৰযোজ্য হয়। সৰ্বোচ্চ দাম লাভ কৰিবৰ বাবেই কেম্পানীসমূহে এনে আইপিঅ' মুকলি কৰাৰ পূৰ্বে নানা ধৰণে প্ৰচাৰ চলায়। শ্বেয়াৰ বজাৰত এনে বহু কোম্পানীৰ আইপিঅ' উপলব্ধ যদিও বজাৰত উপলব্ধ হ'বলগীয়া এনে একো একোটা আইপিঅ' যে সৰ্বোত্তম সেইটো গ্ৰাহকে কোনো কাৰণতে নিশ্চিত কৰিব নোৱাৰে। তেনে ক্ষেত্ৰত আইপিঅ' মুকলিৰ লগে লগে নিকিনি বজাৰৰ আলেখ-লেখ চাই কেইদিনমানৰ পাছত কিনিলে বিনিয়োগকাৰীয়ে ঘাটিৰ আশংকাৰ পৰা মুক্ত হৈ থাকিব পাৰে।

**ক্ৰিপ্টো ঃ** ক্ৰিপ্টোৰ কোনো স্বকীয় মূল্য নাই। উদাহৰণ স্বৰূপে, সোণৰ যিদৰে এটা নিজস্ব মূল্য আছে আৰু যাৰ বাবে যেতিয়াই প্ৰয়োজন হয় তেতিয়াই উচিত মূল্যৰ বিনিময়ত সোণ বিক্ৰী কৰিব পাৰি। শ্বেয়াৰৰ ক্ষেত্ৰতো একেই উদাহৰণ খাটে। শ্বেয়াৰ কিনা মানে নিৰ্দিষ্ট এটা কোম্পানীৰ অংশীদাৰিত্ব কিনাৰ দৰে হয়। সোণ আৰু শ্বেয়াৰ আদিৰ দৰে সম্পত্তিৰ আভ্যন্তৰীণ মূল্য সময়, পৰিস্থিতি, বজাৰৰ উঠা-নমা আদি কে'বাটাও কাৰকৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু ক্ৰিপ্টোৰ ক্ষেত্ৰত এনে নহয়। মানুহে কিনি থকা সময়লৈকে ক্ৰিপ্টোৰ চাহিদা থাকে, গতিকে দামো বাঢ়ে। কিন্তু চাহিদা কমাৰ লগে লগে ক্ৰিপ্টো মূল্যহীন হৈ পৰিবও পাৰে। কিয়নো ইয়াৰ স'তে কোনো সম্পত্তি সংলগ্ন হৈ নাথাকে।

## ৰাজনৈতিক লাভালাভৰ বাবে এক বিশেষ চক্ৰই এই অচলাৱস্থাৰ সৃষ্টি কৰিছে



**ৰাজু সমীৰণ**, লেখক

অসম-মেঘালয়ৰ এই অচলাৱস্থা কোনো নতুন কথা নহয়। সময়ে সময়ে এই অচলাৱস্থাই অসম আৰু মেঘালয়ৰ মাজত দূৰত্ব বৃদ্ধি কৰে। ৰাজনৈতিক লাভালাভৰ বাবে কোনো এক বিশেষ চক্ৰই এই অচলাৱস্থা সৃষ্টি কৰা যেন অনুভৱ হয়। অসম-মেঘালয়ৰ মাজত সৃষ্টি হোৱা এই অচলাৱস্থাই অসমতকৈ বেছি ক্ষতি কৰিব মেঘালয়ক। অসমৰ বৃহৎ সংখ্যক পৰ্যটকে প্ৰতি বছৰে মেঘালয় ভ্ৰমণ কৰে। মেঘালয়ৰ মনোৰম প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ অসমৰ পৰা বছৰি লক্ষাধিক লোক মেঘালয়লৈ যায়। কিন্তু এতিয়া অচলাৱস্থাৰ বাবে সেই পৰিবেশ নাই। পৰ্যটকৰ যিমান আগমন মেঘালয়লৈ হ'ব সিমান অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'ব মেঘালয়। কিন্তু এতিয়া মেঘালয়ৰ পৰিবৰ্তে ডিমা হাছাওকে ধৰি অসমৰ বিভিন্ন স্থানত পৰ্যটকে ভিৰ কৰা পৰিলক্ষিত হৈছে। তাৰ পৰিবৰ্তে মেঘালয়ত পৰ্যটকৰ আগমন শূন্য। এই অচলাৱস্থা বেছি দিন থাকিলে অৰ্থনৈতিকভাৱে নিশকটীয়া হৈ পৰিব মেঘালয়। ৰাজনৈতিক লাভালাভৰ বাবে এই সমস্যা জীয়াই ৰাখিবলৈ চেষ্টা কৰাটোও উচিত নহয়। অসম চৰকাৰ আৰু মেঘালয় চৰকাৰে জুই বেছিকৈ জ্বলাৰ আগতেই এই সমস্যা সমাধান কৰা উচিত। আজি মেঘালয়ে অসমৰ বাহনত আক্ৰমণ কৰিছে, কাইলৈ অসমে মেঘালয়ৰ বাহনত আক্ৰমণ কৰিব। আক্ৰমণ প্ৰত্যাক্ৰমণৰ ফলত মেঘালয় আৰু অসমৰ বৃহৎ ক্ষতি হ'ব। ইতিমধ্যে মেঘালয়ৰ বিৰুদ্ধে অৰ্থনৈতিক অৱৰোধ ঘোষণা কৰা হৈছে। ফলত বিস্তৰ ক্ষতি হ'ব মেঘালয়ৰ। দুয়োখন চৰকাৰে সময় থাকোতেই অচলাৱস্থা দূৰীকৰণৰ বাবে বিশেষ পদক্ষেপ লোৱা উচিত। যাতে ভৱিষ্যতে পুনৰাবৃত্তি নহয় এই সংঘাতৰ।

## অসম মেঘালয়ৰ অচলাৱস্থাই বিষম পৰিণতিৰ সন্মুখীন হ'ব লাগিব



**ডাঃ যুগল কৃষ্ণ ডেকা**, তেজপুৰ

বিগত ১৯ আগষ্টত খাচি ছাত্ৰ ইউনিয়নৰ বিভিন্ন দাবীলৈ উলিওৱা মটৰ চাইকেল ৰেলীৰ আলম লৈ শোভাযাত্ৰাকাৰীৰ দলে অসমৰ বাহনসমূহ আক্ৰমণ কৰি সন্ত্ৰাস সৃষ্টি কৰাৰ পাছত অসম আৰু মেঘালয়ৰ সীমা যোৱাবাটত মেঘালয়লৈ যোৱা পথ অৱৰোধত মেঘালয়ত পৰ্যটন, বাণিজ্য, খণ্ডত প্ৰভাৱ পোৱা পৰিলৈছে। কাৰ স্বাৰ্থত ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত সময়ে সময়ে অসমীয়াৰ ওপৰত আক্ৰমণ সংঘটিত কৰা হয় বুজা নাযায় যদিও ভৱিষ্যতেও ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হ'ব। এই অৱৰোধে বিশেষকৈ খাদ্যকে ধৰি অন্যান্য পণ্য সামগ্ৰী অনাটন হ'ব। দুয়োখন ৰাজ্য চৰকাৰৰ গা এৰা মনোভাৱ পৰিলক্ষিত হৈছে। যদি চৰকাৰে সময়োচিত পদক্ষেপ গ্ৰহণ নকৰে তেন্তে মেঘালয়ত অৰ্থনৈতিক সংকটত পৰিব। অসমৰ দাতিকাষৰীয়া ৰাজ্যকেইখনৰ দৰে সীমা সমস্যাৰ বাবে এনে ঘটনা সংঘটিত হোৱা নাই। ইয়াৰ অন্তৰালত অন্য কোনো ৰাজনৈতিক উদ্দেশ্য ৰহিত হ'ব পাৰে অন্যথা অসম আৰু অসমীয়াৰ প্ৰতি খাছিসকলৰ শত্ৰুতাৰ ভাৱ কিয় তাৰ কাৰণ উদ্ঘাটন কৰি সমস্যাটোৰ সমাধানৰ বাবে দুয়োখন চৰকাৰে ব্যৱস্থা গ্ৰহণ নকৰিলে অদূৰ ভৱিষ্যতে দুয়োখন ৰাজ্যৰ মানুহৰ প্ৰতি ঘৃণাই ভ্ৰাতৃঘাতী সংঘৰ্ষই স্থায়ী ৰূপ লোৱাৰ আশংকাই অসম আৰু মেঘালয়ক জুকলা কৰাৰ ইংগিত বহন কৰিছে।

*যুগুতাইছে— চেমিম চুলতানা আহমেদ।*

*সহযোগিতাত— যোগেশ ওজা, হেমেন কুমাৰ দাস, অৰূপ কলিতা, দ্বীজেন ডেকা।*



# অসম-মেঘালয়ৰ অচলাৱস্থা কিহৰ ইংগিত ?

## প্ৰতিবাদকাৰীৰ আঁৰত আছে দুষ্কৃতিকাৰী ঃ সজাগ-সতৰ্ক হোৱাৰ প্ৰয়োজন আছে



**নৱনিতা হাজৰিকা**, সমাজকৰ্মী

অসম আৰু মেঘালয়ৰ মাজত সৃষ্টি হোৱা বৰ্তমানৰ অচলাৱস্থাৰ আঁৰত আন্তঃৰাজ্যিক সীমা বিবাদ, সংস্থাপন, পাৰম্পৰিক সন্দেহ অন্যতম কাৰণ। শ্বিলঙত ছাত্ৰ সংগঠনৰ ৰেলীক কেন্দ্ৰ কৰি হোৱা হিংসাত্মক ঘটনা আৰু ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপে অসমত গঢ়ি তোলা অৰ্থনৈতিক অৱৰোধে দুই ৰাজ্যৰ মাজত থকা গভীৰ অবিশ্বাস প্ৰতিফলিত কৰাৰ লগতে এই অচলাৱস্থাৰ প্ৰমাণ কৰে যে চৰকাৰী পৰ্যায়ত চুক্তি স্বাক্ষৰ হ'লেও সীমান্তত বসবাস কৰা সাধাৰণ ৰাইজ আৰু বিভিন্ন সংগঠনসমূহৰ বিশ্বাসত নোলোৱালৈ স্থায়ী শান্তি সম্ভৱ নহয়। ইয়াৰ বাবে দুয়োখন ৰাজ্যৰ মাজত ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক বুজাবুজি লাগিব। তদুপৰি, ৰাজনৈতিক পৰ্যায়তে নহয়, তৃণমূল পৰ্যায়ৰ জনসাধাৰণ, ছাত্ৰ সংগঠন আৰু চালক সন্থাসমূহৰ মাজত আলোচনাৰ জৰিয়তে পাৰস্পৰিক সহায় সহযোগিতাৰে এই জটিল সমস্যাক সমাধান কৰিব পৰা যাব। শেহতীয়াকৈ অসমৰ সীমামূৰীয়া ৰাজ্যৰ স'তে সম্ভাব্য বিবাদ সংঘটিত হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে মানুহৰ প্ৰয়োজনীয়তা বাঢ়িছে আৰু সেই প্ৰয়োজনীয়তা বৃদ্ধিৰ বিপৰীতে অৰ্থনৈতিক সংকট সাধাৰণ শ্ৰেণীৰ মাজত সমান্তৰালভাৱে বৃদ্ধি পাইছে। গতিকে এনে পৰিস্থিতি বাবেই এতিয়া আৰ, বাসস্থান আৰু অৰ্থনৈতিক বিষয়টো দিনে দিনে জটিল হৈ পৰাত সাধাৰণ লোকৰ মাজত বিভিন্ন বিষয়ে তাৎক্ষণিকভাৱে উত্তেজনা বৃদ্ধি কৰিব পাৰে। একেদৰে প্ৰতিবাদকাৰীৰ ৰূপত এচাম দুষ্কৃতিকাৰী আঁৰত থাকে। এনেবোৰে কৰা কিছুমান ঘটনাই বৃহত্তৰ ৰাইজ আৰু সমাজত ভয়াৱহ ৰূপত বিৰূপ প্ৰভাৱ পেলাই। সেয়েহে এই ক্ষেত্ৰতো সকলো সতৰ্ক আৰু সজাগ হৈ থকাৰ প্ৰয়োজন।

## সহ্যৰো সীমা আছে



**প্ৰাগজ্যোতিষ বণিয়া**, সহকাৰী সম্পাদক, যুৱছাত্ৰ পৰিষদ

প্ৰতিবাদৰ নামত খাচি ছাত্ৰ সন্থাৰ চূড়ান্ত বৰ্বৰতাৰ সীমা চেৰাই গ'ল। অসমীয়াৰ সৱলতাক দুৰ্বলতা বুলি ভাবি খাচি ছাত্ৰ সন্থাৰ সদস্যসকলে যি দৌৰাত্ম্য চলালে তাক লৈ দুয়োখন ৰাজ্যৰ মাজত পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰিছে। এই ঘটনাটোক বিক্ষিপ্ত ঘটনা বুলি এই কাৰণেই এৰি দিব নোৱাৰি যে এই ধৰণৰ ঘটনা প্ৰথম নহয়। আমাৰ চুবুৰীয়া ৰাজ্যসমূহৰ লগত খাটি থকা আন্তঃৰাজ্যিক সীমা সমস্যাক একাষৰীয়া কৰি থৈ এটা কথা প্ৰাথমিকতে যদি চাওঁ তেন্তে দেখা যায় যে মেঘালয়ত আন্তঃৰাজ্যিক পাৰপত্ৰ ব্যৱস্থা প্ৰণয়ন তথা আনুষংগিক বিষয়ত খাচি ছাত্ৰ সন্থাৰ নেতৃত্বত এক ৰাজনৈতিক বিষয়ক সামগ্ৰিকভাৱে আন্দোলনৰ কাৰ্যসূচী চলি আছে। এয়া মেঘালয় আৰু ভাৰত চৰকাৰৰ এক ৰাজনৈতিক বিষয় সংযোগ। আনহাতে, মেঘালয়ত অসমৰ বাহনত পৰ্যটক ফুৰাটো নিবিচাৰে মেঘালয়ৰ টেক্সি চালকসকলে। খাচি টেক্সি চালকসকলে অসমৰ টেক্সি তথা ব্যবসায়িক বাহন চালকসকলৰ ওপৰত পুহি ৰখা শত্ৰুতাৰ বহিঃপ্ৰকাশ মাত্ৰ। মেঘালয়ৰ টেক্সি চালকসকলে অসমৰ পঞ্জীয়নভুক্ত বাহনে পৰ্যটকসকলক নমাই থৈ আহাটোকো বিচাৰে, চলাচল কৰাটো নিবিচাৰে। পাৰম্পৰিক পৰিবহণ চুক্তি (আৰ টি এ) সম্পাদন কৰিবলৈ মেঘালয় পৰ্যটন চালকসকলে চাপ বৃদ্ধি কৰি আহিছে। ২০২১ৰ পৰা চলি থকা এই সংঘাত এতিয়া আৰু অধিক বৃদ্ধি হ'ব যেন অনুমান হৈছে। মেঘালয় চৰকাৰক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মেঘালয় উচ্চ ন্যায়ালয়ে নিজাববীয়াকৈ গোচৰ ৰুজু কৰি নিৰ্দেশনা প্ৰদান কৰিছে। সেয়েহে ধাৰাবাহিকভাৱে চুবুৰীয়া ৰাজ্যৰ দুৰ্বৃত্তৰ আক্ৰমণত চাৰি দশকত ১৫৭জনে প্ৰাণ হেৰুৱাবলগীয়া ঘটনাৰ ইয়াতে ওৰ পেলাবলৈ বৰ্তমানৰ অসম চৰকাৰক সন্মুখৰ পৰা নেতৃত্ব প্ৰদান কৰাটো অসমবাসীয়ে কামনা কৰিছে। এইবাৰ বিফল হ'লে সংশোধনীৰ পৰিত্ৰাণ নাপাব দুয়োখন বন্ধু সুলভ ৰাজ্যৰ চৰকাৰে।

## আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উত্তৰ পূৰ্বাঞ্চল হাঁহিয়াতৰ পাত্ৰ হ'ব



**পংকজ কুমাৰ কলিতা**, লেখক

অসম-মেঘালয়ৰ মাজত সংঘাতময় পৰিৱেশ আমাৰ বাবে চিনাকি। একপ্ৰকাৰ যেন অসমৰ লোকৰ ওপৰত মেঘালয়ে চলাই অহা আক্ৰমণ বছৰেকীয়া উৎসৱলৈ পৰ্যবসিত হৈছে। শেহতীয়াকৈ মেঘালয়ত খাচি ছাত্ৰ সন্থাই উলিওৱা এটা বাইক ৰেলীত প্ৰতিবাদকাৰীসকলে আমাৰ ৰাজ্যৰ পৰা যোৱা কেবচালক পৰ্যটকক আক্ৰমণ কৰাৰ পাছতে এই সংঘাতময় পৰিৱেশৰ সূচনা হৈছে। সংবিধান মানি সদায় সংযমী হৈ চলা অসমীয়া কেবচালকসকলে মেঘালয়ক প্ৰত্যুত্তৰ দিবৰ বাবে মেঘালয়ৰ বিৰুদ্ধে থিয় হৈছে। সংযমৰো এটা সীমা থাকে। সহিষ্ণু অসমীয়াৰ ওপৰত ভগ্নী ৰাজ্য মেঘালয়ৰ আক্ৰমণে পাৰস্পৰিক অবিশ্বাসৰ বাতাৱৰণ গঢ়ি তোলাত ইন্ধন যোগাইছে। যদি দুয়োখন চৰকাৰে এই সংঘাত নিৰাময়ৰ বাবে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰে তেতিয়া দুয়োখন ৰাজ্যৰ মাজত সদ্ভাৱনা হ্ৰাস পোৱাৰ লগতে ঘৃণা-বিদ্বেষৰ ভাব বৃদ্ধি পোৱাৰ উপৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উত্তৰ পূৰ্বাঞ্চল হাঁহিয়াতৰ পাত্ৰ হ'ব। চৰকাৰে অতিশীঘ্ৰে দুয়োখন ৰাজ্যৰ মাজত দীৰ্ঘদিন ধৰি চলি থকা সীমান্ত বিবাদৰ বিষয়টোৰ ৰাজনৈতিক সমাধান কৰাত গুৰুত্ব দিয়াটো প্ৰয়োজনীয় হৈ পৰিছে আৰু বিষয় সন্দৰ্ভত চৰকাৰৰ লগতে অসমৰ জাতীয় দল-সংগঠনৰ নেতৃত্বই মেঘালয়ৰ ছাত্ৰ সংগঠনৰ লগত আলোচনা কৰি দুয়োখন ৰাজ্যৰ জনসাধাৰণৰ মাজত আগত সময়ত পাৰস্পৰিক সহায়-সহযোগিতাৰে আগুৱাই যোৱাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

## অপৰাধীক কঠোৰতম শাস্তি দিব লাগে



**অশ্বিনী ডেকা**, নিবন্ধকাৰ

আমি অসমীয়াখিনিয়ে সাতভনীৰ ঐক্য বুলি চিঞৰি থাকোতে মেঘালয়, অৰুণাচল প্ৰদেশ, নগালেণ্ড, মিজোৰাম আদিৰ প্ৰায় প্ৰতিখন ৰাজ্যৰ এচাম লোকে অসমীয়াৰ ওপৰত সময়ে সময়ে আক্ৰমণ কৰি আহিছে। ই সঁচাকৈ পৰিতাপৰ কথা। তাতোকৈ পৰিতাপৰ কথা যে চুবুৰীয়া ৰাজ্যসমূহৰ পুলিচ-প্ৰশাসনে আক্ৰমণকাৰীসকলক সহায় কৰা বুলি অভিযোগ উত্থাপন হৈ আহিছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে সেইসকলে অসমীয়া জাতিক দুৰ্বল বুলি ভাবি লৈছে। গতিকে নিৰ্বিঘ্নে অসমীয়াৰ ওপৰত আক্ৰমণ বা অত্যাচাৰ চলাবলৈ কুণ্ঠাবোধ নকৰে। এই সমস্যাৰ সমাধানৰ পথ চৰকাৰেই উলিয়াব লাগিব। বৰ্তমান দেশত অপৰাধীয়ে অপৰাধ কৰিবলৈ ভয় নকৰা হৈছে, কাৰণ আইনৰ সুৰুঙাৰে অপৰাধী সাৰি যাবলৈ সক্ষম হয়। যেতিয়ালৈকে যিকোনো অপৰাধীক কঠোৰৰ পৰা কঠোৰতম শাস্তি বিহা নহয় তেতিয়ালৈকে এনে ঘটনাৰ পুনৰাবৃতি হৈয়ে থাকিব।

## সাতো ভনীৰ আনভূতিৰ সমন্বয় বিচ্ছিন্ন হৈছে



**দিগন্ত বৰ্মন**, শিক্ষক

উগ্ৰ-জাতীয়তাবাদ আৰু সামাজিক মেৰুকৰণে দুয়োখন ৰাজ্যৰ মাজত সঘনাই এই অচলাৱস্থাৰ সৃষ্টি কৰি আহিছে । ইয়াৰ সুযোগ লৈ বহু সময়ত উগ্ৰ-জাতীয়তাবাদী সংগঠনসমূহে ধাৰণা ভিত্তিক বাতৰি আৰু সংবেদনশীল সংঘাতৰ সৃষ্টি কৰি সাধাৰণ নাগৰিকৰ মাজত জাতিগত বিভাজন আনিবলৈ চেষ্টা কৰি আহিছে। অসমীয়া আৰু খাছিয়া-জয়ন্তীয়াসকলৰ মাজত থকা শতিকাজোৰা সৌহাৰ্দপূৰ্ণ সম্পৰ্ক এনে বিবাদে বিঘ্নিত কৰাৰ ইংগিত দিয়ে। এটা সময় আছিল যি সময়ত সাতো ভনী আছিল একত্ৰিত হৈ এক আনুভূতিক সমন্বয়ৰে সংযুক্ত আছিল। বিবাদ-হিংসা নাছিল। নাছিল কোনো কেৰোণ। সাতভনীৰ ইতিহাস বিচাৰিলে আছিল মাথোঁ সম্প্ৰীতি আৰু সমন্বয়ৰ সাঁকো।

সেয়ে আজি গাঁও
একতাৰে মিলি থকা
সাতোভনীৰ ভাই;
অতীত গৌৰৱেৰে আগুৱান হোৱা
শতৰুক নিদিবা লাই।

## একাংশ পুঁজিপতিৰ উত্তৰ-পূৰ্বাঞ্চলৰ সম্পদ চুঁচি নিয়াৰ উদ্দেশ্য সফল হ'ব এনে সংঘাতত



**দিপুল বৈশ্য**, লেখক

১৯৭২ত অসমৰ পৰা আঁতৰি গৈ আজিৰ মেঘালয় ৰাজ্যৰ গঠন হৈছিল। আমি উত্তৰ পূৰ্বাঞ্চলৰ সাতখন ৰাজ্য বৰ মিলাপ্ৰীতিৰে চলি আহিছো যদিও মাজে সময়ে দুই-এটা অপ্ৰীতিকৰ ঘটনা নঘটা নহয়। যোৱা ১৯ আগষ্টৰ নিশা ঘটা ঘটনাটোও এনে এটা অপ্ৰীতিকৰ ঘটনা। মেঘালয়ৰ অৰ্থনীতি মূলতঃ কৃষি আৰু পৰ্যটন ব্যৱস্থাপনাৰ ওপৰত নিৰ্ভৰ। ৰাজ্যখনৰ প্ৰধান শস্য হৈছে ধান আৰু মাকৈ। ইয়াৰ উপৰি আলু, আনাৰস, কল, অমিতা আৰু বিভিন্ন প্ৰকাৰৰ মছলা। হালধি আৰু আদা প্ৰচুৰ পৰিমাণে পোৱা যায়। মেঘালয়ৰ সুগন্ধি লাকাডং হালধ বিশ্ব বিখ্যাত। মেঘালয়ৰ প্ৰাকৃতিক সৌন্দৰ্য, জলপ্ৰপাত, লিভিং ৰুট ব্ৰীজ আৰু শ্বিলং, চেৰাপুঞ্জী, মাওসিনৰাম আদি পৰ্যটনস্থলীৰ বাবে ৰাজ্যখনৰ অৰ্থনীতিত পৰ্যটন উদ্যোগে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ লগতে পৃথিৱীৰ বহু দেশৰ পৰা মেঘালয়ৰ প্ৰাকৃতিক সৌন্দৰ্য চাবলৈ আহে। মেঘালয় কয়লা, চূণশিল, চিলিমেনাইট আৰু ডল'মাইট আদি খনিজ সম্পদত অতি চহকী। এই খনিজ পদাৰ্থসমূহৰ নিষ্কাসন আৰু ব্যৱসায়ে ৰাজ্যখনৰ ৰাজহ সংগ্ৰহত সহায় কৰে। ৰাজ্যখনৰ এক বৃহৎ অংশ বনাঞ্চলেৰে আবৃত হোৱাৰ বাবে বাঁহ-বেতৰ উদ্যোগ আৰু কাঠৰ ব্যৱসায় অৰ্থনীতিৰ অন্যতম অংশ। ইয়াৰ থলুৱা হস্তশিল্পৰো বিশেষ বাণিজ্যিক গুৰুত্ব আছে। মেঘালয়ৰ দৰেই অসমৰো অৰ্থনীতি প্ৰায় একে ধৰণৰ। কৃষি, বনজ আৰু খনিজ সম্পদ তেল, কয়লা আদিৰ লগতে কাজিৰঙা আৰু অন্যান্য প্ৰাকৃতিক স্থান দৰ্শন কৰিবলৈ অসমলৈ পৰ্যটকৰ দল আহে। মেঘালয়ৰ বৰ্তমান জনসংখ্যা প্ৰায় ৩৬ লাখ। মেঘালয়লৈ অসমৰ মাজেৰে প্ৰায় ৪০ ৰ পৰা ৫০ হেজাৰ পৰ্যটক যায়। ইয়াৰ লগত প্ৰায় ৫০ হেজাৰ বাহন জড়িত হৈ আছে। গুৱাহাটীৰ পৰা বিমানকোঠ আৰু ৰেল ষ্টেছনৰ পৰা পৰ্যটকসকল যায়। এই পৰ্যটকসকলৰ পৰা অসমৰ লগতে মেঘালয়ৰ ব্যৱসায় বাণিজ্য বৃদ্ধি হৈছে। দুয়োখন ৰাজ্য সমানে লাভান্বিত হৈছে। পৰ্যটক নহা হ'লে দুয়োখন ৰাজ্যৰে ব্যৱসায় কমিব। ভাৰতীয় ৰাষ্ট্ৰ পৰিচালিত হয় নিৰ্দিষ্ট পুঁজিপতিৰ স্বাৰ্থত আৰু নিৰ্দেশত। গতিকে সাতভনী অঞ্চলত থকা সম্পদ আহৰণ কৰিবলৈ হ'লে সকলোকে ভাগ ভাগ কৰি এক সংঘৰ্ষৰ পৰিৱেশ সৃষ্টি হৈ থাকিলেহে সুবিধা হয় বাবে তেনে সম্ভাৱনা নুই কৰিব নোৱাৰি। অসম আৰু মেঘালয় দুখন ওচৰ-চুবুৰীয়া ৰাজ্য। আমি আলোচনাৰ মাধ্যমেৰে সমস্যাবোৰৰ সমাধান কৰি ভাল বন্ধু ৰাজ্য হ'ব লাগিব। বৰ্তমান সময়ত ওচৰৰ দুখন ৰাজ্যই সংঘাতত লিপ্ত হ'লে দুয়োখন ৰাজ্যই পিছপৰি ৰ'ব লাগিব। অসমত এতিয়া বহু কেইখন জিলাৰ মানুহে বানত ক্ষতিগ্ৰস্ত হৈ ককবকাই আছে। জীৱন যুদ্ধত লাগি আছে। আমি অসমীয়াই বৰ্তমান বানত ক্ষতিগ্ৰস্তসকলৰ সহায়ৰ বাবে কামত ব্যস্ত থাকিব লাগে। আমি আশা কৰিম অসম আৰু মেঘালয় চৰকাৰৰ উচ্চ পৰ্যায়ৰ আলোচনা হওক। আলোচনাত সকলো সমস্যাৰ স্থায়ী সমাধান হওক। ১৯ আগষ্টৰ প্ৰতিজন দোষীয়ে শাস্তি পাওক লগতে ভৱিষ্যতে পুনৰ এনে অপ্ৰীতিকৰ ঘটনা যাতে নঘটে তাৰ প্ৰতি সকলোৱে নজৰ ৰাখক। ওচৰ-চুবুৰীয়াৰ লগত সংঘাত নহয়, সদভাৱ আৰু বন্ধুত্বহে গঢ়িব লাগে।

## আঞ্চলিক শান্তিৰ বাবে সীমান্তৰ কাঁটাতাঁৰতকৈও শক্তিশালী হ'ব লাগিব পাৰস্পৰিক বিশ্বাস



**হিৰণ্য কুমাৰ বৰা**, লেখক

অসম আৰু মেঘালয় এই দুয়োখন ৰাজ্যৰ মাজত যুগ যুগ ধৰি কেৱল ভৌগোলিক সান্নিধ্যই নহয়, এক গভীৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক আত্মীয়তা গঢ় লৈ উঠিছে। কিন্তু বিগত কিছুদিন ধৰি দুয়োখন ৰাজ্যৰ আভ্যন্তৰীণ সম্পৰ্কত দেখা দিয়া আকস্মিক অচলাৱস্থা আৰু অস্বাভাৱিক তিক্ততাই সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে এক গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে। এই অনাকাংক্ষিত পৰিস্থিতিয়ে কেৱল প্ৰশাসনিক স্তৰতে নহয়, বৰঞ্চ দুয়োপাৰৰ সাধাৰণ জনসাধাৰণৰ আৱেগ আৰু সৌহাৰ্দ্যপূৰ্ণ সম্প্ৰীতিৰ ওপৰতো আঘাত হানিছে। দুয়ো ৰাজ্যৰ মাজৰ এই অচলাৱস্থাৰ মূল শিপা নিহিত হৈ আছে ৭০ দশকৰ পৰাই চলি অহা ঐতিহাসিক সীমা বিবাদ আৰু ভূমি অধিকাৰক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অনাস্থাত। দুয়োখন ৰাজ্যৰে চৰকাৰে বিভিন্ন সময়ত আলোচনাৰ জৰিয়তে এই বিবাদ মীমাংসাৰ প্ৰয়াস কৰিছে যদিও স্থানীয় লোকৰ ভূমি অধিকাৰ, পৰম্পৰাগত সীমাৰ ধাৰণা আৰু প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰক লৈ সৃষ্টি হোৱা ভুল বুজাবুজি সম্পূৰ্ণৰূপে শেষ হোৱা নাই। সীমান্তৱৰ্তী অঞ্চলসমূহত প্ৰশাসন আৰু আইন-শৃংখলা ৰক্ষাকাৰী বাহিনীৰ মাজত সঠিক সমন্বয়ৰ অভাৱৰ সুযোগ লৈও বহু সময়ত উগ্ৰপন্থী লোকসকলে পৰিস্থিতি জটিল কৰি আহিছে, যাৰ ফলত এটা সৰু ঘটনাইও আঞ্চলিক উত্তেজনাৰ ৰূপ লয়। উল্লেখ্য যে এই সংঘাতে সৃষ্টি কৰা অনিশ্চয়তাৰ সৰ্বাধিক প্ৰভাৱ পৰিছে মেঘালয়ৰ অৰ্থনীতিৰ ওপৰত। মূলতঃ পৰ্যটন নিৰ্ভৰ ৰাজ্য হিচাপে মেঘালয়ৰ সমগ্ৰ যোগাযোগ ব্যৱস্থা অসমৰ ওপৰতেই নিৰ্ভৰশীল। গুৱাহাটী হৈছে মেঘালয়লৈ যোৱা দেশী-বিদেশী পৰ্যটক আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ প্ৰধান প্ৰৱেশদ্বাৰ। যেতিয়াই দুয়োখন ৰাজ্যৰ মাজত উত্তেজনা বৃদ্ধি পায়, তাৰ প্ৰথম চিকাৰ হয় অসমৰ পৰা যোৱা বাহন আৰু পৰ্যটকসকল। তদুপৰি এই নিৰাপত্তাহীনতাৰ ভাবুকিয়ে শ্বিলং, চেৰাপুঞ্জী বা ডাউকিৰ দৰে বিশ্ববিখ্যাত পৰ্যটন ক্ষেত্ৰসমূহ জনশূন্য কৰি তোলে। ফলস্বৰূপে, মেঘালয়ৰ পৰ্যটনৰ ওপৰত নিৰ্ভৰশীল হেজাৰ হেজাৰ খিলঞ্জীয়া পৰিয়ালৰ জীৱিকা বিপন্ন হৈ পৰে। তদুপৰি পথ অৱৰোধৰ ফলত মেঘালয়ত খাদ্য আৰু পেট্ৰ'লিয়ামৰ দৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ নাটনিয়ে সাধাৰণ মানুহৰ দৈনন্দিন জীৱন দুৰ্বিষহ কৰি তোলে। অসম আৰু মেঘালয়ৰ মাজৰ সম্পৰ্ক কেৱল দুখন ৰাজ্যৰ চৰকাৰী লেনদেন নহয়; ই শিক্ষা, বাণিজ্য, চিকিৎসা আৰু জীৱন-ধাৰণৰ এক অবিচ্ছেদ্য অংশ। লগতে বৰাক উপত্যকা, মিজোৰাম আৰু ত্ৰিপুৰাৰ যোগাযোগো এই পথৰ ওপৰতেই বহু পৰিমাণে নিৰ্ভৰশীল। সেয়ে দুয়োখন ৰাজ্যৰ ৰাইজক বিশ্বাসত লৈ বাস্তৱসন্মত আৰু মানৱীয় দৃষ্টিভংগীৰে স্থায়ী সমাধানৰ বাট উলিওৱাটোৱেই বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰয়োজনীয়তা।

## দুয়ো ৰাজ্যৰ ডাবল ইঞ্জিন চৰকাৰৰ ৰাজত্বকালত হিংসা, বিদ্বেষ, বিভাজন-ঘৃণাৰ পৰিবেশ সৃষ্টি কিয় ?



**অৰূপ কুমাৰ মহন্ত**, সাধাৰণ সম্পাদক, সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থা

অতি সম্প্ৰতি চুবুৰীয়া ৰাজ্য মেঘালয়ত অসমৰ গাড়ীসমূহৰ ওপৰত হোৱা আক্ৰমণে দুয়োখন ৰাজ্যৰ বিশেষকৈ যুৱ ছাত্ৰ সমাজৰ মাজত যুযুধান পৰিবেশ আৰু পৰিস্থিতিৰ উদ্ভৱ হৈছে । সামাজিক মাধ্যমত দেখাত এদল মটৰ চাইকেল আৰোহী আৰু কেইজনমান ক'লা কাপোৰ পৰিধান কৰা লোকে গাড়ীসমূহৰ ওপৰত নিৰ্বিঘ্নে আক্ৰমণ, পৰ্যটকৰ ওপৰত আক্ৰমণ, গাড়ী চালকৰ ওপৰত আক্ৰমণ, শ্ৰমজীৱী ৰাইজৰ ওপৰত আক্ৰমণ, স্বামী বিবেকানন্দ আৰু নেতাজী সুভাষ চন্দ্ৰ বসুৰ মূৰ্তি ভঙা ইত্যাদি। পুলিচ প্ৰশাসন বুলি একো নাই, সকলো নিৰ্বিকাৰ। অসমৰ গাড়ীসমূহ মেঘালয়লৈ যাব দিয়া নাই আনকি বিধায়কৰ গাড়ী ঘূৰাই পঠিওৱা হৈছে আৰু অসমলৈ অহা মেঘালয়ৰ পুলিচ প্ৰশাসনিক বিষয়াৰ গাড়ী যোৱাবাটৰ পৰা লাচিত সেনাৰ নেতাসকলে ঘূৰাই পঠাইছে। অসমতো পুলিচ প্ৰশাসন নিৰ্বিকাৰ । অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিবৃতি হৈছে মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ স'তে কথা হৈ আছে সোনকালে সমাধান হ'ব। কিন্তু প্ৰকৃত সমস্যাটো কি সেইটো এতিয়াও ধূসৰ। এতিয়া হৈছে খাচি বনাম অসমীয়া। দুয়ো ৰাজ্যৰ ডাবল ইঞ্জিন চৰকাৰৰ ৰাজত্বকালত হিংসা, বিদ্বেষ, বিভাজন আৰু ঘৃণাৰ পৰিবেশ সৃষ্টি হৈছে। যি পৰিবেশ বা পৰিস্থিতি শাসনাধিষ্ঠ দলৰ অনুকূলে পৰিচালিত হৈছে। অসমতে হওক কিম্বা মেঘালয়তে হওক যি দুটা সংগঠনে এনে পৰিস্থিতি বা পৰিবেশৰ নেতৃত্ব প্ৰদান কৰি আছে সেই দুয়োটা সংগঠনে সংশ্লিষ্ট ৰাজ্য দুখনৰ শাসকীয় পক্ষৰ আশ্ৰয় প্ৰাপ্ত। সেয়ে ইয়াক সাধাৰণ দুটা পক্ষৰ ইগৰ সংঘাত নহয়, ই যেন এক পৰিকল্পিত ৰাজনৈতিক কৌশলৰ অংশ বুলি সন্দেহ হয়। বিশেষকৈ, উজনি অসমৰ বানপ্ৰলয় যেতিয়া একাংশ দুৰ্নীতিপৰায়ণ বিষয়া, কয়লা মাফিয়া-বালি মাফিয়া, শিল মাফিয়া আৰু শাসনাধিষ্ঠ ৰাজনৈতিক দলৰ নেতাসকলৰ শঠামিতিৰালিৰে গঢ়ি উঠা জনবিৰোধী চক্ৰৰ দ্বাৰা সৃষ্ট বুলি সৰ্বত্ৰ চৰ্চা হৈছে আৰু ইয়াৰ অনুসন্ধান তথা দোষীৰ শাস্তিৰ লগতে উপযুক্ত ক্ষতিপূৰণৰ দাবী সজোৰে উত্থাপিত হৈছে তেতিয়া সাহায্য প্ৰদানক লৈ হিন্দু-মুছলমানৰ বিতৰ্ক তুংগত উঠাবলৈ চেষ্টা কৰিবলৈ অসমৰ শাসক পক্ষ উঠি পৰি লাগিছে আৰু এই খাচি বনাম অসমীয়াৰ সংঘাত হিচাপে এক ঘৃণা-বিদ্বেষ-বিভাজনৰ পৰিবেশ গঢ়ি তোলাৰ সচেতন শাসকীয় অপচেষ্টা চকুত নপৰা নহয়। কাজিৰঙা ইক' চেনচিটিভ জ'নৰ সংকোচনক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মিথ্যাচাৰ ফাদিল হৈ পৰিছে আৰু আচল উদ্দেশ্য যে কৰ্প'ৰেট প্ৰীতি সেয়া ব্যাপক চৰ্চা হ'ব ধৰিছে তথা এক শক্তিশালী জনমতৰ সৃষ্টি হৈছে। লগতে দেশজুৰি যুৱ-ছাত্ৰ সমাজে শিক্ষা ব্যৱস্থা, বাৰে বাৰে প্ৰশ্ন কাকত ফাদিল আৰু সংস্থাপনৰ দাবীত ঐক্যবদ্ধ হ'বৰ বাবে সংগঠিত হ'ব ধৰিছে। দেশৰ পৰিবৰ্তন তথা ৰূপান্তৰকামী জনগণে যিসময়ত আশাৰ বাৰ্তা কঢ়িয়াই আনিছে তেনে সময়ত অসম আৰু মেঘালয়ৰ সংঘাত শাসনাধিষ্ঠ দলৰ সচেতন কু-ৰাজনৈতিক অভিসন্ধি যে আছে তাৰেই ইংগিত বহন কৰিছে।

## অসমৰ সহযোগ অবিহনে এন্ধাৰ মেঘালয়ত



**কালিন্দ্ৰ কুমাৰ বৰ্মন**, লেখক

সূৰ্যবিহীন এন্ধাৰ পৃথিৱীৰ দৰে অসমৰ সহযোগ অবিহনে এন্ধাৰ মেঘালয়। অসম আৰু মেঘালয়ৰ মাজৰ সম্পৰ্ক এতিয়া এক ভয়ংকৰ অচলাৱস্থাৰ দিশে গতি কৰিছে। যোৱা কিছুদিন ধৰি চলি থকা পথ অৱৰোধ, অসমৰ গাড়ী ভঙা, অসমীয়া লোকক হাৰাশাস্তি কৰা আৰু সীমান্তত হোৱা উত্তেজনাই ইয়াক স্পষ্ট কৰি দিছে যে এই সংকটৰ মূলত আছে দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু প্ৰশাসনৰ চূড়ান্ত ব্যৰ্থতা। বাৰে বাৰে দেখা গৈছে, মেঘালয়ৰ একাংশ উগ্ৰ জাতীয়তাবাদী সংগঠনৰ কাৰ্যকলাপত অসম আৰু অসমীয়া লাঞ্ছিত হৈ আহিছে। কেতিয়াবা শ্বিলঙত অসমৰ নম্বৰৰ গাড়ী ভঙা হয়, কেতিয়াবা অসমীয়া শ্ৰমিক, ব্যৱসায়ীক মাৰপিট কৰা হয়, স্বামী বিবেকানন্দৰ দৰে স্বনামধন্য লোকৰ মূৰ্তি ভাঙি দিয়া, ২০২২তো মুক্ৰোহৰ দৰে ঘটনাত অসমৰ লোকৰ তেজেৰে সীমান্ত ৰঙা হয়। তথাপি অসমীয়া জাতি সহনশীল-ধৰ্যশীল-দয়ালু, অসমীয়াই কোনোদিনে প্ৰতিশোধৰ ৰাজনীতি কৰা নাই। অসমে বাৰে বাৰে ক্ষমা কৰি দিছে, কাৰণ অসমে জানে যে অশান্তিৰে কাৰো লাভ নহয়। কিন্তু সহনশীলতাক দুৰ্বলতা বুলি ভবাটো ভুল হ'ব। এক কঠোৰ সত্য মেঘালয়ে পাহৰিব নালাগে যে অসম অবিহনে মেঘালয় অচল। মেঘালয় চাৰিওফালে অসমৰে আৱৰা। মেঘালয়লৈ যোৱা প্ৰতিখন ট্ৰাক, প্ৰতিটো খাদ্য-সামগ্ৰী, ঔষধ, পেট্ৰ'ল অসমৰ মাজেৰেহে যায়। যদি অসমৰ ৰাইজে এবাৰ অৰ্থনৈতিক অৱৰোধ কৰে, তেন্তে ২৪ ঘণ্টাৰ ভিতৰত মেঘালয়ে দুৰ্ভিক্ষৰ দৰে পৰিস্থিতিৰ সন্মুখীন হ'ব। এই ভৌগোলিক সত্যটো উগ্ৰ জাতীয়তাবাদী সংগঠনবোৰে বুজিব লাগে আৰু এই কথাটো দুয়ো ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে ৰাইজক বুজাব লাগে।

**গতিকে এই অচলাৱস্থাৰ সমাধান কি ?**

'প্ৰথম, মুখ্যমন্ত্ৰী পৰ্যায়ৰ স্থায়ী সংলাপ।' কেৱল দিল্লীত বৈঠক কৰি ফটো উঠিলেই নহ'ব। গুৱাহাটী-শ্বিলঙৰ মাজত সপ্তাহে সপ্তাহে মুখ্যমন্ত্ৰী আৰু মুখ্য সচিব পৰ্যায়ৰ বৈঠক লাগে। সীমাৰ ৰাইজক লৈ যুটীয়া কমিটী গঠন কৰিব লাগে। 'দ্বিতীয়, উগ্ৰ সংগঠনক নিষিদ্ধকৰণ।' যি সংগঠনে বাৰে বাৰে হিংসাত্মক ঘটনাত জড়িত হৈ দুয়ো ৰাজ্যৰ মাজত বিদ্বেষ সৃষ্টি কৰিছে, সেই সংগঠনক অনতিপলমে নিষিদ্ধ কৰিব লাগে। কেৱল এফআইআৰ কৰিলেই নহ'ব, উপযুক্ত শাস্তি প্ৰদান কৰি দৃষ্টান্তমূলক ব্যৱস্থা ল'ব লাগে। আইন সকলোৰে বাবে সমান হ'ব লাগে। তৃতীয়, অৰ্থনৈতিক নিৰ্ভৰশীলতাৰ স্বীকৃতি। মেঘালয় চৰকাৰে নিজৰ ৰাইজক বুজাব লাগে যে অসম তেওঁলোকৰ শত্ৰু নহয়, জীৱনৰেখা হয় আৰু অসম চৰকাৰেও কঠোৰ হ'ব লাগে। অসমীয়া লাঞ্ছিত হ'লে কেৱল নিন্দা প্ৰস্তাৱ দিলেই নহ'ব, কঠোৰ কূটনৈতিক পদক্ষেপ ল'ব লাগিব। অসম-মেঘালয়ৰ সম্পৰ্ক ভ্ৰাতৃ-ভগ্নীৰ দৰে। এজনৰ ভৰিত কাঁইট বিন্ধিলে আনজনৰো বিষায়। যদি এতিয়াই দুয়োখন ৰাজ্যৰ প্ৰশাসনে সজাগ নহয়, তেন্তে এই অচলাৱস্থাই দুয়োখন ৰাজ্যকে ধ্বংসৰ দিশে লৈ যাব। ক্ষতিগ্ৰস্ত হ'ব সাধাৰণ ৰাইজহে। সময় থাকোতেই আলাপ-আলোচনাৰে সমাধান হওক, হিংসাৰে নহয়।

## ভয়াৱহ ভৱিষ্যতৰ ইংগিত বহন কৰিছে



**ধ্ৰুৱজিত শৰ্মা**, বিষয় শিক্ষক, নলবাৰী

অসম আৰু মেঘালয়ৰ মাজত দীৰ্ঘদিন ধৰি চলি অহা সীমা বিবাদ আৰু সাম্প্ৰতিক সময়ৰ অচলাৱস্থাই এক ভয়াৱহ ভৱিষ্যতৰ ইংগিত বহন কৰিছে। একাংশ সংগঠন তথা ৰাজনৈতিক দালালৰ বাবেই আজিৰ এই পৰিস্থিতি। ১৯৭২ অৰ্থাৎ ৰাজ্য বিভাজনৰ পাছৰে পৰাই বিভিন্ন ক্ষেত্ৰক লৈ মেঘালয় তথা অন্য সীমামূৰীয়া ৰাজ্যকেইখনৰ মাজত অসমৰ স'তে সংঘাত চলি আহিছে । কিন্তু শেহতীয়া এই ঘটনাই প্ৰমাণ কৰে যে দুয়োখন ৰাজ্যৰ মাজৰ শীতল যুদ্ধই তীব্ৰ ৰূপ ধাৰণ কৰিছে, যদিহে সময় থাকোতে দুয়োখন চৰকাৰে এই সংঘাত মীমাংসা নকৰে তেনেহ'লে দুয়োখন ৰাজ্যৰ সাধাৰণ খাটিখোৱা জনতাৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হ'ব। ডাবল ইঞ্জিনৰ চৰকাৰ চলি থাকোতে নেডাৰ আহ্বায়ক তথা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালতেই যদি এই সংঘাত সমাধান নহয় তেতিয়া হ'লে কেতিয়া হ'ব? কংগ্ৰেছ চৰকাৰে উত্তৰ-পূবৰ সীমা সমস্যা সমাধান কৰাত বিফল হোৱাৰ দৰে বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰখনো সফল হোৱা নাই । সততে প্ৰধানমন্ত্ৰী মোদীয়ে অষ্টলক্ষ্মী বুলি অভিহিত কৰা ৰাজ্যকেইখনৰ আভ্যন্তৰীণ পৰিস্থিতি খুবেই বেয়া । চাৰিওফালৰ পৰা অসমৰ সাধাৰণ জনতাই আতিশয্যৰ বলি হ'ব লগা হৈছে । ইয়াৰ অন্তৰালত আছে ডাঙৰ চক্ৰ। হয়তো কোনোদিন সাধাৰণ জনতাই ইয়াক দেখা নাপাব আৰু ঢুকিও নাপাব ইয়াৰ আঁৰৰ ৰহস্য। কেৱল কেইজনমান জাতিৰ ঠিকাদাৰ আৰু ৰাজনৈতিক তথা সংগঠনৰ দালালৰ বাবে অসমীয়া আজি অস্তিত্বৰ সংকটত। দুয়োখন ৰাজ্যৰ প্ৰশাসনৰ বুজাবুজিৰ অভাৱৰ লগতে বিভিন্ন ধৰণৰ অবৈধ কাৰ্যকলাপৰ অংক নিমিলাৰ বাবেই এই পৰিস্থিতিৰ সৃষ্টি হৈছে। মেঘালয় তথা অন্যান্য ৰাজ্যকেইখনৰ লগত অসমেৰে চলি থকা সংঘাত ৰাজ্য চৰকাৰকেইখনে কেতিয়াও সমাধান কৰিব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰে হস্তক্ষেপ নকৰিলে পাছলৈ অতি ভয়াৱহ পৰিস্থিতি হ'ব । সেয়ে ৰাজ্য চৰকাৰলৈ কাতৰ অনুৰোধ নিজৰ স্বাৰ্থৰ বাবে আভ্যন্তৰীণ বিষয়বোৰ যেন কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিগোচৰ নকৰাকৈ নাথাকে, নহ'লে অসমৰ ভৱিষ্যত প্ৰজন্ম সদায়েই এই আক্ৰমণৰ বলি হৈ থাকিব।

## দুই ৰাজ্যৰ সম্প্ৰীতি-অৰ্থনৈতিক সম্পৰ্কৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাব পাৰে



**দিব্যজোতি শৰ্মা**, সমাজকৰ্মী

ভয়-নিৰাপত্তাহীনতাৰ সৃষ্টি হ'লে মেঘালয়ৰ পৰ্যটন অৰ্থনীতি বিৰূপ প্ৰভাৱ পৰিব মেঘালয়ত অসমৰ পৰা যোৱা পৰ্যটকৰ ওপৰত সংঘটিত আক্ৰমণৰ ঘটনা কোনো কাৰণতে বিক্ষিপ্ত ঘটনা বুলি উপেক্ষা কৰিব নোৱাৰি। এনে ঘটনাই কেৱল অসমৰ নাগৰিকৰ নিৰাপত্তাকেই প্ৰশ্নৰ সন্মুখীন নকৰে, বৰঞ্চ অসম-মেঘালয়ৰ মাজৰ পাৰস্পৰিক বিশ্বাস, সামাজিক সম্প্ৰীতি আৰু অৰ্থনৈতিক সম্পৰ্কৰ ওপৰতো নেতিবাচক প্ৰভাৱ পেলাব পাৰে। মেঘালয়ৰ অৰ্থনীতিৰ অন্যতম গুৰুত্বপূৰ্ণ খণ্ড হৈছে পৰ্যটন। প্ৰাকৃতিক সৌন্দৰ্য, পাহাৰ, জলপ্ৰপাত, অৰণ্য আৰু বৈচিত্ৰ্যময় সংস্কৃতিৰ আকৰ্ষণত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা পৰ্যটক মেঘালয়লৈ যায়। ইয়াৰ ভিতৰত অসমৰ পৰ্যটকৰ সংখ্যা উল্লেখ্য। অসমৰ পৰা যোৱা পৰ্যটকৰ জৰিয়তে মেঘালয়ৰ হোটেল, ৰেষ্টুৰেণ্ট, পৰিবহণ, বজাৰ আৰু অন্যান্য সেৱা খণ্ডও লাভান্বিত হয়। সেয়ে অসমৰ পৰ্যটকৰ মাজত ভয় আৰু নিৰাপত্তাহীনতাৰ সৃষ্টি হ'লে তাৰ প্ৰভাৱ মেঘালয়ৰ পৰ্যটন অৰ্থনীতিতো পৰাটো স্বাভাৱিক। কোনো ৰাজনৈতিক, আঞ্চলিক বা সীমা-সম্পৰ্কীয় বিষয়ক কেন্দ্ৰ কৰি সাধাৰণ নাগৰিকক আক্ৰমণ কৰা কোনো সভ্য সমাজৰ গ্ৰহণযোগ্য পন্থা হ'ব নোৱাৰে। ৰাজনৈতিক মতভেদ বা আঞ্চলিক সংঘাতৰ বোজা সাধাৰণ মানুহে জীৱন, সম্পত্তি, ব্যৱসায় বা জীৱিকাৰে কিয় বহন কৰিব লাগিব? কোনো ব্যক্তিৰ ৰাজ্যিক পৰিচয়ৰ ভিত্তিত হিংসা বা বৈষম্যমূলক আচৰণ কৰাটো গণতান্ত্ৰিক আৰু আইনী ব্যৱস্থাৰ সম্পূৰ্ণ পৰিপন্থী। এই পৰিস্থিতিত দুয়োখন ৰাজ্য চৰকাৰৰ দায়িত্বও অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে। নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা নিশ্চিত কৰা, উচটনিমূলক পৰিৱেশ নিয়ন্ত্ৰণ কৰা আৰু আন্তঃৰাজ্যিক সম্প্ৰীতি অটুট ৰখাৰ ক্ষেত্ৰত প্ৰশাসনে কঠোৰ আৰু নিৰপেক্ষ ভূমিকা গ্ৰহণ কৰিব লাগিব। অপৰাধীৰ কোনো আঞ্চলিক, ৰাজনৈতিক বা জাতিগত পৰিচয়ক ঢাল হিচাপে ব্যৱহাৰ কৰিবলৈ দিয়া উচিত নহয়। যিয়েই অপৰাধ সংঘটিত কৰিছে, তেওঁক আইনৰ আওতালৈ আনি দৃষ্টান্তমূলক ব্যৱস্থা গ্ৰহণ কৰাটো জৰুৰী। অসম আৰু মেঘালয়ৰ সম্পৰ্ক সংঘাতৰ নহয়; ই পাৰস্পৰিক সহাৱস্থান, সহযোগিতা আৰু সামাজিক সম্পৰ্কৰ। দুয়োখন ৰাজ্যৰ সীমান্তৱৰ্তী অঞ্চলৰ মানুহৰ মাজত বহু দশকৰ সামাজিক আৰু অৰ্থনৈতিক সম্পৰ্ক আছে। সেই সম্পৰ্কক কেইটামান উচটনিমূলক ঘটনা বা হিংসাত্মক কাৰ্যকলাপে যাতে দুৰ্বল কৰিব নোৱাৰে, তাৰ বাবে চৰকাৰ আৰু সচেতন নাগৰিক-দুয়োপক্ষই দায়িত্বশীল ভূমিকা ল'ব লাগিব। একেদৰে, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ যোগাযোগৰ ক্ষেত্ৰত অসমৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। অসমৰ মাজেৰেই উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যলৈ মানুহ আৰু সামগ্ৰীৰ ব্যাপক যাতায়াত হয়। অথচ অসমৰ নাগৰিক বা বাহন আন ৰাজ্যত গৈ বাৰে বাৰে আক্ৰমণ, হাৰাশাস্তি বা বৈষম্যৰ সন্মুখীন হ'বলগীয়া হোৱাটো অতি উদ্বেগজনক। এই বিষয়টো কেৱল এখন ৰাজ্যৰ সমস্যা হিচাপে নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ শান্তি, নিৰাপত্তা আৰু আন্তঃৰাজ্যিক সম্প্ৰীতিৰ দৃষ্টিকোণৰ পৰা বিবেচনা কৰা প্ৰয়োজন। সময় থাকোতেই দুয়োখন চৰকাৰে এনে ঘটনাৰ পুনৰাবৃত্তি ৰোধৰ বাবে কঠোৰ আৰু স্থায়ী ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। পৰ্যটকৰ নিৰাপত্তাৰ প্ৰতি আস্থা পুনৰ ঘূৰাই অনা, আইন-শৃংখলা বজাই ৰখা আৰু দুয়োখন ৰাজ্যৰ জনসাধাৰণৰ মাজৰ বিশ্বাস অটুট ৰখাই এতিয়া সৰ্বাধিক প্ৰয়োজন। শান্তি আৰু সম্প্ৰীতিৰ পৰিৱেশ ৰক্ষা কৰাটো দুয়োখন চৰকাৰৰ লগতে প্ৰতিজন নাগৰিকৰ দায়িত্ব।

## প্ৰতিশোধৰ মানসিকতাই পৰিস্থিতি অধিক জটিলহে কৰিব



**আজিজুল ইছলাম**, ছাত্ৰনেতা, নলবাৰী

অসম-মেঘালয়ৰ মাজত শেহতীয়াকৈ সৃষ্টি হোৱা উত্তেজনা আৰু অচলাৱস্থাই কেৱল দুয়োখন ৰাজ্যৰ সাধাৰণ ৰাইজকেই উদ্বিগ্ন কৰা নাই, ই উত্তৰ-পূবৰ শান্তি, সম্প্ৰীতি আৰু পাৰস্পৰিক বিশ্বাসৰ প্ৰতিও এক চিন্তাৰ সংকেত কঢ়িয়াই আনিছে। বিশেষকৈ অসমৰ মানুহে ওচৰৰ ৰাজ্য মেঘালয়লৈ গৈ এনে অপ্ৰীতিকৰ আৰু আতংকময় পৰিস্থিতিৰ মুখামুখি হ'বলগীয়া হোৱাটো সঁচাকৈয়ে দুখজনক আৰু বেদনাদায়ক। অসমীয়া মানুহৰ ওপৰত আক্ৰমণ হ'লে তাৰ নিন্দা হ'বই লাগিব। একেদৰে কোনো খাচি বা মেঘালয়ৰ সাধাৰণ নাগৰিকক কেৱল তেওঁৰ পৰিচয়ৰ বাবে লক্ষ্য কৰাটোও কোনোপধ্যেই গ্ৰহণযোগ্য নহয়। এই পৰিস্থিতিত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ভূমিকা বিশেষ গুৰুত্বপূৰ্ণ। তেওঁ মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ স'তে তাৎক্ষণিকভাৱে যোগাযোগ কৰি পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ দাবী স্বাভাৱিক। আন্তঃৰাজ্যিক সম্পৰ্ক আৰু উত্তৰ-পূবৰ শান্তিৰ স্বাৰ্থত এনে স্পৰ্শকাতৰ বিষয়ত মুখ্যমন্ত্ৰী পৰ্যায়ৰ তৎপৰতা আৰম্ভণিৰ পৰাই দৃশ্যমান হোৱাটো অত্যন্ত প্ৰয়োজনীয়। এতিয়া চৰকাৰৰ প্ৰধান দায়িত্ব শান্তি আৰু বিশ্বাস পুনৰ স্থাপনৰ। দুয়োখন ৰাজ্যৰ চৰকাৰ আৰু প্ৰশাসনে নাগৰিকৰ নিৰাপত্তা নিশ্চিত কৰাৰ লগতে হিংসাত জড়িত লোকৰ বিৰুদ্ধে নিৰপেক্ষ আইনগত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ভৱিষ্যতে এনে ঘটনা যাতে পুনৰ সংঘটিত নহয়, তাৰ বাবে দুয়োখন ৰাজ্যৰ মাজত অধিক শক্তিশালী আৰু স্থায়ী সমন্বয় ব্যৱস্থাও গঢ়ি তুলিব লাগিব। এই সময়ত সাধাৰণ ৰাইজৰ দায়িত্বও যথেষ্ট আছে। যিকোনো ধৰণৰ উৰা-বাতৰি, জাতিগত বিষবাষ্প বিয়পোৱা খবৰ, উচটনিমূলক বক্তব্য আৰু প্ৰতিশোধৰ মানসিকতাই পৰিস্থিতি অধিক জটিলহে কৰিব। কোনো এজন ব্যক্তিৰ অপৰাধৰ বাবে এটা সম্পূৰ্ণ জনগোষ্ঠী বা সমাজক দোষী সাব্যস্ত কৰাটো অন্যায় আৰু বিপজ্জনক। অসম আৰু মেঘালয়ৰ মানুহৰ মাজৰ সম্পৰ্ক কোনো সাময়িক উত্তেজনাৰ বলি হ'ব নালাগে। ৰাজনৈতিক মতভেদ থাকিব পাৰে, দাবী-দাবা থাকিব পাৰে; কিন্তু সাধাৰণ মানুহৰ নিৰাপত্তা, মৰ্যাদা আৰু শান্তিৰ স'তে কোনো আপোচ হ'ব নালাগে। চৰকাৰৰ সময়োপযোগী হস্তক্ষেপ, প্ৰশাসনৰ নিৰপেক্ষতা আৰু ৰাইজৰ সংযমৰ সমন্বয়তেই খাচী-অসমীয়াৰ অচলাৱস্থাৰ পৰা ওলাই অহাৰ পথ মুকলি হ'ব বুলি আশা প্ৰকাশ কৰিব পাৰি ।

## কাজিৰঙাৰ পাহাৰত অবৈধ

তিনি পৃষ্ঠাৰ পৰা ভূমিস্খলন, মাটিৰ ক্ষয় আৰু জলাধাৰৰ ওপৰতো নেতিবাচক প্ৰভাৱ পৰাৰ আশংকা কৰে আটাছুৱে। গতিকে এই অবৈধ পাহাৰ খনন শীঘ্ৰে বন্ধৰ দাবীত সংগঠনটোৱে আজি বোকাখাত সংমণ্ডল আঞ্চলিক বিষয়াৰ হাতত স্মাৰকপত্ৰ প্ৰদান কৰে। এই ক্ষেত্ৰত বন বিভাগে পদক্ষেপ গ্ৰহণ নকৰিলে বৃহৎ গণ আন্দোলন গঢ়ি তুলিব বুলি আটাছুৰ গোলাঘাট জিলা সমিতিয়ে বন বিভাগক সকীয়াই দিয়ে। লগতে কাজিৰঙাৰ সুৰক্ষাৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণৰো দাবী জনায় সংগঠনটোৱে।

## শিৱসাগৰত বানত ক্ষতিগ্ৰস্ত

তিনি পৃষ্ঠাৰ পৰা এইজন আয়ুক্তই কোনোধৰণৰ কাম কৰিব নোৱাৰে বুলি তেওঁ স্পষ্টকৈ উল্লেখ কৰে। কৃষক মুক্তিয়ে এনেধৰণৰ কাৰ্য বন্ধ কৰি বানাক্ৰান্তক উন্নতমানৰ সামগ্ৰী প্ৰদানৰ দাবী জনায়। গীতৰ মাধ্যমেৰে তুলী, টাৱেল, গামোচা, কম্বল নে গাৰু একো ধৰিবই নোৱাৰি বুলি উল্লেখ কৰি প্ৰতিবাদকাৰীসকলে প্ৰশাসনৰ বিৰুদ্ধে সৰৱ হৈ পৰে।

## কুসুমটোলাত দুৰ্ঘটনাত প্ৰাক্তন

তিনি পৃষ্ঠাৰ পৰা ব্যক্তিজনক উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হয় যদিও আদবাটতে মৃত্যু হয়। উল্লেখ্য যে দুৰ্ঘটনা সংঘটিত হোৱা স্থানতে কিছুদিন পূৰ্বে সংঘটিত হোৱা আন এক পথ দুৰ্ঘটনাত আন এজন লোকৰ মৃত্যু হৈছিল।

## ভৈৰৱকুণ্ডত হাতীৰ পোৱালি উদ্ধাৰ

তিনি পৃষ্ঠাৰ পৰা উপস্থিত হয়। টেংকিত আৱদ্ধ হাতীৰ পোৱালিটো স্থানীয় ৰাইজ তথা প্ৰকৃতিপ্ৰেমীয়ে বন বিভাগ আৰু ৰক্ষীৰ সহযোগত উদ্ধাৰ কৰে। উদ্ধাৰ হোৱা হাতীৰ পোৱালিটো কোনোধৰণৰ আঘাত নোপোৱাকৈ সম্পূৰ্ণ সুস্থ অৱস্থাত উদ্ধাৰ কৰি সমীত্তৱৰ্তী বনাঞ্চলত এৰি দিয়ে। উল্লেখ্য যে ভৈৰৱকুণ্ড অঞ্চলত নিশা হাতীৰ জাকে কৰা বিচৰণৰ সময়তে হাতীৰ পোৱালিটো টেংকিত সোমাই পৰাৰ সন্দেহ কৰিছে ৰাইজে।

## অগপৰ দিছপুৰ বিধান পৰিষদৰ

তিনি পৃষ্ঠাৰ পৰা দলীয় সাংগঠনিক ভেটি অধিক মজবুত কৰাৰ ওপৰত আলোকপাত কৰাৰ লগতে দলীয় কৰ্মীসকলৰ লগতে মত বিনিময় কৰে। অনুষ্ঠানৰ আঁত ধৰে অগপৰ দিছপুৰ বিধান পৰিষদৰ উপ-সভাপতি সঞ্জীৱ দাসে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অগপৰ দিছপুৰ বিধান পৰিষদৰ সম্পাদক নকুল কলিতাই। শলাগৰ শৰাই আগবঢ়ায় মিনাম্মাম ইমানিয়াই। আজিৰ এই অনুষ্ঠানত দিছপুৰ সমষ্টিৰ চাৰি শতাধিক অগপৰ দলীয় কৰ্মী আৰু বিষয়ববীয়াসকলে উপস্থিত থাকি কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তোলে।

## লংকা আৰক্ষীয়ে আটক কৰিলে ভুৱা চিকিৎসকক

অগ্ৰদূত বাৰ্তা,

**লংকা, ২২ আগষ্ট ঃ** লংকা আৰক্ষীয়ে ভুৱা চিকিৎসা বিৰোধী ভাৰতীয় ন্যায় সংহিতা ২০২৩ অধীনত লংকা থানা গোচৰ নম্বৰ ১৯৩-২০২৬ অধীনত লংকা চহৰৰ ছয় নম্বৰ ৱাৰ্ডৰ লংকা পাব্লিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কাষৰ এটা গলিত থকা অৰ্শ হেল্থ ক্লিনিকৰ চিকিৎসক ড° প্ৰিন্স বিশ্বাস বিএএমএছক গ্ৰেপ্তাৰ কৰে। আজি বহুদিন ধৰি এই ভুৱা চিকিৎসক প্ৰিন্স বিশ্বাসে লংকা চহৰৰ ছয় নম্বৰ ৱাৰ্ডৰ কলেজ ৰোডত অৰ্শ হেল্থ ক্লিনিক নামেৰে এখন ফাৰ্মাচী খুলি অৰ্শ ৰোগৰ চিকিৎসা কৰি আহিছিল। জানিব পৰা মতে, কলকতাৰ পৰা আহি ভুৱা চিকিৎসক প্ৰিন্স বিশ্বাসে ফাৰ্মাচী সম্পৰ্কে সামাজিক মাধ্যমত দিয়া বিজ্ঞাপন এটাৰ আঁত ধৰি ভুৱা চিকিৎসা বিৰোধী দুৰ্নীতি নিবাৰক বিষয়া ডাঃ অভিজিৎ নেওগে দাখিল কৰা এক গোচৰৰ ভিত্তিত কালি লংকা আৰক্ষী থানাৰ ১৯৩/২০২৬ নম্বৰ ভাৰতীয় দণ্ড বিধিৰ ৩১৬ (২) ৩১৯ (২)৩৩৬ (২)৩৪০ (২)১২৫/২৭১ বি এন এছ ২০২৩ এক্টত কলকতাৰ পৰা কিছুদিন আগতে আহি পাইলচৰ ভুৱা চিকিৎসক প্ৰিন্স বিশ্বাসক গ্ৰেপ্তাৰ কৰি ফাৰ্মাচীখনত তালাচী চলাই ভালেমান সন্দেহযুক্ত নথি - পত্ৰ আৰু সা-সৰঞ্জাম জব্দ কৰে। লংকা আৰক্ষীয়ে এই বিষয়ে তদন্ত অব্যাহত ৰাখিছে। স্থানীয় লোকে অভিযোগ কৰা মতে, লংকা চহৰৰ আশে-পাশে এনেদৰে বহুসংখ্যক ফাৰ্মাচী গঢ় লৈ উঠিছে।

## যোৰহাটৰ গৰুমাৰাত অচিনাক্ত মৃতদেহ

তিনি পৃষ্ঠাৰ পৰা মেটেকাৰ মাজত ওপৰলৈ মূৰ কৰি থকা মৃতদেহটো প্ৰত্যক্ষ কৰে। পাছত গাঁও প্ৰধানক খবৰ দিয়াত পুলিবৰ থানাত জনায়। ঘটনাস্থলীত দণ্ডাধীশসহ আৰক্ষীৰ দলে উপস্থিত হৈ মৃতদেহটো জেএমচি হাস্পতাললৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। হৃষ্ট-পুষ্ট দেহৰ অধিকাৰী মৃতদেহটোত বিশেষকৈ মুখমণ্ডলৰ আঘাতৰ চিন পৰিলক্ষিত হৈ আছে বুলি স্থানীয় সূত্ৰই সদৰী কৰিছে। সেয়েহে কোনো লোকে লোকজনক হত্যা কৰি মৃতদেহটো নৈত পেলাই থৈ যোৱাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে। অৱশ্যে এয়া হত্যাকাণ্ড নে কোনো কাৰণত লোকজনৰ মৃত্যু হৈছে আৰক্ষীৰ তদন্ততহে ওলাই পৰিব। উল্লেখ্য যে দীৰ্ঘদিন ধৰি নদীখনৰ দুয়োমূৰ বন্ধ হৈ পানীৰ স্বাভাৱিক প্ৰবাহ ব্যাহত হৈ থকাত নদীখন ঘাঁহ-বন আৰু মেটেকাৰে পৰিপূৰ্ণ হৈ পৰিছে। স্থানীয় লোকে নাৱৰে এই পথেৰে পাৰ হৈ খেতিপথালৈ যাতায়াত কৰে।

## বিশিষ্ট লেখিকা শৰ্মিষ্ঠা প্ৰীতমৰ

তিনি পৃষ্ঠাৰ পৰা প্ৰকাশক প্ৰাঞ্জল মহন্তই যোৱা ১৯ আগষ্টত ডিব্ৰুগড়লৈ গৈছিল। তেওঁলোকে অসম মেডিকেল কলেজ হাস্পতালৰ পৰা শৰ্মিষ্ঠাৰ প্ৰয়োজনীয় ঔষধ আনিবলৈ গৈছিল। কালি নিশা দুয়ো আহি নিশা প্ৰায় ১০.৩০ বজাত ডিমৌৰ পূৰ শালমৰাৰ ৰজাগাঁওস্থিত বাসগৃহত উপস্থিত হয়। প্ৰাঞ্জল মহন্তই ঘৰৰ দুৱাৰ খুলি গোটেই ঘৰখন লণ্ডভণ্ড হৈ থকা, খিৰিকীৰ ৰড ভঙা আৰু খিৰিকী খোলা থকা, সকলো আলমিৰা, বিছনাৰ হেড বক্স খোলা থকা প্ৰত্যক্ষ কৰি নিশ্চিত হয় যে তেওঁলোকৰ বাসগৃহত চুৰিকাণ্ড সংঘটিত হৈছে। লগে লগে তেওঁলোকে এই বিষয়ে বহা আৰক্ষী থানাত অৱগত কৰে। ইতিমধ্যে শৰ্মিষ্ঠা-প্ৰাঞ্জলৰ বাসগৃহত বহা আৰক্ষী আৰু ফৰেনচিকৰ এটা দল উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। ফৰেনচিকৰ দলটোৱে ঘৰটোৰ পৰা কেতবোৰ নমুনা সংগ্ৰহ কৰিছে। স্মৰ্তব্য যে বিগত কিছুদিনৰ পৰা নগাঁও জিলাৰ বিভিন্ন ঠাইত চুৰি-ডকাইতিৰ ঘটনা অতি উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। চোৰৰ উপদ্ৰৱৰ বাবে কোনো লোকেই ঘৰ এৰি অন্য ঠাইলৈ যাব নোৱাৰা এক অৱস্থাৰ সৃষ্টি হৈছে। আৰক্ষীৰ নিশকতীয়া অৱস্থাৰ বাবেই এনেধৰণৰ ঘটনা সংঘটিত হৈ থকা বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে।

## হিমন্ত বিশ্ব শৰ্মাই 'অই ডিচি, এছপি'

তিনি পৃষ্ঠাৰ পৰা ইউনিয়নক প্ৰত্যাহ্বান জনাই বিধায়কজনে লগতে কয়, 'মই আইএছ বিষয়া ইউনিয়নৰ সভাপতি-সম্পাদকৰ নাম জানিবলৈ বিচাৰিছো। মই তেওঁলোকক ওচৰলৈ যাম আৰু তেওঁলোকক মোৰ সমষ্টিৰ একৰ্কাল পানী-বোকাত ডুবি থকা পৰিয়ালৰ ঘৰলৈ লৈ যাম। তেওঁলোকক পৰিস্থিতি দেখুৱাম।' উল্লেখ্য যে গগৈৰ বিৰুদ্ধে জিলা আয়ুক্তক অভব্য আচৰণ কৰাৰ অভিযোগ উত্থাপন কৰি কালি শিৱসাগৰৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীসকলে ক'লা বেজ পৰিধান কৰি কৰ্মবিৰতি পালন কৰে। গতিকে বিষয়টোক লৈ চৌদিশে ব্যাপক চৰ্চা অব্যাহত আছে। গগৈয়ে অভিযোগ কৰা অনুসৰি বানবিধ্বস্ত জিলাখনৰ সকলো বানাক্ৰান্ত পৰিয়ালে চৰকাৰী ১৫ হেজাৰ টকাৰ আৰ্থিক সাহায্য লাভ কৰা নাই।

## কৃত্ৰিম বানত জনজীৱন ব্যাহত উত্তৰ

তিনি পৃষ্ঠাৰ পৰা পুনৰ যোৱা দুদিনত হোৱা ধাৰাসাৰ বৰষুণে পুনৰ পৰিস্থিতি জটিল কৰি তুলিছে। কৃত্ৰিম বানৰ ফলত উত্তৰ গুৱাহাটী অঞ্চলত কে'বাটাও বাট-পথত চলাচল কৰাটো কঠিন হৈ পৰিছে। সদ্যহতে উত্তৰ গুৱাহাটী অভয়পুৰ-গৌৰীপুৰ সংযোগী পথৰ ওপৰত আৱদ্ধ পানীৰ বাবে যাতায়াতত ভীষণ অসুবিধাৰ সৃষ্টি হৈছে। একেদৰে উত্তৰ গুৱাহাটী অভয়পুৰ বটলিং প্লান্ট সংযোগী পথত একাঠুলৈ পানী উঠিছে। কৃত্ৰিম বানৰ বাবে বহুৰ বছৰ ধৰি উত্তৰ গুৱাহাটীৰ কে'বাটাও আৱাসিক অঞ্চলৰ লোকসকলে যমৰ-যাতনা ভুগি অহাৰ পাছতো নীৰৱ ভূমিকা গ্ৰহণ কৰি আহিছে চৰকাৰৰ লগতে জিলা প্ৰশাসনে। অথচ উত্তৰ গুৱাহাটীৰ এই সমস্যা সমাধানৰ কাৰ্যত কোনো প্ৰচেষ্টা নৈ। বিজ্ঞানসন্মতভাৱে নৰ্দমাৰ ব্যৱস্থা কৰিলে অঞ্চলটোৰ কৃত্ৰিম বানৰ সমস্যা সমাধান সহজ হৈ থকাৰ পাছতো কি কাৰণত এই ব্যৱস্থা হাতত লোৱা নাই তাৰ বাবে প্ৰশাসনৰ ভূমিকা প্ৰশ্ন উত্থাপন কৰিছে অঞ্চলবাসীয়ে। ব্ৰহ্মপুত্ৰ নৈলৈ মাত্ৰ একৰ পৰা ডেৰ কিলোমিটাৰৰ দীৰ্ঘৰ নলা নিৰ্মাণ কৰিয়ে পানী আঁতৰোৱাৰ ব্যৱস্থা কৰিব পাৰে যদিও সেয়া নিৰ্মাণ কৰিবলৈ আজি আঠটা বছৰৰ পাৰ কৰিলে গুৱাহাটী লোকে নিৰ্মাণ সমস্যাৰে। যাৰ বাবে উত্তৰ গুৱাহাটীৰ কে'বাটাও আৱাসিক অঞ্চলৰ লোকে বহুৰ বছৰ ধৰি কৃত্ৰিম বানত হাবু-ডাবু খাবলগীয়া হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গৃহ সমষ্টি হোৱাৰ পাছতো ৰাইজে এইদৰে জীয়াতু ভুগি অহাত ক্ষোভ উজাৰিছে ভুক্তভোগীসকলে। ইফালে, উত্তৰ গুৱাহাটী পৌৰসভাই বিষয়টোত গুৰুত্ব দিবলগীয়া আছিল যদিও সেয়াও নিদিয়া বুলি অভিযোগ উঠিছে। এই ক্ষেত্ৰত ভুক্তভোগী ৰাইজে ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান জনাইছে।

## বঙাইগাঁও জিলাৰ যোগীঘোপাত

তিনি পৃষ্ঠাৰ পৰা বাহনৰ পৰা পেচাব কৰাৰ অজুহাতত নামি আন্ধাৰৰ সুযোগ লৈ আৰক্ষীক আক্ৰমণ কৰি পলায়নৰ চেষ্টা চলায় বৰাতে। তেতিয়া তেওঁক পলায়নত বাধা দিবলৈ আৰক্ষীয়ে প্ৰথমে শূন্যলৈ দুজাই গুলিচালনা কৰে। কিন্তু পলায়নৰ চেষ্টা অব্যাহত ৰখাত আৰক্ষীয়ে পুনৰ আন এজাই গুলিচালনা কৰে। ফলত সোঁভৰিত গুলি লাগি আহত হয় বৰাত। পাছত আৰক্ষীয়ে আহতজনক কৰায়ত্ত কৰি চলন্তাপাৰা সমূহীয়া স্বাস্থ্য কেন্দ্ৰলৈ নিয়ে। তাত প্ৰাথমিক চিকিৎসা প্ৰদান কৰাৰ অন্তত তেওঁক উন্নত চিকিৎসাৰ বাবে বঙাইগাঁও মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰোৱা হয়।

সূত্ৰই জনোৱা মতে, বৰাতে পলায়নৰ চেষ্টা চলোৱাৰ সময়ত যোগীঘোপা আৰক্ষী থানাৰ কমল ৰায় নামৰ এজন কনিষ্ঠবলক বুকুত আঘাত কৰিছিল। ডকাইতজনৰ আক্ৰমণত গুৰুতৰভাৱে আহত হয় কনিষ্ঠবলজন। কনিষ্ঠবলজন সম্প্ৰতি বঙাইগাঁও মেডিকেল কলেজ হাস্পতালত চিকিৎসাধীন হৈ আছে।

উল্লেখ্য যে যোৱা ১৯ আগষ্টত চুবুৰীয়া ৰাজ্য মেঘালয়ৰ নংষ্টইনৰ ছয়গৰাকী খাচি জনজাতীয় লোকে এখন পুৰণি গাড়ী কিনিবলৈ গোৱালপাৰা জিলাৰ পাইকানলৈ আহে। জনজাতীয় লোককেইজনক ম'বাইলতে চিনাকি হোৱা দালাল তথা ডকাইতৰ দলটোৰ পাইকানত লগ হৈ পাইকানৰ পৰা গাড়ী দেখুৱাবলৈ পৰিকল্পনা কৰি যোগীঘোপালৈ আনে। ডকাইতৰ দলটোৱে মেঘালয়ৰ জনজাতীয় লোককেইজনক অতি কৌশলৰে যোগীঘোপাৰ খেৰপুজী গাঁৱৰ ভৈৰৱচূড়া পাহাৰৰ দাঁতিত নিৰ্জন ঠাইলৈ আনে ।উক্ত স্থানতে আহাৰো গ্ৰহণ কৰে একেলগে। ইয়াৰ পাছতে পুৰণি গাড়ী বিক্ৰীৰ নামত ডকাইতৰ দলটোৱে আগধন বিচাৰে জনজাতীয় লোককেইজনৰ পৰা। এই কথা জনজাতীয় লোককেইজন অমান্তি হৈ উক্ত স্থানৰ পৰা উভতি আহিবলৈ ধৰাতে ডকাইতৰ দলটোৱে জনজাতীয় লোককেইজনক লাঠিৰে আক্ৰমণ কৰি অস্ত্ৰ দেখুৱাই তেওঁলোকৰ লগত থকা নগদ পাঁচ লাখ টকা লুটি লৈ যায় ডকাইতৰ দলটোৱে।

এই সমগ্ৰ ঘটনাৰ সন্দৰ্ভত যোগীঘোপা আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে। আৰক্ষীৰ তদন্তত শুকুৰবাৰে কৃষ্ণাইত যোগীঘোপা আৰক্ষীয়ে অভিযান চলাই ডকাইতি কাণ্ডৰ মাষ্টাৰ মাইণ্ড বৰাত আলীক গ্ৰেপ্তাৰ কৰে। ডকাইতি কাণ্ডত ব্যৱহাৰ কৰা হস্তনিৰ্মিত পিষ্টলটোও আৰক্ষীয়ে বৰাত আলীৰ ঘৰৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

ইপিনে, ঘটনাৰ খবৰ লাভ কৰাৰ পাছত বঙাইগাঁও জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাত্তো ঘটনাস্থলীত উপস্থিত হৈ সমগ্ৰ ঘটনাৰ বুজ লয়। জ্যেষ্ঠ আৰক্ষী অধীক্ষকজনে সংবাদ মাধ্যমৰ আগত কয় যে ডকাইতি কাণ্ডৰ মূল অভিযুক্ত গ্ৰেপ্তাৰ হৈছে আৰু ঘটনাৰ স'তে জড়িত আন অভিযুক্তসকলো শীঘ্ৰে জালত পৰিব।

ইপিনে, যোগীঘোপা আৰক্ষীয়ে দুৰ্ধৰ্ষ ডকাইত বৰাত আলীৰ গোৱালপাৰা জিলাৰ কৃষ্ণাইত নিজ বাসভৱনৰ পৰা ২,৪০,৫০০ টকা জাল নোট, ডকাইতি কাণ্ডৰ স'তে ব্যৱহৃত এএছ-১৮-৩৮০০ নম্বৰৰ এখন চাৰিচকীয়া বাহন, পিষ্টল আৰু এখন ডেগাৰ জব্দ কৰিবলৈ সক্ষম হয় আৰক্ষীয়ে। দুৰ্ধৰ্ষ ডকাইত বৰাত আলীৰ বিৰুদ্ধে অসমৰ লগতে মেঘালয়ৰ বিভিন্ন থানাত অপৰাধৰ গোচৰ ৰুজু হৈ থকা বুলি জনায় আৰক্ষীয়ে।

## সাহপুৰ-মাজৰবাৰীৰ জৰাজীৰ্ণ পথে নৰক-যন্ত্ৰণা খুৱাইছে শিক্ষাৰ্থী, সৰ্বসাধাৰণ ৰাইজক



অগ্ৰদুত বাৰ্তা

**ঘগ্ৰাপাৰ, ২২ আগষ্ট ঃ** নলবাৰী জিলাৰ বিয়াগোম লোক নিৰ্মাণ বিভাগৰ অন্তৰ্গত ঘগ্ৰাপাৰৰ সাহপুৰ-মাজৰবাৰী গাঁৱৰ অতি গুৰুত্বপূৰ্ণ এটা পথৰ বিধ্বস্ত অৱস্থাৰ বাবে নিতৌ ছাত্ৰ-ছাত্ৰী তথা পথচাৰী ৰাইজে জলা-কলা খাই আহিছে যদিও নীৰৱ-নিৰ্বিকাৰ জনপ্ৰতিনিধি। সম্প্ৰতি ভাঙি-ছিঙি জৰাজীৰ্ণ ৰূপ ধাৰণ কৰা লোক নিৰ্মাণ বিভাগৰ ঘগ্ৰাপাৰৰ সাহপুৰ পানী যোগান প্ৰকল্পৰ কাষৰ পৰা মাজৰবাৰী প্ৰাথমিক বিদ্যালয়লৈ যোৱা পথছোৱা দীৰ্ঘদিন ধৰি মেৰামতি নকৰাত বাৰিষাৰ সময়ত পুনৰ বিধ্বস্ত ৰূপ ধাৰণ কৰিছে। নলবাৰী লোক নিৰ্মাণ বিভাগৰ বিষয়া-কৰ্মচাৰীৰ গুৰুত্বহীনতা তথা অৱহেলিতৰ বাবে বৰ্তমানে পথছোৱাৰ ঠায়ে ঠায়ে প্ৰকাণ্ড গাঁতৰ সৃষ্টি হোৱাৰ উপৰি বোকা-পানী একাকাৰ হৈ পৰাৰ লগতে যাতায়াতৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী তথা পথচাৰীক নৰক যন্ত্ৰণা ভোগাই আহিছে বুলি ৰাজহুৱা অভিযোগ উঠিছে। যাৰ পৰিপ্ৰেক্ষিতত স্থানীয় ৰাইজে লোক নিৰ্মাণ বিভাগ তথা জনপ্ৰতিনিধিৰ ওপৰত ক্ষোভ প্ৰকাশ কৰি শীঘ্ৰে পথছোৱা উন্নীতকৰণৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাইছে। উল্লেখ্য যে স্বাধীনতা লাভৰ ৮০ বছৰত ভৰি দিয়াৰ পাছতো এই পথটো বিধ্বস্ত তথা জৰাজীৰ্ণ ৰূপ ধাৰণ কৰি আহিছে যদিও চৰকাৰ তথা জনপ্ৰতিনিধিয়ে মুঠেই গুৰুত্ব দিয়া নাই বুলি সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক কংকন কলিতাই অভিযোগ উত্থাপন কৰিছে। বৰ্তমানে পথছোৱা বাৰিষা কালত বৰষুণৰ বাবে বোকা-পানীৰে একাকাৰ হৈ পৰাৰ লগতে পথটোত বৃহৎ বৃহৎ গাঁতৰ সৃষ্টি হৈছে। নলবাৰী জিলা ছাত্ৰ সন্থাই অভিযোগ কৰে যে এই গ্ৰাম্য পথটো এজাক বৰষুণ দিলে জৰাজীৰ্ণ হৈ পৰে। যাৰ ফলত স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলে স্কুলত সময়মতে উপস্থিত হ'ব নোৱাৰে। বেমাৰী লোকসকলক উন্নত চিকিৎসালয়লৈ লৈ যোৱাৰ বাবে ১০৮ বা এম্বুলেঞ্চ উক্ত জৰাজীৰ্ণ পথৰ বাবে অহা-যোৱা কৰিব নোৱাৰা পৰিলক্ষিত হয়। লগতে স্থানীয় ৰাইজে কয় যে প্ৰতিটো নিৰ্বাচনত ৰাজনৈতিক নেতা-পালিনেতাই পথসমূহ হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে যদিও নিৰ্বাচনৰ পাছত মুঠেই গুৰুত্ব নিদিয়াৰ অভিযোগ কৰিছে।

## সুদক্ষ অভিনেতা সুশীল কাকতিৰ অকাল মৃত্যু

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২২ আগষ্ট ঃ** মৰিগাঁৱৰ বৰঙাবাৰী শাখা সাহিত্য সভাৰ সভাপতি, এগৰাকী সাংস্কৃতিক কৰ্মী, সুদক্ষ অভিনেতা, অনুষ্ঠান উদ্যোগী, সমাজ সেৱক তথা বঘৰা ৰাজ্যিক চিকিৎসালয়ত লেবৰেট'ৰী টেকনিচিয়ান হিচাপে কৰ্মৰত সুশীল কাকতি ওৰফে লক্ষী (৫৮)ৰ আজি পুৱা হৃদৰোগত আক্ৰান্ত হৈ অকাল মৃত্যুক সাৱটি লয়। আজি পুৱাতেই কাকতিৰ অকাল মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে ১৯৬৮ৰ মৰিগাঁৱৰ নিকটৱৰ্তী বৰঙাবাৰীত জন্মগ্ৰহণ কৰা কাকতি বৰঙাবাৰী শাখা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি, সদৰ ছাত্ৰ সন্থাৰ প্ৰাক্তন উপ-সভাপতি, বৰঙাবাৰী আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ প্ৰতিস্থাপক সভাপতি, বৰঙাবাৰী শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, বৰ্তমান সভাপতি হিচাপে কাৰ্যনিবাহক কৰি আছিল। এগৰাকী সুদক্ষ অভিনেতা হিচাপে পৰিচিত কাকতিয়ে মৃত্যুৰ সময়ত পত্নী, এজন পুত্ৰ, এগৰাকী জীয়ৰীৰ লগতে বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়। সমাজ সংগঠকজনৰ মৃত্যুত সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতি প্ৰতাপ হাজৰিকা, মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক কুশল কুমাৰ বৰা, অসম নাট্য সন্মিলনৰ মৰিগাঁও জিলাৰ সম্পাদক হিমন্ত মহন্ত, মৰিগাঁও জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক খগেন মহন্ত, সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি মুন আলী ঠাকুৰীয়া, মৰিগাঁও সদৰ ছাত্ৰ সন্থাৰ সভাপতি ৰাজনীশ মহন্ত, মতিৰাম বৰা আদৰ্শ হাইস্কুলৰ অধ্যক্ষ জয়ন্ত হাজৰিকা, মৰিগাঁও জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতি ৰমেশ কাকতিৰ উপৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে মৃতকৰ বাসগৃহত উপস্থিত হৈ নশ্বৰদেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বৰঙাবাৰী শাখা সাহিত্য সভাৰ সভাপতিজনৰ নশ্বৰ দেহ তেওঁৰ কৰ্মস্থান বঘৰা ৰাজ্যিক চিকিৎসালয়লৈ নিয়াত চিকিৎসালয়খনৰ চিকিৎসক, কৰ্মচাৰীৰ লগতে বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানে নশ্বৰদেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে বৰঙাবাৰী কেন্দ্ৰীয় শ্ৰীমন্ত পুথিভঁৰাল আৰু শংকৰজ্যোতি যুৱক সংঘৰ কাৰ্যালয় প্ৰাংগণত সংঘৰ বিষয়ববীয়া তথা সদস্যসকলে নশ্বৰদেহত শ্ৰদ্ধা নিবেদন কৰে। আনহাতে, বিশিষ্ট অভিনেতাজনৰ মৃত্যুত মৰিগাঁও জিলা সাহিত্য সভা, সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থা, সদৰ ছাত্ৰ সন্থা, বৰঙাবাৰী শাখা সাহিত্য সভা, মৰিগাঁও জিলা সাংবাদিক সংস্থা, বৰঙাবাৰী আঞ্চলিক ছাত্ৰ সন্থা আদিয়ে।

## তামুলপুৰৰ এন চি আঙাৰকাটাত

তিনি পৃষ্ঠাৰ পৰা প্ৰেৰণ কৰা হয়। ঘটনাৰ খবৰ লাভ কৰি আজি পুৱা ঘটনাস্থলীত বন বিভাগ আৰু আৰক্ষীৰ লোক উপস্থিত হৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰাৰ লগতে নিহত মহিলাগৰাকীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। উল্লেখ্য যে তামুলপুৰ জিলাৰ ভাৰত ভূটান সীমান্তত বিগত কিছু দিন জাকৰ পৰা ফালৰি কাটি অহা দুটা বনৰীয়া হাতীয়ে আতংকৰ সৃষ্টি কৰি আহিছে। হাতী দুটাৰ আক্ৰমনত ইতিমধ্যে হতা-হত হৈছে বহুকেইজন লোক। স্থানীয় লোকে শীঘ্ৰেই হাতী দুটা পাহাৰলৈ খেদি পঠিয়াবলৈ বন বিভাগৰ লোকক উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

## তেজপুৰৰ বিশিষ্ট সত্ৰীয়া শিল্পী

তিনি পৃষ্ঠাৰ পৰা শইকীয়াৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। এজন স্বীকৃতিপ্ৰাপ্ত বায়ন ৰূপে নামঘৰৰ লগতে মিলন বাকৰি ৰাস মহোৎসৱৰো বায়ন ৰূপে দক্ষতাৰ পৰিচয় দিয়া শইকীয়াই মহাপুৰুষগৰাকীৰ অমৰ সৃষ্টিৰ প্ৰতি আকৰ্ষিত হোৱাৰ বাবে আৰক্ষী বিভাগৰ চাকৰি লাভ কৰিও ভাওনাত খোল বজোৱাৰ হেপাহৰ বাবে চাকৰি ত্যাগ কৰিছিল। কিছুদিন ককায়েকসকলৰ ঠিকাৰ কামতো আত্মনিয়োগ কৰা শইকীয়াই স্কুলীয়া অৱস্থাৰে পৰা ভাওনা সংস্কৃতিত জড়িত হৈছিল। মৃত্যুৰ সময়ত তেজপুৰৰ বান থিয়েটাৰৰ লগতে বিভিন্ন অনুষ্ঠানত সুদক্ষ আলোক শিল্পীৰূপে পৰিচিত পুত্ৰ উজ্জ্বল শইকীয়াসহ কন্যাক এৰি যায়। মিলনপুৰ অঞ্চলৰ ৰাইজে শইকীয়াৰ মৃতদেহ খোল-তাল বজাই শোভাযাত্ৰা কৰি নামঘৰলৈ নি শ্ৰদ্ধাঞ্জলি জনায়।

## অখিলে ক্ষমা খোজাৰ দাবীৰে

তিনি পৃষ্ঠাৰ পৰা সভাও অনুষ্ঠিত কৰে। জিলা সভাপতি বিতোপন ৰাইদঙীয়াৰ উপস্থিতিত অনুষ্ঠিত প্ৰতিবাদী সভাত জিলা বিজেপিৰ তত্ত্বাৱধায়ক লক্ষ্য কোঁৱৰে কয় যে বিধায়ক অখিল গগৈয়ে বিজেপিৰ কৰ্মী সন্দৰ্ভত যি বক্তব্য কৰিছে সেয়া গ্ৰহণযোগ্য নহয়। এগৰাকী জনপ্ৰতিনিধিয়ে বক্তব্যৰ শালীনতা ৰাখিব লাগে। শাসক-বিৰোধীৰ মাজত সমালোচনা থাকে। কিন্তু সমালোচনা গ্ৰহণযোগ্য হ'ব লাগে। আনহাতে, নাজিৰাৰ বিধায়ক ময়ূৰ বৰগোহাঁয়ে কয় যে অখিল গগৈৰ দৰে বিজেপিৰ নেতা-কৰ্মীসকলেও প্ৰত্যুত্তৰ দিব পাৰিলেহেঁতেন; কিন্তু বিজেপিৰ কৰ্মীয়ে গণতন্ত্ৰক বিশ্বাস কৰে বাবেহে প্ৰতিক্ৰিয়া দিয়াৰ পৰিৱৰ্তে গণতান্ত্ৰিক পন্থা অৱলম্বন কৰি প্ৰতিবাদ কৰিছে। এই কাৰ্যসূচীত শিৱ কুমাৰ বদ্ৰা, ৰাহুলজ্যোতি গগৈৰ লগতে জিলা পৰ্যায়ৰ নেতাসকল উপস্থিত থাকে।

## অসম মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ বাগ্‌সা জিলা সমিতিৰ অধিবেশন

### শিক্ষা অবিহনে সমাজৰ একো উন্নয়ন নহয় ঃ দৈমাৰী





অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২২ আগষ্ট ঃ** অসম মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ বাগ্‌সা জিলা সমিতিৰ অষ্টম দ্বি-বাৰ্ষিক অধিবেশনখনি আজি দিনজোৰা কাৰ্যসূচীৰে তামুলপুৰ জিলাৰ খাটৰবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। তদুপলক্ষে আজি পুৱা সন্থাৰ পতাকা উত্তোলন কৰে বাগ্‌সা জিলা সমিতিৰ সভাপতি ভবেন্দ্ৰনাথ কলিতাই। মূল পতাকাৰ লগতে প্ৰতিষ্ঠা কালৰ সাত গৰাকী বিশিষ্ট পদাধিকাৰীয়ে আন সাতখন পতাকা উত্তোলন কৰে। বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ আৰু মাল্যাৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে ক্ৰমে খাটৰবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰবেন ৰাভা আৰু মুখপত্ৰ সম্পাদনা সমিতিৰ সভাপতি সম্পাদক ক্ৰমে কন্দৰ্প কুমাৰ শৰ্মা, লংকেশ্বৰ তালুকদাৰে। ইয়াৰ পাছত গছপুলি ৰোপন কৰা হয়। পুৱা ন বজাত প্ৰতিনিধি পঞ্জীয়ন, ৯-৩০ বজাত প্ৰতিনিধি সভা আৰু বিষয় বাছনি সভাত বাগ্‌সা আৰু তামুলপুৰ জিলাৰ কাৰণে সুকীয়াকৈ গঠন কৰা হয়। প্ৰতিনিধি সভা উদ্বোধন কৰে তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিভূতি ডেকাই। দিনৰ ১২ বজাত মুকলি সভা আৰু সম্বৰ্ধনা সভা আৰম্ভ হয়। বাগ্‌সা জিলা সমিতিৰ সভিপতি ভবেন্দ্ৰনাথ কলিতাৰ সভাপতিত্বত আৰম্ভ হোৱা মুকলি সভাত অংশগ্ৰহণ কৰে অসম চৰকাৰৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, গোৰেশ্বৰ সমষ্টিৰ বিধায়ক ভিক্টৰ কুমাৰ দাস, বিটিচিৰ কাৰ্যবাহী সদস্য লক্ষ্মী দাস আৰু অসম মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক ব্ৰজেন চেতীয়া। মুকলি সভাত অংশগ্ৰহণ কৰি মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে কয়, 'আজি আমাৰ সমাজ ব্যৱস্থা ঠিকে থাকিব লাগিব। চৰকাৰী বিভাগৰ বিষয়াসকল আন্তঃগাঁথনিৰ পৰা সকলো সহায় কৰিব লাগিব। নহ'লে স্কুলত ছাত্ৰ-ছাত্ৰীসকলে বৰ্তমান সমাজৰ যি জ্ঞান শিকিব লাগিছিল তাক শিকিব নোৱাৰিব। সেয়ে আমি সকলোকে বিশ্বাসত লৈ শুধৰাই নিজৰ নিজৰ দায়িত্ব পালন কৰি যাব লাগিব। এইক্ষেত্ৰত শিক্ষক সমাজে সদায় জটিলতা আঁতৰাই কাম কৰিব লাগিব।' শিক্ষা অবিহনে সমাজৰ একো উন্নয়ন নহয় বুলি তেওঁ পুনৰ কয়, 'আমি পদ্ধতিগতভাৱে কাম কৰিলেহে সফল হ'ম। আমাৰ মাজত সমস্যা থাকিবই। তেওঁ শিক্ষকসকলক প্ৰথমে ছাত্ৰ-ছাত্ৰীৰ কথা ভাবিবলৈ আহ্বান জনায়। শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীসকলৰ উভয়ৰে সমস্যাও আমি আলাপ আলোচনাৰে সমাধান কৰি যাব লাগিব। তেওঁ শিক্ষক সন্থাই শিক্ষা ব্যৱস্থাটোৰ জৰিয়তে প্ৰতিখন স্কুলৰ শিক্ষাৰ মানদণ্ড কি দৰে উন্নত কৰিব পাৰি তাৰো সঠিক আলোচনা কৰিব লাগে।' শিক্ষক সংগঠনৰ মুখপত্ৰ মুকুৰ আনুষ্ঠানিকভাৱে উন্মোচন কৰে ৰাজ্যিক সমিতিৰ সম্পাদক ব্ৰজেন্দ্ৰ চেতীয়াই। তেওঁ মুখপত্ৰ উন্মোচন কৰি শিক্ষক সমাজৰ অভাৱ-অভিযোগসমূহৰ ওপৰত বক্তব্য ৰখাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ বাবে শিক্ষকসকলে কি দৰে আগুৱাই যাব তাৰো দিহা পৰামৰ্শ আগবঢ়াই কয়, 'আমি সকলোৱে হাত উজান দিলেহে চৰকাৰী শিক্ষাই পুনৰ নতুন ৰূপ পাব।' সভাতে চৰাইমাৰী বাণীমন্দিৰ হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী দিপালী তামুলী হালৈক সম্বৰ্ধনা জ্ঞাপন কৰাৰ উপৰিও বাগ্‌সা জিলাৰ অধীনৰ অৱসৰপ্ৰাপ্ত শিক্ষক আৰু কৰ্মচাৰী, নতুনকৈ সন্থাত যোগদান কৰা প্ৰধান শিক্ষকসকলক সম্বৰ্ধনা জনোৱা হয়। সন্ধিয়া বন্তি প্ৰজ্বলন কৰে খাটৰবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ কৃষ্ণকান্ত ব্ৰহ্ম, সহকাৰী শিক্ষক দীপক কুমাৰ পাঠক আৰু সহকাৰী শিক্ষক ৰত্নেশ্বৰ বড়োই। সন্ধিয়া পতাকা সম্বৰনেৰে অধিবেশনৰ সফল সামৰণি পেলোৱা হয়।

## অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা

**গুৱাহাটী, ২২ আগষ্ট ঃ** ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি অসমৰ নৱপ্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ড° ভূপেন হাজৰিকাৰ সৃষ্টিৰাজি জনপ্ৰিয় কৰাৰ লগতে সংগীত জগতৰ প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিবলৈ অহা পাঁচ ছেপ্টেম্বৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ড° বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত সদৌ অসম ভিত্তিত 'ভূপেন্দ্ৰ সংগীত' প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। প্ৰতিযোগিতাখন একাদশ শ্ৰেণীৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈকে এটা শাখাত অনুষ্ঠিত কৰা হ'ব। প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্তসকলক প্ৰমাণপত্ৰ, স্মাৰক আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। লগতে প্ৰথম স্থানপ্ৰাপ্ত গৰাকীক 'ইনৰেকোৰ' তৰফৰ পৰা এটি গীত বাণীবন্ধনৰ সুযোগ দিয়া হ'ব। প্ৰতিযোগিতাখনৰ বিষয়ে সবিশেষ জনাৰ লগতে ইয়াৰ বাবে প্ৰযোজ্য নিয়মাৱলী সংগ্ৰহ কৰাৰ বাবে ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ দূৰভাষ নম্বৰ— ৯৪৩৫১১০৯৪৫ আৰু ৭৫৭৫৯৪৪৬০৬ত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হ'ল। যোগদানৰ শেষ তাৰিখ অহা ৩১ আগষ্ট।

## আৱৰ্জনামুক্ত কাজিৰঙাৰ লক্ষ্যৰে ব্যতিক্ৰমী প্ৰয়াস

### বোকাখাতৰ ৰাজহুৱা পৰিবহণস্থলীত ১০ দিনীয়া সজাগতা অভিযান



বিশেষ সংবাদদাতা

**গোলাঘাট, ২২ আগষ্ট ঃ** বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙাক আৱৰ্জনা মুক্ত কৰাৰ লক্ষ্যৰে বেচৰকাৰী সংগঠন 'সাহস'-এ হাতত লৈছে এক গুৰুত্বপূৰ্ণ পদক্ষেপ। বেচৰকাৰী সংগঠন সাহস-এল-আই-চি এইচ-এফ-এল গ্ৰীণ টুমৰ' ইনিচিয়েটিভৰ উদ্যোগত আৰু বোকাখাতৰ চি-এন-বি মহাবিদ্যালয়ৰ এন-এছ-এছ স্বেচ্ছাসেৱকৰ সহযোগত বোকাখাত চহৰৰ বাছ আস্থানসহ বিভিন্ন ৰাজহুৱা পৰিবহণস্থলীত আৱৰ্জনামুক্ত কাজিৰঙা শীৰ্ষক এক ৰাজহুৱা সজাগতা অভিযান অনুষ্ঠিত কৰা হয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰৰ ক্ষেত্ৰ সঞ্চালকৰ অনুমতি আৰু সহযোগত ১০ দিনীয়াকৈ অনুষ্ঠিত এই সজাগতা কাৰ্যসূচীত বিভিন্নজনে সহাঁৰি আগবঢ়াইছে। বেচৰকাৰী সংগঠনটোৰ তৰফৰ পৰা জনোৱা অনুসৰি, এই অভিযানৰ মূল উদ্দেশ্য আছিল দায়িত্বশীলভাৱে আৱৰ্জনা নিষ্কাসনৰ বিষয়ে জনসাধাৰণক সজাগ কৰা আৰু ৰাজহুৱা স্থানৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী চলাচলৰ কৰিড'ৰসমূহত আৱৰ্জনা নেপেলাবলৈ জনসাধাৰণক উৎসাহিত কৰা। কাজিৰঙাৰ পৰিৱেশগত গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি এই উদ্যোগৰ জৰিয়তে পৰিষ্কাৰ ৰাজহুৱা স্থান বজাই ৰখা আৰু চাৰিওফালৰ প্ৰাকৃতিক পৰিৱেশ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত স্থায়ী বাসিন্দা, যাত্ৰী আৰু পৰ্যটকসকলৰ সামূহিক দায়িত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সংগঠনটোৱে লগতে জনায় যে অভিযানৰ এক অংশৰূপে যান-বাহনভিত্তিক সজাগতা অভিযান আৰু বাছসমূহৰ ভিতৰত আৱৰ্জনা পেলাবলৈ ডাষ্টবিন ৰখাৰ আহ্বান। এই কাৰ্যসূচীৰ সময়ত এন-এছ-এছৰ স্বেচ্ছাসেৱক, সাহসৰ দল আৰু বন বিভাগৰ কৰ্মচাৰীসকলে যাত্ৰী আৰু যানবাহনৰ চালকসকলৰ স'তে পোনপটীয়াকৈ মত-বিনিময় কৰে। তেওঁলোকক যানবাহনৰ পৰা আৱৰ্জনা বাহিৰলৈ নেপেলোৱা, ৰাজহুৱা স্থানত দায়িত্বশীলভাৱে আৱৰ্জনা নিষ্কাসনৰ কৰা আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী চলাচলৰ কৰিড'ৰসমূহত আৱৰ্জনা নেপেলোৱাৰ গুৰুত্বৰ বিষয়ে সজাগ কৰা হয়। বিভিন্ন ৰাজহুৱা পৰিবহণস্থলীত অনুষ্ঠিত এই সজাগতা কাৰ্যসূচীৰ জৰিয়তে বৃহৎ সংখ্যক যাত্ৰী আৰু জনসাধাৰণৰ মাজলৈ বাৰ্তা প্ৰেৰণ কৰা হয়। স্বেচ্ছাসেৱকসকলে যাত্ৰী, চালক আৰু অন্যান্য সংশ্লিষ্ট লোকসকলৰ স'তে সক্ৰিয়ভাৱে মত-বিনিময় কৰি 'আৱৰ্জনামুক্ত কাজিৰঙা'ৰ বাৰ্তা প্ৰচাৰ কৰাৰ লগতে দায়িত্বশীল আৱৰ্জনা ব্যৱস্থাপনাৰ অভ্যাস গ্ৰহণ কৰিবলৈ সকলোকে আহ্বান জনায়। এন-এছ-এছৰ স্বেচ্ছাসেৱক, সাহসৰ দল আৰু বন বিভাগৰ কৰ্মচাৰীসকলৰ যৌথ অংশগ্ৰহণে এই অভিযানক অধিক শক্তিশালী কৰি তোলে বুলি উল্লেখ কৰি সংগঠনটোৱে কয় যে এই সহযোগিতাই আৱৰ্জনা পেলোৱা আৰু পৰিৱেশ প্ৰদূষণৰ দৰে সমস্যাসমূহ মোকাবিলা কৰাৰ ক্ষেত্ৰত যুৱ সমাজৰ অংশগ্ৰহণ, বিভিন্ন প্ৰতিষ্ঠানৰ মাজত সমন্বয় আৰু সম্প্ৰদায়ৰ সক্ৰিয় সহযোগিতাৰ গুৰুত্ব প্ৰতিফলিত কৰে। এই অভিযানৰ জৰিয়তে সাহস-এল-আই-চি এইচ-এফ-এল গ্ৰীণ টুমৰ' কাজিৰঙা ইনিচিয়েটিভে কাজিৰঙাৰ পৰিৱেশ-সংবেদনশীল অঞ্চলসমূহত 'বহনক্ষম গোটা আৱৰ্জনা ব্যৱস্থাপনা আৰু আচৰণগত পৰিৱৰ্তনৰ বাবে নিজৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। উল্লেখ্য যে প্লাষ্টিকৰ বৰ্ধিত ব্যৱহাৰ কাজিৰঙাৰ বন্যপ্ৰাণী আৰু পৰিৱেশৰ বাবে এক গুৰুতৰ উদ্বেগৰ বিষয় হৈ পৰিছে। কাজিৰঙা অঞ্চলৰে উজনি-নামনি যাত্ৰা কৰা বহু বাহনৰ পৰা প্লাষ্টিকৰ বটল, চিপছৰ পেকেট, বিস্কুটৰ পেকেট আদি ৰাজপথৰ দাঁতিত পেলাই দিয়া দেখা যায়। এইদৰে পেলাই দিয়া আৱৰ্জনা বতাহ, বৰষুণ, নদী তথা বানপানীৰ জৰিয়তে ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰলৈ প্ৰৱেশ কৰাৰ সম্ভাৱনা থাকে। ইয়াৰ ফলত বন্যপ্ৰাণীৰ লগতে সমগ্ৰ পৰিৱেশত নেতিবাচক প্ৰভাৱ পৰাৰ আশংকা থাকে। ইয়াৰ উপৰি, বিভিন্ন স্থানত প্লাষ্টিক আৰু অন্যান্য আৱৰ্জনা জ্বলাই দিয়াৰ ফলতো পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পৰে। প্লাষ্টিক জ্বলোৱাৰ ফলত নিৰ্গত বিষাক্ত ধোঁৱাই বায়ু প্ৰদূষিত কৰাৰ লগতে জনস্বাস্থ্যৰ বাবেও ক্ষতিকাৰক হ'ব পাৰে। এই বিষয়সমূহৰ প্ৰতি লক্ষ্য ৰাখি সাহসৰ LIC HFL Green Tomorrow Kaziranga প্ৰকল্পৰ অধীনত শুকান জাবৰ ব্যৱস্থাপনা আৰু জনসজাগতা সৃষ্টিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। ইতিমধ্যে সংগঠনটোৱে কাজিৰঙা মৌজাৰ চাৰিখন গাঁও পঞ্চায়তৰ প্ৰায় ন হেজাৰ বাসগৃহ আৰু বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানত সাহসৰ প্ৰতিনিধিয়ে উপস্থিত হৈ শুকান জাবৰ পৃথককৈ সংগ্ৰহৰ বাবে বেগ বিতৰণ কৰাৰ লগতে আৱৰ্জনা পৃথকীকৰণ আৰু সঠিক ব্যৱস্থাপনাৰ বিষয়ে ৰাইজক সজাগ কৰি আহিছে।

# গোলাঘাটত কৰ্তব্যৰত সাংবাদিকক বন বিষয়াৰ আক্ৰমণ

## মেৰাপানী প্ৰেছ ক্লাব, মেৰাপানী সাংবাদিক সন্থাৰ গৰিহণা

**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ২২ আগষ্ট ঃ** বনমন্ত্ৰীয়ে বিভাগটোৰ সংস্কাৰৰ স্বাৰ্থত যিমানেই কঠোৰ পদক্ষেপ গ্ৰহণ নকৰক, বিভাগটোৰ একাংশ বিষয়া-কৰ্মচাৰীয়ে ঔদ্ধত্যতাৰে নাচিবলৈ পুনৰ আৰম্ভ কৰিছে। দুপৰ নিশালৈকে মদৰ বাগিত মাতাল হৈ গোলাঘাট বন বিভাগৰ বিষয়াই সাংবাদিকৰ কেমেৰা ভাঙিবলৈ উদ্যত হোৱা ঘটনাই এতিয়া ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যোৱা ২০ আগষ্টত নিশা গোলাঘাট বন বিভাগৰ কাৰ্যালয়ত অভাৱনীয়ভাৱে শিল আৰু বালি ভৰ্তি দুখন ডাম্পাৰ অনৈতিক লেন-দেনেৰে এৰি দিয়া বুলি উঠা অভিযোগৰ ভিত্তিত সংবাদ সংগ্ৰহৰ বাবে যোৱা গোলাঘাটৰ সদৰৰ সাংবাদিক দেৱাশীষ সাহাক ভুৱা অভিযোগেৰে ব্যতিব্যস্ত কৰি বনকৰ্মী অংকুৰ মহন্ত আৰু প্ৰকাশ দাসৰ নেতৃত্বত বনকৰ্মী একাংশই বিভিন্ন গালি-গালাজ উপৰি শাৰীৰিকভাৱে আক্ৰমণ কৰিবলৈ উদ্যত হৈ এক অস্থিতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰে। ইমানতে ক্ষান্ত নাথাকি বন বিষয়াদ্বয়ে কাৰ্যালয়ৰ মূল প্ৰৱেশদ্বাৰ বন্ধ কৰি দি সাংবাদিকজনক আবদ্ধ কৰি ৰাখে। আনকি বনকৰ্মীৰ বন্দুক কাঢ়ি লোৱা বুলি মিছা অভিযোগ দি জেললৈ পঠোৱা হ'ব বুলিও ভাবুকি প্ৰদান কৰে। গোলাঘাট বনাঞ্চলিক বিষয়া কীৰ্তি কমল ডেকাৰ সন্মুখতে সমগ্ৰ ঘটনা সংঘটিত হয় যদিও নিশ্চুপ হৈ থাকে বনাঞ্চলিক বিষয়াজন। ৰাইজৰ অভিযোগৰ ভিত্তিত বাতৰি কৰিবলৈ যোৱা সাংবাদিকক খোদ চৰকাৰী বিষয়াই মদ খাই মাৰপিট কৰিবলৈ উদ্যত হোৱা, কেমেৰা ভাঙি পেলাবলৈ চেষ্টা কৰা, মূল প্ৰৱেশ দ্বাৰ বন্ধ কৰি থোৱা, অশ্লীল গালি-গালাজ পৰাক লৈ মেৰাপানী প্ৰেছ ক্লাব আৰু মেৰাপানী সাংবাদিক সংস্থাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। উল্লেখ্য যে নিৰ্যাতিত সাংবাদিক সাহাই গোলাঘাট সদৰ থানাত সমগ্ৰ ঘটনা সন্দৰ্ভত এজাহাৰ দাখিল কৰিছে। এই ঘটনাৰ সঠিক অনুসন্ধান বিচাৰ লগতে অভিযোগ উত্থাপিত হোৱা বনকৰ্মীদ্বয়ৰ ক্ষেত্ৰত দৃষ্টান্তমূলক শাস্তিৰ দাবী জনাইছে।

# মৈৰাবাৰী আৰক্ষীৰ অভিযানত ড্ৰাগছসহ এজন কৰায়ত্ত ঃ পলায়ন কুখ্যাত নুৰ হুছেইনৰ




**অগ্ৰদূত বাৰ্তা**
**মৈৰাবাৰী, ২২ আগষ্ট ঃ** নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে মৈৰাবাৰী আৰক্ষীয়ে চলোৱা অভিযানত ড্ৰাগছসহ এজন লোকক আটক কৰিবলৈ সক্ষম হৈছে। যোৱাকালি সন্ধিয়া মৈৰাবাৰী আৰক্ষী থানাৰ এটা অভিযানকাৰী দলে দক্ষিণ মৈৰাবাৰী অঞ্চলত অভিযান চলাই ৰফিকুল ইছলাম (৪৫) নামৰ এজন লোকক কৰায়ত্ত কৰে। তথ্য মতে, দক্ষিণ মৈৰাবাৰী অঞ্চলত নুৰ হুছেইন নামৰ এজন লোকে দীৰ্ঘদিন ধৰি নিষিদ্ধ ড্ৰাগছৰ ব্যৱসায় চলাই অহাৰ অভিযোগ আছিল। এই সন্দৰ্ভত আৰক্ষীয়ে তথ্য লাভ কৰাৰ পাছতে বিষয়টো গুৰুত্বসহকাৰে লৈ অভিযান চলায়। কালি সন্ধিয়া মৈৰাবাৰী আৰক্ষী থানাৰ এটা অভিযানকাৰী দলে দক্ষিণ মৈৰাবাৰী অঞ্চলত অভিযান চলাই ৰফিকুল ইছলাম (৪৫) নামৰ এজন লোকক কৰায়ত্ত কৰে। তথ্য মতে, দক্ষিণ মৈৰাবাৰী অঞ্চলত নুৰ হুছেইন নামৰ এজন লোকে দীৰ্ঘদিন ধৰি নিষিদ্ধ ড্ৰাগছৰ ব্যৱসায় চলাই অহাৰ অভিযোগ আছিল। এই সন্দৰ্ভত আৰক্ষীয়ে তথ্য লাভ কৰাৰ পাছতে বিষয়টো গুৰুত্ব সহকাৰে লৈ অভিযান আৰম্ভ চলায়। আৰক্ষীৰ অভিযানৰ উমান পাই মূল অভিযুক্ত নুৰ হুছেইনে ঘটনাস্থলীৰ পৰা পলায়ন কৰিবলৈ সক্ষম হয় বুলি জানিব পৰা গৈছে। অৱশ্যে অভিযানকাৰী আৰক্ষীৰ দলটোৱে তেওঁৰ সহযোগী ৰফিকুল ইছলামক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ অভিযানত ৰফিকুল ইছলাম আৰু নুৰ হুছেইনৰ ঘৰৰ পৰা ১১টা ড্ৰাগছৰ কন্টেইনাৰ উদ্ধাৰ কৰা বুলি জানিব পৰা গৈছে। উদ্ধাৰ হোৱা নিষিদ্ধ সামগ্ৰীবিলাক আৰক্ষীয়ে জব্দ কৰি তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে ড্ৰাগছৰ ব্যৱসায় স'তে জড়িত থকাৰ অভিযোগত নুৰ হুছেইন পূৰ্বেও ক'বাৰাৰো জেললৈ গৈছে। তেওঁৰ বিৰুদ্ধে আৰক্ষীৰ পূৰ্বৰ পৰাও বিভিন্ন গোচৰ ৰুজু কৰি অহা বুলি জানিব পৰা গৈছে। ইফালে, আটক কৰা ৰফিকুল ইছলামক আজি আদালতত হাজিৰ কৰোৱা হয়। আদালতে তেওঁক জেল হাজোতলৈ প্ৰেৰণ কৰাৰ নিৰ্দেশ দিয়ে বুলি জানিব পৰা গৈছিল। সমগ্ৰ ঘটনাক কেন্দ্ৰ কৰি মৈৰাবাৰী আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে। পলাতক নুৰ হুছেইনক আটক কৰাৰ লগতে অঞ্চলটোত চলি থকা ড্ৰাগছৰ অবৈধ ব্যৱসায়ৰ বিৰুদ্ধে আৰক্ষীয়ে অধিক অভিযান চলাব বুলি আশা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে।

# বিলাসীপাৰা মহাবিদ্যালয়ত নামভৰ্তিৰ নামত দুই ছাত্ৰ নেতাৰ বৃহৎ জালিয়াতি

**বিশেষ সংবাদদাতা**
**বিলাসীপাৰা, ২২ আগষ্ট ঃ** বিলাসীপাৰা মহাবিদ্যালয়ত স্নাতক শ্ৰেণীত নামভৰ্তিৰ নামত বৃহৎ জালিয়াতিৰ অভিযোগ উত্থাপন হৈছে দুই ছাত্ৰ নেতাৰ বিৰুদ্ধে। মহাবিদ্যালয়খনৰ দুজন ছাত্ৰ নেতাৰ বিৰুদ্ধে উত্থাপন হৈছে এই গুৰুতৰ জালিয়াতিৰ অভিযোগ। অভিযোগ অনুসৰি, ছাত্ৰ নেতা দুজনে মহাবিদ্যালয়খনৰ ছীল-মোহৰ জালিয়াতিৰে অবৈধ ধনৰ লেনদেন কৰি ছাত্ৰ-ছাত্ৰীক নামভৰ্তিৰ নামত ধন সংগ্ৰহ কৰিছিল। ঘটনা সন্দৰ্ভত মহাবিদ্যালয়খনৰ অধ্যক্ষই বিলাসীপাৰা আৰক্ষী থানাৰ দাখিল কৰিছে এজাহাৰ। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে জালিয়াতি ঘটনাৰ মাষ্টাৰ মাইণ্ড তথা নিজকে আছুৰ নেতা বুলি পৰিচয় দিয়া ঋষি দাসক বিলাসীপাৰা আৰক্ষীয়ে আটক কৰিছে। কিন্তু ঘটনাত নাম সাঙোৰ খাই পৰা আন এজন ছাত্ৰ নেতা ইনামুল হকক আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হোৱা নাই। উল্লেখ্য যে বিলাসীপাৰা মহাবিদ্যালয়ত স্নাতক শ্ৰেণীত নামভৰ্তিৰ বাবে বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে প্ৰ পত্ৰ পূৰণ কৰিছিল। তেনে ১৭ গৰাকী ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়খনত নাম ভৰ্তি কৰি দিয়াৰ নামত উৎকোচ সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন হৈছে এই দুজন ছাত্ৰ নেতাৰ বিৰুদ্ধে। মহাবিদ্যালয়ৰ নামত ছীল-মোহৰ তৈয়াৰ কৰি তেনে ছাত্ৰ-ছাত্ৰী ১৭ গৰাকীক দিছিল ভুৱা ৰচিদ। পৰৱৰ্তী সময়ত সেই ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ত তেওঁলোকৰ নামভৰ্তি নোহোৱা বুলি উমান পোৱাত জোলোঙাৰ মেকুৰী ওলাই পৰে। এতিয়া প্ৰশ্ন উদয় হৈছে তেনে ৰচিদসমূহত মহাবিদ্যালয়খনৰ ছীল মোহৰ ব্যৱহাৰ হৈছিল নে ছীল-মোহৰ জাল কৰি এনে দুষ্কাৰ্য সংঘটিত কৰা হৈছিল সেয়া এতিয়াও স্পষ্ট হোৱা নাই। এই জালিয়াতি চক্ৰটোৰ স'তে আৰু কোন কোন ৰৌ-বৰালি জড়িত হৈ আছে তাকো আইনৰ আওতালৈ অনাৰ দাবী তুলিছে স্থানীয় বিভিন্ন দল- সংগঠনৰ। লগতে এই ১৭ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত জীৱনক লৈ হেতালি খেলা ঘটনাৰ এক নিৰপেক্ষ তদন্ত কৰি দোষীক অতি শীঘ্ৰে কৰায়ত্তৰ দাবী তুলিছে শৈক্ষিক মহলে।

# বঢ়মপুৰক সমজিলা ঘোষণাৰ পাছতে কামপুৰত তীব্ৰ ক্ষোভ



**অগ্ৰদূত বাৰ্তা**
**কামপুৰ, ২২ আগষ্ট ঃ** ৰাজ্য চৰকাৰে বঢ়মপুৰক নতুন সমজিলা হিচাপে ঘোষণা কৰাৰ পাছতে এতিয়া প্ৰতিবাদমুখৰ হৈ পৰিছে সমীপৱৰ্তী কামপুৰ অঞ্চল। বিগত ৬০ দশকৰ পৰাই কামপুৰক সুকীয়া মহকুমা হিচাপে ঘোষণা কৰাৰ বাবে স্থানীয় ৰাইজে ধাৰাবাহিকভাৱে দাবী জনাই আহিছিল। কিন্তু শেহতীয়াকৈ চৰকাৰে প্ৰকাশ কৰা সমজিলাৰ তালিকাত কামপুৰৰ নাম অন্তৰ্ভুক্ত নকৰাত চৰমভাৱে ক্ষোভিত হৈ পৰিছে অঞ্চলটোৰ বিভিন্ন দল-সংগঠনৰ লগতে সচেতন নাগৰিক সমাজ। দীৰ্ঘদিনীয়া ন্যায়সংগত দাবীক চৰকাৰে এইদৰে সম্পূৰ্ণৰূপে আওকাণ কৰা কাৰ্যক কামপুৰবাসীয়ে তীব্ৰ গৰিহণা দিছে। এই প্ৰৱঞ্চনাৰ প্ৰতিবাদত আৰু কামপুৰৰ ভৌগোলিক তথা প্ৰশাসনিক গুৰুত্ব ৰক্ষা কৰাৰ স্বাৰ্থত কালি কামপুৰৰ ১২টা দল-সংগঠনে একত্ৰিত হৈ এক কাৰ্যসূচী ৰূপায়ণ কৰে। আন্দোলনকাৰীসকলে কামপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যপাল আৰু জিলা আয়ুক্তলৈ এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে। এই স্মাৰকপত্ৰৰ জৰিয়তে দল-সংগঠনসমূহে প্ৰস্তাৱিত বঢ়মপুৰ সমজিলাখনক পুনৰ নামকৰণ কৰি 'বঢ়মপুৰ-কামপুৰ সমজিলা' কৰিবলৈ আৰু ইয়াৰ মুখ্য কাৰ্যালয় কামপুৰত স্থাপন কৰিবলৈ চৰকাৰৰ ওচৰত জোৰদাৰ দাবী উত্থাপন কৰে। স্মাৰকপত্ৰ প্ৰেৰণ কৰি স্থানীয় নেতৃত্বই চৰকাৰক সকীয়াই দিয়ে যে কামপুৰ বাসীৰ এই দাবীসমূহ অতি সোনকালে মানি ল'ব লাগে। যদিহে চৰকাৰে এই যুক্তিসংগত গণ-দাবীক গুৰুত্ব নিদিয়ে, তেন্তে অনাগত দিনত সমগ্ৰ কামপুৰ অঞ্চলত এক তীব্ৰ আৰু ধাৰাবাহিক আন্দোলন গঢ়ি তোলা হ'ব বুলিও দল-সংগঠনসমূহে তীব্ৰ হুংকাৰ প্ৰদান কৰে।

# তিনি গৰু চোৰক জেললৈ প্ৰেৰণ




**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২২ আগষ্ট ঃ** জামুগুৰিহাটত আৰক্ষীৰ জালত তিনিটাকৈ দুৰ্ধষ গৰু চোৰ। গৰু চোৰকেইজন ক্ৰমে ছিৰাজ আলী, ছাজিদ আলী, ছাদিকুল ইছলাম। বিশেষ সুত্ৰৰ পমখেদি জামুগুৰি আৰক্ষীয়ে কালি গ্ৰেপ্তাৰ কৰে ধৃত গৰুচোৰকেইজন। ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা গৰু চোৰকেইজনক জেললৈ প্ৰেৰণ কৰিছে। চোৰকেইজনৰ পৰা আৰক্ষীয়ে এ-এছ-০১ এজে ৮১৮৮ নম্বৰৰ এখন টাটা ইণ্ডিকা বাহনো জব্দ কৰে। উল্লেখ্য যে জামুগুৰিহাটৰ বিভিন্ন অঞ্চলত সঘনাই হৈ থকা গৰু চুৰি কাৰ্যৰ লগত জড়িত বুলি সন্দেহ কৰা হৈছে ধৃত চোৰকেইজনক। গৰু চোৰকেইজনৰ ঘৰ তেজপুৰ গোটলোং আৰু ভোজখোৱা চাপৰিৰ।

# গোসাঁইগাঁও সমবায় সমিতি লিমিটেডৰ বছৰেকীয়া সাধাৰণ সভা

**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ, ২২ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত গোসাঁইগাঁও সমবায় সমিতি লিমিটেডৰ ২০২৬-২৭ৰ বছৰেকীয়া সাধাৰণ সভাখন বৃহস্পতিবাৰে অনুষ্ঠিত কৰে। সমবায় সমিতিৰ সভাপতি অশোক কুমাৰ মাৰাণ্ডীৰ সভাপতিত্বত হাৰাপুটা সদভাৱনা ভৱনত অনুষ্ঠিত হোৱা সাধাৰণ সভাখনত ২০২৫-২৬ ৰ সম্পাদকীয় আৰু বছৰেকীয়া প্ৰতিবেদন পাঠ কৰি শুনায় সমবায় সমিতিখনৰ সম্পাদক মিথুন হেমব্ৰমে। ২,৬০০ গৰাকীৰ অধিক অংশীদাৰৰে পৰিপুষ্ট সমিতিখনৰ প্ৰায় ৭০০ৰ অধিক অংশীদাৰ সদস্য আজিৰ বছৰেকীয়া সাধাৰণ সভাখনত অংশগ্ৰহণ কৰে। সমিতিখনৰ অধীনস্থ ৪০খন সুলভ মূল্যৰ দোকান আছে। চলিত বিত্তীয় বৰ্ষটোত সমবায় সমিতিখনে সৰ্বমুঠ লাভ দেখুৱায় প্ৰায় সাত লক্ষাধিক টকা। উল্লেখ্য যে গোসাঁইগাঁও সমবায় সমিতিখন আজিৰ পৰা প্ৰায় ৫২ বছৰ আগত অৰ্থাৎ ১৯৭৩ৰ ছেপ্টেম্বৰৰ ১২ তাৰিখে অসম চৰকাৰৰ কাৰ্যালয়ত পঞ্জীয়নভুক্ত হয়। সমিতিখনে গ্ৰাম্য অৰ্থনৈতিক পৰিকাঠামো মজবুত কৰাৰ বাবে অহৰহ প্ৰচেষ্টাৰ কাম কৰি যাবলৈ সক্ষম হৈছে। সমবায় সমিতিখনে বহু দিশত উন্নয়ন কৰিবলৈ সক্ষম হৈছে। সমিতিৰ সভাপতি অশোক মাৰাণ্ডীয়ে কয় যে মহকুমাখনৰ তেলিপাৰাস্থিত সমিতিৰ নিজা ভূমিত ইতিমধ্যে বি টি চি চৰকাৰে আৰ্থ ফিলিং, বাউণ্ডেৰী ৱাল, লোহাৰ গেটৰ বাবে আঁচনি আৱণ্টন দিছে। উক্ত ভূমিত এ আই এফৰ পৰা এক কোটি টকাৰ ঋণ লৈ শীতলীকৰণ ভঁৰাল, প্ৰচেচিং ইউনিট আৰু গুদাম গৃহ নিৰ্মাণ কৰা হ'ব বুলি সদৰী কৰে। সমবায় সমিতিৰ পৰা যিসকল অংশীদাৰ সদস্যই ঋণ লৈ সঠিক সময়ত পৰিশোধ কৰিছে সেইসকলক আজিৰ সাধাৰণ সভাতে সমিতিৰ তৰফৰ পৰা প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। সাধাৰণ সভাখনত সহকাৰী পঞ্জীয়ক ছলেমন ছিদ্দিকে সভাৰ পৰ্যবেক্ষক হিচাপে থাকে আৰু জ্যেষ্ঠ পৰিদৰ্শক হিমাংশু ৰায় চৌধুৰীয়ে বিশেষ পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে। সমিতিৰ বছৰেকীয়া সাধাৰণ সভাখনত সমিতিখনৰ সঞ্চালক মণ্ডলীৰ উপ-সভাপতিকে ধৰি সদস্য-সমস্যাৰ উপৰি সমবায়খনৰ শুভাকাংক্ষীসকল উপস্থিত আছিল। সাধাৰণ সভাখন সাফল্যমণ্ডিত কৰি তোলাৰ বাবে সমিতিৰ সভাপতি মাৰাণ্ডীয়ে সকলোকে আন্তৰিকে অভিনন্দন জ্ঞাপন কৰি ধন্যবাদ জনায়।

# দৈয়াঙত গাঁওপ্ৰধানৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**ফৰকাটিং, ২২ আগষ্ট ঃ** গোলাঘাট জিলাৰ দৈয়াং অঞ্চলৰ এক নম্বৰ গুবিনপুৰ গাঁৱৰ গাঁওপ্ৰধান বোপাই কলিতা (৬৩) ৰ কালি উচ্চ ৰক্তচাপ জনিত ৰোগত আকস্মিক ভাৱে মৃত্যু হয়। তথ্য মতে নিজা বাসগৃহত থকা সময়ত উচ্চ ৰক্তাচাপত আক্ৰান্ত হোৱাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ গোলাঘাটৰ চিকিৎসালয়লৈ নি থকাৰ সময়ত ফৰকাটিঙৰ সমীপতে শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে তেওঁৰ পিতৃও সংশ্লিষ্ট গাঁওখনৰ গাঁওপ্ৰধান আছিল। পিতৃৰ মৃত্যুৰ পাছত চৰকাৰৰ ৰাজহ বিভাগে তেওঁক নিযুক্তি প্ৰদান কৰাত গাঁওখনৰ গাঁওপ্ৰধানৰ দায়িত্ব নিষ্ঠাৰে পালন কৰি আহিছিল। গাঁওপ্ৰধান জনৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ সহধৰ্মিণী, পুত্ৰ তথা বহু আত্মীয়ক ইহসংসাৰত এৰি গৈছে।

# যোৰহাটত দিন-দুপৰতে চিলনী চোৰৰ সন্ত্ৰাস

**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট, ২২ আগষ্ট ঃ** যোৰহাটৰ কেন্দুগুৰিত দিন-দুপৰতে সংঘটিত হৈছে চিলনী চোৰৰ ঘটনা। দুজন যুৱকে ক'লা-ৰঙা পালছাৰ মটৰ চাইকেলত আহি এগৰাকী মহিলাৰ ডিঙিৰ পৰা সোণৰ চেইন কাঢ়ি লৈ যোৱা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঘটনাটোৰ সমগ্ৰ দৃশ্য চিচিটিভি কেমেৰাত বন্দী হৈছে। ফুটেজত মটৰ চাইকেলত অহা দুজন যুৱকে মহিলাগৰাকীৰ পৰা চেইন কাঢ়ি লৈ পলায়ন কৰা দেখা গৈছে। স্থানীয় লোকৰ অভিযোগ, ড্ৰাগছ আসক্ত যুৱকৰ এটা চক্ৰই এনেধৰণৰ চিলনী চোৰৰ ঘটনা সংঘটিত কৰি আহিছে। চিচিটিভি ফুটেজৰ ভিত্তিত আৰক্ষীয়ে দুজন যুৱকক চিনাক্ত কৰি গ্ৰেপ্তাৰৰ দাবী জনাইছে স্থানীয় ৰাইজে।

# কন্যাৰ অপপ্ৰচাৰৰ বিৰুদ্ধে কমলপুৰ থানাত এজাহাৰ দাখিল বিধায়ক কলিতাৰ

**অগ্ৰদূত বাৰ্তা**
**বাইহাটা চাৰিআলি, ২২ আগষ্ট ঃ** কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাৰ একমাত্ৰ কন্যা চন্দ্ৰিমা কলিতাৰ বিৰুদ্ধে সামাজিক মাধ্যমত অপপ্ৰচাৰ চলোৱাৰ অভিযোগত কমলপুৰ আৰক্ষী থানাত অধিবক্তাৰ জৰিয়তে এজাহাৰ দাখিল কৰিছে বিধায়কজনে। বিধায়ক কলিতাই কমলপুৰ থানাত তিনিগৰাকী ব্যক্তিৰ বিৰুদ্ধে গোচৰ তৰে।

এজাহাৰত উল্লেখ কৰা অভিযুক্ত কেইগৰাকী হৈছে ক্ৰমে প্ৰীতম গগৈ, জোনাক কুমাৰ নাথ আৰু শ্বেখ আব্দুল হামিদ। অভিযোগ অনুসৰি, বিদেশত অধ্যয়নৰত ছাত্ৰী চন্দ্ৰিমা কলিতাই পেলেষ্টাইনক সমৰ্থন কৰা আৰু গো-মাংস ভক্ষণ কৰা বুলি সামাজিক মাধ্যমত ভুৱা আৰু মানহানিকৰ অপ্ৰচাৰ চলাই ভাইৰেল কৰিছিল উক্ত ব্যক্তি কেইগৰাকীয়ে। এই সন্দৰ্ভত এজাহাৰ দাখিল কৰি সংবাদ মাধ্যমৰ আগত বিধায়ক কলিতাই কয় - 'এয়া সম্পূৰ্ণৰূপে অপপ্ৰচাৰ আৰু উদ্দেশ্য প্ৰণোদিত। মোৰ বিদেশত অধ্যয়নৰত কন্যাৰ চৰিত্ৰত কালিমা সনাৰ বাবে পৰিকল্পিতভাৱে এই ভুৱা প্ৰচাৰ চলোৱা হৈছে।' তেওঁ লগতে কয় যে আইনৰ ওপৰত তেওঁৰ সম্পূৰ্ণ আস্থা আছে আৰু আইনে উচিত তদন্ত কৰি অধ্যয়নৰত ছাত্ৰীগৰাকীক ন্যায় প্ৰদান কৰিব বুলি তেওঁ আশাবাদী। আৰক্ষীয়ে ইতিমধ্যে ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে বুলি জানিবলৈ দিছে।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ৰাষ্ট্ৰীয় প্ৰগতি ডায়লগৰ আৰম্ভ

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২১ আগষ্ট ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰংঘৰ প্ৰেক্ষাগৃহত কালি ৰাষ্ট্ৰীয় প্ৰগতি ডায়লগৰ আৰম্ভণি অনুষ্ঠান আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হয়। বিয়লিৰ পৰা অনুষ্ঠিত অনুষ্ঠানত অসমৰ লগতে ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা 'নেচনেল য়ুথ ষ্টেটমেণ্ট অন ব্ৰিকছ'ত অংশগ্ৰহণৰ বাবে অহা ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড° জিতেন হাজৰিকা আৰু পঞ্জীয়ক পৰমানন্দ সোণোৱাল উপস্থিত থাকে। অনুষ্ঠানটোৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে নাৰী শক্তি বঁটা লাভ কৰা প্ৰজ্ঞা প্ৰসুন। পঞ্জীয়ক পৰমানন্দ সোণোৱালৰ আৰম্ভণি ভাষণৰ পাছত উপাচাৰ্য ড° জিতেন হাজৰিকাই উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এক গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। ইয়াৰ পাছতে মুখ্য অতিথি প্ৰজ্ঞা প্ৰসুনে এচিড আক্ৰমণৰ বিভিন্ন দিশ সম্পৰ্কে এক তাৎপৰ্যপূৰ্ণ বক্তব্য আগবঢ়ায়। এগৰাকী এচিড আক্ৰমণৰ ভুক্তভোগী হিচাপে তেওঁ এচিড আক্ৰমণৰ কাৰণ, ইয়াৰ ফলত হোৱা শাৰীৰিক আৰু মানসিক সমস্যাৰ লগতে এনে আক্ৰমণৰ পাছতো আত্মবিশ্বাসেৰে জীৱন আগুৱাই নিয়াৰ বিভিন্ন দিশৰ বিষয়ে বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে তেওঁ 'অতিজীৱন' নামৰ এটা সংগঠন গঢ়ি তুলি সমগ্ৰ ভাৰতৰ এচিড আক্ৰমণৰ বলি হোৱা মহিলাসকলৰ বাবে কাম কৰি আহিছে। অনুষ্ঠানৰ সাংস্কৃতিক কাৰ্যসূচীৰ অংশৰূপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ ছাত্ৰ আয়ুস দত্তই এক মনোমোহা সত্ৰীয়া নৃত্য পৰিৱেশন কৰে। তাৰ পাছতে বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে অসমৰ ৰাজনৈতিক পৰিস্থিতিৰ আধাৰত ৰচিত ব্যংগ নাট 'নাক' মঞ্চস্থ কৰে। ব্যংগাত্মক উপস্থাপনেৰে নাটখন উপস্থিত দৰ্শকৰ মাজত বিশেষ সমাদৰ লাভ কৰে। ইয়াৰ লগতে আজমল ফাউণ্ডেছনৰ পৰা অহা ছাত্ৰীসকলৰ এটা দলে এক বহুমাত্ৰিক নৃত্য পৰিৱেশন কৰাৰ লগতে আন এটা দলে দলীয় সংগীত পৰিৱেশন কৰে। ভৱিষ্যৎ যুৱ সমাজৰ বাবে প্ৰেৰণাদায়ক বৰ্ণাঢ্য অনুষ্ঠানটি ছাত্ৰ-ছাত্ৰী আৰু অতিথিসকলৰ মাজত বিশেষ সঁহাৰিৰে সামৰণি পৰে।

# আজি চেপনৰ বিভিন্ন দল-সংগঠনে পালন কৰিব 'সেউজ শুভেচ্ছা দিৱস'

**অগ্ৰদূত বাৰ্তা**
**চেপন, ২২ আগষ্ট ঃ** উজনি অসমৰ অগ্ৰণী প্ৰকৃতিপ্ৰেমী স্বেচ্ছাসেৱী সংগঠন 'গ্ৰীন ৰিচ'ৰ উদ্যোগত কাইলৈ দিনজোৰা কাৰ্যসূচীৰে 'সেউজ শুভেচ্ছা দিৱস' উদ্‌যাপন কৰা হ'ব বুলি সংগঠনটোৰ সভাপতি ঝৰণা মহনে সদৰী কৰিছে। জুবিন গাৰ্গ ফেন ক্লাব, চেপন আৰু স্বেচ্ছাসেৱী সংগঠন 'আমি'ৰ যৌথ সহযোগত অনুষ্ঠিত হ'ব লগা 'সেউজ শুভেচ্ছা দিৱস' উপলক্ষে কাইলৈ পুৱা সাত বজাৰ পৰা জনতাৰ শিল্পী জুবিন গাৰ্গৰ সপোনৰ প্ৰকল্প 'প্ৰজেক্ট নাহৰ'ৰ অধীনত চৰাইদেউ, শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠানৰ চৌহদ আৰু মূল পথসমূহৰ দাঁতিত কে'বা সহস্ৰাধিক নাহৰ পুলি ৰোপণ কৰা হ'ব। ইতিমধ্যে এই বিশাল বৃক্ষৰোপণ কাৰ্যসূচীৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠা বুলিও আয়োজক মণ্ডলীৰ তৰফৰ পৰা জানিব পৰা গৈছে। উল্লেখ্য যে উজনিৰ ক্ষুদ্ৰ বাণিজ্যিক চহৰ চেপনৰ বিশিষ্ট নাগৰিক, সমাজ সংগঠক তথা চেপন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক ন্যাস পৰিচালক মৃদুল ফুকনৰ ওপজা দিনটোক প্ৰকৃতিপ্ৰেমী সংগঠন 'গ্ৰীন ৰিচ'-এ বিগত ২০১৫ৰ পৰা স্থানীয় সকলো জাতীয় দল সংগঠনৰ সহযোগত 'সেউজ শুভেচ্ছা দিৱস' হিচাপে উদ্‌যাপন কৰি আহিছে।

# ইলোৰা বিজ্ঞান মঞ্চ ঃ নলবাৰী শাখাৰ উদ্যোগত আৰু ধমধমা আঞ্চলিক কলেজৰ সহযোগত

**অগ্ৰদূত বাৰ্তা**
**বৰমা ২২ আগষ্ট ঃ** ইলোৰা বিজ্ঞান মঞ্চ, নলবাৰী শাখাৰ উদ্যোগত আৰু ধমধমা আঞ্চলিক কলেজৰ সহযোগত ২১ আগষ্টত কলেজ প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় বিজ্ঞান মানসিকতা দিৱসৰ লগত সংগতি ৰাখি এখন আলোচনা সভা অনুষ্ঠিত হয়। সমাজৰ পৰা কুসংস্কাৰ আৰু অন্ধবিশ্বাস আঁতৰাই এখন যুক্তিসন্মত সমাজ গঢ়াৰ উদ্যেশ্যৰে পালন কৰা হ'ল ৰাষ্ট্ৰীয় বিজ্ঞান মানসিকতা দিৱস। ধমধমা আঞ্চলিক কলেজৰ অধ্যক্ষ ড° গৌতম চন্দ্ৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত সভাত মুখ্য বক্তাৰূপে উপস্থিত থাকে ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয় হোজাইৰ অৱসৰপ্ৰাপ্ত শৈক্ষিক পঞ্জীয়ক ড° দিবাকৰ গোস্বামী আৰু অৱসৰপ্ৰাপ্ত বেংক বিষয়া প্ৰমোদ কলিতা। ভাষণত ড° দিবাকৰ গোস্বামীয়ে বৰ্তমান সমাজত চলি থকা কু-সংস্কাৰ আৰু অন্ধবিশ্বাসসমূহৰ বিষয়ে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বিতং ব্যাখ্যা কৰে আৰু বিজ্ঞান মানসিকতাৰে ইয়াক পৰ্যালোচনা কৰি চাবলৈ আহ্বান জনায়। বিজ্ঞানে জ্ঞান আৰু পোহৰ দিয়ে বুলি কৈ লগতে কয় যে বিজ্ঞানে কেৱল পুথিগত বিদ্যা নিদিয়ে, ই আমাক অন্ধকাৰৰ পৰা মুক্ত কৰি যুক্তি আৰু বুদ্ধিৰে চাবলৈ শিক্ষা দিয়ে। আন এজন বক্তা অৱসৰপ্ৰাপ্ত বেংক বিষয়া প্ৰমোদ কলিতাই দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি কয় যে সমাজে সাৰটি লৈ থকা পুৰণি কু-সংস্কাৰবোৰ বিনাশ কৰিব পাৰে কেৱল বৈজ্ঞানিক মানসিকতাই। ইয়াৰ বাবে আমাৰ প্ৰতিজনৰ মনত বিজ্ঞান মানসিকতা সৃষ্টি কৰিব লাগিব । আজিৰ সভা উদ্বোধন কৰে ইলোৰা বিজ্ঞান মঞ্চৰ ৰাজ্যিক সভাপতি ড° মনোৰঞ্জন শৰ্মাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ইলোৰা বিজ্ঞান মঞ্চ নলবাৰী শাখাৰ সম্পাদক কালীনাথ গোস্বামীয়ে। সভাৰ আৰম্ভণি গীত পৰিৱেশন কৰে প্ৰদীপ কুমাৰ দাসে। সভাত উপস্থিত থকা অতিথি আৰু ইলোৰা বিজ্ঞান মঞ্চৰ বিষয়ববীয়াসকলক মহাবিদ্যালয়ৰ পৰা গামোচাৰে আদৰণি জনোৱা হয়।

# ৰঞ্জিত গগৈৰ ৭৩ সংখ্যক জন্মদিন উদযাপন

**অগ্ৰদূত বাৰ্তা**
**ধেমাজি ২২ আগষ্ট ঃ** ধেমাজি জিলাৰ গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, শিক্ষাবিদ সাহিত্যিক তথা বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত বিশিষ্ট সমাজকৰ্মী ৰঞ্জিত গগৈৰ বৃহস্পতিবাৰে ৭৩ সংখ্যক জন্মদিনটো গোগামুখ শতদল শাখা সাহিত্য সভাৰ উদ্যোগত গোগামুখ চিলিমপুস্থিত শিক্ষাবিদ টাবুৰাম টাইড প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায় ।কাৰ্যসূচী মৰ্মে প্ৰথমে পৰমায়ু আৰু সুস্বাস্থ্য কামনাৰে বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পাছতেই গগৈৰ ওপজা দিনত গছপুলি ৰোপণ কৰা হয় । বিশেষ শুভমুহূৰ্ত উদ্‌যাপন আৰু গোগামুখৰ বিভিন্ন দল-সংগঠনৰ তৰফৰ পৰা শুভেচ্ছা জ্ঞাপন কৰে। ইয়াৰ পাছতেই গোগামুখৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত বিশিষ্ট সমাজকৰ্মী ৰঞ্জিত গগৈৰ স'তে অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয় ।'

# মঙলদৈত চিলনী চোৰ ঃ বৰুৱাপাৰাত শিক্ষয়িত্ৰীৰ ডিঙিৰ চেইন নিলে কাঢ়ি

**বিশেষ সংবাদদাতা**
**মঙলদৈ ২২ আগষ্ট ঃ** মঙলদৈ চহৰৰ চাৰি নম্বৰ ৱাৰ্ড বৰুৱাপাৰাত আজি আবেলি এগৰাকী শিক্ষয়িত্ৰীৰ ডিঙিৰ সোণৰ চেইন কাঢ়ি নিয়ে। ইতিমধ্যে মঙলদৈ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াসহ এটা দলে খবৰ পোৱা মাত্ৰকে ঘটনাস্থলী পৰিদৰ্শন কৰি সমীপৰ চিচি ভিজুৱেলচ সংগ্ৰহ কৰিছে। ঘটনা সন্দৰ্ভত স্থানীয় ৰাইজে সদৰী কৰা অনুসৰি, আজি আবেলি প্ৰায় চাৰি বাজি ৩৫ মিনিটত মঙলদৈ ভূটীয়া চাং পথৰ পৰা ফাটি যোৱা বৰুৱাপাৰা অভিমুখী পথেৰে শিক্ষয়িত্ৰী জিলমিল চহৰীয়া শৰ্মাই স্বামীৰে ঘৰ অভিমুখে মটৰ চাইকেলত আগবাঢ়িছিল। পথটোৰে সুকলমে বিষ্ণু মন্দিৰ পৰ্যন্ত আগবঢ়াৰ পাছত হঠাৎ বিপৰীত দিশৰ পৰা হেলমেট পৰিধান কৰি অহা দুজনীয়া দলে চহৰীয়াৰ ডিঙিৰ চেইন কাঢ়ি উধাও হয়। চেইন কাঢ়ি নিয়াক লৈ হঠাৎ অঞ্চলটোত হুলস্থূল লাগে। একেদৰে ডিঙিৰ চেইন কাঢ়ি নিয়াৰ বাবে গুৰুতৰ আঘাত পায় শিক্ষয়িত্ৰীগৰাকীয়ে। ইয়াৰ মাজতে ঘটনাস্থলীত উপস্থিত ৰাইজে আৰক্ষীক খবৰ কৰে। আন একাংশই প্ৰচণ্ড আঘাতপ্ৰাপ্ত শিক্ষয়িত্ৰীগৰাকীক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। দুৰ্ভাগ্যৰ বিষয় যে, ঘটনাস্থলীৰ সমীপৱৰ্তী তিনিটাকৈ পৰিয়ালৰ ঘৰৰ বাহিৰত চিচি কেমেৰা ওলমি আছিল যদিও মূল স্থানৰ সমীপৰ দুটা কেমেৰাই আছিল অৰ্থহীন, বেয়া। কাজেই বিষ্ণু মন্দিৰ চ'কৰ সমীপৰ আন এক চিচি কেমেৰাত কেৱল দুজনীয়া দলটোহে আৱদ্ধ হৈ ৰয়। আৰক্ষীয়ে এই চিলনী চোৰ দুজনৰ সন্ধানত তদন্ত আৰম্ভ কৰিছে। সন্দেহ কৰা অনুসৰি, নিচাগ্ৰস্ত যুৱকেই এই কাণ্ড সংঘটিত কৰিছে।

# সৰ্বভাৰতীয় শাস্ত্ৰীয় সংগীতৰ পৰীক্ষাত উজলিল সাগৰিকা

**উত্তৰ গুৱাহাটী, ২২ আগষ্ট ঃ** কলকাতাত অৱস্থিত ভাৰতবৰ্ষৰ আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ে তেওঁলোকৰ বিভিন্ন বিষয়ত নামভৰ্তিৰ বাবে অনুষ্ঠিত কৰা সৰ্বভাৰতীয় পৰীক্ষাসমূহৰ ভিতৰত শাস্ত্ৰীয় সংগীতত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছে আমিনগাঁৱৰ প্ৰতিশ্ৰুতি সম্পন্ন শিল্পী সাগৰিকা গাৰ্গীয়ে। এইবেলি ৰবীন্দ্ৰ ভাৰতীয় শাস্ত্ৰীয় সংগীতত নামভৰ্তিৰ বাবে অনুষ্ঠিত কৰা পৰীক্ষাত ভাৰতবৰ্ষৰ লগতে নেপাল, বাংলাদেশ, আফগানিস্তানকে ধৰি বিদেশী ৰাষ্ট্ৰৰ মুঠ সাত হেজাৰ ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল।

# ধৰ্মপ্ৰাণা মহিলা পদ্মাৱতী নাথৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**জালাহ, ২২ আগষ্ট ঃ** বাগ্‌সা জিলাৰ জালাহ গাঁও নিৱাসী ধীৰেন চন্দ্ৰ নাথৰ পত্নী, ধৰ্মপ্ৰাণা মহিলা পদ্মাৱতী নাথ (৮০)ৰ আজি পাঠশালাত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। তেওঁ জালাহ ভাগৱত সেৱাশ্ৰম, জালাহ বুঢ়া গোসাঁই কীৰ্তন ঘৰ, জালাহ শিৱ মন্দিৰ আদি বিভিন্ন ধৰ্মানুষ্ঠান আৰু সামাজিক অনুষ্ঠানৰ স'তে জড়িত আছিল। তেওঁৰ মৃত্যুত জালাহ অঞ্চলত গভীৰ শোকৰ ছাঁ পৰে। তেওঁ এই সংসাৰত স্বামীৰ লগতে তিনি পুত্ৰ-বোৱাৰী, দুজনী জীয়াৰী-জোঁৱাই আৰু কে'বাটিও নাতি-নাতিনীক এৰি যায়।

# যুৱ ব্যৱসায়ীৰ বিহাৰত মৃত্যু



**অগ্ৰদূত বাৰ্তা**
**লংকা, ২২ আগষ্ট ঃ** লংকাৰ এজন যুৱ ব্যৱসায়ী দোকানৰ সামগ্ৰী আনিবৰ বাবে ৰেলেৰে নতুন দিল্লীলৈ গৈ থকা অৱস্থাত বিহাৰৰ কাটিহাৰত হঠাতে অসুস্থ হৈ শোকাবহভাৱে মৃত্যুক আঁকোৱালি লোৱা ঘটনাত লংকাত গভীৰ শোকৰ ছাঁ পৰে। পৰিয়ালৰ ঘনিষ্ঠ সূত্ৰৰ পৰা জানিব পৰা মতে, লংকা পিয়লি বজাৰৰ পুৰণি ব্যৱসায়ী তথা 'চু- সাথী' নামৰ জোতাৰ দোকানখনৰ স্বত্বাধিকাৰী প্ৰয়াত ৰঞ্জিত পালৰ দ্বিতীয় পুত্ৰ লংকা এন-এৰিয়া ৰূপনগৰৰ বাসিন্দা প্ৰায় ৪৫ বছৰীয়া যুৱ ব্যৱসায়ী ৰাজীৱ পাল ওৰফে বাপ্পা পাল যোৱা ২০ আগষ্টত দোকানৰ সামগ্ৰী আনিবলৈ ৰাজধানী এক্সপ্ৰেছ ৰেলেৰে নতুন দিল্লীলৈ গৈ আছিল। লগত তেওঁৰ ১২/১৩ বছৰীয়া পুত্ৰকো লৈ যায়। তেওঁৰ উদ্দেশ্য আছিল দিল্লীত দোকানৰ সামগ্ৰী কিনি কোৰিয়াৰত বুক কৰি দি ল'ৰাটোক দিল্লীখনৰ কিছু ঠাই দেখুৱাব। কিন্তু ভবা কথা নহয় সিদ্ধি বাটত আছে কণা বিধি। দুয়ো পিতা-পুত্ৰ কাটিহাৰ পোৱাৰ পাছত ৰেলতে বাপ্পা পাল হঠাৎ অসুস্থ হৈ পৰে, এনে পৰিস্থিতিত সৰু ল'ৰাটোৱে ৰেলৰ জনৈক যাত্ৰী আৰু ৰেলৰ লোকৰ সহায়ত কাটিহাৰ ষ্টেছনত নমাই এখন এম্বুলেঞ্চেৰে চিকিৎসালয়লৈ নি থাকোতে বাটতে বাপ্পি পালে শেষ নিশ্বাস ত্যাগ কৰে। এনে পৰিস্থিতিত ল'ৰাটোৱে ফোনযোগে ঘৰলৈ যোগাযোগ কৰে আৰু বিহাৰত থকা তেওঁলোকৰ দূৰ আত্মিয়ৰ সহযোগত মৃতদেহটো এখন এম্বুলেঞ্চেৰে লংকাৰ নিজা ঘৰলৈ আনি থকা বুলি একেটা সূত্ৰই জানিব দিছে। দূৰণিবটীয়া হোৱাৰ বাবে বাতৰি লিখাৰ পৰলৈকে মৃতদেহ লংকা আহি পোৱা নাই। মৃত্যুৰ সময়ত তেওঁ বৃদ্ধ মাক, পত্নী আৰু দুটা কণ কণ ল'ৰা-ছোৱালী, ককায়েক নবৌৱেকক এৰি যায়। ঘটনাটোৱে লংকাৰ ব্যৱসায়ী মহল, শুভাকাংক্ষী, আৰু স্থানীয় লোকক শোকস্তব্ধ কৰিছে।

# জীয়াভৰলী নৈত অৰুণাচলৰ সন্ধানহীন কিশোৰীৰ মৃতদেহ উদ্ধাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ,**
**তেজপুৰ, ২২ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ চাৰিদুৱাৰৰ অন্তৰ্গত জীয়াভৰলী নদীত কালি এগৰাকী কিশোৰীৰ মৃতদেহ উদ্ধাৰ হয়। নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৱৰ্তী ৰিহাজুলি ঘাটত মৃতদেহটো উদ্ধাৰ কৰা হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি, বন বিভাগৰ এটা নিয়মীয়া টহলদাৰী দলে প্ৰথমতে নদীৰ বুকুত মৃতদেহটি প্ৰত্যক্ষ কৰে। ইয়াৰ পাছতে বন বিভাগে ততাতৈয়াকৈ চাৰিদুৱাৰ আৰক্ষীক এই বিষয়ে অৱগত কৰে। চাৰিদুৱাৰ আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ নদীৰ পৰা মৃতদেহটি উদ্ধাৰ কৰে। আৰক্ষীৰ প্ৰাথমিক তদন্তত পোহৰলৈ অহা মতে, মৃত কিশোৰীগৰাকী চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ চেপ্পাৰ বাসিন্দা আছিল। তথ্য মতে, তিনিদিন পূৰ্বে চেপ্পাৰ কামেং নদীত পৰি কিশোৰীগৰাকী সন্ধানহীন হৈ পৰিছিল। কামেং নদীৰ প্ৰবল সোঁতে উটুৱাই অনাৰ বাবেই মৃতদেহটি অৱশেষত অসমৰ জীয়াভৰলী নদীত উদ্ধাৰ হয়। বৰ্তমান আৰক্ষীয়ে ঘটনা সন্দৰ্ভত প্ৰয়োজনীয় আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

# জ্যেষ্ঠ নাগৰিক হেমচন্দ্ৰ গোস্বামীৰ ৯৫ সংখ্যক ওপজা দিন উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**বিহপুৰীয়া, ২২ আগষ্ট ঃ** বিহপুৰীয়াৰ বৃহত্তৰ পূব ডিক্ৰং অঞ্চলৰ প্ৰখ্যাত শিক্ষাবিদ, বিশিষ্ট সমাজকৰ্মী, ক্ৰীড়া সংগঠক, স্বাস্থ্য কৰ্মী, সাংস্কৃতিক ব্যক্তিত্ব তথা এক বিপ্লৱী সত্তা হেমচন্দ্ৰ গোস্বামীৰ ৯৫ সংখ্যক ওপজা দিন উপলক্ষে ১৭ আগষ্টত পূব ডিক্ৰং জ্যেষ্ঠ নাগৰিক সংস্থা আৰু অঞ্চলবাসী ৰাইজৰ যৌথ উদ্যোগত এক বৰ্ণাঢ্য অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। অসম চৰকাৰৰ প্ৰাক্তন শিক্ষা মন্ত্ৰী প্ৰেমধৰ বৰাৰ দ্বাৰা বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা সভা সঞ্চালনা কৰে বঙালমৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ধীৰেন শইকীয়াই । জয়ন্ত শইকীয়াই আঁত ধৰা তথা পূব ডিক্ৰং জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি হেমচন্দ্ৰ বৰুৱাই আদৰণি ভাষণ প্ৰদান কৰা সভা উদ্বোধন কৰে স্মৃতিসূৰ্য গোলোক চন্দ্ৰ হাজৰিকাই। সভাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জগত বৰুৱা, বিশিষ্ট শিক্ষাবিদ ক্ৰমে মাধৱ দত্ত, চন্দ্ৰ হাজৰিকা, সমাজকৰ্মী অমিয় সন্দিকৈ আদি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে হেমচন্দ্ৰ গোস্বামীৰ জীৱন কৃতী বৰ্ণনা কৰে। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ হিচাপে হেমচন্দ্ৰ গোস্বামীৰ জীৱন আৰু কৃতিত্বৰ ওপৰত আধাৰিত অভিনন্দন গ্ৰন্থখনি উন্মোচন কৰে ঘিলামৰা নগৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ডিম্বেশ্বৰ চেতিয়াই। সভাত গোস্বামীৰ পৰিয়ালৰ তৰফৰ পৰা কেক কাটি জন্মদিন উদ্‌যাপন কৰাৰ লগতে স্থানীয় দল সংগঠন আৰু বিশিষ্ট ব্যক্তি সকলে গামোচা, চেলেং, সঁফুৰা, কিতাপ, গছপুলি আৰু সম্বৰ্ধনা পত্ৰৰে গোস্বামীক জন্মদিনৰ শুভেচ্ছা জনায়। পূব ডিক্ৰং জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক যোগেন বৰাই শলাগৰ শৰাই আগবঢ়োৱা সম্বৰ্ধনা সভাত বিশিষ্ট শিক্ষাবিদ আৰু সমাজকৰ্মী ক্ৰমে- জীৱ শইকীয়া, ডিম্বেশ্বৰ সোণোৱাল, গোপাল শইকীয়া, বীৰেণ ভাগৱতী,আতাউৰ ৰহমান, আবু চৈয়দ খান, খগেন দত্ত, লখিমপুৰ জিলা সাহিত্য সভাৰ সম্পাদক পৱীণ হাজৰিকা, সমাজকৰ্মী জ্যোতি শইকীয়া, গৌতম শইকীয়াৰ লগতে অঞ্চলটোৰ বহুকেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত সকলোৰে সৰ্বহাৰাৰ জীৱন সংগ্ৰামৰ সহযোগী তথা বিপ্লৱী হেমচন্দ্ৰ গোস্বামীয়ে সমাজলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ কথা সোঁৱৰে আৰু তেওঁৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। অনুষ্ঠানৰ শেষত স্থানীয় শিল্পীসকলৰ দ্বাৰা সমবেত সংগীতৰ লগতে গীত নৃত্যৰে এক সুন্দৰ সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰা হয়।



দেওবৰীয়া দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৩ আগষ্ট, দেওবাৰ ২০২৬ পৃষ্ঠা ১০

# শ্বিলং-চেৰাপুঞ্জী-ডাউকিৰ হোটেলৰ

এক পৃষ্ঠাৰ পৰা ৮০-৯০ শতাংশ পৰ্যন্ত হ্ৰাস পাইছে। কাজেই ইয়ে পাহাৰীয়া ৰাজ্যখনৰ পৰ্যটন আৰু আতিথ্য খণ্ডত প্ৰচণ্ড আঘাত হানিছে। অপ্ৰত্যাশিতভাৱে হোটেলসমূহৰ বুকিং বৃহৎ হাৰত বাতিল হোৱা সম্পৰ্কত ফেডাৰেছন অৱ শ্বিলং হোটেলছ শীৰ্ষক সংস্থাৰ সভাপতি পৰমবীৰ সিং সহদেৱাই কয়, 'আগষ্ট মাহ শ্বিলং-চেৰাপুঞ্জীৰ পৰ্যটন ঋতু নহয়। গতিকে বছৰৰ এই সময়ছোৱাত হোটেলসমূহৰ ২০ শতাংশহে বুকিং হয়। এতিয়া ইয়াৰো ৮০-৯০ শতাংশ বুকিঙেই বাতিল হৈছে।' সহদেৱাই লগতে জনোৱা মতে, গড় হিচাপত শ্বিলং-চেৰাপুঞ্জীৰ হোটেলসমূহত ১০ টাকৈ কোঠা থাকে। এনেদৰে সকলো হোটেলৰ কোঠাৰ সংখ্যা প্ৰায় ১৫ হেজাৰ হয়। শ্বিলং-চেৰাপুঞ্জীত পৰ্যটনৰ আগমন দুৰ্গা পূজা সময়ৰ পৰা বৃদ্ধি পায়। বৰদিন আৰু ইংৰাজী নৱবৰ্ষৰ সময়ছোৱাত হোটেলসমূহ অতিথিৰে ভৰপূৰ হৈ পৰে। সম্প্ৰতি সৃষ্ট সংকটে শ্বিলং আৰু চেৰাপুঞ্জীৰ উপৰি ডাউকিতো নেতিবাচক প্ৰভাৱ পেলাইছে। এই সম্পৰ্কত ডাউকিৰ এটা হোম ষ্টেৰ স্বত্বাধিকাৰীয়ে কয়, 'পৰ্যটকৰ কোঠা বুকিং বাতিল অব্যাহত আছে। বছৰৰ এই সময়ছোৱাত মেঘালয় ভ্ৰমণ কৰা অধিকাংশ পৰ্যটকেই হৈছে অসমৰ। গতিকে বৃহৎ হাৰত পৰ্যটকে হোটেল- হোম ষ্টেৰ বুকিং বাতিল কৰিছে।' আকস্মিকভাৱে ৰাজ্যখনৰ পৰ্যটন আৰু আতিথ্য খণ্ডৰ ক্ষেত্ৰত সৃষ্ট এই সংকটক লৈ পৰ্যটক পৰিচালনাকাৰীসকলো শংকিত হৈছে। অৱশ্যে অচিৰে শান্তি পুনৰ ঘূৰি আহিব বুলি আশা প্ৰকাশ কৰিছে টুৰিষ্ট অপাৰেটৰ্ছ এছ'চিয়েছন অৱ মেঘালয়ে। সংস্থাটোৰ সাধাৰণ সম্পাদক কীৰ্মেনলাং চাবঙে কয়, 'মেঘালয় আৰু অসম দুয়োখন ৰাজ্যৰ চৰকাৰে সমস্যাটো অন্ত পেলোৱাৰ চেষ্টা কৰি আছে। আমি আশা কৰো যে শীঘ্ৰে সমস্যা সমাধান হ'ব।' তৎসত্ত্বেও তেওঁ অহা সোমবাৰৰ পূৰ্বে মেঘালয় ভ্ৰমণ নকৰিবলৈ পৰ্যটকসকলৰ প্ৰতি আহ্বান জনাইছে।

উল্লেখ্য যে শ্বিলং বা চেৰাপুঞ্জী ভ্ৰমণ কৰা অধিকাংশ পৰ্যটকেই অসম বা অসম হৈ মেঘালয়লৈ যাত্ৰা কৰে। গতিকে মেঘালয়ৰ পৰ্যটন আৰু আতিথ্য খণ্ড সম্প্ৰসাৰণৰ ক্ষেত্ৰত অসমৰো বৃহৎ অৱদান আছে। শেহতীয়াভাৱে সৃষ্ট পৰিস্থিতিয়ে মেঘালয়ৰ পৰ্যটন খণ্ডৰ ওপৰত পেলোৱা ক্ষতিকাৰক প্ৰভাৱ সম্পৰ্কত অল আছাম টুৰিষ্ট টেক্সী ড্ৰাইভাৰ্ছ ইউনিয়নৰ সদস্য ৰিকু হকে কয়, 'বিগত তিনি দিনত শ্বিলং-চেৰাপুঞ্জী আদিৰ হোটেলসমূহৰ ৯০ শতাংশ বুকিঙেই বাতিল হৈছে।' হকে জনোৱা মতে, অসমত পঞ্জীয়নকৃত এহেজাৰ বাহনে প্ৰতিদিনে গড় হিচাপত মেঘালয়ত প্ৰৱেশ কৰে। আনকি পৰ্যটন ঋতু নোহোৱা সময়ছোৱাতো অসমত পঞ্জীয়নকৃত সহস্ৰাধিক বাহনে মেঘালয়লৈ পৰ্যটক কঢ়িয়াই নিয়ে।

# চালকৰ দাবী পূৰণৰ আশ্বাসত

এক পৃষ্ঠাৰ পৰা পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত কে'বাটাও সিদ্ধান্ত গ্ৰহণ কৰা হয়। অৱৰোধকাৰীসকলে উত্থাপন কৰা কে'বাটাও দাবীৰ প্ৰতি মেঘালয় চৰকাৰে সহমৰ্মিতা প্ৰকাশ কৰে। তাৰ পাছতে মন্ত্ৰী অতুল বৰা যোৱাবাটত অসম ৰাজ্যিক চালক সন্থাৰ উদ্যোগত অব্যাহত থকা অৱৰোধ তথা প্ৰতিবাদস্থলীত উপস্থিত হয়। বৰাই আজিৰ যৌথ বৈঠকখনৰ সিদ্ধান্তসমূহ প্ৰতিবাদস্থলীত পাঠ কৰি দিয়ে আৰু আন্দোলন প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনায়। ইয়াৰ পাছত মন্ত্ৰী বৰা আৰু আন্দোলনকাৰীৰ মাজত দীৰ্ঘ সময় আলোচনা অনুষ্ঠিত হয়। শেষত আন্দোলনকাৰী পক্ষৰ প্ৰস্তাৱ অনুসৰি অসম চৰকাৰে কাইলৈ প্ৰতিবাদকাৰীসকলৰ লগত আলোচনাত বহাৰ সিদ্ধান্ত ঘোষণা কৰে। ইয়াৰ পাছতে যোৱাবাটৰ প্ৰতিবাদ সাময়িকভাৱে স্থগিত ৰখা বুলি আন্দোলনকাৰী পক্ষই ঘোষণা কৰে। এই আলোচনাতে আন্দোলনকাৰী চালকসকলে মন্ত্ৰী বৰাৰ হাতত এখন স্মাৰকপত্ৰ দাখিল কৰে। অৱশ্যে চালক সন্থাই স্পষ্ট কৰি দিয়ে যে কাইলৈ চৰকাৰৰ লগত তেওঁলোকৰ আলোচনা কিমান সফল হয় তাৰ ভিত্তিতহে পৰৱৰ্তী সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। আন্দোলন প্ৰত্যাহাৰ কৰি অসম ৰাজ্যিক চালক সন্থাৰ সভাপতি ধ্ৰুৱৰাজ অসমে কয়, 'মেঘালয়ৰ ক্ষতি কৰিবলৈ আমি প্ৰতিবাদ কৰা নাই। তেওঁলোকৰ ভুল দেখুৱাই দিবলৈকেহে আমি প্ৰতিবাদ কৰিছো। আমাৰ দুটা দাবী পূৰণৰ আশ্বাস চৰকাৰে দিছে। এছআইটি গঠন কৰি দোষীক চিনাক্তকৰণৰে আইনী ব্যৱস্থা গ্ৰহণৰ আশ্বাসো দিয়া হৈছে। এই আশ্বাসৰ ওপৰত আমাৰ চকু থাকিব। আমি বিচাৰিছিলো যে ভৱিষ্যতে মেঘালয়ত যাতে অসমৰ চালকসকল অপমানিত হ'ব নালাগে। গাড়ীৰ যাতে ক্ষতিসাধন কৰা নহয়। এতিয়া চৰকাৰে এই দাবী পূৰণৰ আশ্বাস দিছে। গতিকে আমি সাময়িকভাৱে আজিৰ পৰা প্ৰতিবাদ প্ৰত্যাহাৰ কৰিছো।' সভাপতিজনে ঘোষণা কৰে যে মেঘালয়ৰ গাড়ী এতিয়া অসমত প্ৰৱেশ কৰিব পাৰিব। চালক সন্থাৰ আন্দোলন প্ৰত্যাহাৰৰ পাছতে যোৱাবাটৰে অসম আৰু মেঘালয়ৰ মাজত যাতায়াত ব্যৱস্থা স্বাভাৱিক হয়।

ইপিনে, যোৱা দুদিনৰ দৰে আজি পুৱাৰ পৰাও চালক সন্থাটোৰ নেতৃত্বত অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। নিজ দাবীৰ সমৰ্থনত অৱৰোধকাৰীসকলে দিয়া ধ্বনিৰে পৰিৱেশ উত্তাল হৈ পৰে। এই অৱৰোধৰ সময়ত আজি কে'বাবাৰো উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। তদুপৰি চালকসকলৰ প্ৰতিবাদত আজি যোগ দিয়ে কে'বাটাও সংগঠনৰ প্ৰতিনিধিৰ লগতে ৰাজনৈতিক দলৰ নেতাও। আজিও পুৱাৰ পৰা মেঘালয়ৰ পঞ্জীয়নভুক্ত কোনো বাহনকে অসমত প্ৰৱেশ কৰিবলৈ নিদিলে প্ৰতিবাদকাৰীসকলে। ইয়াৰ বাবে আজিও প্ৰতিবাদকাৰীসকলে যোৱাবাটৰ পৰা মেঘালয় অভিমুখী আৰু মেঘালয়ৰ পৰা যোৱাবাট অভিমুখী পথৰ মাজত চামিয়না টানি অৱৰোধ গঢ়ি তোলে। একাংশ প্ৰতিবাদকাৰীয়ে ৰাজপথত বাগৰি পথ অৱৰোধত ভাগ লয়। এই সময়ছোৱাত মেঘালয়ত পঞ্জীয়নভুক্ত অসমৰ চালকে চলোৱা কে'বাখনো চাৰিচকীয়া যাত্ৰীবাহী বাহনে গুৱাহাটীত প্ৰৱেশৰ চেষ্টা চলায়। ইয়াৰ বিৰোধিতা কৰে অৱৰোধকাৰীসকলে। আজি দুপৰীয়া মেঘালয়ৰ মুখ্য সচিবৰ কনভয়কো প্ৰতিবাদকাৰীসকলে বাধা প্ৰদান কৰে। ইয়াকে লৈ যোৱাবাটত দীৰ্ঘসময় উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। উল্লেখ্য যে গুৱাহাটীৰ কইনাধৰাত আজি বিয়লি অসম আৰু মেঘালয় চৰকাৰৰ এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ভাগ ল'বলৈ মেঘালয়ৰ উপ-মুখ্য এছ ধৰকৰ লগতে মুখ্য সচিব, শীৰ্ষ আৰক্ষী বিষয়াৰ দলো গুৱাহাটীলৈ আহে। তেওঁলোকক যাতে যাত্ৰা পথত বাধা দিব নোৱাৰে তাৰ বাবে আজি পুৱাৰে পৰা যোৱাবাটত অসম আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা বৃদ্ধি কৰে। পুৱাৰে পৰা অধিকসংখ্যক আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ লোকক সেই স্থানত নিয়োগ কৰা হয়। তথাপি মেঘালয়ৰ উচ্চস্তৰীয় দলটোৰ বাহনক অসমত প্ৰৱেশত বাধা প্ৰদান কৰা হয়। আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ বৃহৎ দলে উপ-মুখ্যমন্ত্ৰীৰ কনভয়ক কোনো প্ৰকাৰে গুৱাহাটীত প্ৰৱেশত ব্যৱস্থা কৰিবলৈ সক্ষম হ'লেও মুখ্য সচিবৰ কনভয় থমকিবলৈ বাধ্য হয়। মুখ্য সচিবৰ এছক'ৰ্ট বাহনৰ আগত অৱৰোধকাৰীয়ে পথত বাগৰিও দিয়ে। ফলত কনভয় ৰৈ যাবলৈ বাধ্য হয়। পথত শুই দিয়া অৱৰোধকাৰীক হাতে-ভৰিয়ে ধৰি আৰক্ষীয়ে দাঙি নিয়াৰ চেষ্টা চলায়। কিন্তু সেই চেষ্টাও বহুবাৰ ব্যৰ্থ হয়। অৱশ্যে শেষত আৰক্ষীয়ে অৱৰোধকাৰীক ঠেলি-হেঁচি কনভয় আগুৱাব পৰাকৈ ৰাস্তা মোকলাবলৈ সক্ষম হয়।

শ্বিলঙত যোৱা ১৯ আগষ্টত দুষ্কৃতিকাৰীয়ে ক্ষতিসাধন কৰা কে'বাখনো বাহন আজি যোৱাবাটত উপস্থিত হয়। এই বাহন প্ৰত্যক্ষ কৰিও একাংশ প্ৰতিবাদকাৰী উত্তেজিত হৈ পৰে। ইপিনে, মেঘালয় চৰকাৰে নিৰাপত্তা প্ৰদান কৰি ৰাজ্যখনত আবদ্ধ হৈ থকা বহু পৰ্যটক আৰু আন লোকক যোৱাবাট পোৱাৰ বহু আগলৈ আগবঢ়াই থয়। সেইসকল লোকে প্ৰায় এক-ডেৰ কিলোমিটাৰ খোজকাঢ়িহে যোৱাবাটত উপস্থিত হয়। ইয়াৰ ভিতৰত ভাৰতৰ বিভিন্ন ৰাজ্যৰ লগতে বিদেশী পৰ্যটকো আছিল। এই পৰ্যটকসকলক পথ অৱৰোধকাৰীয়েও সহায়-সহযোগিতা আগবঢ়ায়। মেঘালয়ৰ পৰা ওলাই আহিবলৈ সক্ষম হোৱা বহিঃৰাজ্যৰ কে'বাজনো পৰ্যটকে সংঘটিত ঘটনাক লৈ উদ্বেগ প্ৰকাশ কৰে। লক্ষ্যণীয়ভাৱে চালকসকলৰ প্ৰতিবাদত আজি যোৱাবাটৰ সমীপৰ বহু মহিলাও চামিল হয়। তেওঁলোকেও মেঘালয়ত অসমৰ চালক-বাহনৰ নিৰাপত্তা নিশ্চিত কৰিব লাগে বুলি দাবী কৰে।

আজিৰ প্ৰতিবাদস্থলীত উপস্থিত হৈ চালকসকলৰ আন্দোলনৰ সমৰ্থন জনায় অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। গগৈয়ে অসমৰ চালকসকলৰ ওপৰত হোৱা আক্ৰমণৰ বাবে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সমালোচনা কৰে। গগৈয়ে কয়, 'আমাৰ অসমৰ মুখ্যমন্ত্ৰীৰ সোপলিচা নীতি, দুৰ্বল ভূমিকাৰ বাবে পৰ্যটনৰ লগত জড়িত আমাৰ চালকসকলৰ আজি এই দুৰৱস্থা হৈছে। সময়ত সমস্যা সমাধান কৰিলে আজি এই জটিলতাৰ সৃষ্টি নহ'লহেঁতেন। দুৰ্ভাগ্যজনকভাৱে সমস্যাৰ সমাধানৰ আগতগাত লোৱাৰ পৰিবৰ্তে মুখ্যমন্ত্ৰী এই সমস্যা লিহীতহে ব্যস্ত আছে। হিমন্ত বিশ্ব শৰ্মা নেডাৰো আহ্বায়ক। কিন্তু তেওঁৰ যে গুৰুত্ব নাই সেয়াই মেঘালয়ৰ পৰিস্থিতিয়ে স্পষ্ট কৰিছে। কেব চালক আৰু অসমৰ নাগৰিকৰ সুৰক্ষাৰ প্ৰশ্নত আমি কেতিয়াও আপোচ নকৰো। তাৰ পৰিবৰ্তে অসমৰ মুখ্যমন্ত্ৰীয়ে কেৱল আপোচ কৰি আহিছে।' সাম্প্ৰতিক পৰিস্থিতিত মেঘালয়ত আবদ্ধ হৈ থকা অসমৰ পৰ্যটকসকলৰ উদ্ধাৰৰ ক্ষেত্ৰতো মুখ্যমন্ত্ৰীৰ গুৰুত্বহীনতা স্পষ্ট হোৱা বুলি গগৈয়ে অভিযোগ কৰে। একেদৰে প্ৰদেশ কংগ্ৰেছৰ এটা প্ৰতিনিধি দলেও চালকসকলৰ প্ৰতিবাদত অংশগ্ৰহণ কৰে। তেওঁলোকেও অসম চৰকাৰক সমালোচনা কৰে। বিশেষকৈ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ ব্যৰ্থতাৰ বাবে পৰিস্থিতি জটিল হোৱা বুলি কংগ্ৰেছে মন্তব্য কৰে।

# অস্থিৰতাৰ পৰা স্বাভাৱিকলৈ দুই ৰাজ্য

এক পৃষ্ঠাৰ পৰা চৰকাৰৰ প্ৰশাসন-আৰক্ষীৰ শীৰ্ষ আমোলা-বিষয়াসকলৰ উপস্থিতিত থকা এই বৈঠকত কে'বাটাও সিদ্ধান্ত গ্ৰহণ কৰা হয়। মেঘালয় চৰকাৰৰ পৰা শ্বিলঙত সংঘটিত ঘটনাক লৈ বৈঠকত দুখ প্ৰকাশ কৰা হয়। অসমৰ যি ক্ষয়-ক্ষতি হয়, তাৰ দায়িত্ব মেঘালয় চৰকাৰে গ্ৰহণ কৰে। তদুপৰি এনে সমস্যাৰ ভৱিষ্যতে উদ্ভৱ নহ'বলৈও যৌথ বৈঠকে কে'বাটাও সিদ্ধান্ত গ্ৰহণ কৰে।

### কি কি সিদ্ধান্ত

বৈঠকৰ পাছত মন্ত্ৰী অতুল বৰাই সংবাদমেলযোগে সদৰী কৰে যে মেঘালয় চৰকাৰে শ্বিলঙৰ ঘটনাৰ বাবে দুখ প্ৰকাশ কৰি ইয়াৰ লগত জড়িতৰ বিৰুদ্ধে দৃঢ় ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিছে। ইতিমধ্যে ১৯ আগষ্টত সংঘটিত ঘটনাৰ সন্দৰ্ভত মেঘালয় আৰক্ষীয়ে এতিয়ালৈকে ১৫ খন এজাহাৰ পঞ্জীয়ন কৰিছে। তদুপৰি সেইদিনাৰ ঘটনাত জড়িত পাচিজন মুখ ঢকা ব্যক্তিক এতিয়ালৈকে চিনাক্ত কৰা হৈছে বুলি মেঘালয় চৰকাৰৰ পৰা জনোৱা হৈছে। বিশেষকৈ অসমত পঞ্জীয়নভুক্ত বাহনত আক্ৰমণ চলোৱা ঘটনাত এই পাচিজন প্ৰত্যক্ষভাৱে জড়িত আছিল। ইয়াৰ লগতে বৰাই কয়, 'মেঘালয় চৰকাৰে আজি জনায় যে শ্বিলঙৰ হিংসাত্মক ঘটনাৰ স'তে জড়িত সকলো দুষ্কৃতিকাৰীক চিনাক্ত কৰিবলৈ, বিশেষকৈ অসমত পঞ্জীয়নভুক্ত বাহনত আক্ৰমণ চলোৱা লোকসকলক চিনাক্ত কৰি সেইসকলৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ এটা বিশেষ তদন্তকাৰী দল (এছআইটি) গঠন কৰা হ'ব।' এতিয়াও অসমলৈ ঘূৰি অহাত বাধা পাই থকা যিকোনো যাত্ৰী আৰু বাহনক অহা ৪৮ ঘণ্টাৰ ভিতৰত অসমলৈ অনাৰ সিদ্ধান্ত লোৱা হৈছে বুলি বৰাই জনায়। মেঘালয় চৰকাৰে সেইসকলক সুৰক্ষাৰে আনিবলৈ এছকৰ্ট প্ৰদানৰ লৈ অহা হ'ব।' ইয়াৰ লগতে বৈঠকত সিদ্ধান্ত লোৱা হয় যে অসম আৰক্ষীৰ বিশেষ শাখাৰ মহাপৰিদৰ্শক আৰু মেঘালয় আৰক্ষীৰ আইন-শৃংখলা শাখাৰ মহাপৰিদৰ্শকৰ মাজত এটা বিশেষ সমন্বয় ব্যৱস্থা গঢ়ি তোলা হ'ব। এটা হেল্পলাইন নম্বৰো মুকলি কৰা হ'ব। আবদ্ধ হৈ থকা লোকসকলক বিচাৰি উলিওৱা আৰু তেওঁলোকক সহায় কৰাৰ বাবে এটা অনলাইন সহায়ক ব্যৱস্থাও গঢ়ি তোলা হ'ব। পৰিস্থিতি সম্পূৰ্ণৰূপে স্বাভাৱিক নোহোৱালৈকে এই সমন্বয় ব্যৱস্থা কাৰ্যক্ষম হৈ থাকিব।' বৰাই আজি তাৎক্ষণিকভাৱে মুকলি কৰা সহায় নম্বৰ দুটাও সদৰী কৰে। টেলিফোন নম্বৰটো হ'ল ০৩৬১-২৩৮১৫১১ আৰু হোৱাটছএপ নম্বৰটো হ'ল ৯১৮১০১৪৮৮৮।

অসম আৰু মেঘালয়ৰ মাজত এইবাৰৰ দৰে প্ৰায় সঘনে এনে ধৰণৰ সমস্যাৰ সৃষ্টি হৈ আহিছে। ইয়াকেলৈও আজিৰ বৈঠকত আলোচনা কৰা হয়। এই বিষয়টো বৈঠকত উত্থাপন কৰি সেই বিষয়ে সদৰী কৰি সংবাদমেলত মন্ত্ৰী বৰাই কয়, 'আন্তঃৰাজ্যিক সীমান্তত সঘনে সৃষ্টি হোৱা এই সমস্যা তৎকালীনভাৱে সমাধানৰ বাবে আজিৰ বৈঠকত মেঘালয়ৰ নংপোৰ উপায়ুক্ত আৰু অসমৰ কামৰূপ মহানগৰৰ জিলা আয়ুক্তৰ নেতৃত্বত দুয়োখন জিলাৰ অসামৰিক আৰু আৰক্ষী বিষয়াসকলক লৈ এখন স্থায়ী জিলা পৰ্যায়ৰ যৌথ সমিতি গঠনৰ সিদ্ধান্ত লোৱা হয়। ইয়াৰ উপৰি নিৰাপদ যাতায়াত ব্যৱস্থাৰ লৈও এক সিদ্ধান্ত আজিৰ বৈঠকত গ্ৰহণ কৰা হয়।' এই সন্দৰ্ভত বৰাই কয় যে অসম আৰু মেঘালয়ৰ দুয়োখন চৰকাৰে বাহনসমূহৰ নিৰাপদ আৰু সুৰক্ষিত যাতায়াত ব্যৱস্থা নিশ্চিত কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। মেঘালয়ৰ পৰা অসমৰ মাজেৰে অন্যান্য ৰাজ্যলৈ অহা বাহনৰ ক্ষেত্ৰত যিদৰে সুৰক্ষা ব্যৱস্থা লোৱা হ'ব, তেনেদৰে অসমৰ দক্ষিণ অংশৰ পৰা ৰাজ্যখনৰ অন্যান্য অঞ্চললৈ তথা বৰাক উপত্যকাৰ পৰা মেঘালয় হৈ অসমলৈ অহা যাতায়াতো এই সুৰক্ষা ব্যৱস্থাৰ অন্তৰ্ভুক্ত হ'ব। মন্ত্ৰী বৰাই কয় আন এক সিদ্ধান্ত অনুসৰি, অসম আৰু অসমৰ পৰা মেঘালয়লৈ যোৱা সকলো পৰ্যটক বাহন আৰু বাহনৰ মেঘালয়ত থকাৰ সময়ছোৱাত সুৰক্ষা নিৰাপত্তাৰ দায়িত্ব ৰাজ্যখনৰ চৰকাৰে গ্ৰহণ কৰিব। সংবাদমেলত বৰাই কয় যে এই ঘটনাত ইতিমধ্যে ৩৭৭০ খনতকৈও অধিক অসমৰ পঞ্জীয়নভুক্ত বাহন নিৰাপদে মেঘালয়ৰ পৰা অসমলৈ অনা হৈছে। এই সমস্যাৰ বাবে যি নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে তালৈ ৫৪টা জৰুৰী কল অহা হৈছে। একেদৰে মেঘালয়ৰ নিয়ন্ত্ৰণ কক্ষলৈও ৫৭৯টা জৰুৰী ফোনকল আহিছে।

### ক্ষতিপূৰণ দিব চৰকাৰে

এই সংবাদমেলতে মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰী ধৰকে ঘোষণা কৰে যে ১৯ আগষ্টত দুষ্কৃতিকাৰীয়ে ক্ষতিগ্ৰস্ত কৰা অসমৰ বাহনৰ ক্ষতিপূৰণ ৰাজ্য চৰকাৰখনে আদায় দিব। তদুপৰি আহতসকলোৰে চিকিৎসা ব্যয় বহন কৰিব। ইয়াৰ বাবে মেঘালয়ৰ মুখ্য সচিবক ক্ষয়-ক্ষতিৰ খতিয়ান ল'বলৈ নিৰ্দেশ দিয়া হৈছে বুলি উপ-মুখ্যমন্ত্ৰীজনে সদৰী কৰে। তেওঁ এইবুলিও উল্লেখ কৰে যে মেঘালয় চৰকাৰে তেওঁলোকৰ প্ৰতিজন নাগৰিকৰ প্ৰতি দায়বদ্ধ। পৰৱৰ্তী সময়ত যাতে এনে ধৰণৰ ঘটনা সংঘটিত নহয়, তাৰ বাবে চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। ধৰকে লগতে কয়, 'অসম আৰু মেঘালয় শক্তিশালী সম্পৰ্ক চুবুৰীয়া আৰু সকলো নাগৰিকৰ সুৰক্ষাৰ প্ৰতি দায়বদ্ধতাৰ প্ৰতি কৰি প্ৰয়োজনীয় ব্যৱস্থাসমূহো গঢ়ি তুলিব।' ধৰকে ১৯ আগষ্টৰ ঘটনাক লৈ যোৱাবাটত অব্যাহত থকা প্ৰতিবাদ আৰু অৱৰোধ প্ৰত্যাহাৰ কৰিবলৈ সংশ্লিষ্ট পক্ষকো আহ্বান জনায়।

# ভেদ নহ'ল অন্বেষা শইকীয়াৰ

এক পৃষ্ঠাৰ পৰা চাৰিজন অভিযুক্ত জালত পৰাৰ পাছতো ভেদ নহ'ল যোৰহাটৰ অন্বেষা শইকীয়াৰ মৃত্যুৰ ৰহস্য। ঘটনাটোৰ দুই মূল অভিযুক্ত আৰিয়ন গোস্বামী আৰু অংকিত দাসক আজি আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। দুয়োৰে আৰক্ষীৰ জিম্মাৰ ম্যাদ শেষ হোৱাত আজি দুয়োকে আৰক্ষীয়ে আদালতত হাজিৰ কৰায়। পাছত আৰক্ষীয়ে অভিযুক্তদ্বয়ক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। ইয়াৰ পূৰ্বে অন্বেষাৰ ৰহস্যজনক মৃত্যুৰ আন দুই অভিযুক্ত ক্ৰমে অৰ্পিতা কাকতি আৰু মনালিছা নাথকো আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। এনেদৰে চাৰি অভিযুক্ত জালত পৰাৰ পাছতো অন্বেষাৰ ৰহস্যজনক মৃত্যুৰ কাৰণ ফাদিল নহ'ল। আনহাতে, আজি কাৰাগাৰলৈ নিয়াৰ সময়ত ঘটনাৰ অন্যতম মূল অভিযুক্ত অংকিতে দাবী কৰে যে মৃত অন্বেষা আছিল তেওঁৰ সম্বন্ধীয় বৌৱেক। প্ৰায় দুবছৰ পূৰ্বে তেওঁৰ জেঠায়েকৰ পুত্ৰৰ স'তে অংকিতা বিবাহপাশত আবদ্ধ হৈছিল। বিয়াৰ পাছতে অন্বেষাৰ স্বামীৰ অকাল বিয়োগ ঘটে। আনহাতে, অন্বেষা ড্ৰাগছ আসক্ত হোৱাৰ বাবে স্বামী পৰিয়ালৰ লোকে সম্পৰ্ক ক্ৰমাৎ হ্ৰাস কৰি আনি নোহোৱা কৰে বুলি অংকিতে দাবী কৰে। এই সম্পৰ্কত তেওঁ আৰু কয়, 'সেইদিনা (যোৱা ১৫ আগষ্ট) মোক তাই ফোন কৰি মাতিছিল; কিন্তু ঘটনাৰ সময়ত মই দোকানলৈ গৈ আছিলো আৰু তেতিয়া সেই কোঠাত আছিল আৰিয়ান, অৰ্পিতা আৰু মনালিছা। আৰিয়ানে এটা কোঠাত মাংস ৰান্ধি আছিল।' অংকিতে তেওঁৰ বিৰুদ্ধে উত্থাপন হোৱা ড্ৰাগছ সৰবৰাহৰ অভিযোগো খণ্ডন কৰিছে। তেওঁ কেৱল ড্ৰাগছ সেৱন কৰে বুলি দাবী কৰে। অৱশ্যে তাৎপৰ্যপূৰ্ণভাৱে ড্ৰাগছ ক'ৰ পৰা সংগ্ৰহ কৰে সেই সম্পৰ্কত আৰক্ষীৰ আগত মুখ খোলাৰ পৰা এই ঘটনাৰ আন এজন মূল অভিযুক্ত আৰিয়ন গোস্বামী বিৰত থাকে বুলি সূত্ৰই জনায়। ফলত অন্বেষাৰ মৃত্যুৰ প্ৰকৃত কাৰণ পোহৰলৈ অহা নাই। তদুপৰি জালত পৰাৰ পাছত আৰিয়ান অসুস্থ হৈ যোৰহাট চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হয়। চিকিৎসাধীন অৱস্থাত তেওঁক আৰক্ষীয়ে জেৰা কৰে যদিও ঘটনাৰ বিশেষ তথ্য উদ্ধাৰ কৰিব নোৱাৰিলে।

উল্লেখ্য যে যোৱা ১৫ আগষ্টৰ নিশা যোৰহাটৰ সদৰ আৰক্ষী থানাৰ পৰা মাত্ৰ ডেৰশ মিটাৰ নিলগত দহাবৰা চুকত থকা গৌৰী এনক্লেভত সংঘটিত হৈছিল অন্বেষাৰ মৃত্যুৰ ৰহস্যজনক ঘটনাটো। ঝৰ্ণা গোস্বামী নামৰ মহিলাগৰাকীৰ পুত্ৰ আৰিয়ান গোস্বামীয়ে গৌৰী এনক্লেভৰ বি-২ ফ্লেটটোলৈ অংকিত দাস নামৰ যুৱকজনে লৈ গৈছিল অন্বেষা শইকীয়াক। ইয়াৰ পৰৱৰ্তী সময়ত বজাৰ কৰিবলৈ যোৱা অংকিত দাস অন্তৰ্ধান হৈ পৰে। ইয়াৰ পাছত ফ্লেটটোত চলিল এটা ড্ৰাগছৰ পাৰ্টি। এই পাৰ্টিৰ পাছতে অসুস্থ হৈ পৰিছিল অন্বেষা শইকীয়া। পাছত যোৰহাট মেডিকেল কলেজ হাস্পতালৈ নিয়াৰ পাছতেই মৃত্যুক আঁকোৱালি ল'লে যুৱতীগৰাকীয়ে। আৰক্ষীয়ে ক্ষিপ্ৰ গতিত অনুসন্ধান কৰি চাৰি অভিযুক্তক গ্ৰেপ্তাৰ কৰে। ইফালে ফৰেনচিক বিশেষজ্ঞ দল আহি ফ্লেটটোৰ নিৰ্দিষ্ট কোঠাটোৰ ভিতৰত উদ্ধাৰ কৰে ড্ৰাগছ, চিগাৰেট আদিকে ধৰি বিভিন্ন সামগ্ৰী। তদুপৰি বিভিন্ন সামগ্ৰীৰ নমুনা সংগ্ৰহ কৰিছে। কিন্তু চাৰিজন অভিযুক্তক জেললৈ প্ৰেৰণ কৰাৰ পাছত অন্বেষাৰ মৃত্যুৰ প্ৰকৃত কাৰণ পোহৰলৈ নাহিব।

# শ্বিলঙত ৰেপিড একচন ফ'ৰ্চৰ

এক পৃষ্ঠাৰ পৰা চৰকাৰ আৰু আৰক্ষী নিশ্চিত হ'ব পৰা নাই। সেয়েহে শ্বিলঙৰ বিভিন্ন স্থানৰ লগতে ৰাজ্যখনৰ পৰ্যটনস্থলী আৰু স্পৰ্শকাতৰ অঞ্চলত নিশাও আজি নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হয়। আজি দিনৰ ভাগতো ৰেপিড একচন ফ'ৰ্চে শ্বিলঙৰ বিভিন্ন পথত ফ্লেগ মাৰ্চ কৰে। যোৱা নিশা চেৰাপুঞ্জীত আবদ্ধ পৰ্যটকসকলক প্ৰায় অৰ্ধশতাধিক বাহনৰে কঠোৰ নিৰাপত্তাৰ মাজেৰে যোৱাবাটলৈ অনা হয়। আজি দুপৰীয়া আৰু সন্ধিয়াও আবদ্ধ পৰ্যটকৰ লগতে বিভিন্ন কামত শ্বিলঙলৈ যোৱা অসম তথা বহিঃৰাজ্যৰ লোকসকলক সুৰক্ষাৰ মাজেৰে যোৱাবাটলৈ লৈ অহা হয়।

ইপিনে, শ্বিলঙত সংঘটিত ঘটনাৰ প্ৰভাৱ গাৰো পাহাৰ জিলাক বাদ দি সমগ্ৰ মেঘালয়তে পৰিছে। সদাব্যস্ত শ্বিলং আজিও নিমাওমাও হৈ ৰয়। পুলিচ বজাৰৰ দৰে সকলো সময়তে মানুহৰে গিজগিজাই থকা অঞ্চলো আজি উদং হৈ থাকে। একেদৰে পৰ্যটকৰে ভৰি থকা এলিফেণ্ট ফল্‌ছ, মৌচিনৰাম, চেৰাপুঞ্জী, শ্বিলং পিকৰ দৰে সৰ্বাধিক জনপ্ৰিয় পৰ্যটন ক্ষেত্ৰবোৰো উদং হৈ ৰয়। বৰাপানী, শ্বিলং লেকতো পৰ্যটক পাবলৈ নাই। এই পৰিস্থিতিক লৈ উদ্বিগ্ন হৈছে মেঘালয়ৰ পৰ্যটন খণ্ডৰ লগত চৰকাৰী-বেচৰকাৰী সকলো পক্ষ। কিয়নো বাৰম্বাৰ উদ্ভৱ হৈ অহা এনে পৰিস্থিতিয়ে কেৱল পৰ্যটন অৰ্থনীতিৰ ওপৰত নিৰ্ভৰ কৰা ৰাজ্যখনৰ আগন্তুক দিনত বৃহৎ ক্ষতি কৰাৰ আশংকা প্ৰকাশ কৰিছে সংশ্লিষ্ট পক্ষসমূহে। যোৱা ১৯ আগষ্টৰ ঘটনাক লৈ সৃষ্টি হোৱা পৰিস্থিতিৰ বাবে মেঘালয়ৰ হোটেল, হোমষ্টে, ৰিজ'ৰ্ট আদিৰ ৮০ শতাংশ বুকিং পৰ্যটক তথা গ্ৰাহকে বাতিল কৰে। অথচ এই সময়ছোৱা হ'ল মেঘালয়ৰ পৰ্যটন উদ্যোগৰ বাবে সৰ্বাধিক চাহিদা থকা সময়।

ইপিনে, কালিৰ পৰা মেঘালয়ত ইন্ধনৰ যোগানো হ্ৰাস হয়। অসমৰ পেট্ৰ'লিয়াম মজদুৰ ইউনিয়নে চালকৰ নিৰাপত্তা নিশ্চিত নোহোৱালৈ মেঘালয়লৈ ইন্ধন পৰিবহণ নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। আনকি মেঘালয়ৰ ডিপ'ক ইন্ধন যোগান নধৰাৰো সিদ্ধান্ত লোৱা হয়। ইয়াৰ ফলত নুমলীগড়ত মেঘালয়লৈ ইন্ধন কঢ়িওৱা টেংকাৰৰ কে'বা কিলোমিটাৰ দীঘল শাৰীৰ সৃষ্টি হয়। ইয়াৰ পৰিণামস্বৰূপে কালিৰ বিয়লিৰ পৰা মেঘালয়ৰ প্ৰতিটো তেল ডিপ'ত গ্ৰাহকৰ অভাৱনীয় ভিৰ বাঢ়ে।

ইপিনে, আজি অসম আৰু মেঘালয় চৰকাৰৰ মাজত গুৱাহাটীত অনুষ্ঠিত যৌথ বৈঠকৰ পাছতে অসমৰ চালকে প্ৰতিবাদী কাৰ্যসূচী প্ৰত্যাহাৰ কৰা আৰু তাৰ ফলত শীঘ্ৰে জীৱন যাত্ৰা পুনৰ স্বাভাৱিক হ'ব বুলি আশা প্ৰকাশ কৰে মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই। নিজৰ সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীজনে উল্লেখ কৰে যে আজিৰ বৈঠকখনত স্বাভাৱিক জীৱনযাত্ৰা তৎকালীনভাৱে পুনৰ ঘূৰাই অনাত গুৰুত্ব প্ৰদান কৰা হয়। সেই মতে বৈঠকৰ সামৰণি পৰে। চাংমাই কয়, 'আমাৰ নাগৰিকৰ সুৰক্ষা ক্ষিপ্ৰতাৰে নিশ্চিত কৰাই হ'ল আমাৰ অগ্ৰাধিকাৰ। একে সময়তে যাৰ বাবে এই অনাকাংক্ষিত পৰিস্থিতিৰ সৃষ্টি হয়, সেইসকলক চিনাক্ত কৰি আইন অনুসৰি ব্যৱস্থা লোৱা হ'ব। আমাৰ দুয়োখন ৰাজ্যৰ মাজত ঘনিষ্ঠ সমন্বয় ৰক্ষা কৰিবলৈ আমি দায়বদ্ধ। অসম আৰু মেঘালয়ৰ ৰাইজৰ মাজত শক্তিশালী বান্ধোন সুৰক্ষিত ৰখা আমাৰ দায়িত্ব।' চাংমাই অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী অতুল বৰাকো ধন্যবাদ জনায়।

# আইফোনৰ আসক্তিয়ে ধাৰত

এক পৃষ্ঠাৰ পৰা কিন্তু কল্পনা কৰকচোন আপোনাতকৈ বহু গুণে কম আয় কৰা বা কোনোমতে জীৱন নিৰ্বাহ কৰি থকা কোনো পৰিয়ালৰ এজনে যদি এটা বিলাসী আইফোন ক্ৰয় কৰিবলৈ বিচাৰে তেতিয়া কেনে পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে? এনে এজন লোকে ধাৰ-ঋণ কৰি এটা আইফোন ক্ৰয় কৰিলেও পৰিয়ালটোৰ মূৰত বৃহৎ ধাৰৰ বোজা পৰাটো নিশ্চিত। ইতিমধ্যে অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে দৰিদ্ৰ আৰু মধ্যবিত্ত পৰিয়ালসমূহক জুৰুলা কৰিছে। এনে অৱস্থাতে বহুজাতিক কোম্পানীসমূহে ভাৰতৰ বজাৰতো মেলি দিয়া চৌখিন বা বিলাসী সামগ্ৰীৰ মোহত বন্দী হৈছে অনেক। এনে সামগ্ৰী ক্ৰয় কৰিবলৈ বহুতে ধাৰ-ঋণ কৰি দুশ্চিন্তাৰ বোজা মূৰত জাপি লৈছে। কালি মাথোঁ এটা আইফোনৰ বাবেই মহাৰাষ্ট্ৰৰ এটা তিনিজনীয়া পৰিয়াল নিঃশেষ হোৱাত সম্প্ৰতি ভাৰতৰ দৰে নিম্নবিত্ত দেশতো একপ্ৰকাৰ অপ্ৰয়োজনীয় বিলাসী সামগ্ৰীয়ে কেনেদৰে কোটি কোটি লোকক মোহান্ধ কৰিছে সেই কথা ব্যাপকভাৱে চৰ্চিত হৈছে। উল্লেখ্য যে এক সমীক্ষা অনুসৰি ১৪০ কোটি জনসংখ্যাৰ দেশ ভাৰতত পাঁচ কোটিতকৈও কম পৰিয়ালৰহে মাহিলি আয় ৭৫ হেজাৰ টকা। অথচ এটা আইফোনৰ প্ৰাৰম্ভিক মূল্যই হৈছে ৭৫ হেজাৰ টকা। তৎসত্ত্বেও ভাৰতত আইফোনৰ বজাৰ বিশাল। ধাৰ-ঋণ কৰিও বহুতে মনৰ চখ পূৰাবলৈ আইফোন ক্ৰয় কৰিছে। এই সম্পৰ্কত কাউণ্টাৰ পইণ্ট ৰিছাৰ্চ নামৰ স্বতন্ত্ৰ বজাৰ গৱেষণাকাৰী সংস্থাৰ মতে ভাৰতৰ আইফোন ক্ৰেতাসকলৰ কমেও ৪২ শতাংশই ইএমআইত এনে বিলাসী ফোন ক্ৰয় কৰিছে। অথচ আইফোনতকৈ বহু গুণে কম দামৰ স্মাৰ্টফোনৰ জৰিয়তেও সুকলমে প্ৰয়োজনীয় কাম-কাজ সম্পাদন কৰিব পাৰি। উক্ত সংস্থাৰ মতে ধাৰ-ঋণ কৰি একোটা বিলাসী স্মাৰ্টফোন ক্ৰয় কৰাটো ভাৰতত এক সাধাৰণ ঘটনাত পৰিণত হ'বলৈ ধৰিছে। কেৱল বৃহৎ মহানগৰসমূহতে নহয়, সৰু-সুৰা নগৰ-চহৰ তথা গ্ৰামাঞ্চলসমূহতো এনে আইফোন ক্ৰেতাৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাবলৈ ধৰিছে। লক্ষ্যণীয়ভাৱে আইফোনৰ এনে চাহিদা প্ৰত্যক্ষ কৰি স্মাৰ্টফোন উদ্যোগসমূহেও ইএমআইত স্মাৰ্টফোন বিক্ৰী আৰম্ভ কৰিছে। গুৱাহাটীৰ লেখীয়া মহানগৰসমূহতো ইএমআইত বৃহৎ হাৰত স্মাৰ্টফোন বিক্ৰী হ'বলৈ ধৰিছে। আনকি এই ক্ষেত্ৰত এনে মহানগৰসমূহে বৃহৎ মহানগৰসমূহক চেৰ পেলাইছে।

উল্লেখ্য যে এটা আইফোনৰ বাবেই মহাৰাষ্ট্ৰৰ ছত্ৰাজিনগৰ জিলাৰ যিটো তিনিজনীয়া পৰিয়াল কালি নিঃশেষ হ'ল সেই পৰিয়ালৰ মুৰব্বীজন সাধাৰণ গাড়ীচালক আছিল। তেওঁৰ ১৯ বছৰীয়া পুত্ৰই এটা বিলাসী আইফোন ক্ৰয় কৰি দিবলৈ পিতৃক তাগিদা দি আছিল। আৰ্থিকভাৱে দুৰ্বল পিতৃয়ে পুত্ৰৰ আবদাৰ পূৰণত অসমৰ্থ হোৱাৰ বাবেই পুত্ৰই পাহাৰৰ ওপৰৰ পৰা জঁপিয়াই আত্মহত্যা কৰে। পুত্ৰক বচাবলৈ গৈ দৰিদ্ৰ গাড়ীচালকজনেও পাহাৰৰ ওপৰৰ পৰা পৰি মৃত্যুক সাৱটি লয়। এই দৃশ্য প্ৰত্যক্ষ কৰি থকা তেওঁৰ পত্নীয়েও স্বামী-পুত্ৰৰ মৃত্যু নিশ্চিত অনুভৱ কৰি পাহাৰৰ তললৈ জাঁপ দি আত্মহত্যা কৰে। বহু লোকৰ সন্মুখতে এই শিহৰণকাৰী ঘটনা সংঘটিত হয়। ইয়াৰ লগে লগে চৰ্চা হৈছে কিদৰে ভাৰতৰ লেখীয়া নিম্নবিত্তৰ দেশত বহুজাতিক প্ৰতিষ্ঠানৰ বিলাসী সামগ্ৰী কেনেদৰে একাংশক মোহান্ধ কৰিছে। অৱশ্যে ইয়াৰ বাবে দায়ী কোন সেয়া নিশ্চিত কৰাটোও সহজ নহয়। বহুতে সম্ভৱতঃ পৰিৱৰ্তিত সময়ক দোষাৰোপ কৰিব। লক্ষ্যণীয়ভাৱে বিগত শতিকাৰ ৯০ দশকৰ আৰ্থিক উদাৰীকৰণৰ পাছৰ পৰাই ভাৰতৰ বজাৰতো বিদেশী বহুজাতিক কোম্পানীৰ বিলাসী পণ্য উপচি পৰিবলৈ ধৰে। ইয়াৰে শেহতীয়া সংযোজন হ'ল আইফোনৰ লেখীয়া বিলাসী ফোন।

# ভূমি অধিকাৰ কৰ্মী প্ৰণৱ দলেক শীঘ্ৰে

এক পৃষ্ঠাৰ পৰা বিৰোধিতা তথা শীঘ্ৰে মোকলাই দিয়াৰ দাবীত আজি ইয়াৰ চচলত বৃহৎ প্ৰতিবাদ সাব্যস্ত কৰা হয়। ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতিৰ উদ্যোগত আৰু ৰাজ্যৰ কে'বাটাও বিৰোধী দলৰ সহযোগত শতাধিক লোকৰ অংশগ্ৰহণৰে ৰূপায়িত এই প্ৰতিবাদত প্ৰণৱ দলেক মুক্তি দিয়া আৰু অসমৰ চৰকাৰী ভূমি চৰকাৰে কৌশলৰে পুঁজিপতিক হস্তান্তৰ কৰিব বিচৰা অভিযোগৰে প্ৰতিবাদকাৰীসকলে বিভিন্ন শ্ল'গান দিয়ে। তদুপৰি ছেটেলাইট টাউনশ্বীপ আইন বাতিল কৰা, অসমৰ খিলঞ্জীয়া লোকৰ ভূমি অধিকাৰ সুৰক্ষিত কৰা, এনএছএৰ অপব্যৱহাৰ বন্ধ কৰা আদি বিষয়ক লৈ প্লেকাৰ্ডো প্ৰদৰ্শন কৰা হয়। উল্লেখ্য যে কাজিৰঙাৰ সমীপৰ ইংলে পথাৰত খিলঞ্জীয়া লোকৰ ভূমি কাঢ়ি বিলাসী ৰিজ'ৰ্ট স্থাপনৰ বাবে গ্ৰহণ কৰা প্ৰস্তাৱৰ তীব্ৰ বিৰোধিতা কৰিছিল প্ৰণৱ দলে। ইয়াকে লৈ তেওঁ প্ৰৱল জনমতো গঢ়ি তুলিবলৈ সক্ষম হয়। অভিযোগ অনুসৰি এই কাৰণতে দলেক যোৱা ১২ জুলাইত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ২৯ জুলাইত দলে জামিন লাভ কৰে যদিও অসম চৰকাৰে তেওঁৰ বিৰুদ্ধে এনএছএ প্ৰয়োগ কৰে। এই প্ৰতিবাদত ভাষণ প্ৰদান কৰি ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতিৰ আহ্বায়ক সুব্ৰত তালুকদাৰে প্ৰণৱ দলেক নিঃচৰ্তভাৱে মুক্তি দিয়াৰ দাবী জনায়। ভূমিৰ অধিকাৰ বিচাৰি সংগ্ৰাম কৰা লোকৰ বিৰুদ্ধে এনএছএ প্ৰয়োগ কৰাটো দুৰ্ভাগ্যজনক বুলি তালুকদাৰে কয়। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে দলেৰ গ্ৰেপ্তাৰক দুৰ্ভাগ্যজনক বুলি মন্তব্য কৰি এয়া সংবিধান উলংঘা আৰু গণতান্ত্ৰিক অধিকাৰ হৰণ কাৰ্য বুলি অভিহিত কৰে। গগৈয়ে অসম চৰকাৰৰ উপগ্ৰহীয় নগৰ আইনখনৰো বাতিলৰ দাবী জনায়। ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে বৰ্তমানৰ চৰকাৰে দুৰ্বল আৰু মাটিৰ অধিকাৰ বিচাৰি যুঁজ দিয়া লোকক সদায় লক্ষ্য কৰি লোৱা বুলি কয়। দলেক গ্ৰেপ্তাৰৰ জৰিয়তে ভূমিৰ অধিকাৰ বিচৰা আন্দোলনক চৰকাৰে দুৰ্বল কৰাৰ ষড়যন্ত্ৰ ৰচা বুলিও কয়। চিপিএমৰ অসম ৰাজ্যিক সমিতিৰ সম্পাদক সুপ্ৰকাশ তালুকদাৰে বিজেপি চৰকাৰৰ দিনত সাধাৰণ লোকৰ গণতান্ত্ৰিক অধিকাৰ কাঢ়ি লোৱা হৈছে বুলি মন্তব্য কৰে।

# সাৱধান! ২০২৭ ইতিহাসতে সবাতোকৈ

এক পৃষ্ঠাৰ পৰা নোহোৱা বা পৰিমাণ হ্ৰাসৰ অন্যতম কাৰণৰূপে চিহ্নিত হৈছে প্ৰশান্ত মহাসাগৰৰ এল নিনো। এই এল নিনোৰ প্ৰভাৱতে ভাৰতকে ধৰি দক্ষিণ এছিয়াৰ বিভিন্ন ঠাইত বৰ্ষাৰ দিনবোৰত বৰষুণৰ ঘাটিয়ে দেখা দিছে। অৱশ্যে কেৱল ভাৰত বা দক্ষিণ এছিয়াতে নহয়, সমগ্ৰ বিশ্বতে এল নিনোৱে বতৰৰ ওপৰত প্ৰভাৱ পেলাইছে। আনকি এল নিনোৰ এই প্ৰভাৱৰ ফলত অহা ২০২৭ৰ বছৰটো ইতিহাসৰে সবাতোকৈ গৰম বছৰ হোৱাৰ আশংকা কৰিছে বিজ্ঞানীসকলে। প্ৰায় এল নিনোৰ স'তে দুৰ্বল মৌচুমী বতাহৰ সম্পৰ্ক থাকে। উল্লেখ্য যে এল নিনো হৈছে বিষুৱীয় প্ৰশান্ত মহাসাগৰৰ মধ্য আৰু কেন্দ্ৰীয় অঞ্চলৰ জলপৃষ্ঠ স্বাভাৱিকতকৈ অধিক গৰম হোৱা। ইয়ে সমগ্ৰ বিশ্বৰ বতৰৰ ওপৰত প্ৰভাৱ পেলাইছে। এল নিনোৰ প্ৰভাৱ সম্পৰ্কত ব্ৰিটেইনৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী অধ্যাপক আদম স্কেইফে কয়, 'আমাৰ ধাৰণা স্পষ্ট হোৱা উচিত যে এয়া হৈছে এক অভূতপূৰ্ব ঘটনা। মই কেতিয়াও এনে গভীৰ এল নিনো দেখা নাছিলো।' এই এল নিনোৰ ফলত অহা বছৰটো ইতিহাসৰে সবাতোকৈ গৰম বছৰ হ'ব বুলিও বিজ্ঞানীজনে সতৰ্ক কৰি দিছে। বিজ্ঞানীসকলৰ মতে প্ৰশান্ত মহাসাগৰ বাণিজ্যিক বতাহ দুৰ্বল বা বিপৰীতমুখী হ'লে গৰম পানী পূবমুৱাকৈ প্ৰভাৱিত হ'বলৈ ধৰিলেই এল নিনোৰ উদ্ভৱ হয়। সম্প্ৰতি প্ৰশান্ত মহাসাগৰৰ এল নিনোৰ উৎপত্তিস্থলত উষ্ণতা স্বাভাৱিকতকৈ দুই ডিগ্ৰী চেলচিয়াছ অধিক হৈ আছে। ব্ৰিটিছ বতৰ বিজ্ঞান কেন্দ্ৰৰ মতে চলিত বৰ্ষৰ অন্তিমফালে এই উষ্ণতা তিনি ডিগ্ৰী চেলচিয়াছলৈ বৃদ্ধি পাব পাৰে। এনে পৰিৱেশ ১৯৫০ৰ পাছত এইবাৰ প্ৰথমবাৰৰ বাবে উদ্ভৱ হৈছে।

এল নিনোৰ ফলত ভাৰত তথা দক্ষিণ এছিয়াত বৰ্ষাকালত বৰষুণৰ ঘাটিয়ে দেখা দিয়ে। চলিত বাৰিষাত কি ঘটিল সেয়া সকলোৰে চকুৰ সন্মুখত। অৰ্থাৎ দেশৰ প্ৰান্তে প্ৰান্তে এইবাৰৰ বাৰিষাত বৰষুণৰ ঘাটি হয়। অৱশ্যে বাৰিষা ভাৰতত বৰষুণৰ ঘাটিৰ বাবে কেৱল এল নিনোক জগৰীয়া কৰিব নোৱাৰি। ইয়াৰ আন বহু কাৰণো আছে। এনে কাৰকৰ অন্যতম হৈছে মানৱসৃষ্ট জলবায়ু পৰিৱৰ্তন। ইতিমধ্যে প্ৰশান্ত মহাসাগৰৰ কেতবোৰ স্থানত প্ৰায় এশ মিটাৰ গভীৰতাত উষ্ণতা স্বাভাৱিকতকৈ আঠ ডিগ্ৰী চেলচিয়াছ বৃদ্ধি পাইছে। ইয়ে আগন্তুক মাহবোৰত এল নিনো অধিক প্ৰবল কৰি তোলাৰ আশংকা আছে। কাৰণ সাগৰৰ পানীৰ তলৰ এই উষ্ণতা বৃদ্ধিৰ ফলত উত্তাপৰ এক বৃহৎ চৌবাচ্চাৰ সৃষ্টি হৈছে। গতিকে অহা বছৰটোৰ অত্যধিক গৰম সহ্য কৰিবলৈ প্ৰস্তুতি চলোৱাৰ সময় সমাগত হ'ল বুলি বতৰ বিজ্ঞানীসকলে মন্তব্য কৰিছে।

# ইথানলযুক্ত পেট্ৰ'ল উৎপাদনৰ বাবে

এক পৃষ্ঠাৰ পৰা মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ, কৰ্ণাটক।

এই মূল্যবৃদ্ধিৰ স'তে এতিয়া ইথানল বিতৰ্কয়ো দেশত তোলপাৰ লগাইছে। ইৰান আৰু ৰাছিয়াৰ যুদ্ধৰ পৰিস্থিতিত পেট্ৰ'লত ২০ শতাংশ পৰ্যন্ত ইথানল মিহলি কৰাৰ অনুমতি দিছে কেন্দ্ৰীয় চৰকাৰে। ইয়াৰ ফলত গাড়ীৰ ক্ষতিসাধন হোৱা বুলি অভিযোগ আছে। ইয়াৰ প্ৰভাৱ মানুহৰ পাকঘৰতো পৰিছে।

ইথানল প্ৰস্তুত কৰিবলৈ চেনিৰ প্ৰয়োজন। ব্যৱসায়ীসকলৰ মতে চলিত বৰ্ষত ৩২ লাখ মেট্ৰিক্টন চেনি ইথানল বনাওতে ব্যৱহাৰ কৰা হৈছে। কংগ্ৰেছৰ অভিযোগ অনুসৰি পেট্ৰ'লত ইথানল মিলাবলৈ গৈ দেশৰ খাদ্য সুৰক্ষাৰ স'তে কেন্দ্ৰই আপোচ কৰিছে। ইপিনে, কেন্দ্ৰীয় চৰকাৰৰ মতে চেনিৰ মূল্যবৃদ্ধিৰ স'তে ই-২০ পেট্ৰ'ল প্ৰস্তুতৰ কোনো সম্পৰ্ক নাই। খাদ্য মন্ত্ৰণালয়ৰ বিবৃতি অনুসৰি ইথানল ব্যৱহাৰত চেনিৰ ব্যৱহাৰ লাহে লাহে কমোৱা হৈছে। ২০২২-২৩ত ১২ শতাংশ চেনি ব্যৱহাৰ কৰা হয় ইথানল প্ৰস্তুতত। ২০২৫-২৬ত ই ন শতাংশলৈ হ্ৰাস পায়। তদুপৰি তিনি চতুৰ্থাংশ ইথানল প্ৰস্তুত কৰা হয় মাকৈৰ দৰে শস্যৰ পৰা। কিন্তু এটা দশকৰ অধিক সময়ৰ পাছত বিদেশৰ পৰা চেনি আমদানিৰ অনুমতি দিছে কেন্দ্ৰীয় চৰকাৰে। ৩১ অক্টোবৰ পৰ্যন্ত ১০ লাখ টন চেনি আমদানি কৰা হ'ব। ইয়াৰ বাবে কোনো শুল্ক আদায় দিব নালাগে। এই প্ৰসংগতে একাংশই চেনিৰ পাইকাৰী ব্যৱসায়ে প্ৰশ্ন কৰে যে ছমাহৰ পূৰ্বে সাত লাখ মেট্ৰিকন লৈ চেনি কিয় ৰপ্তানি কৰিবলৈ দিয়া হ'ল। চলিত বৰ্ষত কুঁহিয়াৰৰ খেতি যে কম হ'ব সেই বিষয়ে চৰকাৰৰ খবৰ নাছিল নেকি?

অক্টোবৰৰ পৰা জুনলৈ চেনি উৎপাদন হয়। ২০২৫-২৬ত দেশত চেনি উৎপাদন হৈছে দুই কোটি ৭৩ লাখ মেট্ৰিকটন। তাৰ পূৰ্বৱৰ্তী বৰ্ষত হৈছিল দুই কোটি ৯৩ লাখ মেট্ৰিকটন। এবছৰত ২০ লক্ষ মেট্ৰিকটন উৎপাদন হ্ৰাস পাইছে। দেশত চেনিৰ চাহিদা আৰু যোগানৰ হিচাপ প্ৰতি বছৰে চেনি উদ্যোগীয়ে চৰকাৰক যোগান ধৰে। বৰষুণ কিমান হ'ব আৰু ক'ত কেনে ধৰণৰ খেতি হ'ব সেই সম্পৰ্কীয় তথ্য উপগ্ৰহীয় চিত্ৰ বিশ্লেষণ কৰি চৰকাৰে উমান লয়। চলিত বৰ্ষত এলনিনোৰ প্ৰভাৱত কুঁহিয়াৰ উৎপাদন হ্ৰাস পাব বুলি চৰকাৰে অৱগত আৰু এতিয়া চেনি আমদানি কৰিও সংকট মোচন কৰাটো জটিল হ'ব বুলি চেনি ব্যৱসায়ীসকলে ধাৰণা কৰে। উল্লেখ্য যে মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ, কৰ্ণাটকৰ পৰা কলকাতাৰ দানকুনি ৰেল য়াৰ্ডলৈ অহা চেনি উত্তৰ-পূৱ ভাৰতলৈ আহে। একেদৰে শিলিগুৰিৰ পৰা অসমলৈ আহে চেনি। পাকঘৰত ব্যৱহৃত চেনি মূলতঃ তিনি ধৰণৰ। মোটা দানাৰ 'এম৩০ ডমেষ্টিক' চেনি উচ্চজাতৰ। চেনিকলত ইয়াৰ মূল্য এতিয়া প্ৰতি কুইণ্টিলত ৬,৪৫০ টকা। তাতকৈ সৰু দানাৰ 'এছএছ' চেনিৰ মূল্য ৬,৩৫০ টকা। একেবাৰে সৰু দানাৰ 'এছ ৩০' চেনিৰ মূল্য সকলোতকৈ কম। ৬,২৭০ৰ পৰা ৬,৩১০ টকা মূল্য প্ৰতি কুইণ্টলত। মিঠাইৰ দোকানত প্ৰয়োজনীয় চেনিৰ জাত আকৌ ভিন্ন। ইয়াত মূলতঃ দুই ধৰণৰ চেনি ব্যৱহাৰ হয়। সেয়া হৈছে 'এল-৩০' আৰু 'এম-৩০'। প্ৰথমবিধ চেনিৰ দাম কুইণ্টলত ৬,৬৫০ৰ পৰা ৬,৬৭০ টকা। দ্বিতীয় জাতৰ মূল্য ৬,০৫০ টকাৰ পৰা ৬,৬০০ টকা। এই মূল্য হৈছে চেনি কলৰ। ইয়াৰ স'তে জিএছটি, পৰিবহণ ব্যয় আৰু লাভৰ অংশ আছে। ডিলাৰ, ছাব-ডিলাৰ, পাইকাৰী দোকানী, খুচুৰা ব্যৱসায়ী সকলোৰে চাহিদা পূৰণ কৰি পাকঘৰলৈ অহা চেনিৰ মূল্য ৭০ টকা প্ৰতিকিলোত হৈছে। সম্প্ৰতি এই পৰিস্থিতিত মিঠাইৰ দাম বৃদ্ধি পাইছে। সন্মুখত আৰম্ভ হ'ব দুৰ্গা পূজাকে ধৰি উৎসৱৰ বতৰ। এই বতৰত স্বাভাৱিকতে মিঠাইৰ মূল্য অধিক বৃদ্ধি পাব বুলিও শংকা আছে।

# আমাক আমনি নকৰিব আমাৰ সময় নাই

এক পৃষ্ঠাৰ পৰা তেওঁলোকৰ দাবী ন্যায় প্ৰদানৰ গাফিলতিৰ বিৰুদ্ধেহে। আজি-কালি সমাজৰ বিতৃষ্ণা আৰু প্ৰতিষ্ঠানবিৰোধী মনোভাবৰ বৃদ্ধি ঘটিছে। কিয় ঘটিছে, সেয়া এক দীঘল আৰু বিস্তৃত বিষয়। আজি-কালি পৰিয়ালবোৰৰ কাঠামো ভাঙি-ছিঙি গৈছে। পিতা-পুত্ৰৰ মাজৰ সম্পৰ্কবোৰো অদৃশ্য। পিতৃ-মাতৃৰ লগত সন্তানৰ মৰম-চেনেহৰ এনাজৰীডালো ছিগিছে। পুত্ৰসকলে পিতৃ-মাতৃক এৰি নিজাববীয়াকৈ বসবাস কৰিবলৈ আৰম্ভ কৰিছে। প্ৰয়োজন হ'লে পুত্ৰই পিতৃৰ বাসগৃহৰ লগতে পৈতৃক সা-সম্পত্তিখিনিও বিক্ৰী কৰি নগৰ-চহৰৰ এটি ফ্লেট কিনিছে, এখন গাড়ী কিনিছে। তেনে অৱস্থাত পিতৃ-মাতৃয়ে পুত্ৰ-বোৱাৰীৰ সংগ ত্যাগী বৃদ্ধাশ্ৰমত থকাটোকেই নিৰাপদ বুলি ভাবিবলৈ আৰম্ভ কৰিছে।

আজি-কালি বিভিন্ন কথা-কামত অসন্তুষ্ট হৈ বিভিন্ন ব্যক্তি আৰু নৱগঠিত সংগঠনে ন্যায়ালয়ত 'ৰিট আবেদন' দাখিল কৰিছে। তেনে 'ৰিট' আবেদনৰ শুনানি কেতিয়া হ'ব, কিমান দিনৰ বা বছৰৰ প্ৰয়োজন হ'ব কোনেও নাজানে। একোটা সাধাৰণ গোচৰ নিষ্পত্তি হ'বলৈ এবছৰ, দুবছৰ নহয়, ২০-২৫ বছৰো লাগিব পাৰে। সেইদিনাখন এটা গোচৰ নিষ্পত্তি হ'বলৈ প্ৰায় ৭৫ বছৰ লগা বুলি বাতৰি কাকতত প্ৰকাশ পাইছে।

আদালতৰ কথা বাৰু এৰিলো। আৰক্ষী থানাবোৰৰ কথালৈ আহো। আৰক্ষী থানাবোৰত হেজাৰ হেজাৰ গোচৰৰ দ'ম। সেই গোচৰবোৰ নিষ্পত্তি হ'বলৈ কিমান সময়ৰ প্ৰয়োজন কোনেও নাজানে। আৰক্ষী বিষয়াবোৰ বদলি হ'ব। নতুন আৰক্ষী বিষয়া আহিব। তেওঁৰ দিনত আকৌ অনেক নতুন গোচৰ আহিব। গতিকে ন্যায়প্ৰাপ্তিৰ কথাবোৰ এতিয়া অনিশ্চিত হৈ পৰিছে। ন্যায় পাবও পাৰে, নাপাবও পাৰে।

এনে প্ৰেক্ষিতত এগৰাকী ন্যায়াধীশৰ হাতত সময়ৰ যে অভাৱ, সেই সত্যক মানি ল'বই লাগিব। য'ত লাখ লাখ গোচৰ অমীমাংসিত অৱস্থাত পৰি আছে, তাত নতুন গোচৰ এটা ৰুজু কৰাৰ ক্ষেত্ৰত এগৰাকী ন্যায়াধীশে আমনি পাবও পাৰে।

কথাবোৰ আইন-আদালত বা আৰক্ষী থানাৰ ক্ষেত্ৰতেই সীমাবদ্ধ হৈ থকা নাই। যিকোনো চৰকাৰী কাৰ্যালয়তেই মানুহৰ ভিৰ। জিলা কমিছনাৰৰ কাৰ্যালয়ত ভিৰ। ময়ো তেনেবোৰ কাৰ্যালয়ৰ পৰা ভিৰ-খেদাখোৱা লোক।

এনে ভিৰৰ বিপক্ষে অনেক আমনিদায়ক কথা ক'ব পাৰি। এতিয়া ভাৰতবৰ্ষৰ এটাই সমস্যা— ভিৰৰ সমস্যা। গাড়ীৰ ভিৰ, মানুহৰ ভিৰ, আইন-আদালতত ভিৰ, মঠ-মন্দিৰত ভিৰ, চাকৰি প্ৰাৰ্থীৰ ভিৰ, স্কুল-কলেজত নামভৰ্তি কৰিব খোজা ছাত্ৰ-ছাত্ৰীৰ ভিৰ, বজাৰত ভিৰ, ৰেল-মটৰত ভিৰ, সকলোতে ভিৰ। তেনে অৱস্থাত এজন বিষয়াই ক'ব পাৰে— 'আমাক আমনি নকৰিব, আমাৰ সময় নাই।'

কেৱল সেয়াই নহয়, মন্ত্ৰী-বিধায়ক হৈ 'দেশ-সেৱা' কৰাৰ বাবে ওলাই অহা লোকৰ ভিৰ। এনেবোৰ কথা বিশ্বৰ আন আন দেশতো আছে যদিও তাৰ কলেবৰ ক্ষীণ।

এনে প্ৰেক্ষিতত কোনো বিভাগেই ৰাইজৰ সৰ্বাংগীণ বিকাশৰ কথা ভাবিব নোৱাৰে। সৎ ব্যক্তি সমাজ জীৱনৰ পৰা, ৰাজহুৱা জীৱনৰ পৰা দ্ৰুতগতিৰে অদৃশ্য হ'বলৈ আৰম্ভ কৰিছে। নিজৰ সন্তান যদি এশ শতাংশ সৎ হয় পিতৃ-মাতৃৰ বিষণ্ণতা বৃদ্ধি পায়। তেওঁলোকে ভাবে, তেওঁলোকৰ সন্তানে এইখন দেশত, এইখন সমাজত সুস্থভাৱে জীয়াই থাকিব নোৱাৰিব।

এটা সঁচা ঘটনাৰ কথা কওঁ। দেউতাক অসুস্থ। ঔষধৰ প্ৰয়োজন। ঔষধৰ দাম বহুত; কিন্তু পুতেকে দেউতাকৰ বাবে ঔষধ যোগাৰ কৰিবই লাগিব। তেতিয়া পুত্ৰই সস্তীয়া ঔষধৰ টেবলেট কেইটামান আনি দেউতাকক খাবলৈ দিলে। পাছত ওচৰতে বসবাস কৰা চিকিৎসক প্ৰতিৱেশী এগৰাকীয়ে বেমাৰী ব্যক্তিগৰাকীৰ খবৰ ল'বলৈ আহিল। শয্যাশায়ী ব্যক্তিগৰাকীয়ে পুতেকে অনা ঔষধখিনি চিকিৎসক প্ৰতিৱেশীগৰাকীক দেখুৱালে। প্ৰতিৱেশীগৰাকীৰ মুখত হাঁহি বিৰিঙি উঠিল। তেওঁ ক'লে, 'এয়াতো প্ৰেছক্ৰিপছনত লিখা ঔষধটো নহয়। এয়াচোন সস্তীয়া ভিটামিন টেবলেট'।

তেতিয়া শয্যাশায়ী দেউতাকৰ মুখতো হাঁহি বিৰিঙিল। এয়া তেওঁৰ আনন্দৰ হাঁহি, দুখৰ হাঁহি নহয়। তেওঁ প্ৰতিৱেশী চিকিৎসকগৰাকীলৈ চাই ক'লে, 'আজি মই সকাহ পাইছো। মোৰ ল'ৰাই এইখন পৃথিৱীত সুন্দৰকৈ জীয়াই থাকিব পাৰিব। নিজৰ শয্যাশায়ী দেউতাকক প্ৰতাৰণা কৰিব পৰা সন্তানে যে এই পৃথিৱীত সসন্মানেৰে জীয়াই থাকিব পাৰিব, সেইটো ভাবি মই আনন্দ পাইছো।'

এই কথা শুনি প্ৰতিৱেশী চিকিৎসকগৰাকী বাক্‌ৰুদ্ধ হ'ল। শয্যাশায়ীয়ে তেনে কথা ক'ব নালাগিছিল যদিও তেওঁ কিন্তু নগ্ন বাস্তৱৰ কথাই কৈছে।

এতিয়া সমাজৰ চৌদিশেই প্ৰতাৰণা, বঞ্চনা। প্ৰতিজনেই একোখন মুখা পিন্ধি আত্মপ্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছে। সমাজ জীৱনৰ পৰা অনেক প্ৰমূল্য অদৃশ্য হৈ পৰিছে। এখন দীঘলীয়া তালিকা হ'ব। এতেকে চমুৱাইছো।

প্ৰকৃত সমস্যা হ'ল, এনে প্ৰেক্ষিতত আমাৰ মনৰ পৰা প্ৰমূল্যবোধৰ প্ৰতিও আস্থা নোহোৱা হৈছে। অনুষ্ঠান-প্ৰতিষ্ঠানবোৰৰ প্ৰতিও আস্থা নোহোৱা হৈছে। শিক্ষা ব্যৱস্থাৰ প্ৰতিও আস্থা নোহোৱা হৈছে। পৰীক্ষাৰ ক্ষেত্ৰতো দুৰ্নীতি-দুষ্কৃতি। ভোটদানৰ ক্ষেত্ৰতো দুৰ্নীতি-দুষ্কৃতি। অৰ্থাৎ জনগণৰ মনৰ পৰা, বিশেষকৈ যুৱ সমাজৰ মনৰ পৰা প্ৰতিষ্ঠিত প্ৰমূল্যবোধৰ প্ৰতি আস্থা হেৰাইছে। সেইবাবেই এগৰাকী সাংবিধানিক ন্যায়ৰক্ষকে ক'বলগীয়া হৈছে— 'আমাক আমনি নকৰিব, আপোনালোকেও নিজৰ সময় নষ্ট নকৰিব...'

আমাৰ পাঠক সমাজৰ বাবে আৰু নতুন নেৰেটিভ নিশ্চয় প্ৰয়োজন নহ'ব। সত্যৰ দীঘল পথতো সফল সমাপ্তি ঘটে। একেদৰে অসত্যৰ পথবোৰো ন ন ৰূপত আৰম্ভ হয়। পিছে দুয়োটা পথেই নিজৰ দৈৰ্ঘ্য অতিক্ৰমণৰ মাজত শূন্যত বিলীন হয়।

ফোন : ৯৮৫৪০৫০৯৪৭

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২৩ আগষ্ট, দেওবাৰ, ২০২৬ পৃষ্ঠা ১১

# ব্ৰেকফাষ্টত বিপদ খাইছে!



অনিয়মিত জীৱন যাপন আৰু অনিয়ন্ত্ৰিত খাদ্যাভ্যাসৰ কাৰণে মেদবহুলতা, মধুমেহ, উচ্চ ৰক্তচাপৰ দৰে ৰোগে শৰীৰত বাহ লয়। সেইবাবেই চিকিৎসকে খোৱাবোৱাত নিয়ন্ত্ৰণৰ পৰামৰ্শ দিয়ে। পুষ্টিবিদ আৰু ডায়েটেছিয়ানসকলেও সেয়ে কেতিয়া কি খাদ্য খাইছে, কিমান সময়ৰ বিৰতিত খাদ্য খাইছে, এইবোৰ বিষয়ত অধিক গুৰুত্ব দিয়ে।

অনিয়মিত জীৱন যাপন আৰু অনিয়ন্ত্ৰিত খাদ্যাভ্যাসৰ কাৰণে মেদবহুলতা, মধুমেহ, উচ্চ ৰক্তচাপৰ দৰে ৰোগে শৰীৰত বাহ লয়। সেইবাবেই চিকিৎসকে খোৱাবোৱাত নিয়ন্ত্ৰণৰ পৰামৰ্শ দিয়ে। পুষ্টিবিদ আৰু ডায়েটেছিয়ানসকলেও সেয়ে কেতিয়া কি খাদ্য খাইছে, কিমান সময়ৰ বিৰতিত খাদ্য খাইছে, এইবোৰ বিষয়ত অধিক গুৰুত্ব দিয়ে।

দিনৰ আৰম্ভণিৰ খাদ্য শৰীৰ গঠন আৰু ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত অতি উপকাৰী। চিকিৎসকৰ মতে, খাদ্যগ্ৰহণৰ নিয়ম হোৱা উচিত 'পিৰামিড ৰুল' অনুসৰি। অৰ্থাৎ দিনৰ প্ৰথম খাদ্য গধুৰ হোৱাই বাঞ্ছনীয় আৰু পৰৱৰ্তী পৰ্যায়ত খাদ্যৰ পৰিমাণ ক্ৰমাৎ কমি আহিব লাগে। অথচ ল' ফেট্‌ছ, ন' কাৰ্ব্‌ছ ডায়েট নিয়ম নামানি চলিবলৈ গৈ বহুতেই ব্ৰেকফাষ্ট বা পুৱাৰ আহাৰক কেন্দ্ৰ কৰি দুবিধাত পৰে। কোনো কোনো লোকৰ পুৱাৰ আহাৰৰ তালিকাত এনে কিছু খাদ্য থাকে, যিবোৰ পেট ভৰাই খালেও আচলতে শৰীৰৰ বাবে ক্ষতিকাৰক। আপুনিও তেনে ভুলকে কৰি থকা নাইতো? এই ক্ষেত্ৰত প্ৰসিদ্ধ পুষ্টিবিদ সুমেধা সিংহৰ পৰামৰ্শ গ্ৰহণ কৰিব পাৰে।

ব্ৰেকফাষ্ট কৰাৰ সময় নাই। পুৱা একেবাৰে ভাত খায়েই শিক্ষানুষ্ঠান বা অফিচলৈ যাবলগীয়া হয়। বহুতৰ ক্ষেত্ৰতে এনেকুৱা হয়। কিন্তু পুৱাৰ প্ৰথম আহাৰৰ দ্বাৰা এগালমান শৰ্কৰা শৰীৰত প্ৰৱেশ নকৰোৱাই ভাল। বৰঞ্চ ভাতৰ সলনি আটাৰ ৰুটি বহু ভাল। ৰুটিৰ পৰা তৈয়াৰ হোৱা গ্লঅকি'জেন ভাতৰ তুলনাত দ্ৰুতগতিৰে গলে। লগতে ৰাখিব টেঙা দৈ, কম তেলৰ পাচলি বা চিকেন ছুপ আৰু কণী।

ছুটিৰ দিনত বাৰু লুচি-পুৰি বা পৰঠাৰে ব্ৰেকফাষ্ট কৰে নেকি? এই অভ্যাস আজিয়ে পৰিহাৰ কৰক। ময়দাত যিদৰে ফাইবাৰ কম থাকে, সেইদৰে ইয়াত চৰ্বি জমা হোৱাৰ সম্ভাৱনাও বহু বেছি। বৰঞ্চ গাখীৰৰ স'তে ওট্‌ছ বা ঘৰুৱা জলপান খাব পাৰে। ইয়াৰ দ্বাৰা পেট ভৰাৰ লগতে পুষ্টিগুণো বাঢ়িব।

বহুতেই ব্ৰেকফাষ্টত টোষ্ট আৰু কফি পছন্দ কৰে। কফি বা ময়দাৰ পাউৰুটি কোনোটোৱেই শৰীৰৰ বাবে বৰ বেছি উপকাৰী নহয়। বৰঞ্চ পাউৰুটিৰ পৰা হজমৰ নানা সমস্যা আৰু চৰ্বি বৃদ্ধিৰ সম্ভাৱনা থাকে। একান্তই যদি পাউৰুটি খাবলগীয়া হয়, তেন্তে ব্ৰাউন ব্ৰেড বাছি ল'ব। একেবাৰে কম চৰ্বিযুক্ত মাখন সামান্য ৰূপে পাউৰুটিত সানি সপ্তাহত দুই-তিনি দিন খাব পাৰে।

ফ্লেভাৰ্ড বা স্বাদযুক্ত দৈ একেবাৰে বাদ দিব। এনে দৈত শৰ্কৰা প্ৰচুৰ থাকে। তাৰ সলনি পুৱাৰ আহাৰত সাধাৰণ টেঙা দৈ যোগ দিব।

ব্ৰেকফাষ্টত সদায় ফলৰ ৰস পান কৰে নেকি? সেয়া হ'লে ঘৰতে ফলৰ ৰস তৈয়াৰ কৰি পান কৰিব। গোটা ফল খাব পাৰিলে সবাতোকৈ ভাল। বজাৰত সহজলভ্য পেকেটজাত ফলৰ ৰসত এডেড ছুগাৰ থাকে, যি শৰীৰৰ বাবে অত্যন্ত ক্ষতিকাৰক।

পেনকে'ক, পেষ্ট্ৰি, কে'ক, চিপ্‌ছ জাতীয় খাদ্য কেতিয়াও স্বাস্থ্যকৰ নহয়। অতিৰিক্ত চেনি, নিমখ, তেল ইত্যাদি এইবোৰ খাদ্যৰ থকাৰ বাবে এনে খাদ্য ডায়েটৰ পৰা বাদ দিয়ক। চাহ-কফিৰ নিচা থাকিলে সেয়া ব্ৰেকফাষ্টৰ পৰিৱৰ্তে দিনৰ আন সময়ত পান কৰিব। সমগ্ৰ নিশা পেট খালী হৈ থকাৰ পাছত পুৱাৰ খাদ্যই প্ৰথমে শৰীৰলৈ যায়, সেয়ে খালী পেটত চাহ-কফি আদি পৰিহাৰ কৰি চলাই ভাল।

# কৰ্মক্ষেত্ৰত অতিৰিক্ত চাপে বৃদ্ধি কৰে হাৰ্ট এটেক



**অতিৰিক্ত কামৰ বোজাই কেৱল হাৰ্ট এটেকৰ শংকাই বৃদ্ধি নকৰে, সমান্তৰালভাৱে উচ্চ ৰক্তচাপ, ডায়েবেটিছ আদিৰো শংকা বৃদ্ধি কৰা দেখা যায়**

অফিচত দীৰ্ঘ সময় ধৰি কাম কৰিলে হৃদৰোগ বৃদ্ধিৰ আশংকা থাকে। সেইবাবে অফিচত বেছি সময় কাম কৰাসকল সাৱধান হ'বৰ হ'ল। নিৰ্দিষ্ট সময়তকৈ যদি বেছি সময় কামত ব্যস্ত থাকিবলগীয়া হয় তেতিয়াহ'লে এনে শংকা বৃদ্ধি পায়। এইসকল কৰ্মীৰ শাৰীৰিক-মানসিক ক্ষেত্ৰত প্ৰভাৱ পৰে। ইউনিভাৰ্ছিটি কলেজ লণ্ডনৰ গৱেষকসকলে চলোৱা এক সমীক্ষাত এই তথ্য প্ৰকাশ পাইছে। যিসকলে নিৰ্ধাৰিত সময় সাত-আঠ ঘণ্টাৰ পৰিৱৰ্তে দহ-এঘাৰ ঘণ্টা কাম কৰে তেওঁলোকৰ আন সমস্যাৰ লগতে হৃদ ৰোগত আক্ৰান্ত হোৱাৰ শংকা ৬৭ গুণ বেছি। হাৰ্ট এটেকৰ শংকা অধিক। এই অধ্যয়নৰ সময়ত গৱেষকসকলে ৭,০৯৫ দৰাকী চৰকাৰী কৰ্মচাৰীৰ কামৰ সময় আৰু প্ৰকৃতি সম্পৰ্কে অধ্যয়ন কৰিছিল। এঘাৰ বছৰ ধৰি চলোৱা অধ্যয়নৰ সময়ত গৱেষকসকল নিশ্চিত হয় যে এই সময়ত ১৯২ গৰাকী কৰ্মচাৰী হাৰ্ট এটেকত আক্ৰান্ত হৈছে কেৱল অতিৰিক্ত কামৰ হেঁচাত। অধ্যাপক মিকা কিবিমকীৰ নেতৃত্বত চলা এই সমীক্ষাই উল্লেখ কৰামতে দীৰ্ঘ সময় কাম কৰাৰ ফলত হাৰ্ট এটেকৰ শংকা বৃদ্ধি পায়। ইতিমধ্যে এই অধ্যয়ন সম্পৰ্কে চিকিৎসা বিজ্ঞান সম্পৰ্কীয় পত্ৰিকাত তথ্য প্ৰকাশ পাইছে। অধ্যাপক মিকাই পুনৰ উল্লেখ কৰিছে যে অৰিতিক্ত কামৰ বোজাই কেৱল হাৰ্ট এটেকৰ শংকাই বৃদ্ধি নকৰে, সমান্তৰালভাৱে উচ্চ ৰক্তচাপ, ডায়েবেটিছ আদিৰো শংকা বৃদ্ধি কৰা দেখা যায়। আজিকালি প্ৰতিযোগিতাৰ যুগত প্ৰায়ভাগ লোকেই নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰে। ফলত নিৰ্দিষ্ট সময়তকৈ বেছি সময় কাম কৰিবলগীয়া হয়। এদিন বা দুদিন এনেদৰে কাম কৰিলে বিশেষ ক্ষতি নহয় যদিও নিয়মীয়াকৈ অত্যধিক কাম কৰিলে শংকা বৃদ্ধি পাবলৈ ধৰে। আনহাতে নিৰ্দিষ্ট সময়ৰ ব্যৱধানত জিৰণিৰ প্ৰয়োজন। যদি সময়মতে জিৰণি লোৱা নহয় তেতিয়াহ'লে বিপদ হোৱাটো নিশ্চিত।

# লিভাৰ ছিৰ'ছিছৰ পৰা বাচিবলৈ



যকৃৎ বা লিভাৰৰ বিভিন্ন সমস্যাই শৰীৰক যিদৰে দুৰ্বল কৰি তোলে, সেইদৰে যকৃতৰ সমস্যাৰ জটিলতাত মানুহৰ মৃত্যু পৰ্যন্ত হ'ব পাৰে। প্ৰতিবছৰে মানুহ যকৃতৰ যি সমস্যাত বেছিকৈ আক্ৰান্ত হয়, সেয়া হৈছে 'লিভাৰ ছিৰ'ছিছ'।

যকৃতৰ দীৰ্ঘস্থায়ী ক্ষতৰ পৰাই এই ৰোগৰ জন্ম হয়। এই ৰোগৰ প্ৰভাৱত যকৃতৰ কাৰ্যকাৰিতা সম্পূৰ্ণৰূপে বিকল হৈ পৰে। বহুতৰে ধাৰণা, কেৱল মাত্ৰাধিক মদ্যপানৰ ফলতে এই ৰোগে আক্ৰমণ কৰে। কিন্তু গেৰাকী গেষ্ট্ৰ'এণ্টাৰোলজিষ্টৰ মতে, মদ্যপানৰ উপৰি দৈনন্দিন কেতবোৰ ভুল অভ্যাসৰ বাবেও এই ৰোগে আক্ৰমণ কৰিব পাৰে।

অৱশ্যে বৰ সহজেই আমি নিজকে লিভাৰ ছিৰ'ছিছৰ পৰা দূৰত ৰাখিব পাৰো। চিকিৎসকৰ মতে, যকৃৎ এনে এবিধ অংগ, যাৰ বহুখিনি নষ্ট হ'লেও যদি কিছু নিয়ম মানি চলা হয়, তেন্তে পুনৰ যকৃতৰ স্বাস্থ্য উভতি আহে। সামান্য সতৰ্কতাৰেই লিভাৰ ছিৰ'ছিছৰ আশংকা ৰোধ কৰিব পাৰি। বিশেষজ্ঞ চিকিৎসকেই ইয়াৰ উপায় জনাইছে।

**মদ্যপান নিয়ন্ত্ৰণ**

লিভাৰ ছিৰ'ছিছৰ অন্যতম কাৰণ হৈছে মাত্ৰাধিক পৰিমাণে মদ্যপান। সেয়ে যকৃতক সুস্থ ৰাখিবলৈ মদ্যপানত নিয়ন্ত্ৰণত ৰাখক। আজিৰে পৰাই সেই অভ্যাস আৰম্ভ কৰক।

**সহজে হজম হোৱা খাদ্য**

হজম শক্তিক বাধা দিব পৰা কোনো খাদ্য গ্ৰহণৰ অভ্যাস আছে নেকি? অনিয়ন্ত্ৰিত জীৱন-যাপনৰ কবলত পৰি বহুতে প্ৰায় নিতৌ তেলযুক্ত খাদ্য, অত্যধিক জুলা-মছলাযুক্ত খাদ্য গ্ৰহণ কৰে। ইয়াৰ দ্বাৰা লিভাৰ ছিৰ'ছিছৰ সম্ভাৱনা অনেক বৃদ্ধি পায়। মছলাযুক্ত খাদ্য, জাংক ফুড এৰাই চলি বৰঞ্চ সেউজ শাক-পাচলি আৰু কম তেল-মছলাযুক্ত খাদ্যত আস্থা ৰাখক।

**পিঁয়াজ-নহৰু**

কেঁচা পিঁয়াজ আৰু নহৰুৱে শৰীৰৰ পৰা বিষাক্ত পদাৰ্থ বাহিৰ কৰাত সহায় কৰে। সেয়ে প্ৰতিদিনৰ খাদ্যতালিকাত কিছু পৰিমাণে কেঁচা পিঁয়াজ আৰু নহৰু ৰাখিব।

**প্ৰক্ৰিয়াজাত খাদ্য**

দীৰ্ঘদিন সংৰক্ষণ কৰি ৰখা খাদ্যত যদি অভ্যস্ত তেন্তে সেই অভ্যাস আজিয়ে ত্যাগ কৰক। বটল আৰু টিনজাত খাদ্যৰ মাত্ৰাধিক ব্যৱহাৰ লিভাৰ ছিৰ'ছিছৰ অন্যতম কাৰণ। ৰক্ষণাত্মক খাদ্য যেনে চচ, বটলত ৰখা ফলৰ ৰস, শীতল পানীয়, বেকাৰীৰ স্নেক্স আদি যিমান পাৰি পৰিহাৰ কৰি চলিব।

**বিষনাশক**

শৰীৰৰ কোনো অংশত বিষালেই সহ্য নকৰি ততালিকে বিষনাশক ঔষধ সেৱন কৰাৰ অভ্যাস আছে নেকি? সেয়া কিন্তু যকৃতৰ বাবে অতি ক্ষতিকাৰক। বিষনাশক ঔষধত ব্যৱহৃত নানা যৌগই যকৃতৰ কাৰ্যক্ষমতা দুৰ্বল কৰি যকৃতৰ ক্ষতিসাধন কৰে। কেতিয়াও চিকিৎসকৰ পৰামৰ্শ অবিহনে বিষনাশক ঔষধ সেৱন নকৰিব।

**কায়িক শ্ৰম**

সমগ্ৰ দিনটোত কিমান সময় খোজকাঢ়ে? বা কেনে ধৰণৰ শাৰীৰিক পৰিশ্ৰম কৰে? শাৰীৰিক শ্ৰমে শৰীৰত মেদ জমা হ'বলৈ নিদিয়ে। ফলত যকৃতত চৰ্বিও জমা নহয় আৰু যকৃৎ সুস্থ হৈ থাকে।

**সঠিক পৰিমাণৰ পানী**

শৰীৰৰ চাহিদা অনুসৰি পানী পান কৰাৰ অভ্যাস গঢ়ি তোলক। পানীয়ে বিষাক্ত পদাৰ্থ দূৰ কৰি শৰীৰ সুস্থ ৰাখে। সেয়ে চিকিৎসকৰ পৰামৰ্শ অনুসৰি সঠিক পৰিমাণৰ পানী সদায় পান কৰিব।



# নিয়মিত যৌনতা আৰু শৰীৰৰ ওজন

সুস্থ যৌন জীৱন মানুহৰ সুস্থ জীৱনৰে এক গুৰুত্বপূৰ্ণ অংগ। বিশেষজ্ঞৰ মতে, নিয়মিত শাৰীৰিক মিলনে আমাৰ হৃৎপিণ্ডৰ স্বাস্থ্য ভালে ৰখাত সাহায্য কৰে। ইয়াৰ উপৰি শৰীৰৰ ৰক্ত সঞ্চালন স্বাভাৱিক ৰখাৰ বাবেও নিয়মিত সংগম অত্যন্ত কাৰ্যকৰী। সহজ ভাষাত, নিয়মিত যৌন মিলনে শৰীৰ আৰু মন উভয়কে সতেজ কৰি ৰাখে।

মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ইণ্ডিয়ানা বিশ্ববিদ্যালয়ৰ দ্য কীন্‌ছে ইনষ্টিটিউটৰ গৱেষকৰ মতে, যৌন মিলন বা যৌনক্ৰীড়া সম্পূৰ্ণ কৰোতে এটা নিৰ্দিষ্ট মাত্ৰাত কেলৰি নাশ হয়। গৱেষণাত দেখা গৈছে যে সচৰাচৰ যৌনক্ৰীড়াৰ সময়ত প্ৰতি মিনিটত পাঁচ কেলৰি নাশ হয়। অধিকাংশ ক্ষেত্ৰতে নাৰী-পুৰুষৰ যৌনক্ৰীড়াৰ স্থায়িত্বৰ গড় সময় ১৩ মিনিট বুলিও গৱেষকসকলে দাবী কৰিছে। সেই হিচাপত ১৩ মিনিটত অতি বেছি ৬৫ কেলৰি খৰচ হ'ব পাৰে।

এই গৱেষণাৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি, প্ৰতি ৩০ মিনিটৰ যৌনক্ৰীড়াত এগৰাকী মহিলাৰ গড়ে ২১৩ কেলৰি নাশ হয় আৰু পুৰুষৰ ক্ষেত্ৰত প্ৰতি ৩০ মিনিটৰ যৌনক্ৰীড়াত গড়ে ২৭৬ কেলৰি নাশ হয়। এই হিচাপত চাবলৈ গ'লে ১৩ মিনিটত মহিলাৰ ৯২.৩ কেলৰি আৰু পুৰুষৰ ১১৯.৬ কেলৰি নাশ হয়। ফলত বিশ্বৰ বিভিন্ন স্থানৰ বিজ্ঞানীৰ মতে, নিয়মিত যৌন মিলনৰ দ্বাৰা শৰীৰৰ ওজন দ্ৰুতগতিৰে কমে। অৱশ্যে এই ক্ষেত্ৰত মতান্তৰৰ অৱকাশ আছে।

আন একাংশ বিশেষজ্ঞৰ দাবী, শাৰীৰিক মিলনৰ পাছতে প্ৰচণ্ড ভোক লাগে। অধিকাংশ লোকৰ ক্ষেত্ৰতে এনে পৰিস্থিতিৰ ব্যতিক্ৰম নহয়। সেয়ে ভোক নিবাৰণৰ বাবে বেছিকৈ খোৱা হয়। অতিৰিক্ত খাদ্য খোৱাৰ ফলত বৃদ্ধি পায় শৰীৰৰ ওজন। অৱশ্যে সংগমৰ পদ্ধতি আৰু স্থায়িত্বৰ ওপৰত ইয়াৰ প্ৰভাৱ নিৰ্ভৰ কৰে।

# স্বাস্থ্য নিৰোগী ৰখাত আঁহযুক্ত খাদ্যৰ গুৰুত্ব

দেহ সুস্থ-সবল কৰি ৰাখিবলৈ হ'লে আঁহ, খনিজ দ্ৰব্য, প্ৰ'টিন, ভিটামিন আদিযুক্ত খাদ্য প্ৰচুৰ পৰিমাণে খোৱা উচিত বুলি চিকিৎসকসকলে কয়। খাদ্যত পোৱা এনে দ্ৰব্যসমূহে দেহক পুষ্টি যোগান ধৰে। দেহ সুস্থ-সবল তথা নিৰোগী কৰি ৰাখিবলৈ এনে পুষ্টিকৰ দ্ৰব্য সম্বলিত খাদ্য খোৱাটো নিত্যন্ত প্ৰয়োজন।



দেহ সুস্থ-সবল কৰি ৰাখিবলৈ হ'লে আঁহ, খনিজ দ্ৰব্য, প্ৰ'টিন, ভিটামিন আদিযুক্ত খাদ্য প্ৰচুৰ পৰিমাণে খোৱা উচিত বুলি চিকিৎসকসকলে কয়। খাদ্যত পোৱা এনে দ্ৰব্যসমূহে দেহক পুষ্টি যোগান ধৰে। দেহ সুস্থ-সবল তথা নিৰোগী কৰি ৰাখিবলৈ এনে পুষ্টিকৰ দ্ৰব্য সম্বলিত খাদ্য খোৱাটো নিত্যন্ত প্ৰয়োজন। আঁহযুক্ত খাদ্যই দেহত কেনে প্ৰভাৱ পেলায়, তাক লৈ শেহতীয়াকৈ একাংশ চিকিৎসা বিজ্ঞানীয়ে গৱেষণা কৰে। তেওঁলোকৰ গৱেষণাত পোহৰলৈ অহা অনুসৰি আঁহযুক্ত খাদ্য খোৱাৰ পৰা দীৰ্ঘদিন বিৰত থাকিলে হৃদৰোগ, হৃদপেশীৰ ৰোগ, ষ্ট্ৰ'ক, অংগৰ কৰ্কট, মেদ-বহুলতাজনিত কৰ্কট, ষ্ট'ন কৰ্কট, ইছ'ফেগাছৰ কৰ্কট আদিৰ আশংকা থাকে। দেহত আঁহৰ অধিক অভাৱ ঘটিলে অকাল মৃত্যুৰ আশংকা প্ৰবল হৈ পৰে। বিশেষকৈ হৃদৰোগজনিত কাৰণত অকাল মৃত্যু আহিব পাৰে। এই গৱেষণাৰ তথ্য অনুসৰি দীৰ্ঘদিন ধৰি কম আঁহযুক্ত খাদ্য খালে হৃদৰোগজনিত কাৰণত এজন ব্যক্তি মৃত্যুমুখত পৰিব পাৰে। এনে ব্যক্তি হৃদৰোগত আক্ৰান্ত হোৱাৰ আশংকা আনসকলতকৈ ১৫ৰ পৰা ৩০ শতাংশ বৃদ্ধি পায়। গৱেষণাটোৰ তথ্য অনুসৰি প্ৰচুৰ পৰিমাণে আঁহযুক্ত খাদ্য নিয়মিতভাৱে গ্ৰহণ কৰাসকলৰ ক্ষেত্ৰত



হৃদৰোগ, ষ্ট্ৰ'ক, মধুমেহ আৰু কৰ্কটৰ আশংকা ১৬ৰ পৰা ২৪ শতাংশ হ্ৰাস পায়।

প্ৰচুৰ আঁহযুক্ত খাদ্য বুলি ক'লে শাক-পাচলি, ফলমূল, দাইল আদিক সূচায়। চিকিৎসা বিজ্ঞানীসকলৰ মতে, স্বাস্থ্য সুস্থ-সবল আৰু নিৰোগী কৰি ৰাখিবলৈ এজন ব্যক্তিয়ে নিতৌ ২৫ৰ পৰা ২৯ গ্ৰাম আঁহযুক্ত খাদ্য খাব লাগে। অৱশ্যে আমেৰিকাৰ দৰে কেতবোৰ দেশৰ এজন প্ৰাপ্তবয়স্ক ব্যক্তিয়ে নিতৌ ১৫ গ্ৰাম আঁহযুক্ত খাদ্য খালেই স্বাস্থ্য সুস্থ-সবল কৰি ৰাখিব পাৰে।

উক্ত গৱেষণাৰ স'তে জড়িত চিকিৎসকসকলে আঙুলিয়াই দিছে যে নিতৌ ২৯ গ্ৰাম আঁহযুক্ত খাদ্য খালে এজন ব্যক্তিয়ে স্বাস্থ্যৰ উপকাৰ লাভ কৰিব পাৰে। অৱশ্যে অধিক পৰিমাণত আঁহযুক্ত খাদ্য খালেও বিপদ আহিব পাৰে। অৰ্থাৎ এটা বস্তুৰ যিদৰে ভাল-বেয়া দুয়োটা দিশেই থাকে তেনে কথা আঁহযুক্ত খাদ্য গ্ৰহণৰ ক্ষেত্ৰতো থাকে। উদাহৰণ স্বৰূপে গমজাতীয় খাদ্য অধিক খালে দেহত লৌহ পদাৰ্থৰ পৰিমাণ অধিক হাৰত হ্ৰাস পোৱাৰ আশংকা থাকে। একেদৰে প্ৰচুৰ আঁহ জাতীয় খাদ্যই আন খনিজ দ্ৰব্যৰ পৰিমাণো দেহত হ্ৰাস কৰে। উক্ত গৱেষণাত পোহৰলৈ অহা অনুসৰি নিৰ্দিষ্ট পৰিমাণত আঁহজাতীয় খাদ্য খালে দেহৰ ওজন নিয়ন্ত্ৰণত সহায় কৰে। লিপিড আৰু শৰ্কৰাৰ স্তৰো নিয়ন্ত্ৰণত ৰখাত সহায় কৰে।

# মিল্ক এলাকেলি ছিণ্ড্ৰোমৰ ধাৰণা সলনি কৰিলে গৱেষণাই



গাখীৰ আৰু পেপটিক আলচাৰৰ স'তে সম্পৰ্ক থকা বুলি দীৰ্ঘদিন ধৰি মানুহৰ মাজত এটা বিশ্বাস আছিল। এটা দশক আগলৈকে সকলোৱে এই ধাৰণাৰেই বশৱৰ্তী হৈছিল। সেইবাবে আলচাৰৰ বাবে হোৱা ৰক্তক্ষৰণৰ পৰিত্ৰাণ পাবলৈ সকলোৱে ঠাণ্ডা গাখীৰ খোৱাৰ ওপৰতে গুৰুত্ব দিছিল। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে বিভিন্ন ঠাইত এই বিষয়ে গৱেষণা আৰম্ভ হ'ল। বিভিন্নধৰণৰ গৱেষণাৰ জৰিয়তে গৱেষকসকলে এইক্ষেত্ৰত নতুন নতুন তথ্য লাভ কৰিবলৈ ধৰিলে। গৱেষণাত এইটো নিশ্চিত হ'ল যে পেপটিক আলচাৰ উপশমৰ ক্ষেত্ৰত গাখীৰৰ ভূমিকা নাই। প্ৰচলিত ধাৰণাটো আছিল সম্পূৰ্ণৰূপে ভুল। আলচাৰৰ যন্ত্ৰণাৰ পৰা গাখীৰ খাই মুক্তিলাভ কৰাটো অসম্ভৱ। আলচাৰ হ'লে আগতে প্ৰতি ঘণ্টাৰ মূৰে মূৰে সামান্য পৰিমাণে ঠাণ্ডা গাখীৰ খোৱাৰ যি ধাৰণা আছিল যাৰ কোনো বৈজ্ঞানিক ভিত্তি নাছিল। অৱশ্যে এইক্ষেত্ৰত উন্নত যন্ত্ৰ-পাতিৰ দ্বাৰা পৰীক্ষা কৰাটো সম্ভৱো নাছিল। গৱেষকসকলে আগবঢ়োৱা মন্তব্য অনুসৰি গাখীৰৰ এচিড উৎপাদনত বাধা দিব পৰা ক্ষমতা নাই। গাখীৰত থকা কেলছিয়ামৰ উপস্থিতিৰ বাবেহে এই সমস্যাই সহজে গা কৰি উঠিবলৈ সুযোগ পায়। ইয়াৰ প্ৰধান লক্ষণ হ'ল শাৰীৰিক দুৰ্বলতা। তদুপৰি গাৰ বিষ, পাৰিপাৰ্শ্বিক অৱস্থা সম্পৰ্কে উদাসীন হোৱা দেখা যায়। এনেধৰণৰ সমস্যাৰ সৃষ্টি হ'লে চিকিৎসা বিজ্ঞানৰ ভাষাত কোৱা হয় মিল্ক এলাকেলি ছিড্ৰোম। এই পৰিস্থিতি সম্পৰ্কে প্ৰায়ভাগ লোকেই জ্ঞাত নহয় বাবে লাহে লাহে ৰোগৰ জটিলতা বৃদ্ধি পাবলৈ ধৰে। অৱশ্যে এতিয়া আৰু চিকিৎসকসকলে এনে ৰোগীক গাখীৰ খাবলৈ পৰামৰ্শ আগ নবঢ়ায়। এতিয়া পেপটিক আলচাৰ আদিৰ বহুতো উন্নতমানৰ ঔষধ বজাৰত উপলব্ধ।

# মহৰ পছন্দ অন্তঃসত্ত্বা মহিলা



আমি সদায় নিজৰ ৰুচি অনুযায়ী খাদ্য খাওঁ। খাদ্যৰ ক্ষেত্ৰত সকলোৱে নিজস্ব পছন্দ থাকে। তেনেহ'লে মহৰো জানো নিজা পছন্দ-অপছন্দ থাকিব নোৱাৰে? লণ্ডনৰ এক গৱেষণাৰ মতে, মহেও বোলে অত্যন্ত বাচ-বিচাৰ কৰিহে মানুহৰ তেজ পান কৰে। গৱেষণাটোৰ মতে, কমেও ২০ শতাংশ মানুহৰ তেজ মহৰ বাবে অতি সুস্বাদু। অৱশ্যে বাকী মানুহৰো যে তেজ নাখাব, তেনে কোনো কথা নাই। মানুহৰ শৰীৰৰ আকাৰৰ তুলনাত বোলে মহে গোন্ধকহে অধিক গুৰুত্ব দিয়ে। যি মানুহৰ শৰীৰত কায়ৰাম'নছ ৰাসায়নিক বেছিকৈ থাকে, তেওঁলোকৰ তেজ মহৰ বৰ পছন্দ। বিপৰীতে, শৰীৰত এলাম'নছ ৰাসায়নিক থাকিলে বোলে মহে ঘূৰিও নাচায়। গৱেষণাত দেখা গৈছে যে, ঘামৰ স'তে শৰীৰত বেক্টেৰিয়া জমা হ'লে, সেই গোন্ধ মহে বৰ পছন্দ কৰে। দেহত কাৰ্বন ডাই অক্সাইডৰ নিঃসৰণ বেছিকৈ হ'লেও মহৰ কাৰণে বৰ সুস্বাদু। সেইবাবেই ডাঙৰ চেহেৰাৰ মানুহক মহে বেছিকৈ কামোৰে। গৰ্ভৱতী মহিলাৰ শৰীৰৰ পৰা অত্যধিক পৰিমাণে কাৰ্বন ডাই অক্সাইডৰ নিঃসৰণ হয় কাৰণে তেওঁলোকক মহে বৰ পছন্দ কৰে। ঘামত লেকটিক এচিড, এমোনিয়া, ইউৰিক এচিডৰ পৰিমাণ বেছিকৈ থাকিলেও মহবোৰ আকৰ্ষিত হয়। সেইদৰে যাৰ শৰীৰৰ তাপমাত্ৰা বেছি তেওঁলোককো মহে পছন্দ কৰে। গৰ্ভৱতী মহিলাক মহে পছন্দ কৰাৰ সেয়াও এটা কাৰণ।

# গৰমৰ দিনত পেটৰ নানা সমস্যা

গৰমৰ দিনত মানুহে সচৰাচৰ পেটৰ নানা সমস্যাত ভুগিবলগীয়া হয়। দূষিত খাদ্য আৰু দূষিত পানী খোৱাৰ ফলতে পেটৰ সংক্ৰমণ আৰম্ভ হয়। ইয়াক গেষ্ট্ৰ'এণ্টাৰাইটিছ বা ছামাৰ ফ্লু বুলি কোৱা হয়। এনে সমস্যাত ভোগা ব্যক্তিজনে বাৰে বাৰে বমি কৰিব পাৰে। তেওঁৰ পেটৰ বিষ, পানী পায়খানা, শৰীৰৰ যন্ত্ৰণা বা জ্বৰ হ'ব পাৰে। যদি পেটত সংক্ৰমণ হয় তেন্তে বমি আৰু পেটৰ বিষ হ'ব। অন্ত্ৰত সংক্ৰমণ হ'লে পানী পায়খানা আৰু পেটৰ বিষ হ'ব। এই দুয়োটা অৱস্থাত জ্বৰ হোৱাৰ সম্ভাৱনা থাকে। ডায়েৰীয়া হ'ল গেষ্ট্ৰ'এণ্টাৰাইটিছৰে এটা ৰূপ। সেইক্ষেত্ৰত ঘনাই বমি আৰু পানী পায়খানা হয়। অৱশ্যে এনেকুৱাও হ'ব পাৰে যে বমি নোহোৱাকৈ কেৱল পানী পায়খানাই হৈ আছে। এই অৱস্থা কিন্তু বৰ বিপজ্জনক। সাধাৰণ ভাষাত কোৱা হয় যে এবাৰ পানী পায়খানা হোৱা মানে শৰীৰৰ পৰা এগিলাচ পানী হ্ৰাস পোৱা। ইয়াৰ ফলত ডিহাইড্ৰেচন বা শৰীৰত পানীৰ অভাৱ হ'ব পাৰে।

**ডায়েৰীয়াৰ ভাগ**

ডায়েৰীয়া সচৰাচৰ তিনি প্ৰকাৰৰ। সেয়া হ'ল ভাইৰেল, বেক্টেৰিয়েল আৰু প্ৰ'ট'জোৱল। প্ৰথমবিধ ভাইৰাছৰ দ্বাৰা হয় আৰু অধিকাংশ ক্ষেত্ৰত শিশুক আক্ৰমণ কৰে। ই হ'ল সকলোতকৈ কম বিপজ্জনক। কিন্তু পাছৰ দুবিধ ক্ৰমে বেক্টেৰিয়া আৰু এমিবাৰ পৰা হয়। এই দুবিধ অত্যন্ত বিপজ্জনক আৰু চিকিৎসকৰ পৰামৰ্শ অবিহনে চিকিৎসা কৰাব নালাগে।

⇨ যদি তীব্ৰ জ্বৰ উঠে, প্ৰস্ৰাৱ কমকৈ হৈছে আৰু পায়খানাৰ স'তে তেজ ওলায়, তেন্তে বেক্টেৰিয়েল বা প্ৰ'ট'জোৱল ডায়েৰীয়া হ'ব পাৰে। বেক্টেৰিয়েল ইন্‌ফেকচনত এণ্টি-বায়'টিক আৰু প্ৰ'ট'জোৱল ইন্‌ফেকচনত এণ্টি-এমেবিক ঔষধ দিয়া হয়। অৱশ্যে ইয়াৰ পৰা ৰেহাই পাবলৈ পৰ্যাপ্ত পৰিমাণে দৈ খাব পাৰে।



⇨ ভাইৰেল ডায়েৰীয়া হ'লে বিশেষ চিন্তাৰ কাৰণ নাথাকে। ৰোগীক অ' আৰ এছৰ পানী বা নিমখ আৰু চেনিৰ পানী নিয়মিতভাৱে খুৱাই থাকিব। বমি বন্ধ কৰিবলৈ ড'মপেৰিড'ন টেবলেট দিব পাৰে। এইবোৰ টেবলেট বজাৰত *Domstal, Dom DT* আদি নামত পোৱা যায়। পানী পায়খানাৰ কাৰণে *Racecadotril* সেৱন কৰিব পাৰে। এইবোৰ বজাৰত *Imodium, Loperamide* আদি নামত পাব। পেট কামুৰিলে *Maftal Spas* সেৱন কৰিব পাৰে। এদিনত যদি বমি বা পানী পায়খানা বন্ধ নহয় তেন্তে চিকিৎসকৰ ওচৰলৈ নিব। প্ৰয়োজন অনুসাৰে চিকিৎসকে আই ভি (ইন্ট্ৰা-ভিনাছ) ফ্লুইড দিয়ে, কাৰণ পানী বেছিকৈ কমিলে কিডনীত প্ৰভাৱ পৰিব পাৰে।

⇨ মানুহৰ এটা ভুল ধাৰণা আছে যে ডায়েৰীয়া হোৱা ৰোগীক আহাৰ-পানী খাবলৈ দিব নালাগে। কাৰণ বমি আৰু পানী পায়খানাৰ জৰিয়তে গোটেইবোৰ ওলাই যায়। কিন্তু এই ধাৰণা সম্পূৰ্ণ ভুল। ইয়াৰ ফলত বিপদ বাঢ়িবহে পাৰে। ৰোগীক নিয়মিত সময়ৰ ব্যৱধানত নাৰিকলৰ পানী, নেমুৰ ৰস (সামান্য নিমখ আৰু চেনি মিহলাই), লচ্চী, দাইলৰ পানী, অ' আৰ এছ পানী, পাতল খিচিৰি আদি লঘু খাদ্য খুৱাই থাকিব লাগে। মাত্ৰ তেলত ভজা, পোৱা আদি খাদ্যৰ পৰা ৰোগীক আঁতৰাই ৰাখিব।

# অসম ৰাইফলছ আৰু ইউএছআইৰ উদ্যোগত বাৰ্ষিক মেজৰ বব খাথিং স্মাৰক বক্তৃতা ২০২৬ অনুষ্ঠিত




**বিশেষ সংবাদদাত**

**ৰঙাপৰাৰ, ২২ আগষ্ট ঃ** অসম ৰাইফলছৰ সহযোগত ইউনাইটেড ছাৰ্ভিচ ইনষ্টিটিউচন অৱ ইণ্ডিয়া, নতুন দিল্লীৰ উদ্যোগত ২১ আগষ্টত ইউএছ আই, নতুন দিল্লীত বাৰ্ষিক মেজৰ বব খাথিং স্মাৰক বক্তৃতা অনুষ্ঠিত হয়। উত্তৰ-পূৰ্বাঞ্চল আৰু ৰাষ্ট্ৰীয় সংহতিৰ স'তে গভীৰভাৱে জড়িত এগৰাকী কিংবদন্তি সামৰিক নেতা তথা ৰাষ্ট্ৰনেতা মেজৰ বব খাথিঙৰ বিশিষ্ট অৱদান আৰু চিৰস্থায়ী ঐতিহ্যক স্মৰণ কৰিবলৈ প্ৰতি বছৰে এই স্মাৰক বক্তৃতাৰ আয়োজন কৰা হয়।লেফটেনেণ্ট জেনেৰেল অভিজিৎ এছ পেণ্ডহাৰকাৰ, ইউ ওৱাই এছএন,এভিএছএম সঞ্চালক প্ৰধান, সামৰিক অভিযান অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি মূল ভাষণ প্ৰদান কৰে। তেওঁ কয় যে মেজৰ বব খাথিঙৰ জীৱন অধ্যয়নে আমাক সোঁৱৰাই দিয়ে যে উত্তৰ-পূৰ্বাঞ্চলত নেতৃত্ব দিবলৈ নিৰাপত্তাৰ দৃষ্টিভংগীৰ লগতে সমাজৰ বিষয়ে গভীৰ বুজাবুজি প্ৰয়োজন। তেওঁ লগতে কয় যে মানুহৰ মাজত আস্থা গঢ়ি তোলাৰ জৰিয়তে ৰাষ্ট্ৰীয় সংহতি অধিক শক্তিশালী হয়। ১৩ পৃষ্ঠাত চাওক

# হাজোৰ বৰষ্বৈত পৰম্পৰাগত নাওখেল প্ৰতিযোগিতাৰ আয়োজন

**অগ্ৰদূত বাৰ্ত,**

**হাজো, ২২ আগষ্ট ঃ** হাজো মহকুমা ক্ৰীড়া উন্নয়ন পৰিষদৰ উদ্যোগত আৰু বৃহত্তৰ বৰষ্বে আঞ্চলিক ৰাইজৰ সহযোগত অহা ২৫ আগষ্টত বৰষ্বে পুঠিমাৰী নদীৰ পাৰঘাটত প্ৰয়াত বৰকত উল্লা সোঁৱৰণী চলন্ত পৰম্পৰাগত নাওখেল প্ৰতিযোগিতাৰ আয়োজন চলাইছে। এই নাওখেল প্ৰতিযোগিতাৰ বিজয়ী দলক প্ৰয়াত বৰকত উল্লা সোঁৱৰণী চলন্ত ট্ৰফী সহ নগদ ১০ হেজাৰ টকা আৰু বিজেতা দলক চলন্ত ট্ৰফী সহ নগদ সাত হেজাৰ টকাৰে পুৰস্কৃত কৰিব। এই বৰকত উল্লা স্মাৰক বঁটা আৰু নগদ ধন আগবঢ়াইছে বিশিষ্ট সমাজসেৱক তথা উদ্যোগ বিভাগৰ অৱসৰী সঞ্চালক নুৰ মহম্মদে। তদুপলক্ষে সিদিনা পুৱাৰ ভাগত হাজো মহকুমা ক্ৰীড়া উন্নয়ন পৰিষদৰ পতাকা উত্তোলন কৰিব লাগিব পৰিষদৰ সভাপতি ডিম্বেশ্বৰ দাসে আৰু আদৰণি সমিতিৰ পতাকা উত্তোলন কৰিব সমিতিৰ সভাপতি অনিলেন্দ্ৰ মোহন ডেকাই। ইয়াৰ পাছতে দাতা পৰিয়ালৰ দ্বাৰা বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পনৰ অন্তত নাওখেল প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰিব হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে। আবেলি ৪-৩০ বজাত অনুষ্ঠিতব্য বটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে ৰঙিয়া বিধানসভা সমষ্টিৰ বিধায়ক ভৱেশ কলিতা, বিশিষ্ট অতিথি হিচাপে কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, কামৰূপ জিলা আৰক্ষী অধীক্ষক শুভাশীষ বৰুৱাৰ লগতে কে'বাগৰাকীও আমন্ত্ৰিত অতিথিয়ে অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তা সমিতিয়ে জনাইছে।

# আজি জটিয়াৰ পূজাৰ সাধাৰণ সভা

**ষ্টাফ ৰিপৰ্টাৰ**

**গুৱাহাটী, ২২ আগষ্ট ঃ** জটিয়া সাৰ্বজনীন দুৰ্গা পূজা উদযাপন সমিতিৰ এখন সাধাৰণ সভা কাইলৈ আহ্বান কৰা হৈছে। সমিতিৰ সম্পাদক বাবুল মেধিয়ে সদৰী কৰে যে কাইলৈ সন্ধিয়া পাঁচ বজাত জাতীয় বিদ্যালয় অসমত এই সভা অনুষ্ঠিত হ'ব। ইয়াত পূজা উদযাপনৰ লগতে জড়িত সকলোকে উপস্থিত থাকিবলৈ মেধিয়ে আহ্বান জনাইছে। সভাত আগন্তুক পূজা উদ্‌যাপন সকলো বিষয় বিতংভাৱে আলোচনা কৰা হ'ব।

# উৰপদ বিল সংকটমুক্ত কৰিবলৈ বহু কৰণীয় আছে

## উলহ মালহেৰে আগিয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**আগিয়া ২২ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ আগিয়াত অৱস্থিত ঐতিহাসিক উৰপদ বিলক অসম চৰকাৰে প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল ৰূপে ঘোষণা কৰিছে যদিও ইয়াৰ জৈৱ বৈচিত্ৰ্য ৰক্ষাৰে সংকটমুক্ত কৰি উৰপদ বিলক পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰস্থল ৰূপে গঢ়ি তুলিবলৈ বহু কৰণীয় আছে।' এই মন্তব্য গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ড° সিদ্ধিনাথ শৰ্মাৰ। আগিয়া মহাবিদ্যালয়ৰ ৩১ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা- 'উৰপদ বিল আৰু ইয়াৰ জৈৱ বৈচিত্ৰ্য ৰক্ষাত নাগৰিকৰ ভূমিকা'- শীৰ্ষক বক্তৃতানুষ্ঠানত মুখ্য বক্তাৰ ভাষণত এনেদৰে কয় ড° সিদ্ধিনাথ শৰ্মাই। তেওঁ কয় যে প্ৰাকৃতিকভাৱে জিনাৰী অৱবাহিকাৰ পানী উৰপদ বিলত প্ৰৱেশ কৰা আৰু উৰপদ বিলৰ পৰা অতিৰিক্ত পানী বাহিৰলৈ বৈ যোৱা জিঞ্জিৰাম নদীৰ উৎস ৮০ ৰ দশকতে দুষ্ট চক্ৰই বন্ধ কৰি দিছে। আনপিনে চৰকাৰী ভাৱে ১,২৫৬ হেক্টৰ উৰপদ বিলৰ পৰিসৰ বুলি প্ৰকাশ কৰা হৈছে যদিও ঐতিহাসিক তথ্য মতে কিন্তু তাৰ দ্বিগুণ ভূমি উৰপদ বিলৰ পৰিসৰ। উৰপদ বিলৰ পশ্চিম অংশ বালিজানা ৰাজহ চক্ৰৰ অন্তৰ্গত হোৱাৰ বিপৰীতে এটা অংশ মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত। তাৎপৰ্যপূৰ্ণভাৱে বালিজানা ৰাজহ চক্ৰৰ অন্তৰ্গত অংশটো উৰপদ বিল ৰূপে পৰিচিত হৈ ৰল যদিও মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত ১৩ পৃষ্ঠাত চাওক

## শ্ৰদ্ধাঞ্জলি

### প্ৰণৱ মহন্ত



যোৱা ১৩ আগষ্টত যোৰহাটৰ চন্দন নগৰৰ বাসিন্দা, অৱসৰপ্ৰাপ্ত সহকাৰী বন সংৰক্ষক প্ৰণৱ মহন্তৰ বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৮ বছৰ। প্ৰণৱ মহন্ত মোৰ খুড়া প্ৰয়াত দেৱকান্ত মহন্তৰ চাৰিটি সন্তানৰ জ্যেষ্ঠ সন্তান। বয়সত মোতকৈ দুবছৰ ডাঙৰ হোৱাৰ বাবে তেওঁক মই পোনাদা বুলি মাতিছিলো। সৰুৰে পৰা পোনাদাৰ কিছুমান অতি সজ গুণ দেখা পাইছিলো যিখিনিৰ বাবে পাছলৈ তেওঁ চাকৰি জীৱনত আৰু ৰাজহুৱা জীৱনত সকলোৰে অতি প্ৰিয়পাত্ৰ হৈ উঠিব পাৰিছিল। তেওঁ অত্যন্ত অমায়িক, মৃদুভাষী, নিৰহংকাৰী আৰু শান্ত প্ৰকৃতিৰ আছিল। যোৰহাটৰ বৃহত্তৰ বঙালপুখুৰী অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত তেওঁ সক্ৰিয়ভাৱে জড়িত হৈ আছিল।

পোনাদাৰ পৰিবাৰ বন্তি বৌও অতি সাদৰী আৰু গুণী মহিলা। শেষৰ কেইবছৰ পোনাদা যেতিয়া যথেষ্ট অসুস্থ হৈ পৰিছিল আৰু চিকিৎসাৰ বাবে প্ৰায়ে চিকিৎসালয়লৈ অনা-নিয়া কৰি থাকিবলগীয়া হৈছিল, সেইখিনি সময়ত বন্তি বৌৱে যি নিষ্ঠা আৰু কষ্টৰে দাদাৰ শুশ্ৰূষা কৰিছিল আৰু যত্ন লৈছিল, সেয়া নেদেখিলে বিশ্বাস কৰা টান। আজি দাদাৰ পৱিত্ৰ আদ্যশ্ৰাদ্ধৰ দিনা দাদাৰ পুণ্য স্মৃতিত অশ্ৰু-অঞ্জলি যাচিছো।

**পদ্মপাণি**

# লৰমাবটাঁকুছি আৰু চতমাৰ কে'বাটাও পথ বোকাময় অৱস্থাত

## নিৰ্বাচনত প্ৰতিশ্ৰুতি দিয়ে দায়িত্ব সাৰিছে পূৰ্বৰ জনপ্ৰতিনিধিয়ে

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ২২ আগষ্ট ঃ** 'আজিহে আমি বৰক্ষেত্ৰী সমষ্টিৰ ভোটাৰ। ২০২১ৰ নিৰ্বাচনলৈ আমি নলবাৰী সমষ্টিৰে আছিলো। প্ৰায় চাৰে তিনিটা বছৰ নলবাৰী সমষ্টিৰ অধীনত থকাৰ পাছতহে সমষ্টিৰ সীমা নিৰ্ধাৰণ পাছত বৰক্ষেত্ৰী সমষ্টিৰ বাসিন্দা হলো। আমাক বিগত ২০২১ৰ বিধানসভা নিৰ্বাচনৰ সময়ত পথসমূহ যাতায়াতৰ সুচল কৰাৰ আশ্বাস দিছিল মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত মল্লবৰুৱাই। কিন্তু নিৰ্বাচনৰ পাছত আমাক দিয়া প্ৰতিশ্ৰুতি পাহৰি গ'ল প্ৰভাৱশালী মন্ত্ৰীজনে।' এই মন্তব্য লৰমাবটাঁকুছিৰ কেইজনমান



বয়োজ্যেষ্ঠ নাগৰিকৰ। মহনুৰ আলী, বাহাৰুল ইছলাম, হামিদ আলীৰ উপৰি বাতৰি কাকতত নাম প্ৰকাশ কৰাৰ ইচ্ছা নথকা একাংশ লোকৰ। উল্লেখ্য যে পূৰ্বৰ নলবাৰী আৰু বৰ্তমানৰ বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত পূৰ্বৰ ১১ নম্বৰ দেহাৰকুছি গাঁও পঞ্চায়তৰ অধীনস্থ আৰু বৰ্তমানৰ ৪৪ নম্বৰ উপৰ বৰভাগ দেহাৰকুছিগাঁও পঞ্চায়তৰ অন্তৰ্গত লৰমাবটাঁকুছি আৰু চতমা গাঁৱৰ কে'বাটাও পথে দীৰ্ঘ বছৰ ধৰি পথচাৰীক যন্ত্ৰণা ভোগাই আছে। প্ৰতি বছৰে বাৰিষা আহিলে বোকা-পানীৰে একাকাৰ হৈ কদৰ্যময় পৰিৱেশ হৈ পৰে পথকেইটা। মন কৰিবলগীয়া কথা যে ইয়াৰে লৰমাবটাঁকুছি গাঁৱৰ পহৰানটোলা পুখুৰীৰ পাৰৰ পৰা লৰমাবটাঁকুছি মছজিদৰ সন্মুখৰে দুই নম্বৰ লৰমাবটাকুছি প্ৰাথমিক বিদ্যালয়ৰ সন্মুখলৈ যোৱা পথছোৱাৰ অৱস্থাই ৰাইজক জীয়াতু ভোগাই আহিছে। উল্লেখ্য যে একেটা পথৰে ঘগ্ৰাপাৰ ১৩ পৃষ্ঠাত চাওক

# বাঁহে গঢ়িব নতুন অৰ্থনৈতিক পৰিৱেশ ঃ বড়োলেণ্ডত বাঁহ ভিত্তিক উদ্যোগৰ নতুন সম্ভাৱনা

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ২২ আগষ্ট ঃ** বড়োলেণ্ড অঞ্চলত অতিকৈ সহজলভ্য বাঁহ ভিত্তিক জীৱিকা, কৃষি আৰু উদ্যোগৰ নতুন সম্ভাৱনা সৃষ্টি কৰাৰ লক্ষ্যৰে আজি বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ চেণ্টাৰ ফৰ বাঁহ ষ্টাডিজ আৰু নৰ্থ ইষ্টাৰ্ণ ছাষ্টেইনেবল ছলিউছনছ (এনইএছএছ)-ৰ মাজত তিনিবছৰীয়া এক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। আজি বড়োলেণ্ড বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা চুক্তি স্বাক্ষৰ অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড° প্ৰহ্লাদ বসুমতাৰীয়ে কয় যে বিটিচি অঞ্চলত বাঁহ গছ সৰ্বাধিক উৎপন্ন হোৱাৰ বাবে সকলোৰে লগত পৰিচিত যদিও বৈজ্ঞানিক পদ্ধতিৰে বাঁহ গছ উৎপাদন, ব্যৱহাৰ আৰু বাণিজ্যিকীকৰণৰ ক্ষেত্ৰত পৰ্যাপ্ত অগ্ৰগতি হোৱা নাছিল। কালি দুয়োটা পক্ষৰ লগত হোৱা চুক্তিৰ বাবে বাঁহৰ বৈজ্ঞানিক খেতিৰ পৰা আৰম্ভ কৰি বজাৰত চাহিদা থকা সামগ্ৰী প্ৰস্তুত আৰু বজাৰত বিক্ৰী কৰালৈকে শক্তিশালী কৰাত সহায় কৰিব। চুক্তি অনুসৰি বাঁহগছ ৰোপণৰ কাৰণ ভূমি চিনাক্তকৰণ, বৃহৎ পৰিসৰৰ বাঁহৰ বাগিচা স্থাপন, কৃষি-বনায়ন আৰু গৃহভূমিত বাঁহ খেতিৰ আৰ্হি গঢ়ি তোলাৰ লগতে বিশ্ববিদ্যালয় চৌহদত উন্নতমানৰ আৰু ৰোগমুক্ত বাঁহৰ পুলি উৎপাদনৰ বাবে নাৰ্চাৰী স্থাপন কৰা হ'ব। প্ৰয়োজন অনুসৰি আধুনিক প্ৰযুক্তিও ব্যৱহাৰ কৰা হ'ব। ইয়াৰ উপৰি বাঁহৰ পৰা বিভিন্ন সামগ্ৰী উৎপাদনৰ বাবে প্ৰক্ৰিয়াকৰণ গোট স্থাপন আৰু বজাৰত বিক্ৰী কৰাৰ বাবে সংযোগ কেন্দ্ৰ গঢ়ি তোলাৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ ভিতৰত বাঁহৰ হস্তশিল্প আৰু আচবাব, ধূপ, কাঠ-কয়লাৰ ব্ৰিকেট, খাব পৰা বাঁহৰ গজালি আৰু পৰিৱেশ-বান্ধৱ নিৰ্মাণ সামগ্ৰী আদি উল্লেখযোগ্য। স্থানীয় কৃষক, উদ্যোগী, যুৱক-যুৱতী আৰু মহিলা আত্মসহায়ক গোটসমূহৰ বাবে দক্ষতা বিকাশৰ প্ৰশিক্ষণ, হাতে-কামে শিকাৰ কৰ্মশালা আৰু ক্ষেত্ৰ পৰিদৰ্শনৰো আয়োজন কৰা হ'ব বুলি পঞ্জীয়কজনে জানিবলৈ দিয়ে। চুক্তি অনুসৰি বড়োলেণ্ড বিশ্ববিদ্যালয়ে কাৰ্যকৰী সংস্থা হিচাপে কাৰিকৰী পৰামৰ্শ, প্ৰশিক্ষণ, প্ৰমাণীকৰণ আৰু গুণগত মান নিশ্চিত কৰাৰো দায়িত্ব পালন কৰিব। আনহাতে, এনইএছএছে বিশ্ববিদ্যালয়ৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ ক্ৰয়, বিপণন আৰু বাণিজ্যিক বিতৰণৰ লগতে কৃষক আৰু আত্মসহায়ক গোটসমূহক বজাৰ, ঋণ সুবিধা আৰু চৰকাৰী আঁচনিৰ ১৩ পৃষ্ঠাত চাওক

# নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ইন্দু দত্তক বিদায় সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ২২ আগষ্ট ঃ** নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী ইন্দু দত্তৰ বিদায় সম্বৰ্ধনা সভাখনি ১৪ আগষ্টত বিদ্যালয়ত অনুষ্ঠিত হয় । বিদ্যালয়ৰ অধ্যক্ষ ধৰণীৰ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাত ইন্দু দত্তক বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় বিশিষ্ট ব্যক্তিসকলৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে গামোচা, চেলেং, সঁফুৰা, সম্বৰ্ধনাপত্ৰ, কিতাপ আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। বিষয় শিক্ষক মনোৰঞ্জন শৰ্মাই আঁত ধৰা সম্বৰ্ধনা সভাত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ যুগল চন্দ্ৰ কলিতা,বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি কৃষ্ণানন্দ বৰুৱা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ললিতা খাউণ্ড, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক দিলীপ কাকতি, ইন্দু দত্তৰ স্বামী তথা অৱসৰপ্ৰাপ্ত শিক্ষক মহেন্দ্ৰ ভূঞা আৰু সমাজকৰ্মী ৰাজেন্দ্ৰ প্ৰসাদ শইকীয়াই অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী তথা নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰী ইন্দু দত্তই বিদ্যালয়ৰ শৈক্ষিক ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ লগতে বিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়ন তথা বিদ্যালয় প্ৰৱেশদ্বাৰত এখন তোৰণ নিৰ্মাণ কৰি দেখুওৱা মহানতাৰ শলাগ লয়। আগন্তুক দিনবোৰত সামাজিক কাম কাজৰ জৰিয়তে নিজকে আগবঢ়াই নিবলৈ পৰামৰ্শ ১৩ পৃষ্ঠাত চাওক

# সত্ৰীয়া সংস্কৃতিৰ সাধক বৰবায়ন পৰমা মহন্তৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**মেলামাটি, ২২ আগষ্ট ঃ** তিতাবৰ সমষ্টিৰ অন্তৰ্গত কাকদোঙা নৈৰ পাৰত শ্ৰীশ্ৰীবগী আই বৰ এলেঙী সত্ৰৰ নিবাসী তথা সত্ৰীয়া সংস্কৃতিৰ সাধক পৰমা মহন্ত (৬৩) ৰ কালি মৃত্যু হয়। হেমকান্ত মহন্ত আৰু বিমলা মহন্তৰ পুত্ৰ মহন্তই খোল-তাল, নৃত্য বৰগীত, নাম প্ৰসংগ নাট পৰিচালনাৰে সমাদৰ লাভ কৰিছিল। বৰগীতৰ অনাতাঁৰ শিল্পী, মুখা শিল্পী, বৰগীতৰ নৃত্যৰ স্বৰলিপি প্ৰণেতা, বৰবায়ন ৰামেশ্বৰ শইকীয়া সোঁৱৰণি বঁটাকে ধৰি মহন্তক যোৰহাটৰ ৰজাবাৰীস্থিত সত্ৰীয়া বিদ্যালয়ৰ শিক্ষক আছিল। ড° ভূপেন হাজৰিকাৰ তত্ত্বাৱধানত নিৰ্মাণ কৰা বৰগীতৰ এটা কেছেটত মহন্তই কণ্ঠদান কৰিছিল। কাৰুশিল্পী ৰূপেও পৰিচিত মহন্তৰ মৃত্যুৰ সময়ত পত্নীকে ধৰি আত্মীয় স্বজনক এৰি যায়। দুৰ্ভাগ্যজনক কথা যে জীৱিত অৱস্থাত চৰকাৰী শিল্পী পেন্সৰ পৰা বঞ্চিত হয়।

# শ্ৰীৰামপুৰ ছাইন্স একাডেমীৰ নৱাগত আদৰণি অনুষ্ঠান

## ছাত্ৰ-ছাত্ৰীক ম'বাইলৰ অপব্যৱহাৰ নকৰিবলৈ আহ্বান




**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ২২ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰস্থিত শ্ৰীৰামপুৰ ছাইন্স একাডেমীৰ ছাত্ৰ ইউনিয়নৰ উদ্যোগত আজি একাডেমী প্ৰাংগণত নৱাগত আদৰণি সভা অনুষ্ঠিত হয়। সভাত উপস্থিত বিশিষ্ট ব্যক্তিবৰ্গই নৱাগত ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক আৰু নৈতিক দিশৰ ওপৰত মূল্যবান ভাষণ প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰীক উদ্দেশি শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জীৱ সন্দিকৈয়ে কয় যে শিক্ষা অবিহনে ভৱিষ্যৎ জীৱন অন্ধকাৰাচ্ছন্ন হৈ পৰা সমানেই শিক্ষিত হৈ বিপথগামী হ'লেও জীৱন ধ্বংসৰ পথত গতি কৰে। গতিকে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষাৰ পদূলিত ভৰি দিয়াসকলে জীৱনৰ লক্ষ্য আৰু উদ্দেশ্য স্থিৰ কৰি লৈ সেই লক্ষ্যত উপনীত হোৱাৰ বাবে চেষ্টা কৰিব লাগিব। ৰিজাল্ট ভাল কৰাৰ বাবে কঠোৰ অধ্যৱসায় কৰিব লাগিব। তেওঁ নিজৰ শৈক্ষিক জীৱন আৰু চাকৰি জীৱনৰ কিছু বিশেষ অভিজ্ঞতাৰ কথা ছাত্ৰ-ছাত্ৰীক অৱগত কৰে। তেওঁ কয় যে যুৱ প্ৰজন্মৰ একাংশই ড্ৰাগছ আৰু অন্যান্য নিচাত আসক্ত হৈ জীৱনটোক ধ্বংসৰ পথলৈ ঠেলি দিছে। বহুতে আকৌ দুই নম্বৰী কামত লিপ্ত হৈ অপৰাধ জগতত সোমাই পৰি জেলৰ ভাত খাবলগীয়া হৈছে। ম'বাইলৰ অপব্যৱহাৰ নকৰিবলৈ তেওঁ পৰামৰ্শ দিয়ে আৰু এই ক্ষেত্ৰত অভিভাৱকসকলকো নিজৰ ল'ৰা-ছোৱালীৰ ওপৰত তীক্ষ্ণ দৃষ্টি দিবলৈ তেওঁ আহ্বান জনায়। অনুষ্ঠানত গোসাঁইগাঁৱৰ বিশিষ্ট অধিবক্তা তথা শ্ৰীৰামপুৰ টিচিএলচিচিৰ সভাপতি মোখলেছুৰ ৰহমানে নৱাগত আদৰণি সভাৰ ভাষণত ছাত্ৰ-ছাত্ৰীক নিজৰ জীৱনৰ লক্ষ্য এতিয়াই স্থিৰ কৰি সেই লক্ষ্যত উপনীত হ'বলৈ কঠোৰ পৰিশ্ৰম ১৩ পৃষ্ঠাত চাওক

# শিক্ষাবিদ ৰোহিণী গগৈৰ স্মৃতিচাৰণ সভা ঃ স্মৃতিগ্ৰন্থ উন্মোচন



**অগ্ৰদূত বাৰ্তা**

**চেলেংহাট, ২২ আগষ্ট ঃ** শিক্ষা, সাহিত্য আৰু সমাজ জীৱনলৈ উল্লেখযোগ্য অৱদান আগবঢ়াই যোৱা হাঁহচৰা উচ্চ মাধ্যমিক (বৰ্তমানৰ উচ্চতৰ মাধ্যমিক) বিদ্যালয়ৰৰ প্ৰতিষ্ঠাপক শিক্ষক তথা পৰৱৰ্তী সময়ত প্ৰধান শিক্ষক ৰূপে অৱসৰ গ্ৰহণ কৰা শিক্ষক সাংস্কৃতিক কৰ্মী প্ৰয়াত ৰোহিণী কুমাৰ গগৈৰ স্মৃতিত কালি আদ্যশ্ৰাদ্ধৰ দিনা বাইলুং গাওঁৰ নিজা বাসগৃহত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। সভাত প্ৰয়াত শিক্ষাবিদজনৰ কৰ্মময় জীৱন, শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদান আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ কথা স্মৰণ কৰি উপস্থিতসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মাধৱ গগৈয়ে আঁত ধৰা কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰবক্তা দেৱকান্ত বৰুৱাই সভাপতিত্ব কৰা স্মৃতি চাৰণ অনুষ্ঠানত প্ৰয়াত ৰোহিনী কুমাৰ গগৈৰ স্মৃতিত প্ৰকাশিত 'দিক দৰ্শন' শীৰ্ষক স্মৃতি গ্ৰন্থখন উন্মোচন কৰা হয়। স্মৃতি গ্ৰন্থখন উন্মোচন কৰে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অধ্যক্ষ অনিল গগৈয়ে। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত গগৈৰ সহধৰ্মিণী ৰিণু পমা গগৈয়ে বন্তি প্ৰজ্বলন কৰে। স্মৃতিতৰ্পণ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপ-পঞ্জীয়ক খগেন ১৩ পৃষ্ঠাত চাওক

# সমাজসেৱাৰ অনন্য নিদৰ্শন যোৰহাটৰ বিৰেণ দত্ত



**অগ্ৰদূত বাৰ্তা**

**কাকজান, ২২ আগষ্ট ঃ** বৰ্তমান সময়ত নিবনুৱাৰ সমস্যা, কৃষিৰ সংকট আৰু গ্ৰাম্য অৰ্থনীতিৰ দুৰ্বলতাৰ মাজত যিসকল ব্যক্তিয়ে নীৰৱে সমাজৰ বাবে কাম কৰি আছে, তেওঁলোকৰ ভিতৰত যোৰহাটৰ গড়মূৰৰ বিশিষ্ট সমাজকৰ্মী তথা ৰাষ্ট্ৰীয় প্ৰগতিশীল বঁটা প্ৰাপক বিৰেণ দত্ত এক উল্লেখযোগ্য নাম। ব্যক্তিগত স্বাৰ্থক আঁতৰাই সমাজৰ পিছপৰা শ্ৰেণীৰ লোকসকলক আত্মনিৰ্ভৰশীল কৰি তোলাৰ উদ্দেশ্যে তেওঁ দীৰ্ঘদিন ধৰি আগবঢ়াই অহা নীৰৱ, নিষ্ঠাবান আৰু ফলপ্ৰসূ কৰ্মযজ্ঞই ইতিমধ্যে শতাধিক পৰিয়ালৰ জীৱনলৈ নতুন আশাৰ বতৰা কঢ়িয়াই আনিছে। বিৰেণ দত্তৰ সমাজসেৱাৰ মূল লক্ষ্য হৈছে—সহায়ৰ ওপৰত নিৰ্ভৰশীল সমাজ নহয়, আত্মনিৰ্ভৰশীল সমাজ গঢ়ি তোলা। সেই উদ্দেশ্যৰে তেওঁ কেৱল যোৰহাট জিলাতেই নহয়, উজনি অসমৰ বিভিন্ন অঞ্চলত নিবনুৱা যুৱক-যুৱতী, মহিলা আৰু কৃকসকলক কৰ্মমুখী প্ৰশিক্ষণ, ব্যৱসায়িক পৰামৰ্শ আৰু প্ৰয়োজনীয় সহায় আগবঢ়াই আহিছে। তেওঁৰ উদ্যোগৰ ফলত বহু পৰিয়ালে আজিৰ দিনত নিজা উদ্যোগেৰে জীৱিকা নিৰ্বাহ কৰি স্বাভিমানী জীৱন যাপন কৰিবলৈ সক্ষম হৈছে। বিশেষকৈ শিৱসাগৰ জিলাৰ জাঁজী, জামুগুৰি, যোৰহাট, দেৰগাঁও আদি অঞ্চলত গ্ৰাম্য যুৱ সমাজক স্বাৱলম্বী কৰাৰ লক্ষ্যৰে চেলুন স্থাপনৰ বাবে প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়োৱা তেওঁৰ এক উল্লেখযোগ্য পদক্ষেপ। আনহাতে টীয়ক, নিমাতী, জাঁজীমুখ, বলমা, কাৰৈমাৰী, চেঙেলিগাঁও, চৰাইবাহী আদি অঞ্চলৰ ছশৰো অধিক মহিলাক হাঁহ-কুকুৰা পালন, ক্ষুদ্ৰ উদ্যোগ আৰু গৃহভিত্তিক আয়মুখী কৰ্মৰ জৰিয়তে স্বাৱলম্বী জীৱন গঢ়ি তোলাৰ পথ দেখুৱাইছে। বহু মহিলাই এই উদ্যোগৰ জৰিয়তে পৰিয়ালৰ আৰ্থিক ভেটি সুদৃঢ় কৰাৰ লগতে আত্মবিশ্বাসো লাভ কৰিছে। কৃষিক্ষেত্ৰতো ১৩ পৃষ্ঠাত চাওক



*ঢকুৱাখনাৰ নামঘৰত ভাদ মাহৰ নাম-কীৰ্তন মহিলাৰ।*

# দুৰ্লভ ৰোগীৰ বাবে নতুন আশাৰ বতৰা - অসম চিকিৎসা মহাবিদ্যালয়ত 'চেন্টাৰ অৱ এক্সচেলেঞ্চ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২২ আগষ্ট ঃ** দুৰ্লভ ৰোগত আক্ৰান্ত ৰোগীসকলৰ বাবে এক আশাৰ বতৰা কঢ়িয়াই আনিছে অসম চিকিৎসা মহাবিদ্যালয়ে। দুৰ্লভ ৰোগৰ চিকিৎসা, ৰোগ নিৰ্ণয় আৰু প্ৰয়োজনীয় ঔষধৰ সুবিধা অধিক সহজলভ্য কৰাৰ লক্ষ্যৰে অসম চিকিৎসা মহাবিদ্যালয়ত চেন্টাৰ অৱ এক্সচেলেঞ্চ স্থাপন কৰা হৈছে। সমগ্ৰ ভাৰতৰ নিৰ্বাচিত ১৫টা কেন্দ্ৰৰ ভিতৰত অন্যতম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো এনে কেন্দ্ৰ হিচাপে অসম চিকিৎসা মহাবিদ্যালয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। এই উপলক্ষে সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সঞ্জীৱ কাকতিয়ে কয় যে দুৰ্লভ ৰোগত আক্ৰান্ত ৰোগীসকলৰ সুবিধাৰ বাবে চিকিৎসা মহাবিদ্যালয়খনৰ চিকিৎসক আৰু বিশেষজ্ঞসকলে দীৰ্ঘদিন ধৰি প্ৰচেষ্টা চলাই আহিছিল। অৱশেষত ৰোগীসকলৰ বাবে এই সুবিধা কাৰ্যকৰী হোৱাটো এক উল্লেখযোগ্য সফলতা বুলি তেওঁ মন্তব্য কৰে। ডাঃ কাকতিয়ে কয় যে ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় দুৰ্লভ ৰোগ নীতিৰ অধীনত জেনেটিক টেষ্টিঙৰ জৰিয়তে দুৰ্লভ ৰোগ নিশ্চিত হোৱা যোগ্য ৰোগীক ৫০ লাখ টকা পৰ্যন্ত চিকিৎসা আৰু ঔষধৰ সুবিধা প্ৰদানৰ ব্যৱস্থা আছে। এই ধন ৰোগীৰ হাতত নগদ হিচাপে বা বেংক একাউণ্টত প্ৰদান কৰা নহয়। নিবিদা প্ৰক্ৰিয়াৰ জৰিয়তে কম মূল্যত ঔষধ ক্ৰয় কৰি ৰোগীক সম্পূৰ্ণ বিনামূলীয়াকৈ যোগান ধৰা হয়।

তেওঁ জনোৱা মতে, অসম চিকিৎসা মহাবিদ্যালয়ৰ ফাৰ্মাক'লজী বিভাগ আৰু বিশেষজ্ঞ চিকিৎসকৰ দলে এই প্ৰক্ৰিয়া সম্পন্ন কৰে। কোনো কোনো ৰোগীৰ ক্ষেত্ৰত বছৰি ১.৫ লাখ বা তিনি লাখ টকাৰ ঔষধৰ প্ৰয়োজন হ'লে পুঞ্জ লাখ টকাৰ সুবিধাৰ জৰিয়তে দীৰ্ঘদিনলৈ বিনামূলীয়া ঔষধ যোগান ধৰাৰ সুযোগ সৃষ্টি হ'ব পাৰে। ইফালে, দুৰ্লভ ৰোগত আক্ৰান্ত অসমৰ এগৰাকী প্ৰতিষ্ঠিত সাহিত্যিক-লেখিকা শৰ্মিষ্ঠা প্ৰীতমে নিজৰ অভিজ্ঞতা ব্যক্ত কৰি কয় যে দুৰ্লভ ৰোগৰ সৈতে তেওঁৰ যুঁজ আছিল অতিকৈ দীঘলীয়া আৰু কঠিন। ৰোগ নিৰ্ণয় আৰু চিকিৎসাৰ সন্ধানত বহু বছৰ পাৰ কৰাৰ পিছত চিকিৎসা লাভ কৰিলেও অত্যন্ত ব্যয় বহুল ঔষধে তেওঁক পুনৰ কঠিন পৰিস্থিতিৰ সন্মুখীন কৰাইছিল। শৰ্মিষ্ঠা প্ৰীতমৰ মতে, এটা সময়ত বছৰি প্ৰায় ৬২ৰ পৰা ৭৫ লাখ টকা পৰ্যন্ত ঔষধৰ প্ৰয়োজন হৈছিল। এনে বিপুল ব্যয় সাধাৰণ পৰিয়ালৰ বাবে বহন কৰাটো প্ৰায় অসম্ভৱ হৈ পৰিছিল। বিভিন্ন সংবাদ মাধ্যমৰ জৰিয়তে সজাগতা সৃষ্টি কৰাৰ লগতে স্বাস্থ্য বিভাগৰ ওচৰত আবেদন জনোৱাৰ পাছতো উপায় নোলোৱাত তেওঁ ক্ৰাউডফাণ্ডিঙৰ সহায়ত প্ৰথম এবছৰৰ ঔষধৰ ব্যৱস্থা কৰিছিল। কিন্তু দীৰ্ঘদিন ধৰি ক্ৰাউডফাণ্ডিঙৰ ওপৰত নিৰ্ভৰ কৰি ব্যয়বহুল ঔষধ গ্ৰহণ কৰি থকাটো সম্ভৱ নোহোৱাত পুনৰ চিকিৎসাৰ সংকট সৃষ্টি হৈছিল। এনে সময়তে অসম চিকিৎসা মহাবিদ্যালয়ৰ চেন্টাৰ অৱ ১৩ পৃষ্ঠাত চাওক

# বাগ্‌সা লোকনিৰ্মাণ বিভাগত মেৰামতিৰ কাম শূন্য ! পথসমূহত প্ৰকাণ্ড গাঁত

**অগ্ৰদূত বাৰ্তা**

**বৰমা, ২২ আগষ্ট ঃ** বাগ্‌সাৰ কে'বাটাও গড়কাপ্টানী পথত এতিয়া সৃষ্টি হৈছে প্ৰকাণ্ড প্ৰকাণ্ড গাত। বহুদিন ধৰি মেৰামতি নোহোৱাৰ বাবে গাড়ীসমূহ চলাচল কৰাটো দুৰ্বিসহ হৈ পৰিছে। ইয়াৰ বাবে (বাগ্‌সা) মুছলপুৰ লোকনিৰ্মান বিভাগত ব্যপক অনিয়ম সংঘটিত হৈ থকা বুলি অভিযোগ উঠিছে। বিগত সময়ত জিলাখনৰ যাতায়াতৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰি কেন্দ্ৰ, ৰাজ্য আৰু বিটিচি চৰকাৰে পৃথকে পৃথকে পথ নিৰ্মাণ আৰু মেৰামতিৰ নামত কোটি কোটি টকা খৰচ কৰি যাতায়াত ব্যৱস্থা উন্নত কৰিছিল। কিন্তু নতুন পকী পথ নিৰ্মাণৰ পাছত পাঁচ বছৰলৈ মেৰামতিৰ কাম সংশ্লিষ্ট ঠিকাদাৰে কৰিব লাগে যদিও বাস্তৱ ক্ষেত্ৰত তাৰ বিপৰীত ছৱিহে দেখা পোৱা গৈছে উদাহৰণ স্বৰূপে ২০২২-২৩ত মুখ্যমন্ত্ৰী চিগনেচাৰ আঁচনিৰ অধীনত কদমতল-ভালুকদঙা সংযোগী পথটোৰ ১০ কিলোমিটাৰ পথ ১০ কোটি টকা চৰকাৰী ধন খৰচ কৰি ঠিকাদাৰে নিৰ্মাণ কৰিছিল। কিন্তু নিৰ্মাণৰ দুৱছৰ পাছতে পথটো ঠায়ে ঠায়ে সৃষ্টি হৈছে গাঁত। মেৰামতিৰ অভাৱত যাতায়াতৰ অনুপযোগী হৈ পৰিছে ব্যস্ততাপূৰ্ণ কদমতল- ভালুকদঙা নৱনিৰ্মিত পথটো। ঠিকাদাৰ আৰু লোকনিৰ্মাণ বিভাগৰ আমোলা-বিষয়াই কাগজে-কলমে মেৰামতি দেখুৱাই মেৰামতিৰ নামত থকা জমাধন মোকোলাই নিয়াৰ সন্দেহ প্ৰকাশ কৰে সচেতন লোকে। যাৰ কাৰণে হয়তো নিৰ্মাণৰ এবছৰ পাছতে যাতায়াতৰ অনুপযোগী হৈ পৰা পথটো মেৰামতি কৰিব পৰা নাই সংশ্লিষ্ট ঠিকাদাৰজনে। ইয়াৰ বাহিৰেও ১৩ পৃষ্ঠাত চাওক

# নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ইন্দু

১২ *পৃষ্ঠাৰ পৰা* আগবঢ়াই। সভাত ইন্দু দত্তই বিদ্যালয়ত যোগদান কৰা দিনটোৰ পৰা অৱসৰ গ্ৰহণ কৰা দিনটো পৰ্যন্ত তিতা-মিঠা অভিজ্ঞতা বৰ্ণনা কৰি আৱেগিক হৈ পৰাৰ লগতে বিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে সহযোগী শিক্ষক-শিক্ষয়িত্ৰীসকলক কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী অনুপমা শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষক কোযেশ্বৰ বৰা, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ উপ-সভাপতি জগত বৰা আৰু গাওঁ প্ৰধান প্ৰফুল্ল কলিতা প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# উৰপদ বিল সংকটমুক্ত কৰিবলৈ বহু

১২ *পৃষ্ঠাৰ পৰা* অংশটো ৰহস্যজনকভাৱে বিলুপ্ত হৈ গ'ল বুলিও প্ৰকাশ কৰে শৰ্মাই। উৰপদ বিলৰ চৌপাশৰ পাহাৰসমূহ সংৰক্ষণ কৰিব নোৱাৰিলে অনাগত দিনত উৰপদ বিলৰ পৰিসৰ তুতি অহাটো নিশ্চিত। উল্লেখিত দিশসমূহৰ প্ৰতি চৰকাৰ দায়বদ্ধতাৰে আগবাঢ়িব লাগিব লগতে স্থানীয় ৰাইজ সজাগ সচেতন হ'ব লাগিব, তেতিয়াহে উৰপদ বিলৰ জৈৱ বৈচিত্ৰ্য ৰক্ষা পৰিব বুলিও প্ৰকাশ কৰে ড° শৰ্মাই। আগিয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী অনুসৰি, আজি পুৱা ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশিত মাৰ্চ পাষ্টৰ অভিবাদন গ্ৰহণ কৰি মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে উক্ত মহাবিদ্যালয় পৰিচালনা কমিটীৰ সভাপতি জগন্নাথ দাসে। পুৱা মহাবিদ্যালয়ৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে সমাজকৰ্মী জয়চন্দ্ৰ নাথ আৰু হেমেন ৰায়ে। লগতে বন্তি প্ৰজ্বলন কৰে প্ৰাক্তন সভাপতি সুশীল কুমাৰ ৰায়ে। মহাবিদ্যালয় পৰিচালনা কমিটীৰ প্ৰাক্তন সম্পাদক পদ্মবাহাদুৰ গুৰুঙে বক্তৃতানুষ্ঠান উদ্বোধন কৰাৰ পূৰ্বে আদৰণি ভাষণ প্ৰদান কৰে উক্ত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° উৎপল দাসে। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক প্ৰয়াত সভাপতি-সম্পাদক মহেশ চন্দ্ৰ নাথ আৰু ছহিদ ৰায়, প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত ড° মনোজ কুমাৰ চক্ৰৱৰ্তীক শ্ৰদ্ধাৰে স্মৰণ কৰি মহাবিদ্যালয়ৰ শৈক্ষিক দিশটো আগবঢ়াই নিয়াত অহোপুৰুষাৰ্থ কৰি অহা অধ্যাপক- অধ্যাপিকা আৰু মহাবিদ্যালয়ৰ পৰিচালনা কমিটীৰ বিষয়ববীয়াসকলক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰে অধ্যক্ষ ড° দাসে। বক্তৃতানুষ্ঠানৰ আৰম্ভণি আৰু শেষত ছাত্ৰীসকলে বিহু নৃত্য, গোৱালনী নৃত্য আৰু আধুনিক নৃত্য প্ৰদৰ্শন কৰি আপ্লুত কৰে অতিথি আৰু ছাত্ৰ-ছাত্ৰীসকলক। অনুষ্ঠানৰ আঁত ধৰা অধ্যাপক নাৰায়ণ নাথে শলাগৰ শৰাই আগবঢ়ায়। বিয়লি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্যসকলৰ দ্বাৰা মহাবিদ্যালয়ৰ চৌহদত বন্তি প্ৰজ্বলনেৰে প্ৰতিষ্ঠা দিৱসৰ সামৰণি পৰে।

# দুৰ্লভ ৰোগীৰ বাবে নতুন আশাৰ বতৰা

১২ *পৃষ্ঠাৰ পৰা* এক্সচেলেঞ্চ পদক্ষেপৰ বিষয়ে জানিব পাৰি তেওঁ আৰু পৰিয়ালটোৱে নতুন আশাৰ সন্ধান লাভ কৰে। শৰ্মিষ্ঠা প্ৰীতমে ডাঃ অনুপম দত্ত, অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিৰ লগতে সমগ্ৰ চিকিৎসক আৰু Centre of Excellence1 দলটোৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে এই পদক্ষেপে কেৱল তেওঁৰ বাবেই নহয়, দুৰ্লভ ৰোগত আক্ৰান্ত বহু পৰিয়ালৰ বাবে আশাৰ নতুন দুৱাৰ মুকলি কৰিছে। অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে লগতে কয় যে দুৰ্লভ ৰোগৰ ক্ষেত্ৰত আগতীয়া ৰোগ নিৰ্ণয় অতি গুৰুত্বপূৰ্ণ। ৰোগটো যিমান সোনকালে চিনাক্ত কৰিব পৰা যায়, সিমানেই সময়মতে চিকিৎসা আৰম্ভ কৰি শৰীৰৰ বিভিন্ন অংগৰ ক্ষতি ৰোধ কৰাৰ সম্ভাৱনা বৃদ্ধি পায়। দুৰ্লভ ৰোগৰ বহু ক্ষেত্ৰত বংশগত বা জিনগত কাৰণ জড়িত থাকে আৰু শৈশৰ কালৰ পৰাই ইয়াৰ বিভিন্ন লক্ষণ প্ৰকাশ পাব পাৰে। স্নায়ুতন্ত্ৰ, লিভাৰ আৰু তেজকে ধৰি শৰীৰৰ বিভিন্ন অংগত এই ৰোগে প্ৰভাৱ পেলাব পাৰে। দুৰ্লভ ৰোগৰ সঠিক আৰু আগতীয়া ৰোগ নিৰ্ণয়ৰ বাবে অসম চিকিৎসা মহাবিদ্যালয়ত অত্যাধুনিক ইন্টেগ্ৰেটেড ডায়োগেজিষ্টা লেবাটৰী স্থাপনৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি অধ্যক্ষজনে জানিবলৈ দিয়ে। ইয়াৰ জৰিয়তে ৰোগীসকলক অধিক উন্নত পৰীক্ষা-নিৰীক্ষা আৰু চিকিৎসাৰ সুবিধা প্ৰদান কৰিব পৰা যাব বুলি তেওঁ আশা প্ৰকাশ কৰে। অধ্যক্ষ ডাঃ কাকতিয়ে ৰাইজক আহ্বান জনাই কয় যে কোনো শিশু বা পৰিয়ালৰ সদস্যৰ শৰীৰত অস্বাভাৱিক, জটিল বা জিনগত ৰোগৰ লক্ষণ দেখা দিলে পলম নকৰি চিকিৎসকৰ পৰামৰ্শ ল'ব লাগে আৰু প্ৰয়োজন অনুসৰি জেনেটিক পৰীক্ষা কৰাব লাগে। "আগতীয়া ৰোগ নিৰ্ণয়েই উন্নত চিকিৎসা আৰু সুস্থ জীৱনৰ পথ সুগম কৰিব পাৰে"-বুলি অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে মন্তব্য কৰে। দুৰ্লভ ৰোগত আক্ৰান্ত ৰোগী আৰু পৰিয়ালৰ বাবে অসম চিকিৎসা মহাবিদ্যালয়ৰ এই Centre of Excellence এতিয়া কেৱল চিকিৎসাৰ এটা কেন্দ্ৰ নহয়, বৰং উত্তৰ-পূৰ্বাঞ্চলৰ বহু পৰিয়ালৰ বাবে এক নতুন আশাৰ ঠিকনা হিচাপে পৰিগণিত হৈছে।

# অসম ৰাইফলছ আৰু ইউএছআইৰ

১২ *পৃষ্ঠাৰ পৰা* উদ্বোধনী ভাষণত লেফটেনেণ্ট জেনেৰেল বিকাশ লাখেৰা, এভিএছএম,এছএম, সঞ্চালক প্ৰধান, অসম ৰাইফলছে আজিৰ আলোচনাৰ প্ৰেক্ষাপট দাঙি ধৰি কয় যে সামাজিক মাধ্যমত প্ৰচাৰিত বিভিন্ন বয়ানে সমাজত অস্থিৰতা সৃষ্টি কৰিব পাৰে। তেওঁ যুৱ সমাজক এনে ক্ষতিকাৰক প্ৰচাৰৰ প্ৰতি অধিক সজাগ আৰু সতৰ্ক হ'বলৈ আহ্বান জনায়। আনহাতে, ভাইচ এডমিৰেল সঞ্জয় জে সিং, (অৱসৰপ্ৰাপ্ত), সঞ্চালক প্ৰধান, ইউএছআই-য়ে আদৰণি ভাষণ প্ৰদান কৰি মেজৰ বব খাথিঙৰ সমৃদ্ধ ঐতিহ্যক স্মৰণ কৰে। এই বছৰৰ স্মাৰক বক্তৃতাৰ বিষয় আছিল- 'উত্তৰ-পূৰ্বাঞ্চলত নিৰাপত্তা বাহিনীৰ বিৰুদ্ধে মিছা বয়ান প্ৰচাৰৰ বাবে সামাজিক মাধ্যমৰ প্লেটফৰ্মৰ অস্ত্ৰায়ন আৰু ইয়াৰ মোকাবিলাৰ বাবে পৰামৰ্শিত পদক্ষেপসমূহ।' উত্তৰ-পূৰ্বাঞ্চল আৰু ইয়াৰ নিৰাপত্তা তথা কৌশলগত বিষয়ৰ ওপৰত দীৰ্ঘদিনীয়া অভিজ্ঞতাসম্পন্ন বিশিষ্ট সাংবাদিক, লেখক আৰু ভাষ্যকাৰ সুবীৰ ভৌমিকক বক্তৃতা প্ৰদানৰ বাবে আমন্ত্ৰণ জনোৱা হয়। তেওঁ অঞ্চলটোৰ পৰিৱৰ্তিত তথ্য পৰিৱেশ আৰু নিৰাপত্তা বাহিনীৰ বিৰুদ্ধে মিছা বয়ান তথা অপপ্ৰচাৰ প্ৰচাৰৰ বাবে সামাজিক মাধ্যমৰ প্লেটফৰ্মৰ ক্ৰমবৰ্ধমান ব্যৱহাৰৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। বক্তৃতাত সামাজিক মাধ্যমৰ অস্ত্ৰায়নে কেনেদৰে জনসাধাৰণৰ ধাৰণা প্ৰভাৱিত কৰিব পাৰে, অবিশ্বাসৰ সৃষ্টি কৰিব পাৰে আৰু নিৰাপত্তা বাহিনীৰ বিশ্বাসযোগ্যতাত নেতিবাচক প্ৰভাৱ পেলাব পাৰে, সেই বিষয়সমূহ পৰ্যালোচনা কৰা হয়। লগতে ভুল তথ্য, অপতথ্য আৰু সমন্বিত বয়ান-প্ৰচাৰৰ ফলত উদ্ভৱ হোৱা নতুন প্ৰত্যাহ্বানসমূহৰ ওপৰতো আলোকপাত কৰাৰ লগতে ইয়াৰ মোকাবিলা কৰিবলৈ ব্যৱহাৰিক আৰু ফলপ্ৰসূ পদক্ষেপৰ পৰামৰ্শ আগবঢ়োৱা হয়। অনুষ্ঠানত জ্যেষ্ঠ সামৰিক বিষয়া, প্ৰাক্তন সামৰিক বিষয়া, কৌশলগত বিষয়ৰ বিশেষজ্ঞ, শিক্ষাবিদ, সংবাদ মাধ্যমৰ প্ৰতিনিধি আৰু গৱেষকসকলে অংশগ্ৰহণ কৰে। ইয়াৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ পৰিৱৰ্তিত তথ্য পৰিৱেশ আৰু ইয়াৰ প্ৰভাৱ সম্পৰ্কে অৰ্থপূৰ্ণ আলোচনা আৰু মত-বিনিময়ৰ এক মঞ্চ সৃষ্টি হয়। পৰৱৰ্তী সময়ত অনুষ্ঠিত হোৱা প্ৰশ্নোত্তৰ পৰ্বত অংশগ্ৰহণকাৰীসকলে বক্তাৰ স'তে বিষয়টোৰ ওপৰত মত-বিনিময় কৰাৰ সুযোগ লাভ কৰে।অনুষ্ঠানৰ সামৰণিত অসম ৰাইফলছৰ ইন্সপেক্টৰ জেনেৰেল (ইষ্ট) মেজৰ জেনেৰেল আই এছ ভিণ্ডাৰে ধন্যবাদসূচক ভাষণ প্ৰদান কৰে। বাৰ্ষিক মেজৰ বব খাথিং স্মাৰক বক্তৃতাই উত্তৰ-পূৰ্বাঞ্চল, ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু ভাৰতৰ কৌশলগত স্বাৰ্থৰ স'তে জড়িত সমসাময়িক বিষয়সমূহৰ ওপৰত তথ্য ভিত্তিক আৰু অৰ্থপূৰ্ণ আলোচনাক উৎসাহিত কৰাৰ এক গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে নিজৰ ভূমিকা অব্যাহত ৰাখিছে। একে সময়তে এই অনুষ্ঠানৰ জৰিয়তে মেজৰ বব খাথিঙৰ অসাধাৰণ ঐতিহ্যকো স্মৰণ কৰা হয়।

# সমাজসেৱাৰ অনন্য নিদৰ্শন যোৰহাটৰ

১২ *পৃষ্ঠাৰ পৰা* বিৰেণ দত্তৰ অৱদান সমানেই তাৎপৰ্যপূৰ্ণ। যোৰহাটৰ বিভিন্ন স্থানত পৰিত্যক্ত আৰু অনাবাদী ভূমি কৃষিৰ আওতালৈ আনি তেওঁ নিজেও বহু বিঘা মাটিত সৰিয়হ, আলু, মটৰ, মাটিমাহ আদি শস্যৰ খেতি কৰিছে। ইয়াৰ লগতে স্থানীয় যুৱকসকলক কৃষিকাৰ্যত নিয়োজিত কৰি কৃষিভিত্তিক আত্মসংস্থাপনৰ এক সফল আৰ্হি গঢ়ি তুলিছে। এই প্ৰচেষ্টাই বহু নিবনুৱা যুৱকক কৃষিৰ প্ৰতি আকৃষ্ট কৰাৰ লগতে উৎপাদনমুখী জীৱনৰ প্ৰতি আস্থা বৃদ্ধি কৰিছে। বিৰেণ দত্তৰ দৃঢ় বিশ্বাস-বিদ্যায়তনিক শিক্ষাৰ সমান্তৰালভাৱে কৰ্মমুখী শিক্ষা, জৈৱিক কৃষি, লোকঔষধ, সুস্বাস্থ্য আৰু আত্মনিৰ্ভৰশীলতাৰ জ্ঞান লাভ কৰাটো বৰ্তমান সময়ৰ একান্ত প্ৰয়োজন। এই চিন্তাধাৰাক বাস্তৱ ৰূপ দিয়াৰ লক্ষ্যৰে তেওঁ বিদ্যালয় আৰু শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীক বাস্তৱমুখী শিক্ষা আৰু কৰ্মসংস্কৃতিৰ স'তে পৰিচিত কৰাৰ ক্ষেত্ৰতো সক্ৰিয় ভূমিকা পালন কৰি আহিছে। তেওঁৰ এই বহুমুখী সমাজসেৱাৰ স্বীকৃতিস্বৰূপে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰাৰ লগতে দিহা-পৰামৰ্শ কামনা কৰিছে। তদুপৰি প্ৰাক্তন ৰাজ্যপাল প্ৰফেচৰ জগদীশ মুখী, অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট জিলা কৃষি বিভাগ, যোৰহাট ঔদ্যোগিক আৰু বাণিজ্য কেন্দ্ৰকে ধৰি বিভিন্ন চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠানে তেওঁৰ সমাজহিতৈষী কৰ্মৰ শলাগ লৈ প্ৰশংসাপত্ৰ আৰু শুভেচ্ছা পত্ৰৰে সন্মান জনাইছে। শেহতীয়াকৈ অসম কৃষি বিশ্ববিদ্যালয়ে আয়োজন কৰা এনএছএছ ৰাষ্ট্ৰীয় সংহতি শিবিৰত বিৰেণ দত্তৰ সমাজসেৱা, পৰিৱেশ সংৰক্ষণ, কৃষিভিত্তিক আত্মনিৰ্ভৰশীলতা আৰু নৱপ্ৰজন্মক দিশ দেখুওৱাৰ অনবদ্য অৱদানৰ বাবে তেওঁক বিশেষভাৱে সন্মানিত কৰা হয়। ভাৰতৰ **১৬**খন ৰাজ্যৰ পৰা অহা প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত এই শিবিৰত টীয়কৰ হাতীশালত বৃক্ষৰোপণ কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰ সঞ্চালক বিনয় কুমাৰ মেধি, অধ্যাপকবৃন্দ আৰু আয়োজক সমিতিৰ উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানত ভাৰতৰ সুপ্ৰসিদ্ধ পৰিৱেশকৰ্মী তথা 'অৰণ্যমানৱ' যাদৱ পায়েংকো একে অনুষ্ঠানতে সন্মান জনোৱা হয়। সমাজ এখনৰ প্ৰকৃত উন্নয়ন কেৱল চৰকাৰী আঁচনিৰে সম্ভৱ নহয়; ইয়াৰ বাবে প্ৰয়োজন সমাজৰ মাজৰ এনে নিষ্ঠাবান, দায়িত্বশীল আৰু কৰ্মপ্ৰাণ ব্যক্তিৰ। বিৰেণ দত্তই প্ৰমাণ কৰিছে যে সদিচ্ছা, পৰিশ্ৰম আৰু মানৱসেৱাৰ মনোভাব থাকিলে এজন ব্যক্তিয়েও সমাজত সুদূৰপ্ৰসাৰী পৰিৱৰ্তন আনিব পাৰে। আজি যেতিয়া নিবনুৱা সমস্যা, কৃষিৰ অনিশ্চয়তা আৰু আত্মনিৰ্ভৰশীলতাৰ প্ৰয়োজনীয়তা অধিক প্ৰাসংগিক হৈ পৰিছে, তেতিয়া বিৰেণ দত্তৰ কৰ্মদৰ্শন আৰু সমাজসেৱা নিঃসন্দেহে সমগ্ৰ সমাজৰ বাবে এক অনুকৰণীয় আদৰ্শ। তেওঁৰ এই নীৰৱ সাধনা আৰু মানৱ কল্যাণৰ প্ৰতি অটল অংগীকাৰ আগন্তুক সময়তো অসংখ্য যুৱক-যুৱতী, কৃষক আৰু মহিলাক আত্মবিশ্বাসৰে আগুৱাই যাবলৈ অনুপ্ৰেৰণা যোগাই থাকিব।

# লৰমাবটাঁকুছি আৰু চতমাৰ কে'বাটাও

১২ *পৃষ্ঠাৰ পৰা* দামোদৰধাম পথৰ পৰা দুই নম্বৰ লৰমাবটাঁকুছি প্ৰাথমিক বিদ্যালয়ৰ ওচৰলৈ কিছু অংশ প্লেভাৰ ব্লকৰে পকী কৰি দিছে যদিও বাকী অংশ অৰ্থাৎ মছজিদৰ সন্মুখৰ পৰা পহৰানটোলা পুখুৰীপাৰলৈ পথখিনি পকীকৰণ কৰা নহ'ল। ফলত পথখিনি বৰষুণ দিলে যাতায়াত কৰিবলৈ দুৰ্গম হৈ পৰে। তথাপি উক্ত বিপদসংকুল পথেৰে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকে ধৰি সকলো পথচাৰী কষ্টৰে অহা-যোৱা কৰি আছে। ইয়াৰ উপৰি উক্ত পথক সংলগ্ন কৰা অন্য এটা পথ হৈছে চমাৰকুছিৰ কাষৰে সানেকুছি চমাৰকুছি নিম্ন বুনিয়াদী বিদ্যালয়ৰ ওচৰত মৰোৱা-কমলপুৰ পথ সংলগ্ন পথছোৱাৰ এটা অংশ বাৰিষা সময়ত বেছিভাগ পানীৰ তলতে থাকে। উক্ত পথেৰে অম্বাপ্ৰিয়া চৌধুৰী হাইস্কুলৰ বেছি সংখ্যক ছাত্ৰ-ছাত্ৰী অহা-যোৱা কৰে। এইসকল ছাত্ৰ-ছাত্ৰীয়ে পথটোৰে বহুত কষ্ট কৰি অহা-যোৱা কৰিব লগা অৱস্থাটো অতিপাত দুৰ্ভাগ্যজনক কথা। আনহাতে, চতমা মুছলিম চুবুৰিৰ পথৰ অৱস্থা দেখিলে আচলতে বিগত চৰকাৰৰ প্ৰকৃত উন্নয়নৰ ছবি স্পষ্ট হৈ পৰে। চতমাৰ উক্ত চুবুৰিৰ পথকেইটা বাৰিষা বোকাপানীৰে একাকাৰ হৈ থাকে। স্থানীয় ৰাইজৰ মন্তব্যত জানিব পৰা গৈছে যে প্ৰতিবাৰে প্ৰতিখন পঞ্চায়তৰ কাৰ্যকালত পথকেইটা মেৰামতি কৰা দেখা যায়। তথাপি বাৰিষা পথকেইটাৰে পথচাৰী অহা-যোৱা কৰাটো অসম্ভৱ হৈ পৰে। একপ্ৰকাৰ পথকেইটা পঞ্চায়ত প্ৰতিনিধি তথা একাংশ মধ্যভোগীৰ খীৰতী গাইৰ দৰে হৈ পৰিছে। এই পথকেইটাৰে কাৰোবাৰ পকেট গৰম হয় ঠিকে কিন্তু ৰাইজে পথেৰে অহা-যোৱা কৰিব নোৱাৰে। ভুক্তভোগী এজন বৃদ্ধ লোকে কয় যে এনেকৈ বাৰে বাৰে মাটি পেলাই ভেঁকো-ভাওনা কৰাতকৈ পকী কৰি দিয়াই উত্তম। ইয়াৰ বাবে বিগত চৰকাৰৰ দিনতে নলবাৰী সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ প্ৰভাৱশালী মন্ত্ৰীজনক দলীয় কৰ্মকৰ্তাৰ জৰিয়তে অৱগত কৰিছিলো। তেওঁলোকে লোকনিৰ্মাণ বিভাগৰ জৰিয়তে পকী কৰি দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলি ৰাইজক জানিব দিছিল। কিন্তু দুৰ্ভাগ্যজনক কথা যে আজি পৰ্যন্ত উক্ত পথকেইটাৰ ক্ষেত্ৰত কোনো স্থায়ী ব্যৱস্থা গ্ৰহণ কৰা দেখা নাই। বিগত চৰকাৰৰ নলবাৰীৰ বিধায়কজনক অন্ততঃ উক্ত পথ কেইটাৰ ওপৰত চকু দিব লাগিছিল। কাৰণ উক্ত পথকেইটা এটা সময়ত তেওঁৰ অতিপাত চিনাকি পথ আছিল। সেয়েহে উক্ত পথকেইটাৰ বিধ্বস্ত অৱস্থাই তেওঁৰে উন্নয়নৰ ফোঁপোলা স্বৰূপ উদঙাই দিছে। ইতিমধ্যে বিগত বিজেপি মিত্ৰগোষ্ঠী চৰকাৰৰ দিনতে গাঁও পঞ্চায়তখনৰ কে'বাটাও গুৰুত্বপূৰ্ণ পথ পকী কৰিছে। তাৰ বাবে চৰকাৰ ধন্যবাদৰ পাত্ৰ। কিন্তু ইয়াৰ মাজতে এইকেইটা পথ ৰৈ যোৱাটো দুৰ্ভাগ্যজনক কথা। এতিয়া নতুন চৰকাৰ গঠন হৈছে। নতুন চৰকাৰৰ নতুন কৰ্মঠ বিধায়ক নাৰায়ণ ডেকাক প্ৰত্যক্ষ উদ্যোগ লৈ পথকেইটা মেৰামতি কৰাৰ বাবে ৰাইজে অনুৰোধ জনাইছে। আনহাতে, পঞ্চায়তসমূহো নতুনকৈ গঠন হৈ কাম-কাজ আৰম্ভ কৰিছে। সেয়েহে ৰাইজে বিধ্বস্ত পথকেইটা মেৰামতি কৰিবলৈ দাবী জনাইছে।

### ২৫ আগষ্টত যোৰহাট জিলা সাংবাদিক সন্থাৰ অধিবেশন

# প্ৰগতিশীল কৃষক সুমন্ত বৰুৱা, হস্তশিল্পী প্ৰভাত শইকীয়ালৈ উদ্যোগী বঁটা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২২ আগষ্ট ঃ** যোৰহাট জিলা সাংবাদিক সন্থাৰ দ্বি-বাৰ্ষিক অধিৱেশন অহা ২৫ আগষ্টত যোৰহাট প্ৰেছ ক্লাৱত অনুষ্ঠিত হ'ব। এই উপলক্ষে পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণৰ পাছতে দিনৰ এক বজাত মুকলি সভা অনুষ্ঠিত হ'ব। যোৰহাট জিলা সাংবাদিক সন্থাৰ সভাপতি ৰামপ্ৰসাদ ফুকনৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা সভাত শিৱসাগৰ জাজী হেম নাথ শৰ্মা কলেজৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° মণ্টু কুমাৰ বৰাই নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰিব। যোৰহাট জিলাৰ আয়ুক্ত জয় শিৱানী বিশিষ্ট অতিথি আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক দামোদৰ বৰ্মনে উদ্বোধন কৰিব লগা সভাত পোন প্ৰথমবাৰৰ বাবে, যোৰহাট জিলা সাংবাদিক সন্থাই চিনামৰা জাতীয় বিদ্যালয়ৰ পৃষ্ঠপোষকতাত প্ৰৱৰ্তন কৰা উদ্যোগী বঁটা দুজন ব্যক্তিক প্ৰদান কৰা হ'ব। সভাত মাজুলীৰ প্ৰগতিশীল কৃষক সুমন্ত বৰুৱা আৰু যোৰহাটৰ হস্তশিল্পী প্ৰভাত শইকীয়াক উদ্যোগী বঁটা প্ৰদান কৰা হ'ব। যোৰহাট জিলা সাংবাদিক সন্থাৰ সভাপতি ৰামপ্ৰসাদ ফুকন, কাৰ্যকৰী সভাপতি সঞ্জীৱ দত্ত আৰু সম্পাদক মৃদুল হাজৰিকাৰ এক প্ৰেছ বিজ্ঞপ্তিৰ দ্বাৰা অধিবেশনৰ কাৰ্যসূচীত উপস্থিতি কামনা কৰিছে।

# তেজপুৰত ড্ৰাগছসহ দুজনক গ্ৰেপ্তাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২২ আগষ্ট ঃ** তেজপুৰ আৰক্ষীয়ে আজি চলোৱা এক অভিযানত দোলাবাৰী অঞ্চলত বুজন পৰিমাণৰ ড্ৰাগছসহ দুই সৰবৰাহকাৰী গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি, মুঠ ৬০ টা ড্ৰাগছ ভৰ্তি প্লাষ্টিকৰ কন্টেইনাৰ উদ্ধাৰ হোৱা দুই সৰবৰাহকাৰীক বৰঘাট খলিহামাৰীৰ জয়নাল আবেদিনৰ পুত্ৰ ইক্ৰামুল হক (২৮) আৰু নপাম জামে মছজিদৰ সমীপৰ মোহৰুদ্দিন আলীৰ পুত্ৰ মোকছেদ আলী (২৯) বুলি চিনাক্ত কৰা হৈছে। উল্লেখ্য যে এই নিষিদ্ধ ড্ৰাগছ সৰবৰাহৰ বাবে দুই অভিযুক্ত দোলাবাৰীস্থিত গৰিব নেৱাজ নামৰ হোটেলখনত অপেক্ষা কৰি থকাৰ সময়তে আৰক্ষীয়ে এই অভিযান চলাই দুয়োকে ড্ৰাগছসহ কৰায়ত্ত কৰিবলৈ সক্ষম হয়।

# বিষ্ণুজ্যোতি নামঘৰৰ ধৰ্মপ্ৰাণা মহিলাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ২২ আগষ্ট ঃ** গোলাঘাট জিলাৰ ঘিলাধাৰী মৌজাৰ অন্তৰ্গত দুই নম্বৰ বৰজান গাঁৱৰ বিষ্ণুজ্যোতি নামঘৰৰ এগৰাকী ধৰ্মপ্ৰাণা মহিলা ৰেণু কলিতা (৭৭)ৰ আজি পুৱা প্ৰায় চাৰি বজাত নিজা বাসগৃহত দেহাৱসান হয়। উল্লেখ্য যে ধাৰ্মিক মহিলাগৰাকী দীৰ্ঘদিন ধৰি বহু কেইবিধ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। উল্লেখ্য যে তেওঁৰ মৃত্যুৰ খবৰ অঞ্চলটোত বিয়পাৰ লগে লগে অনেক গুণমুগ্ধই শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁৰ মৃত্যুত দুই নম্বৰ বৰজান বিষ্ণুজ্যোতি নামঘৰ পৰিচালনা সমিতি, লক্ষীবাৰী শাখা সাহিত্য সভা, শ্ৰীমন্ত শংকৰজ্যোতি আঞ্চলিক কলামঞ্চ, বৰজান অংকুৰ মইনা পাৰিজাত, বৰজান প্ৰাথমিক বিদ্যালয় আদি অনুষ্ঠানে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ স্বামী, জী-জোঁৱাই-নাতি তথা বহু আত্মীয়ক ইহসংসাৰত এৰি গৈছে।

# শ্ৰীৰামপুৰ ছাইন্স একাডেমীৰ

১২ *পৃষ্ঠাৰ পৰা* কৰিবলৈ নৱাগত ছাত্ৰ-ছাত্ৰীলৈ আহ্বান জনায়। তেওঁ ম'বাইলৰ ব্যৱহাৰৰ ওপৰত কিছু গুৰুত্বপূৰ্ণ মন্তব্য কৰে। ম'বাইলৰ অপব্যৱহাৰৰ ফলত যুৱ প্ৰজন্ম লক্ষ্যভ্ৰষ্ট হৈ পৰিছে। ম'বাইলৰ প্ৰতি আসক্ত হৈ পৰা যুৱক-যুৱতীৰ নিজৰ ভৱিষ্যৎ লৈ চিন্তা কৰাৰ সময় নাই। ম'বাইলৰ সদ্ব্যৱহাৰ নকৰি ম'বাইলৰ অপব্যৱহাৰ কৰিলে ধ্বংস অনিবাৰ্য। নৱাগত ছাত্ৰ-ছাত্ৰীক প্ৰয়োজনৰ বাহিৰে ম'বাইলৰ ব্যৱহাৰ নকৰিবলৈ আহ্বান জনায় অধিবক্তা ৰহমানে। অনুষ্ঠানত শ্ৰীৰামপুৰ সংলগ্ন বিভিন্ন হাইস্কুলৰ প্ৰধান শিক্ষক-শিক্ষয়িত্ৰী, সমাজকৰ্মীসকলে উদগনিমূলক ভাষণ প্ৰদান কৰি নৱাগত ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত কৰে। শ্ৰীৰামপুৰ ছাইন্স একাডেমীৰ সঞ্চালক বান্দা কেৰকেট্টা, চেয়াৰমেন হাফিজুৰ ৰহমানৰ সহযোগত ছাত্ৰ সংসদে আয়োজন কৰা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীত অংশ লৈ আমন্ত্ৰিত অতিথিসকলক আপ্লুত কৰি তোলে।

# বাঁহে গঢ়িব নতুন অৰ্থনৈতিক

১২ *পৃষ্ঠাৰ পৰা* স'তে সংযোগ কৰাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিব। দীৰ্ঘম্যাদী পৰিকল্পনাৰ অংশৰূপে নাৰ্চাৰী নেটৱৰ্ক ক্ৰমাগতভাৱে সম্প্ৰসাৰণ কৰাৰ লগতে কাৰ্বন ক্ৰেডিট আৰু গ্ৰীণ ক্ৰেডিটৰ দৰে পৰিৱেশ ভিত্তিক বিত্তীয় ব্যৱস্থাৰ স'তে বাঁহ খেতিক সংযুক্ত কৰাৰ পৰিকল্পনাও গ্ৰহণ কৰা হৈছে। ইয়াৰ জৰিয়তে বাঁহৰ বাগিচাক জলবায়ু-সহনশীল আৰু দীৰ্ঘম্যাদী আয়ৰ উৎস হিচাপে গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে। একেদৰে ফাৰ্মাৰ প্ৰডিউচাৰ অৰ্গানাইজেচন আৰু আত্মসহায়ক গোটসমূহক শক্তিশালী কৰি মূল্য সংযোজিত বাঁহজাত সামগ্ৰীৰ বাবে নতুন বজাৰ সৃষ্টি কৰাৰ ওপৰতো গুৰুত্ব দিয়া হ'ব। তিনি বছৰীয়া প্ৰাথমিক চুক্তিৰ ফলাফলৰ ভিত্তিত ভৱিষ্যতে অধিক সম্প্ৰসাৰণৰ সম্ভাৱনাও দুয়োপক্ষই প্ৰকাশ কৰিছে। এনইএছ্এছ-ৰ প্ৰতিষ্ঠাপক সদস্য জাংগিলা বসুমতাৰীয়ে কয় যে বড়োলেণ্ডৰ দৰে বাঁহসমৃদ্ধ অঞ্চলত এনে সেউজ অৰ্থনীতিৰ বিকাশ ত্বৰান্বিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাা হ'ব। ইয়াৰ ফলত স্থানীয় কৃষক, যুৱক-যুৱতী আৰু মহিলা গোটসমূহৰ আয় বৃদ্ধিৰ নতুন সুযোগ সৃষ্টি হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। অনুষ্ঠানত এনইএছএছৰ প্ৰতিষ্ঠাপক সদস্য অংকিত শ্বাহ আৰু হেমচন্দ্ৰ ব্ৰহ্মৰ লগতে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক আৰু বিষয়াসকল উপস্থিত থাকে।

# বাগ্‌সা লোকনিৰ্মাণ বিভাগত

১২ *পৃষ্ঠাৰ পৰা* বিভাগটোৰ অধীনত নিৰ্মিত একাংশ পথ চৰকাৰী হিচাবৰ দীঘ-পুতলৰ অমিল থকা বুলি জানিব পৰা গৈছে। কিন্তু কাগজে-কলমে সম্পূৰ্ণ হিচাপ দি আৱন্তিত পুঁজিৰ ধন মোকোলাই নিয়া বুলি জানিব পৰা গৈছে। এই ক্ষেত্ৰত লোকনিৰ্মাণ বিভাগৰ শীৰ্ষ বিষয়াৰ ওপৰতো সন্দেহৰ আঙুলি টোৱাইছে সচেতন লোকে। সেইদৰে বঢ়িমুখৰ পৰা জালাহ সংযোগী পথটোৰ দুৰৱস্থাই যাতায়াতৰ নামত জীয়াতু ভুগিব লগা হৈছে ৰাইজে। পথটোৰ মাজত থকা গাঁত, পকী দলঙৰ দুয়োমুৰ বহিযোৱাৰ উপৰি পথটোৰ দুয়োপাৰে হাবি-জংঘলে আগুৰি ধৰাত এক সমস্যাই দেখা দিয়া বুলি অভিযোগ উত্থাপিত হৈছে। বিভাগটোত কে'বাগৰাকীও অভিজ্ঞ সহকাৰী অভিযন্তা, কনিষ্ঠ অভিযন্তা থকাৰ পাছতো পথ নিৰ্মাণৰ ক্ষেত্ৰত দেখা দিয়া খেলিমেলিৰ বিষয়টো বিশেষ চৰ্চালাভ কৰিছে। চৰকাৰে বিগত পাঁচ বছৰত নিৰ্মাণ হোৱা ৰাজপথসমূহৰ ওপৰত নিৰপেক্ষ তদন্ত চলালে দুৰ্নীতিৰ তথ্য ফাদিল হ'ব বুলি একাংশ লোকে মত প্ৰকাশ কৰে।

# শিক্ষাবিদ ৰোহিণী গগৈৰ

১২ *পৃষ্ঠাৰ পৰা* কুমাৰ গগৈয়ে। সভাত বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলে প্ৰয়াত ৰোহিণী কুমাৰ গগৈৰ সৈতে থকা সম্পৰ্ক আৰু তেওঁৰ কৰ্মময় জীৱনৰ বিভিন্ন দিশ স্মৰণ কৰে। বক্তাসকলে কয় যে ৰোহিণী কুমাৰ গগৈ কেৱল এগৰাকী শিক্ষাবিদেই নাছিল, তেওঁ আছিল শিক্ষা, সাহিত্য, অভিনয় আৰু সমাজ-সংস্কৃতিৰ স'তে ওতপ্ৰোতভাৱে জড়িত এগৰাকী নিষ্ঠাৱান ব্যক্তি। নিজৰ কৰ্ম আৰু আদৰ্শৰ জৰিয়তে তেওঁ পৰৱৰ্তী প্ৰজন্মৰ বাবে এক অনুকৰণীয় দৃষ্টান্ত স্থাপন কৰি গৈছে। অনুষ্ঠানত শিক্ষাবিদ তিলক হাজৰিকা, কাশীনাথ পাত্ৰ, ৰমাকান্ত গগৈ, সুনীল কুমাৰ ভট্টাচাৰ্য, অমূল্য গগৈ, উত্তম কুমাৰ বৰুৱা, প্ৰমোদ বৰুৱা, ক্ষেত্ৰধৰ গগৈ, ৰমেশ গগৈ, টংকেশ্বৰ ফুকন, হাঁহচৰা শাখা সাহিত্য সভাৰ সভাপতি অৰ্পণা চুতীয়া, জ্যেষ্ঠ সংবাদকৰ্মী অৰূপ কুমাৰ গগৈ, ধ্ৰুৱজ্যোতি ভট্টাচাৰ্য, চেলেংহাট প্ৰেছ ক্লাবৰ সম্পাদক অনুৰাগ শইকীয়া, দেৱ বিকাশ দত্ত, সমাজকৰ্মী গংগাধৰ দুৱৰা, বিপিন ফুকন, বসন্ত বৰুৱা, তৰুণ ৰাজোৱাৰ, দেৱকান্ত ফুকন আৰু পূৰ্ণ ফুকনকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। ইয়াৰ উপৰি প্ৰয়াত ৰোহিনী কুমাৰ গগৈৰ পৰিয়ালবৰ্গ, আত্মীয়-স্বজন, শুভাকাংক্ষী আৰু স্থানীয় বহু ৰাইজে অনুষ্ঠানত উপস্থিত থাকি প্ৰয়াত শিক্ষাবিদজনৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানটোৱে ৰোহিনী কুমাৰ গগৈৰ স্মৃতি পুনৰ সজীৱ কৰাৰ লগতে তেওঁৰ শিক্ষা আৰু সামাজিক আদৰ্শক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ এক প্ৰয়াস হিচাপে বিশেষ তাৎপৰ্য বহন কৰে।

# মেঘালয়ত নেতাজী-স্বামী বিবেকানন্দৰ প্ৰতিমূৰ্তি ভাঙি পেলোৱা কাৰ্যত ক্ষোভ-গৰিহণা

## দোষীক শীঘ্ৰে আইনৰ আওতালৈ আনিবলৈ দাবী বাঙালী পৰিষদৰ

## অসমৰ সকলোকে শান্তি-সম্প্ৰীতি ৰক্ষা কৰিবলৈ আহ্বান

**অগ্ৰদূত বাৰ্তা**

**কয়াকুছি, ২২ আগষ্ট ঃ** মেঘালয়ত সংঘটিত হিংসাত্মক কাৰ্যত নেতাজী সুভাষ চন্দ্ৰ বসু আৰু স্বামী বিবেকানন্দৰ প্ৰতিমূৰ্তি ভাঙি পেলোৱাৰ লগতে সাধাৰণ মানুহৰ ওপৰতো প্ৰতিবাদৰ নামত আক্ৰমণ চলোৱা ঘটনাক গৰিহণা দিছে বাঙালী পৰিষদ অসমে। সংগঠনটোৰ ৰাজ্যিক সভাপতি ডাঃ শান্তনু কুমাৰ সান্যালকে ধৰি অন্যান্য নেতৃবৃন্দই আজি এক বিবৃতিত কয় যে গণতান্ত্ৰিক আন্দোলন আৰু প্ৰতিবাদৰ স'তে হিংসাৰ কোনো সম্পৰ্ক থাকিব নোৱাৰে। দাবী আৰু ক্ষোভ প্ৰকাশৰ ক্ষেত্ৰত শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক পদ্ধতি অনুসৰণ কৰিব লাগে। আন্দোলনৰ নামত নিৰীহৰ ওপৰত হিংসা, আক্ৰমণ আৰু ধ্বংসমূলক কাৰ্য কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। সুভাষ চন্দ্ৰ বসু আৰু স্বামী বিবেকানন্দৰ দৰে বিশ্বজনীন সত্তাৰ প্ৰতিমূৰ্তি ভাঙি পেলোৱা ঘটনা অতি নিন্দনীয়। সংগঠনটোৱে হিংসাত্মক ঘটনাৰ পাছত মেঘালয় প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপক আদৰণি জনায়। যোৱা ১৯ আগষ্টত হিংসাত্মক ঘটনাত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িতসকলক শীঘ্ৰে চিনাক্ত কৰি আইনৰ আওতালৈ আনিবলৈ পৰিষদে মেঘালয়ৰ মুখ্যমন্ত্ৰীক দাবী জনায়। বাঙালী পৰিষদে মেঘালয়ৰ সকলো শ্ৰেণীৰ জনসাধাৰণ, ছাত্ৰ সংগঠন, যুৱ সংগঠন আদিক শান্তি-সম্প্ৰীতি আৰু ভ্ৰাতৃত্ববোধৰ পৰিৱেশ বৰ্তাই ৰাখিবলৈ আহ্বান জনায়।

# টেঙাখাতত ৰাইজৰ সহযোগত তিনি ড্ৰাগছ আসক্ত লোকৰ বিৰুদ্ধে আৰক্ষীৰ জেৰা

**অগ্ৰদূত বাৰ্তা**

**দুলীয়াজান, ২২ আগষ্ট ঃ** ডিব্ৰুগড় জিলাৰ টেঙাখাত আৰক্ষী থানাৰ অধীনস্থ বিভিন্ন ঠাইত ড্ৰাগছ আৰু অবৈধ সুৰাৰ ৰমৰমীয়া ব্যৱসায় ও সৰবৰাহ চলি থকাৰ মুহূৰ্ততেই কালি নিশা টেঙাখাত আৰক্ষী থানাৰ অধীনস্থ এক নম্বৰ নাহৰণি গাঁৱৰ পৰা আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি সঞ্জীৱ ওৰাং নামৰ এজন লোকৰ পৰা গাঞ্জা সেৱন কৰি থকা অৱস্থাতেই ১৬২ গ্ৰাম গাঞ্জাসহ লোকজনক আটক কৰিবলৈ সক্ষম হয়। লোকজনে বহু দিনৰ পৰা এই গাঞ্জা সেৱন কৰাৰ লগতে প্ৰয়োজনীয় সৰবৰাহ কৰাৰ কাম অব্যাহত আছে বুলি সদৰী কৰিছে। আৰক্ষীয়ে লোকজনৰ বিৰুদ্ধে এক গোচৰ ৰুজু কৰাৰ লগতে প্ৰয়োজনীয় তদন্ত অব্যাহত ৰখাৰ লগতে অধিক সোধপোছৰ বাবে আদালতলৈ প্ৰেৰণ কৰিছে। ইফালে, টেঙাখাত আৰক্ষী থানাৰ অধীনস্থ ৰঙাদৰীয়া চেতিয়া পথাৰত তিনি ড্ৰাগছ আসক্তি লোক ও সৰবৰাহকাৰী লোকক ৰাইজৰ সহযোগত আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। অঞ্চলটোৰ ৰাইজে ৰঙাদৰীয়া চেতিয়া পথাৰৰ প্ৰয়াত জগন্নাথ চেতিয়াৰ পুত্ৰ উজ্জ্বল চেতিয়া (২৫)ৰ ঘৰত তেওঁৰ লগতে কাঞ্জিখোৱাৰ শিচল গগৈৰ পুত্ৰ লক্ষ্যজিত গগৈ (২৯) আৰু লোহালী গাঁৱৰ ভূপেন গগৈৰ পুত্ৰ পলাশ গগৈ (২৯)ক সেৱন কৰি থকা অৱস্থাতেই ৰাইজে হাতে-লোটে ধৰা পেলাই আৰক্ষীক অৱগত কৰে আৰু আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে তিনিও লোকৰ পৰা ১.১৬ গ্ৰাম ড্ৰাগছ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। তিনিওজন লোক ড্ৰাগছ আসক্ত হোৱাৰ লগতে গোপনে এই অবৈধ কাৰ্যকলাপ অব্যাহত ৰখা বুলি আৰক্ষীৰ সন্মুখত স্বীকাৰ কৰিছে। ইতিমধ্যে আৰক্ষীয়ে তিনিও লোকৰ বিৰুদ্ধে আৰক্ষীৰ জেৰা অব্যাহত ৰখাৰ লগতে অধিক সোধপোছৰ বাবে আদালতলৈ প্ৰেৰণ কৰিছে। আনহাতে অঞ্চলটোত এই নিচাজাতীয় ড্ৰাগছ অবৈধভাৱে সৰবৰাহ হৈ থকাৰ লগতে সঘনাই ইয়াৰ প্ৰয়োগ হৈ থকাৰ বিষয়েও এক সূত্ৰই দাবী কৰিছে। অৱশ্যে আৰক্ষীয়ে এই চক্ৰটোৰ বিৰুদ্ধে কি প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব এই বিষয়ে সচেতন মহলৰ মাজত এক তাৎপৰ্যপূৰ্ণ ইংগিত বহন কৰিছে। অঞ্চলটোত আৰক্ষীয়ে এই অবৈধ সুৰা ও ড্ৰাগছৰ বিৰুদ্ধে তৎকালেই

# বৰাজোল 'আছু'ৰ অভিনন্দন অনুষ্ঠানত মজাফৰ আলী

## এগৰাকী সুস্থ নাগৰিক হ'ব লাগিলে শিক্ষাৰ্থী হিচাপে বিষয়ভিত্তিক জ্ঞান থাকিব লাগিব

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২২ আগষ্ট ঃ** 'এগৰাকী সুস্থ নাগৰিক হ'ব লাগিলে এজন শিক্ষাৰ্থী হিচাপে প্ৰতিটো বিষয়ৰ ওপৰত বিষয়ভিত্তিক জ্ঞান থাকিব লাগিব। তদুপৰি থাকিব লাগিব সহ বিষয়ক জ্ঞান।' এই মন্তব্য মজাফৰ আলীৰ। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত বৰাজোল আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আজি এক বিশেষ অভিনন্দন অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি সমগ্ৰ শিক্ষা অভিযানৰ ৰাজ্যিক প্ৰলোচক মজাফৰ আলীয়ে ভাষণ প্ৰসংগত কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ শ্ৰেণী অনুসৰি প্ৰতিটো বিষয়, প্ৰতিটো পাঠৰ জ্ঞান থাকিব। আনহাতে, অধ্যয়নৰত সময়ছোৱাত শিক্ষাৰ্থীসকলে গীত-মাত, সংগীত, খেলা-ধূলা আদি সকলোতে জ্ঞান থকা প্ৰয়োজন বুলি মত ব্যক্ত কৰে। বৰাজোল উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত দিনৰ ১২ বজাত বৰাজোল আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি হীৰকজ্যোতি দাসৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে কামদেৱ দাসে আৰু আঁত ধৰে প্ৰাক্তন আছুনেতা আজিজুল ইছলামে। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক কংকণ কলিতাই উদ্বোধন কৰা সভাখনত সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক গুণজ্যোতি পাঠক, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰুজউদ্দিন আহমেদ, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাংগঠনিক সম্পাদক ৰিয়াজ উদ্দিন আহমেদ, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা অক্ষয় ডেকা আৰু নলবাৰী জিলা উন্নতি সভাৰ সাধাৰণ সম্পাদক ৰাতুল চন্দ্ৰ ডেকাই উপস্থিত থাকি প্ৰাসংগিক ভাষণ আগবঢ়ায়। তদুপৰি উক্ত অনুষ্ঠানত বৃহত্তৰ বৰাজোল অঞ্চলৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ ৫০ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, অভিনন্দনপত্ৰ আদিৰে অভিনন্দন জ্ঞাপন কৰাৰ লগতে স্থানীয় কে'বাগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষাগুৰুক ফুলাম গামোচা, ফুলাম জাপি, সম্বৰ্ধনাপত্ৰ আদিৰে সম্বৰ্ধনা জনোৱা হয়।

# প্ৰাক্তন আৰক্ষী বিষয়া আলহাজ চুলতান মাহমুদৰ বিয়োগ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**নগাঁও, ২২ আগষ্ট ঃ** নগাঁও জিলাৰ ৰূপহীহাটৰ জৰথনী গাঁৱৰ বাসিন্দা তথা অসম আৰক্ষীৰ অৱসৰপ্ৰাপ্ত উপ-পৰিদৰ্শক আলহাজ চুলতান মাহমুদৰ যোৱা নিশা তেজপুৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৪ বছৰ। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা চুলতান মাহমুদে চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰে। প্ৰাক্তন আৰক্ষী বিষয়াগৰাকীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে জৰথনীকে ধৰি সমগ্ৰ ৰূপহীহাট অঞ্চলত শোকৰ ছাঁ পৰে। 'চুলতান দাৰোগা' নামেৰে পৰিচিত আলহাজ চুলতান মাহমুদ অঞ্চলটোৰ এগৰাকী সন্মানীয় আৰু পৰিচিত ব্যক্তি আছিল। উল্লেখ্য যে আলহাজ চুলতান মাহমুদে অসম আৰক্ষীত উপ-পৰিদৰ্শকৰূপে দীৰ্ঘদিন সেৱা আগবঢ়াইছিল। চাকৰি কালত অসমৰ বিভিন্ন আৰক্ষী থানাত তেওঁ নিষ্ঠা, সততা আৰু দায়িত্বশীলতাৰে কৰ্তব্য পালন কৰি সুনাম অৰ্জন কৰিছিল। আৰক্ষী বিভাগৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছতো তেওঁ সামাজিক কাম-কাজ আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত হৈ সমাজৰ হকে কাম কৰি গৈছিল। তেওঁৰ সৰল-অমায়িক ব্যৱহাৰ আৰু সামাজিকভাৱে সক্ৰিয় ভূমিকাৰ বাবে অঞ্চলটোৰ ৰাইজৰ মাজত তেওঁৰ এক সুকীয়া পৰিচয় আছিল। তেওঁৰ মৃত্যুত অঞ্চলটোৱে এগৰাকী অভিজ্ঞ আৰু সমাজসেৱী ব্যক্তিক হেৰুৱালে বুলি বিভিন্নজনে মন্তব্য কৰিছে। তেওঁৰ মৃত্যুত বিভিন্ন ব্যক্তি, দল-সংগঠন আৰু শুভাকাংক্ষীসকলে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ বহু আত্মীয়- স্বজনক ইহসংসাৰত এৰি থৈ যায়।

# ৰংজুলিত ৭৫ সংখ্যক 'সামাজিক অধিকাৰিতা শিবিৰ' অনুষ্ঠিত

## জ্যেষ্ঠ নাগৰিকৰ মাজত সহায়ক সামগ্ৰী বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ২২ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ ৰংজুলিত আজি সমাজ কল্যাণ বিভাগৰ উদ্যোগত ৭৫ সংখ্যক 'সামাজিক অধিকাৰিতা শিবিৰ' অনুষ্ঠিত হয়। ৰংজুলি প্ৰগতি সংঘত অনুষ্ঠিত এই অনুষ্ঠানত বয়োজ্যেষ্ঠ নাগৰিকৰ মাজত সহায়ক সামগ্ৰী বিতৰণ কৰা হয়। জ্যেষ্ঠ নাগৰিকসকলৰ জীৱন অধিক সহজ আৰু স্বাৱলম্বী কৰি তোলাৰ উদ্দেশ্যে ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় বয়োশ্ৰী যোজনা আঁচনিৰ অধীনত আয়োজন কৰা এই অনুষ্ঠান গোৱালপাৰা জিলা আয়ুক্ত প্ৰদীপ টিমুঙৰ উপস্থিতিত মুখ্য অতিথি ১৫-দুধনৈ (জনজাতি) বিধানসভা সমষ্টিৰ বিধায়ক টংকেশ্বৰ ৰাভাই বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰে। এএলআইএমচিঅ'ৰ সহযোগত আজিৰ অনুষ্ঠানৰ জৰিয়তে নাগৰিকসকলৰ মাজত বিভিন্ন ধৰণৰ সহায়ক সামগ্ৰী বিতৰণ কৰা হয়। জিলা উন্নয়ন আয়ুক্ত প্ৰণৱ কুমাৰ বৰা, ৰংজুলিৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ছোভিয়া পেগু, সহকাৰী আয়ুক্ত তথা ভাৰপ্ৰাপ্ত জিলা তথ্য আৰু জনসংযোগ বিষয়া নিশামনি কলিতা, জিলা সমাজ কল্যাণ বিষয়া এ এম এ হুছেইনকে আদি কৰি শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ লগতে এএলআইএমচিঅ'ৰ প্ৰতিনিধি, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য, গাঁও পঞ্চায়তৰ সভাপতি আদিয়েও অনুষ্ঠানত উপস্থিত থাকে। অনুষ্ঠানত জ্যেষ্ঠ নাগৰিকসকলৰ প্ৰয়োজনীয়তা অনুসৰি হুইলচেয়াৰ, ৱাকাৰ, লাঠি আদি বিভিন্ন সহায়ক সঁজুলি বিতৰণ কৰা হয়। এই সহায়ক সামগ্ৰীসমূহে শাৰীৰিকভাৱে অসুবিধাগ্ৰস্ত আৰু প্ৰয়োজনীয়তা থকা জ্যেষ্ঠ নাগৰিকসকলৰ দৈনন্দিন জীৱনযাত্ৰা অধিক সহজ কৰি তোলাত সহায় কৰিব। অনুষ্ঠানত উপস্থিত অতিথিসকলে জ্যেষ্ঠ নাগৰিকসকলৰ প্ৰতি সমাজৰ দায়বদ্ধতা আৰু তেওঁলোকৰ সন্মানজনক জীৱন যাপনৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে চৰকাৰৰ এনে কল্যাণমূলক আঁচনিৰ সুফলতাৰ বিষয়ে উল্লেখ কৰে। বিভিন্ন সহায়ক সামগ্ৰী লাভ কৰি বয়োজ্যেষ্ঠ নাগৰিকসকলে চৰকাৰৰ লগতে অনুষ্ঠানৰ উদ্যোক্তাসকলক প্ৰশংসা কৰে।

# ক্লাবৰে গ্ৰেণ্ডৰ উদ্যোগত বিনামূলীয়া ৰক্তদান শিবিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২২ আগষ্ট ঃ** স্বাধীনতা দিৱস উপলক্ষে হোটেল ক্লাবৰে গ্ৰেণ্ড আৰু গ্ৰেটাৰ যোৰহাট লায়ন্স ক্লাবৰ সহযোগত হোটেল প্ৰাংগণত এক বিনামূলীয়া ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। সমাজৰ প্ৰতি দায়বদ্ধতা আৰু মানৱ সেৱাৰ উদ্দেশ্যে আয়োজন কৰা শিবিৰটোত ক্লাবৰে গ্ৰেণ্ড বিভিন্ন বিভাগৰ কৰ্মচাৰীসকলে স্বেচ্ছাই অংশগ্ৰহণ কৰি ৰক্তদান কৰে। কৰ্মচাৰীসকলৰ উৎসাহজনক অংশগ্ৰহণে শিবিৰটোক সফল কৰি তোলে। আনহাতে, স্বাধীনতা দিৱসৰ উদযাপনক মানৱীয় সেৱা আৰু সামাজিক দায়বদ্ধতাৰ স'তে সংযুক্ত কৰি আয়োজন কৰা এই পদক্ষেপক প্ৰশংসা কৰা হয়। ক্লাবৰে গ্ৰেণ্ড-এ ভৱিষ্যতেও সমাজৰ কল্যাণৰ বাবে এনে সামাজিক কাৰ্যসূচী অব্যাহত ৰখাৰ প্ৰতিশ্ৰুতি প্ৰকাশ কৰে।

## আগন্তুক বৰ্ষৰ ঈদত আহিব দুই তাৰকাৰ ছবি

# মুখামুখি সংঘৰ্ষ ছলমান-প্ৰভাসৰ!



**ঈদ** মানেই ছলমান খান। হিন্দী ছবিৰ দৰ্শকৰ বাবে বিগত ডেৰ দশকৰো অধিক সময় ধৰি এই সমীকৰণ প্ৰায় অভ্যাসত পৰিণত হৈছে। সেই পৰিচিত ছন্দতে উভতিব বিচাৰিছে ভাইজান; কিন্তু এইবাৰ তেওঁৰ সন্মুখত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব পাৰে দক্ষিণৰ ডাঙৰ তাৰকা প্ৰভাসে। ২০২৭ৰ ঈদ সেয়ে হৈ উঠিব পাৰে দুই তাৰকাৰ বক্স অফিচ দখলৰ যুঁজ।

ছলমানৰ নতুন ছবিৰ পৰিচালক বামছি পৈডিপল্লী। দিল ৰাজুৰ প্ৰযোজনাত নিৰ্মিত এই ছবিৰ নাম 'এছভি৬৩'। ছবিখনৰ মুক্তিৰ তাৰিখ এতিয়াও ঘোষণা কৰা নাই। অৱশ্যে লক্ষ্য হৈছে আগন্তুক বৰ্ষৰ ঈদ, এই ধাৰণাই কৰা হৈছে। ফলত ইয়াতেই সৃষ্টি হৈছে সংঘাতৰ সূত্ৰ। কাৰণ প্ৰভাসৰ পৰৱৰ্তী ছবি 'স্পিৰিট'ৰ মুক্তিৰ দিন ইতিমধ্যে স্থিৰ হৈছে। ছবিখনে আগন্তুক বৰ্ষৰ পাঁচ মাৰ্চত মুক্তি পোৱাৰ কথা। মাজতে বাতৰি ওলাইছিল যে ছলমানৰ ছবিৰ স'তে সংঘাত এৰুৱাবলৈ 'স্পিৰিট'ৰ মুক্তিৰ দিন পিছুৱাই যাব পাৰে। অৰ্থাৎ ঈদৰ মাহ এৰি আন কোনো তাৰিখ বাছি ল'বলৈ চিন্তা-চৰ্চা কৰিছে প্ৰভাসৰ ছবিৰ নিৰ্মাতাই। অৱশ্যে এই বাতৰি অস্বীকাৰ কৰিছে নিৰ্মাতাই। প্ৰযোজনা গোষ্ঠী টি-ছিৰিজৰ তৰফৰ পৰা জনাইছে যে 'স্পিৰিট'ৰ মুক্তিৰ তাৰিখ সলনি নহয়। অৰ্থাৎ ২০২৭ৰ পাঁচ মাৰ্চতে ছবিখনে মুক্তি লাভ কৰিব।

'স্পিৰিট'ত প্ৰভাসৰ বিপৰীতে অভিনয় কৰিছে তৃপ্তি ডিমৰীয়ে। এক গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰিছে বিবেক অ'বৰয়ে। আনহাতে, ঈদৰ স'তে ছলমানৰ সম্পৰ্ক দীৰ্ঘদিনৰ। ঈদৰ সময়তে মুক্তি লাভ কৰিছে ছলমানৰ 'ৱাণ্টেড', 'দবংগ', 'এক থা টাইগাৰ', 'বজৰংগী ভাইজান'ৰ দৰে একাধিক ব্যৱসায়িকভাৱে সফল ছবিয়ে। অৱশ্যে ছলমানৰ আগন্তুক ছবিখনে ঈদৰ সময়তে মুক্তি পাব নে নাই বুলিও এই পৰ্যন্ত নিৰ্মাতাৰ তৰফৰ পৰা স্পষ্ট কৰা নাই।

# নগাঁও জিলা পুথিভঁৰালত 'বাক-অবাক' মঞ্চস্থ



**সাংস্কৃতিক** সংস্থা অবিনশ্বৰ গোষ্ঠীৰ নিবেদনত ১৭ আগষ্টত সন্ধিয়া সাত বজাত নগাঁৱৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত মঞ্চস্থ কৰা হয় এক বিশেষ নাট্য প্ৰদৰ্শনীত এখন বিশেষ নাট 'বাক-অবাক'। বিশিষ্ট নাট্যকাৰ নৰেন পাটগিৰিৰ ৰচনাৰে প্ৰস্তুত কৰা এই নাটকখনৰ পৰিকল্পনা আৰু পৰিচালনা কৰিছে নাট্যকৰ্মী দীপক বৰাই । অসমীয়া গ্ৰাম্য সমাজত প্ৰচলিত মাছলোভী অপদেৱতা 'বাক'ক কেন্দ্ৰ কৰি ৰচিত এই নাটকখনত হাস্যৰস আৰু ব্যংগৰ মাধ্যমেৰে এক বিশেষ সামাজিক বাৰ্তা দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে। একপ্ৰকাৰ কাল্পনিক পৰিৱেশৰ সৃষ্টি কৰি নাটকখনত দেখুওৱা হৈছে মানুহৰ লোভ, ভয় আৰু ভণ্ডামি দেখি অৱশেষত খোদ 'বাক' নিজেই কেনেদৰে 'অবাক' হৈ পৰে। নাটকখনৰ পৰিচালকৰ মতে আমি লোককথাৰ ভৌতিক ধাৰণাক কেৱল ভয়ৰ মাধ্যম হিচাপে নকৰি আধুনিক দৃষ্টিভংগীৰে হাস্যৰসৰ ৰূপত উপস্থাপন কৰা। বৰ্তমান সময়ত মানুহৰ ভিতৰৰ অন্ধবিশ্বাস আৰু কুসংস্কাৰবোৰেই আচল ভয়ৰ কাৰণ, তাকেই নাটকখনত ফুটাই তোলা হৈছে। উক্ত নাটখনত 'বাকেশ্বৰী' মুখ্য চৰিত্ৰটো ৰূপায়ণ কৰিছে নগাঁৱৰে এগৰাকী উদীয়মান অভিনেত্ৰী সম্প্ৰীতি শিৰমে। নাটখন মঞ্চস্থ হৈ থকাৰ সময়ত অভিনেত্ৰীগৰাকী এটা অবাঞ্ছিত দুৰ্ঘটনাৰ সন্মুখীন হৈ বাঁওভৰিখন যথেষ্ট আঘাতপ্ৰাপ্ত হয় যদিও হাৰ নামানি চকুত পানী লৈ বেদনা আৰু কুপিত ভৰিখনৰ যন্ত্ৰণা আওকাণ কৰি তেওঁ পুনৰ চৰিত্ৰত প্ৰৱেশ কৰিলে আৰু নিজৰ অদম্য ইচ্ছাশক্তিৰ বলত নাটখন সফলভাৱে শেষ কৰি দেখুৱালে। এই ঘটনাই তেওঁৰ অভিনয়ৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱা আৰু দায়িত্ববোধৰ এক উদাহৰণ দাঙি ধৰিলে। আৰু আন চৰিত্ৰসমূহত দেখা গৈছে বহুকেইগৰাকী প্ৰতিভাসম্পন্ন শিল্পী কলা-কুশলীক। আনহাতে, ভিন্ন ঠাইৰ পৰা আহি লোকে-লোকাৰণ্য হৈ পৰা দৰ্শকে নাটখন সৰ্বাংগসুন্দৰ হোৱা বুলি জানিবলৈ দিয়ে ।

# বতাহে লৈ যোৱা সুৰবোৰ

**আজি** এখন চুটি ছবি 'বতাহে লৈ যোৱা সুৰবোৰ'ৰ বিষয়ে এই কলম। বতাহে লৈ যোৱা সুৰবোৰৰ কাহিনী, চিত্ৰনাট্য আৰু পৰিচালনা অংকুৰ ডেকাৰ। প্ৰযোজনা এছআৰএফটিআই (SRFTI)ৰ। ছবিখনে ইতিমধ্যেই বহুকেইটা চলচ্চিত্ৰ মহোৎসৱত অংশগ্ৰহণ কৰি বঁটা-




বাহন বুটলিবলৈ সক্ষম হৈছে। তাৰ ভিতৰত টাটা ইনষ্টিটিউট অৱ ছ'চিয়েল ছায়েন্সে আয়োজন কৰা ষ্টুডেণ্ট ফিল্ম ফেষ্টিভেলত ফিকচন শিতানত ২০২৬ শিতানত শ্ৰেষ্ঠ ছবিৰ ৰাণাৰ্ছ আপ খিতাপ, যাদৱপুৰ ইউনিভাৰ্ছিটিয়ে আয়োজন কৰা চচায়নট ষ্টুডেণ্ট ফিল্ম ফেষ্টিভেল, ২০২৬ত শ্ৰেষ্ঠ পৰিচালনা আৰু চিত্ৰনাট্যৰ বঁটা লাভ কৰিবলৈ সক্ষম হোৱাৰ লগতে ১১সংখ্যক অৰুণাচল আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ আৰু ১৬সংখ্যক বাংগালুৰু আন্তঃৰাষ্ট্ৰীয় চুটি ছবি মহোৎসৱলৈয়ো নিৰ্বাচিত হৈছে। মানৱ জীৱনত প্ৰত্যেকৰেই কিছু অকথিত কাহিনী থাকে। থাকে কিছু গোপনীয়তা। এনে এক কাহিনীকে এজন শিশুৰ দৃষ্টিৰে দেখুওৱা হৈছে এই ছবিখনত। ছবিখনৰ আৰম্ভণি ঘটে মাজনিশা শিশুটিয়ে বেডৰুমৰ পৰা অহা কিছু আস্ফুট গেঙনিৰ শব্দত সাৰ পোৱাৰ দৃশ্যৰে। পিতৃ-মাতৃৰ মাজৰ স্বাভাৱিক কন্দল বা নিৰ্যাতনৰে অংশ বুলি ভাবি লয় শিশুটোৱে। পিছদিনা পুৱা পিতৃ মৃত বুলি দৰ্শোৱা হৈছে। শিশুটোৰ বয়স্ক ৰূপটোৰ কণ্ঠত কাহিনী কথন আৰম্ভ হয়। শিশুটোৱে এখন চিঠি পাই তাৰ অসুস্থ পিতৃয়ে লিখা। যিখন চিঠিত উল্লেখ আছে যে শিশুটোৰ পিতৃ পীতাম্বৰ বৰুৱাই সন্দেহ প্ৰকাশ কৰিছে পত্নী লতা বৰুৱাৰ ওপৰত। পুত্ৰই নিত্য-নৈমিত্তিকভাৱে পিতৃয়ে মাকক কৰা নিৰ্যাতন দেখি থাকে, শুনি থাকে। পিছদিনা পিতৃয়ে আকৌ মাংস কিনি আনে আৰু মাকে নিৰ্বিবাদে ৰান্ধে। তিনিও একো যেন হোৱাই নাই তেনেদৰে মাংস-ভাত খায়। এয়া অকল কোনো পীতাম্বৰ বৰুৱা বা লতা বৰুৱা আৰু শিশুটোৰ জীৱনেই নহয়। এয়া এনে বহু পৰিয়ালৰে কাহিনী। কোনে কি পৰ্যায়ত, কিহলৈ সহ্য কৰি আছে, সেয়া আন কাৰোবাৰ বাবে কল্পনাতীত হয়। বতাহে লৈ যোৱা সুৰবোৰৰ কাহিনী আৰু চিত্ৰনাট্যৰ প্ৰশংসা কৰিবই লাগিব। মাত্ৰ সাত মিনিট দৈৰ্ঘ্যৰ এই ছবিখনৰ আৰম্ভণিৰে পৰাই কাহিনীৰ গতি সাৱলীল। ক'তো সামান্যতমো ৰৈ যোৱাৰ বা আমনি লগাৰ অৱকাশ নাই। এটি শিশুৰ দৃষ্টিৰে কাহিনী কথনে ছবিখনত আন এক মাত্ৰাৰ সংযোজন ঘটালে। আৱেগিকভাৱে সংপৃক্ত হোৱাৰ এক অৱকাশ জগালে। গতানুগতিকভাৱে পিতৃৰ মাতৃক অত্যাচাৰ, পিতৃৰ অসুস্থতা, পিতৃৰ পৰা পোৱা চিঠিখন আৰু মাতৃৰ নীৰৱতা-আটায়ে মিলি শিশুটোৰ মনত কি প্ৰভাৱ পেলাই, শিশুটোৱে ইয়াৰ পাছত কি কৰে, এই লৈয়েই ছবিখনৰ পৰৱৰ্তী অংশ। ছবিখন গভীৰতা তথা অন্ধকাৰ দিশটোক চিত্ৰগ্ৰহণৰ মাধ্যমেৰে খুব সুন্দৰকৈ তুলি ধৰা হৈছে। লগতেই আৱহ-সংগীতৰ প্ৰয়োগো প্ৰশংসনীয়। মাজনিশা কেতেকীৰ মাত আৰু বতাহৰ হো-হোৱনিয়ে ছবিখনৰ কাহিনী কথনত সোণত সুৱাগা চৰাইছে। ছবিখনৰ এক গভীৰ ব্যক্তিগত, সামাজিক, মনস্তাত্ত্বিক আবেদন আছে। মাত্ৰ সাত মিনিট দৈৰ্ঘ্যৰ এই চুটি ছবিখন চাই আপুনি নিৰাশ নহয়। দৰ্শকৰ বাবে এতিয়াও কোনো প্লেটফৰ্মত ছবিখন উপলব্ধ নাই হোৱা। ছবিখনৰ অন্ত এন্ধাৰৰ পৰা পোহৰলৈ। বেকগ্ৰাউণ্ডত-'এই আকাশ বৰ বিশাল'।

**ৰিমলী বৰকটকী**



# এইবাৰ ছঈফৰ স'তে যুটি বান্ধিব কিয়াৰাই

**নাৰীকেন্দ্ৰিক** কাহিনী, কাহিনীভিত্তিক ছবি, থ্ৰিলাৰৰ ভিৰত সম্প্ৰতি বলিউদত বিশেষ 'যুটি'ক দেখা পোৱা হোৱা নাই। যদিও শ্বাহৰুখ খান-কাজলৰ পাছত শ্বাহৰুখ-দীপিকা পাডুক'নৰ যুটি যথেষ্ট আলোচিত হৈছিল। অৱশ্যে এইবাৰ এক নতুন যুটিক পাব বলিউদে। এইবাৰ হেনো ছঈফ আলী খানৰ স'তে যুটি বান্ধিব কিয়াৰা আদৱানীয়ে।

বিগত কিছু বছৰত ছঈফৰ একাধিক ছবিক কেন্দ্ৰ কৰি আলোচনা হৈছে। আনহাতে, মাতৃ হোৱাৰ কিছুদিনৰ ভিতৰতে পৰ্দালৈ উভতিবলৈ সাজু হৈছে কিয়াৰা। তেওঁৰ শেহতীয়া ছবি 'টক্সিক'ৰ বিভিন্ন দৃশ্য ইতিমধ্যে চৰ্চিত হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, ছঈফ আৰু কিয়াৰাক একেলগে দেখা যাব কণিকা ধিল্লনৰ প্ৰথম পৰিচালিত ছবিত। সম্প্ৰতি ছবিৰ চিত্ৰনাট্যৰ কাম চলি আছে। চলিত বৰ্ষৰ শেষৰ ফালে চিত্ৰগ্ৰহণ আৰম্ভ হোৱাৰ কথা।

ছবিখন অৱশ্যে প্ৰেমৰ কাহিনী নহয়। সূত্ৰই জনাইছে যে এনে এক থ্ৰীলাৰ, যাৰ কাহিনীত থাকিব অতিপ্ৰাকৃত উপাদানো। ছঈফ আৰু কিয়াৰাৰ কথা মনত ৰাখিয়েই চিত্ৰনাট্য ৰচনা কৰিছে পৰিচাল কণিকা আৰু তেওঁৰ দলে।

# তৃতীয় সন্তানৰ মাতৃ হ'ব কৰীণা!



**কৰীণা** কাপুৰ খানক কেন্দ্ৰ কৰি নতুনকৈ চৰ্চা আৰম্ভ হৈছে। সম্প্ৰতি অভিনেত্ৰীগৰাকীৰ এটা ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈছে। ইয়াৰ পাছতে সামাজিক মাধ্যম ব্যৱহাৰকাৰীৰ একাংশই প্ৰশ্ন কৰিছে, কৰীণা পুনৰ মাতৃ হ'বলৈ ওলাইছে নেকি?

ভিডিঅ'ত দেখা গৈছে, কৰীণাই তেওঁৰ দলৰ স'তে গাড়ীৰ ফালে আগুৱাই গৈছে। দলৰ এক সদস্যই অভিনেত্ৰীৰ সন্মুখত ছাতি ধৰি আছিল, ফলত ফটোগ্ৰাফাৰৰ কেমেৰাত তেওঁৰ শৰীৰৰ কিছু অংশ ঢাক খাই পৰে। ইয়াৰ পাছতে একাংশ লোকে দাবী কৰিছে যে অভিনেত্ৰীগৰাকীৰ পেট হেনো কিছু স্ফীত দেখাইছে। ইয়াৰ পাছতে আৰম্ভ হয় তেওঁ অন্তঃসত্ত্বা হোৱাৰ জল্পনা। উল্লেখ্য যে কৰীণাৰ দুটি পুত্ৰ সন্তান আছে। গতিকে তেওঁ তৃতীয় সন্তানৰ মাতৃ হ'ব বুলিয়ে বহুতে ধাৰণা কৰিছে। অৱশ্যে কৰীণাৰ এক ঘনিষ্ঠ সূত্ৰই কয় যে এই বাতৰি সম্পূৰ্ণ ভুৱা। কৰীণা অন্তঃসত্ত্বা হোৱা নাই। সম্প্ৰতি কৰীণাই মন্তব্য কৰিছিল যে ৬০ বছৰ বয়সত স্বামী ছঈফ আলী খানক তেওঁ পুনৰ পিতৃ হ'বলৈ নিদিয়ে।

## নৃত্যসূৰ্য পংকজ বৰুৱা সত্ৰীয়া একাডেমীৰ উদ্যোগত

# সদৌ অসম ভিত্তিত অনলাইন কৃষ্ণ নৃত্য প্ৰতিযোগিতা

**অসম** চৰকাৰৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত পৰিৱেশ্য কলাৰ প্ৰশিক্ষণ কেন্দ্ৰ নৃত্যসূৰ্য পংকজ বৰুৱা সত্ৰীয়া একাডেমীৰ উদ্যোগত অহা চাৰি ছেপ্টেম্বৰ, শ্ৰীশ্ৰীকৃষ্ণৰ জন্মাষ্টমী উপলক্ষে সদৌ অসম ভিত্তিত এখন অনলাইন কৃষ্ণ নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। পাঁচ বছৰৰ পৰা ১১ বছৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি থকা প্ৰতিযোগিতাখনৰ ইতিমধ্যে অনলাইন প্ৰক্ৰিয়া আৰম্ভ হৈছে। নৃত্য পৰিৱেশনৰ সময় পাঁচ মিনিট। পঞ্জীয়ন মাচুল মাত্ৰ চাৰিশ টকা। প্ৰতিযোগীয়ে কৃষ্ণ নৃত্যৰ সাজপাৰ পৰিধান কৰাতো বাধ্যতামূলক। বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত বুলি গণ্য কৰা হ'ব। ছাত্ৰ-ছাত্ৰীসকলক সামাজিক মাধ্যম যোগে এখন মঞ্চ দিয়া আৰু তেওঁলোকৰ প্ৰতিভা বিকাশ কৰাই হৈছে একাডেমীৰ মুখ্য উদ্দেশ্য। প্ৰতিযোগিতাখনৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিজয়ী প্ৰতিযোগীৰ লগতে নিচুকনি বঁটাপ্ৰাপ্ত দুগৰাকী প্ৰতিযোগীকো একাডেমীৰ আসন্ন বাৰ্ষিক উৎসৱত নগদ ধনেৰে পুৰস্কৃত কৰাৰ উপৰি অংগ বস্ত্ৰ, প্ৰমাণপত্ৰ আৰু কিতাপৰ টোপোলা আগবঢ়োৱা হ'ব। ইচ্ছুক ছাত্ৰ-ছাত্ৰীক অহা দুই ছেপ্টেম্বৰৰ ভিতৰত ৮৭৬১৯৯৫৫৯৫ নম্বৰত তেওঁলোকৰ কৃষ্ণ নৃত্যৰ ভিডিঅ' পঠোৱাৰ লগতে নাম পঞ্জীয়ন কৰিবলৈ একাডেমীৰ সচিব পংকজ বৰুৱাই অনুৰোধ জনাইছে।

# তেজপুৰ বিশ্ববিদ্যালয়ত নাটক 'জলছবি' প্ৰদৰ্শন



**তেজপুৰ** বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগ আৰু তেজপুৰৰ জে বি প্ৰডাকচনৰ সহযোগত ১৬ আগষ্টৰ সন্ধিয়া বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীৰ 'জলছবি' উপন্যাসৰ আধাৰত নিৰ্মিত তথা বিশিষ্ট নাট্যশিল্পী অবিনাশ শৰ্মাৰ দ্বাৰা পৰিচালিত নাটক 'জলছবি' প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানৰ উদ্বোধনী অধিৱেশনত তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক ড° বীৰেণ দাস উপস্থিত থাকি অনুষ্ঠানটো উদ্বোধন কৰে। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° বিনীতা বৰা দেৱচৌধুৰীয়ে আদৰণী ভাষণ আগবঢ়োৱাৰ পাছতে অনুষ্ঠানটোৰ সমল ব্যক্তি হিচাপে উপস্থিত থকা বিশিষ্ট পৰিচালক, সংগীত নাটক একাডেমী বঁটাপ্ৰাপক অবিনাশ শৰ্মাৰ এক পৰিচয় আগবঢ়ায় তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° সুব্ৰত জ্যোতি নেওগে। তাৰ পাছতে প্ৰায় এঘণ্টা ৩০ মিনিট দৈৰ্ঘৰ 'জলছবি' নাটকখন মঞ্চস্থ কৰা হয়। নাটকখনত অভিনয় কৰে জ্যেষ্ঠ অভিনেত্ৰী ডাঃ জাহানাৰা বেগম, জনক নাথ, চৰ্চিকা চৌধুৰী আৰু মুন ডেকাই।

নাট্য প্ৰদৰ্শনৰ শেষত পৰিচালক অবিনাশ শৰ্মা আৰু অভিনেত্ৰী বেগমৰ স'তে এক অন্তৰংগ আলাপ অনুষ্ঠানৰো আয়োজন কৰা হয়। অন্তৰংগ আলাপ অনুষ্ঠানত পৰিচালক অবিনাশ শৰ্মাই নিজা অভিজ্ঞতাৰে নাটকীয় অভিযোজনা সম্পৰ্কীয় বিভিন্ন দিশ ব্যাখ্যা কৰাৰ লগতে 'জলছবি' উপন্যাসক নাট্যৰূপ দিয়াৰ অভিজ্ঞতা সন্দৰ্ভত বিস্তৃতভাৱে আলোকপাত কৰে। তেওঁ কয় যে উপন্যাস এখন নাটকলৈ অভিযোজনা কৰোতে বহু নতুন দিশৰ সংযোগ কৰা হয়, বহু উপাদান বাদ দিব লগাও হয়। উপন্যাসৰ বৰ্ণনা নাটকত সংলাপ বা ক্ৰিয়ালৈ ৰূপান্তৰ কৰা হয় বুলি জলছবি উপন্যাসখনৰ বিভিন্ন উদাহৰণেৰে ব্যাখ্যা কৰে।

# গুৱাহাটীত মঞ্চস্থ হ'ব ৰংঘৰ, বৰপেটাৰ 'গেলিলিঅ'



**ৰংঘৰ,** বৰপেটাই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজ, গুৱাহাটীৰ সহযোগত বাৰ্টল্ট ব্ৰেখটৰ বিখ্যাত নাটক Life of Galileoৰ অসমীয়া অভিযোজনা 'গেলিলিঅ' অহা ৩০ আগষ্ট, ২০২৬ তাৰিখে সন্ধিয়া ৬:৪৫ বজাত পাঞ্জাবাৰীৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত মঞ্চস্থ কৰিব। জ্যোতিপ্ৰসাদ দাসৰ পৰিচালনা আৰু অভিযোজনাত নিৰ্মিত নাটকখনত গেলিলিঅ' গেলিলিৰ জীৱন, বৈজ্ঞানিক অনুসন্ধান আৰু সত্য, কৰ্তৃত্ব তথা সামাজিক দায়বদ্ধতাৰ সংঘাতক উপস্থাপন কৰা হৈছে। নাটকখনৰ অভিযোজনাত ১৯৭৫ত নিৰ্মিত Galileo চলচ্চিত্ৰখনৰ Joseph Losey আৰু Barbara Bray ৰচিত চিত্ৰনাট্যৰ পৰাও অনুপ্ৰেৰণা গ্ৰহণ কৰিছে। বিশ্ব নাট্যজগতৰ অন্যতম উল্লেখযোগ্য এই নাটকৰ এক স্বকীয় অসমীয়া মঞ্চৰূপ দৰ্শকৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'ব বুলি আশা কৰা হৈছে।

# ঢেকিয়াজুলিত নাটকৰ জৰিয়তে গ্ৰামাঞ্চলত সচেতনতা



**সৰগম** কলা কেন্দ্ৰৰ উদ্যোগত আৰু কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ সহযোগত অনুষ্ঠিত আঠদিনীয়া নাট কৰ্মশালাৰ ১৮ আগষ্টত সামৰণি পৰে। শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ শিঙৰীৰ কালিস্থানস্থিত ইয়ুথ ক্লাবত দিনৰ ১২ বজাৰ পৰা অনুষ্ঠিত সামৰণি অনুষ্ঠানত গ্ৰামাঞ্চলত সজাগতা সৃষ্টিৰ উদ্দেশ্যে বানপানীৰ বিভীষিকা আৰু মৰাশ নিয়ন্ত্ৰণৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ক কেন্দ্ৰ কৰি দুখন নাটক মঞ্চস্থ কৰা হয়। সামৰণি অনুষ্ঠানত স্থানীয় সাংস্কৃতিক কৰ্মী স্বৰূপ শৰ্মাই সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ আৰম্ভ কৰে। তেওঁক সহযোগ কৰে গুপ্তেশ্বৰ জিলা পৰিষদৰ সদস্য নিৰ্মল দাস, বিহু শিল্পী সংস্থাৰ উপ-সভাপতি গণেশ ডেকা, সৰগম কলা কেন্দ্ৰৰ সভানেত্ৰী শিখা দেৱী, সাংবাদিক বাবলু আনছাৰী, প্ৰশিক্ষক চুলতান খান, তত্ত্বাৱধায়ক পম্পী ডেকা শইকীয়া, সম্পাদক ৰিংকু নাথ, দক্ষিণ শিঙৰী পঞ্চায়তৰ মেম্বাৰ দেবীকা দেৱী, প্ৰাঞ্জল বৰদলৈৰ লগতে স্থানীয় মহিলা প্ৰশিক্ষাৰ্থীসকলে। কৰ্মশালাত প্ৰশিক্ষণ গ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলে নাটকৰ জৰিয়তে বানপানীৰ সময়ত সৃষ্টি হোৱা দুৰ্যোগ, জনসাধাৰণে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ লগতে এনে পৰিস্থিতিত সজাগতা, সুৰক্ষা আৰু প্ৰশাসনৰ সহযোগিতাৰ প্ৰয়োজনীয়তাৰ বিষয়ে দাঙি ধৰে। পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখা, স্বাস্থ্যসন্মত পৰিৱেশ সৃষ্টি কৰা আৰু বানপানীৰ পাছত সম্ভাব্য স্বাস্থ্যজনিত সমস্যাৰ পৰা সুৰক্ষিত থকাৰ ক্ষেত্ৰত সজাগ হোৱাৰ আহ্বান জনোৱা হয় নাটক দুখনৰ জৰিয়তে। সামৰণি অনুষ্ঠানৰ শেষত কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হয়।

# ৰঙাপৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত দক্ষ যজ্ঞ ভাওনা প্ৰদৰ্শন



**ৰঙাপৰা** মহাবিদ্যালয়ৰ ৪৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে ১৬ আগষ্টৰ নিশা প্ৰদৰ্শন কৰা হয় মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি ভাওনা। জামুগুৰিহাটৰ এজন ভাওনা আৰু নাট্যশিল্পী শৈলেন বৰকটকীৰ তত্ত্বাৱধানত জামুগুৰিহাটৰ জাগৰণ শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানটিয়ে সফলতাৰে নিবেদন কৰিলে দক্ষ যজ্ঞ ভাওনা। শিশু-কিশোৰ গায়ন- বায়নৰ আকৰ্ষণীয় সৰু ধেমালি-বৰধেমালিৰ খোল-তাল বাদনেৰে কে'বা সহস্ৰাধিক দৰ্শকৰ উপস্থিতিত অনুষ্ঠিত হোৱা ভাওনাৰ পূৰ্বে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° ৰঞ্জন কলিতাই আদৰণী ভাষণ আগবঢ়োৱাৰ পাছতেই শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অশোক কুমাৰ বৰাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে এই দক্ষ যজ্ঞ ভাওনা। উপাচাৰ্য ড° বৰাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দৰ্শন আৰু সৃষ্টিসমূহে যুগে যুগে অসমীয়া সংস্কৃতি সমৃদ্ধ কৰি আহিছে বুলি মন্তব্য কৰি মহাবিদ্যালয়খনে মহাপুৰুষগৰাকীৰ ভাওনা শিল্পক এনেদৰে শিক্ষাৰ্থীৰ সন্মুখলৈ লৈ অহাটো এক আশাব্যঞ্জক খবৰ হিচাপে বিবেচিত হৈছে বুলি মন্তব্য কৰে। তেওঁ বিশেষকৈ মহাপুৰুষগৰাকীৰ গীত-মাত আৰু ভাওনা সংস্কৃতিৰ প্ৰতি আমি নতুন প্ৰজন্মক আকৃষ্ট কৰিবলৈ চেষ্টা কৰিব লাগিব আৰু সেয়েহে এখন উচ্চ শিক্ষানুষ্ঠানৰ প্ৰতিষ্ঠা দিৱসত ভাওনা অনুষ্ঠিত কৰাটো অতি আশাৰ বতৰা হৈছে বুলি মন্তব্য কৰে। আনহাতে, জিলাখনৰ বিভিন্ন প্ৰান্তৰ আমন্ত্ৰিত অতিথিৰ উপস্থিতিত এই ভাওনাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। তেওঁ কয় যে, আমাৰ কৃষ্টি-সংস্কৃতি সুৰক্ষিত কৰি ৰখাত আগন্তুক সময়ত নতুন প্ৰজন্মই দায়িত্ব ল'ব লাগিব বাবেই জামুগুৰিহাটৰ বাৰেচহৰীয়া ভাওনাৰ জৰিয়তে পাঁচশগৰাকী নতুন প্ৰজন্মৰ খুলীয়া আৰু তালিয়াৰ সৃষ্টি কৰা হৈছে। ইয়াৰ পাছতেই শিশু-কিশোৰ গায়ন-বায়নৰ খোল-তাল বাদনেৰে আৰম্ভ হয় দক্ষ যজ্ঞ ভাওনা।

# সৰুপথাৰ টেঙাহোলা গোহাঁই গাঁৱৰ আনন্দ তাঁতীৰ প্ৰতিভা

**সপোন** কেতিয়াও কেৱল কল্পনাৰ আকাশত ভাঁহি থকা অলীক চিন্তা নহয়। দৃঢ় ইচ্ছাশক্তি, একাগ্ৰ সাধনা, অক্লান্ত অধ্যৱসায়, আত্মবিশ্বাস আৰু কঠোৰ পৰিশ্ৰমৰ সংমিশ্ৰণত সপোনে এদিন বাস্তৱৰ উজ্জ্বল ৰূপ ধাৰণ কৰে। প্ৰতিভা যদি এজন শিল্পীৰ অন্তৰত নিহিত ঈশ্বৰৰ আশীৰ্বাদস্বৰূপ বীজ, তেন্তে নিয়মীয়া সাধনা, ধৈৰ্য আৰু আত্মনিয়োগেই সেই বীজক এজোপা বিশাল বটবৃক্ষত পৰিণত কৰে। এই চিৰসত্যক নিজৰ জীৱনৰ প্ৰতিটো অধ্যায়ত বাস্তৱায়িত কৰি সংগীতৰ সুৰীয়া পথত নীৰৱে অথচ দৃঢ় পদক্ষেপেৰে আগবাঢ়ি আছে সৰুপথাৰৰ টেঙাহোলা গোহাঁই গাঁৱৰ এগৰাকী প্ৰতিভাৱান যুৱক আনন্দ তাঁতী। গ্ৰাম্য জীৱনৰ সৰল পৰিৱেশত ডাঙৰ-দীঘল হোৱা আনন্দৰ কণ্ঠত শৈশৱৰ পৰাই সুৰৰ এক সহজাত মাধুৰ্য বিৰাজমান আছিল। সৰুপথাৰৰ টেঙাহোলা গোহাঁই গাঁৱৰ নিবাসী কাৰ্তিক তাঁতী আৰু ৰুণু তাঁতীৰ সুযোগ্য পুত্ৰ আনন্দ বৰ্তমান গুৱাহাটীৰ দিছপুৰ মহাবিদ্যালয়ৰ তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ। উচ্চশিক্ষাৰ ব্যস্ততাৰ মাজতো তেওঁ সংগীতক কেৱল বিনোদনৰ মাধ্যম হিচাপে নহয়, জীৱনৰ এক সাধনা, আত্মাৰ ভাষা আৰু জীৱনদৰ্শনৰ অবিচ্ছেদ্য অংশ হিচাপে গ্ৰহণ কৰিছে। সংগীতৰ প্ৰতি থকা তেওঁৰ আন্তৰিক অনুৰাগ, অটল নিষ্ঠা আৰু অবিৰাম সাধনাই তেওঁক ক্ৰমাৎ সাফল্যৰ নতুন নতুন শিখৰলৈ আগুৱাই লৈ গৈছে। আনন্দৰ সংগীত জীৱনৰ আৰম্ভণি হৈছিল শৈশৱৰ সেই নিৰ্মল দিনবোৰতে। সৰুপথাৰ জাতীয় বিদ্যালয়ত অধ্যয়ন কৰি থকা সময়তেই তেওঁৰ সুমধুৰ কণ্ঠই শিক্ষক-শিক্ষয়িত্ৰী, সহপাঠী আৰু স্থানীয় ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল।







## একেৰাহে ২৫টা ছিজনত গ'ল
## নতুন বিশ্ব অভিলেখ স্থাপন ৰোণাল্ডোৰ



**নিউজ ব্যুৰ'**
**ৰিয়াধ, ২২ আগষ্ট ঃ** ফুটবল জীৱনৰ অস্তাচলত উপস্থিত হৈও অভিলেখ গঢ়িবলৈ এৰা নাই ক্ৰিষ্টিয়ানো ৰোণাল্ডোৱে। এইবাৰ তেওঁ স্থাপন কৰিলে একেৰাহে ২৫টা ফুটবল ছিজনত গ'ল দিয়াৰ বিৰল অভিলেখ। যোৱা নিশা ৰোণাল্ডোৰ ক্লাব আল নাছেৰে ছৌদি প্ৰ' লীগৰ এখন খেলত আল ৰিয়াধক ৪-০ গ'লত পৰাস্ত কৰে। পৰিৱৰ্ত খেলুৱৈৰূপে খেলপথাৰত নামি পৰ্তুগীজ তাৰকাজনে খেলৰ ৮৩ মিনিটত এটা গ'ল দিয়ে। ইয়াৰ ফলত একেৰাহে ২৫টা ছিজনত গ'ল দিয়া বিশ্বৰ একমাত্ৰ ফুটবলাৰত পৰিগণিত হ'ল ৰোণাল্ডো। ইয়াৰ দ্বাৰা তেওঁ ভংগ কৰিলে ছুইডেনৰ কিংবদন্তি জাটান ইব্ৰাহিম'ভিচৰ একেৰাহে ২৪টা ছিজনত গ'ল দিয়াৰ বিশ্ব অভিলেখ। লগতে ৰোণাল্ডোৱে ক্লাব আৰু দেশৰ হৈ এহেজাৰ গ'লৰ কৃতিত্বও দিশেও অগ্ৰসৰ হৈছে। ইয়াৰ বাবে তেওঁক আৰু ২৩টা গ'লৰ প্ৰয়োজন। এই পৰ্যন্ত তেওঁ ৯৭৭টা গ'ল দিছে।

# আজিৰে পৰা স্প'ৰ্টিং উইকেটত দ্বিতীয় টেষ্ট
## কুলদীপ বাদ পৰিব ঃ সাৰাংশ বা গুৰনুৰৰ ঘটিব অভিষেক ঃ তিনি পেচাৰৰ সম্ভাৱনা



**নিউজ ব্যুৰ'**
**কলম্বো, ২২ আগষ্ট ঃ** কাইলৈৰ পৰা ভাৰত আৰু শ্ৰীলংকাৰ মাজত শৃংখলাৰ দ্বিতীয় তথা অন্তিম টেষ্ট আৰম্ভ হ'ব। বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ সম্ভাৱনা সজীৱ কৰি ৰাখিবলৈ দুয়োটা দলৰ বাবেই কলম্বোত অনুষ্ঠিত হ'বলগীয়া টেষ্টখনত জয়ৰ প্ৰয়োজন। এনে পৰিস্থিতিত ভাৰসাম্যযুক্ত তথা স্প'ৰ্টিং উইকেটত টেষ্টখন অনুষ্ঠিত হ'ব। য'ত স্পীনাৰসকলে পৰৱৰ্তী সময়ত সুবিধা পাব আৰু পেচাৰৰ বাবেও সুযোগ থাকিব। সেইবাবেই প্ৰথম টেষ্টত জয়ী হোৱা সত্ত্বেও কাইলৈৰ মূল একাদশক লৈ ভাৰতে চিন্তা কৰিবলগীয়া হৈছে। দলৰ সূত্ৰই জনাইছে যে কাইলৈ পুৱা উইকেট নিৰীক্ষণ কৰাৰ পাছতহে ঠিক কৰিব যে প্ৰথম টেষ্টৰ দৰে তিনিজন স্পীনাৰ খেলাব নে দুজন। অৱশ্যে প্ৰথম টেষ্টত ব্যৰ্থ হোৱা কুলদীপ যাদৱ বাদ পৰাটো প্ৰায় নিশ্চিত। সেইক্ষেত্ৰত দুজন বলাৰৰ বাবে আছে টেষ্ট অভিষেকৰ সুযোগ। যদি ভাৰতে তিনি স্পীনাৰৰ কৌশলেই গ্ৰহণ কৰে, তেন্তে অফস্পীনাৰ সাৰাংশ জৈনৰ অভিষেক ঘটিব। আনহাতে, উইকেটৰ পৰা পেচাৰৰ সুবিধা থাকিলে গুৰনুৰ ব্ৰাৰৰ টেষ্ট অভিষেক ঘটিব পাৰে। যিহেতু স্প'ৰ্টিং উইকেটত খেল হ'ব, সেয়ে গুৰনুৰৰ সম্ভাৱনাই অধিক বুলি সূত্ৰই কয়। অৱশ্যে দলত আন পৰিৱৰ্তনৰ সম্ভাৱনা নাই। প্ৰথম ইনিংছত অৰ্ধশতৰাণ কৰাৰ বাবে ধ্ৰুৱ জুৰেলৰো বাদ পৰাৰ সম্ভাৱনা নাই বুলি সূত্ৰই কয়।

## ইংলণ্ডৰ বিপক্ষে শোচনীয় পৰাজয় পাকিস্তানৰ

**নিউজ ব্যুৰ'**
**লণ্ডন, ২১ আগষ্ট ঃ** শৃংখলাৰ প্ৰথম টেষ্টত পাকিস্তানক এক ইনিংছ আৰু ১০৩ ৰাণৰ ব্যৱধানত পৰাস্ত কৰিলে ইংলণ্ডে। ঘৰুৱা দলটোৱে খেলখনত মাত্ৰ আঢ়ৈ দিনতে বিজয় সাব্যস্ত কৰে। প্ৰথম ইনিংছত পাকিস্তানে মাত্ৰ ১৭১ ৰাণ কৰে। প্ৰত্যুত্তৰত ইংলণ্ডে ৪০৯ ৰাণ কৰি ২৩৮ ৰাণৰ অগ্ৰগতি লয়। আনহাতে, পাকিস্তানে মাত্ৰ ১৩৫ ৰাণতে দ্বিতীয় ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হয়। উল্লেখ্য যে পাকিস্তানৰ উভয় ইনিংছতে দুই অপেনাৰে এক ৰাণৰ যুটিও গঢ়িব নোৱাৰিলে। প্ৰথম ইনিংছত আজান আৱাইছ আৰু দ্বিতীয় ইনিংছত ইমাম-উল হক শূন্যত আউট হয়। টেষ্টৰ ইতিহাসত পাকিস্তানেই উভয় ইনিংছত সৰ্বাধিক সাতবাৰ এক ৰাণৰো যুটি গঢ়িব নোৱাৰিলে। লক্ষ্যণীয়ভাৱে বিগত ১৬ বছৰ ধৰি পাকিস্তানৰ কোনো অপেনিং যুটিয়ে ৫০ৰ অধিক ৰাণ সংগ্ৰহ কৰিব পৰা নাই। অন্তিমবাৰলৈ ২০১০ত ছলমান বাট আৰু ইমৰান ফাৰহাতে টেষ্টত ৫০ ৰাণৰ যুটি গঢ়িছিল।

## ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকিল তৃষা-গায়ত্ৰী



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২১ আগষ্ট ঃ** বিশ্ব বেডমিণ্টনত পদক নিশ্চিত কৰিলেও বেছি দূৰ আগুৱাব নোৱাৰিলে ভাৰতৰ দুই মহিলা বেডমিণ্টন খেলুৱৈ তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দে। দিল্লীত অনুষ্ঠিত বিশ্ব বেডমিণ্টনৰ মহিলাৰ ডাবলছৰ ছেমি ফাইনেলত আজি ভাৰতীয় যুটিটো পৰাস্ত হয়। ফলত তেওঁলোকে ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়। আজিৰ ছেমি ফাইনেলত তেওঁলোকক বিশ্বৰ এক যুটি তথা যোৱাবাৰৰ চেম্পিয়ন চীনৰ লিউ শ্বেং শ্বু আৰু টান নিঙে পৰাজিত কৰে। তীব্ৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ খেলখনত চীনৰ যুটিটোৱে ১৮-২১, ২১-১৩, ২১-৮ পইণ্টৰ ব্যৱধানত জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰি খিতাপ অক্ষুণ্ণ ৰখাৰ সম্ভাৱনা উজ্জ্বল কৰি তোলে।

## ব্ৰাজিল-ভাৰতৰ মেচ বৰ্জনৰ আহ্বান বাইচুঙৰ



**নিউজ ব্যুৰ'**
**কলকাতা, ২২ আগষ্ট ঃ** অহা তিনি অক্টোবৰত কলকাতাত ভাৰতে ব্ৰাজিল ফুটবলৰ দলৰ বিপক্ষে এখন আন্তৰ্জাতিক মেচ খেলিব। এই প্ৰীতি মেচখনৰ বাবে ভাৰতে আগন্তুক আছিয়ান কাপৰ পৰা নাম প্ৰত্যাহাৰ কৰিছে। আনকি আইএছএলো পিছুৱাই যাব পাৰে। ইয়াতে খৰ্গহস্ত হৈছে দেশৰ অন্যতম শ্ৰেষ্ঠ ফুটবলাৰ বাইচুং ভূটীয়া। ভাৰতৰ প্ৰাক্তন অধিনায়কজনে ব্ৰাজিল মেচখন বৰ্জনৰ আহ্বান জনাইছে। এই বিষয়টো ইতিমধ্যে ব্ৰাজিলৰ ফুটবল কৰ্মকৰ্তাসকলৰো কৰ্ণগোচৰ হৈছে আৰু তেওঁলোকেও ইয়াত নিজৰ প্ৰতিক্ৰিয়া আগবঢ়াইছে। বাইচুঙৰ মতে, ব্ৰাজিলৰ দৰে এটা শীৰ্ষস্থানীয় দলৰ বিপক্ষে খেন মেচ খেলিলেও ভাৰতীয় ফুটবলৰ একো লাভ নহয়। বৰঞ্চ দেশৰ ফুটবল আৰু পিছুৱাইহে যাব। অৱশ্যে ব্ৰাজিলৰ তৰফৰ পৰা জনাইছে যে তেওঁলোকৰ পৰিকল্পনাত কোনো পৰিৱৰ্তন নহয়।

## টেষ্ট বিশ্ব চেম্পিয়নশ্বিপৰ তালিকাৰ অন্তিম স্থানলৈ নামিল পাকিস্তান

**নিউজ ব্যুৰ'**
**ডুবাই, ২২ আগষ্ট ঃ** ইংলণ্ডৰ বিপক্ষে প্ৰথম টেষ্টত এক ইনিংছ আৰু ১০৩ ৰাণত পৰাস্ত হৈছে পাকিস্তান। ইংলণ্ডৰ এই জয়ে অৱশ্যে আইচিচি টেষ্ট বিশ্ব চেম্পিয়নশ্বিপৰ পইণ্ট তালিকাত বিশেষ প্ৰভাৱ নেপেলালে। তালিকাৰ প্ৰথম ছটা স্থানত কোনো সালসলনি নঘটিলেও ইংলণ্ডৰ আশা কিছু উজ্জ্বল হৈছে। ইয়াৰ বিপৰীতে ফাইনেলৰ সম্ভাৱনা সম্পূৰ্ণৰূপে নস্যাৎ হ'ল পাকিস্তানৰ। বাবৰ আজমৰ দল পইণ্ট তালিকাৰ একেবাৰে নিম্ন স্থানলৈ অৱনমিত হৈছে।

নখন টেষ্ট খেলাৰ পাছত পইণ্ট তালিকাৰ শীৰ্ষত আছে অষ্ট্ৰেলিয়া। পৰৱৰ্তী তিনিটা স্থানত আছে ক্ৰমে দক্ষিণ আফ্ৰিকা, নিউ জিলেণ্ড আৰু বাংলাদেশ। ইংলণ্ড জয়ী হোৱাত ভাৰতৰো কোনো সুবিধা-অসুবিধা নহ'ল। পূৰ্বৰ পঞ্চম স্থানতে ৰ'ল ভাৰত। আনহাতে, শ্ৰীলংকা ষষ্ঠ স্থানত আছে। সেইদৰে পাকিস্তানক পৰাস্ত কৰিও তালিকাৰ সাত নম্বৰতে থাকিল ইংলণ্ড। অন্তিম দুটা স্থানত আছে ৱেষ্ট ইণ্ডিজ আৰু পাকিস্তান। এই দুয়োটা দলৰে ফাইনেলত প্ৰৱেশৰ সম্ভাৱনা নাই। অৱশ্যে ইংলণ্ডৰ বাবে ফাইনেলৰ ক্ষীণ আশা এতিয়াও আছে। অৱশ্যে পৰৱৰ্তী সময়ত দলটোৱে অসাধাৰণ প্ৰদৰ্শন আগবঢ়াব লাগিব।

## তেজপুৰত আন্তঃজিলা জুনিয়ৰ ছোৱালীৰ হেণ্ডবল চেম্পিয়নশ্বিপ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২২ আগষ্ট ঃ** তেজপুৰৰ চিত্ৰবন বাকৰিত কালিৰে পৰা অনুষ্ঠিত হোৱা ৩১ সংখ্যক আন্তঃজিলা জুনিয়ৰ ছোৱালীৰ হেণ্ডবল চেম্পিয়নশ্বিপত ৰাজ্যৰ ১৮খন জিলাৰ ৩৫০ গৰাকী খেলুৱৈৰ অংশগ্ৰহণেৰে এক উছৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে তেজপুৰত। শোণিতপুৰ জিলা হেণ্ডবল সন্থা আৰু বীচচ হেণ্ডবল এছ'চিয়েছনৰ উদ্যোগত অনুষ্ঠিত এই হেণ্ডবল প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত অসম অলিম্পিক সন্থাৰ উপ-সভাপতি তথা বৰছলাৰ বিধায়ক ঋতুবৰণ শৰ্মা, তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভা, তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ সভাপতি জিতেন বৰঠাকুৰ, শোণিতপুৰ জিলা ক্ৰীড়া বিষয়া প্ৰাঞ্জল দিহিংগীয়া, প্ৰবীণ ক্ৰীড়াবিদ ডাঃ বিশ্বৰঞ্জন কলিতা, তেজপুৰ পৌৰসভাৰ প্ৰাক্তন পৌৰপতি পুষ্পা ডেকা আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ ছোৱালী হেণ্ডবল খেলুৱৈসকলক অভিনন্দন জ্ঞাপন কৰি উদ্বুদ্ধ কৰে। আনহাতে, প্ৰবীণ ক্ৰীড়াবিদ ডাঃ বিশ্বৰঞ্জন কলিতাই মূল পতাকা আৰু সন্থাৰ সভাপতিসকলে পতাকা উত্তোলন কৰা অনুষ্ঠানটিত তেজপুৰৰ ক্ৰীড়ানুৰাগী ব্যক্তিসকলে অংশগ্ৰহণ কৰে।

# অষ্ট্ৰেলিয়াক পৰাস্ত কৰিব লাগিব ভাৰতে
## মহিলা হকী বিশ্বকাপৰ কঠিন স্থিতিত ভাৰতীয় দল ঃ বিদায়ৰ আশংকা



**নিউজ ব্যুৰ'**
**আমষ্টেলভীন, ২২ আগষ্ট ঃ** মহিলাৰ বিশ্বকাপ হকীত কালি ঘৰুৱাদল নেদাৰলেণ্ডে ভাৰতক ২-০ গ'লত পৰাস্ত কৰে। ইয়াৰ ফলত ভাৰতৰ বাবে প্ৰতিযোগিতাত বৰ্তি থকাটো অতি কঠিন হৈ পৰিছে। ভাৰতে কাইলৈ গ্ৰুপৰ অন্তিম মেচত অষ্ট্ৰেলিয়াক পৰাস্ত কৰিব পাৰিলেহে প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশৰ সম্ভাৱনা থাকিব। অৱশ্যে সেয়াও যথেষ্ট নহয়। কিয়নো ভাৰতে কাইলৈৰ নেদাৰলেণ্ড বনাম চীনৰ খেলৰ ফলাফললৈকো অপেক্ষা কৰিব লাগিব।

প্ৰতিযোগিতাৰ নিয়ম অনুসৰি, যোৱাবাৰৰ চেম্পিয়ন নেদাৰলেণ্ডে ভাৰত আৰু অষ্ট্ৰেলিয়াক পৰাস্ত কৰাৰ সূত্ৰে ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। ভাৰতে চীনৰ স'তে ড্ৰ খেলাৰ সুবাদত এক পইণ্ট লাভ কৰি আছে। আনহাতে, দুখন মেচত ড্ৰ খেলাৰ সূত্ৰে চীনৰ সংগ্ৰহ দুই পইণ্ট। ভাৰতে কাইলৈ অষ্ট্ৰেলিয়াক পৰাস্ত কৰিব পাৰি দলটোৰ চাৰি পইণ্ট হ'ব। আনহাতে, চীনে যদি অঘটন ঘটাই নেদাৰলেণ্ডক পৰাস্ত কৰে, তেন্তে দলটোৰ হ'ব পাঁচ পইণ্ট। ফলত ভাৰতে বিদায় ল'ব আৰু চীনে ছেমি ফাইনেলত স্থান পাব। অৰ্থাৎ কাইলৈ ভাৰত জয়ী হোৱাৰ বিপৰীতে চীনে তিনি পইণ্ট পাব নালাগিব।

## যোৰহাট 'বি' ডিভিজন ফুটবল লীগ
## উত্তৰ যোৰহাট ছেমিত

**অগ্ৰদূত ক্ৰীড়া বাৰ্তা**
**যোৰহাট, ২২ আগষ্ট ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত চলি থকা 'বি' ডিভিজন ফুটবল লীগৰ আজি 'বি' গ্ৰুপৰ এখন গুৰুত্বপূৰ্ণ খেলত উত্তৰ যোৰহাট উপ-ক্ৰীড়া সন্থাই জেইল ৰোড ক্লাবক ২-০ গ'লত পৰাভূত কৰি লীগৰ সম্পূৰ্ণ পইন্ট অৰ্জন কৰিবলৈ সক্ষম হৈছে। খেলৰ প্ৰথমাৰ্ধৰ পৰাই আক্ৰমণাত্মকভাৱে তথা চুটি চুটি পাছ খেলি ২১ মিনিটত উত্তৰ যোৰহাট উপ-ক্ৰীড়া সন্থাৰ মিডফিল্ডাৰ দেৱাশীষ কোচে মাইনাছ কৰা বল দিংকু দত্তই আয়ত্ত কৰি সুন্দৰভাৱে গ'ললৈ ৰূপায়ণ কৰে। প্ৰথমাৰ্ধত ১-০ গ'লত অগ্ৰগতি লাভ কৰা উত্তৰ যোৰহাট উপ-ক্ৰীড়া সন্থাই পুনৰ ৫৭ মিনিটত জেইল ৰোডৰ গ'লবক্সত উপৰ্যুপৰি হেঁচা প্ৰয়োগ কৰাৰ ফলত জেইল ৰোড ক্লাবৰ ৰক্ষণ বিভাগৰ খেলুৱৈ পিয়াংকু গগৈৰ আত্মঘাতী গ'লৰ দিবলৈ বাধ্য হয়। ফলত উত্তৰ যোৰহাট উপ-ক্ৰীড়া সন্থা ২-০ গ'লত জয়ী হোৱাৰ লগতে লীগৰ দুখন খেলত জয়ী হোৱাৰ সূত্ৰে সৰ্বমুঠ ছয় পইন্ট সংগ্ৰহ কৰি 'বি' গ্ৰুপৰ পৰা ছেমি ফাইনেলৰ পথ প্ৰশস্ত কৰে। খেলৰ ৰেফাৰী আছিল আমিৰ হুছেইন শইকীয়া।

## শাস্তিৰ সন্মুখীন হ'ল মেছি

**নিউজ ব্যুৰ'**
**মায়ামি, ২২ আগষ্ট ঃ** ইণ্টাৰ মায়ামিৰ হৈ খেলাৰ পৰত প্ৰতিপক্ষৰ খেলুৱৈ এজনক চৰ মৰাৰ অভিযোগত শাস্তিৰ সন্মুখীন হ'ল লিয়নেল মেছি। যোৱা বুধবাৰে এই ঘটনা সংঘটিত হয়। ফিলাডেলফিয়া ইউনিয়নৰ বিপক্ষে ইণ্টাৰ মায়ামিৰ খেলখন ২-২ গ'লত ড্ৰ হয়। শেষ মুহূৰ্তত এটা ফাউলক কেন্দ্ৰ কৰি দুই দলৰ মাজত হতাহতিৰ সৃষ্টি হয়। ফিলাডেলফিয়াৰ কাভান ছুলিভানে মেছিৰ বুকুত আঘাত কৰিছিল। তেতিয়াই মেছিয়ে তেওঁক চৰ মাৰে। ইয়াৰ বাবে তেওঁক জৰিমনা বিহা হৈছে।

## কমনৱেলথৰ পাছত ডায়মণ্ড লীগতো দ্বিতীয় নীৰজ চোপ্ৰা

**নিউজ ব্যুৰ'**
**লুজান, ২২ আগষ্ট ঃ** প্ৰতিযোগিতাত দ্বিতীয় হৈ ৰূপৰ পদক পোৱাটো যেন স্বভাৱত পৰিণত হৈছে দেশৰ অন্যতম শ্ৰেষ্ঠ এথলীট নীৰজ চোপ্ৰাৰ। অলিম্পিকত তেওঁ ৰূপ পদক পাইছিল। কিছুদিনৰ পূৰ্বে কমনৱেলথ গেমছতো তাৰকা জেভেলিন থ্ৰ'ৱাৰজনে ৰূপৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হৈছিল। এইবাৰ ছুইজাৰলেণ্ডৰ লুজানত অনুষ্ঠিত ডায়মণ্ড লীগতো নীৰজ দ্বিতীয় স্থানতে থাকিল। মাত্ৰ .০৯ মিটাৰৰ বাবে তেওঁ প্ৰথম স্থান অধিকাৰ কৰিব নোৱাৰিলে। প্ৰতিযোগিতাত নীৰজে সৰ্বাধিক ৮৮.০৫ মিটাৰ লংঘন কৰে। কমনৱেলথ গেমছৰ পাছত ডায়মণ্ড লীগতো নীৰজক পৰাস্ত কৰিলে শ্ৰীলংকাৰ ৰুমেশ থৰংগা পাথিৰাগেই। তেওঁ ৮৮.১৪ মিটাৰ লংঘন কৰে।



## প্ৰথম দিনাই ছটাকৈ উইকেট দখল ষ্টাৰ্ক-শ্বৰিফুলৰ
## শোচনীয় বেটিং ব্যৰ্থতাৰ পাছতো অষ্ট্ৰেলিয়াক প্ৰত্যুত্তৰ বাংলাদেশৰ

**নিউজ ব্যুৰ'**
**মেকায়, ২২ আগষ্ট ঃ** প্ৰথম টেষ্টত অষ্ট্ৰেলিয়াক পৰাস্ত কৰি অঘটন ঘটাইছিল বাংলাদেশে। আনহাতে, আজিৰে পৰা আৰম্ভ হোৱা দ্বিতীয় টেষ্টো প্ৰথম দিনাই আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে দুই দলৰ ফাষ্ট বলাৰ মিচেল ষ্টাৰ্ক আৰু শ্বৰিফুল ইছলামৰ দুৰ্দান্ত বলিঙৰ বাবে। দুয়োজনেই ছটাকৈ উইকেট দখল কৰে। প্ৰথম দিনাই দুই দলৰ মুঠ ১৮টা উইকেটৰ পতন ঘটে। প্ৰথমে বেটিং কৰি বাংলাদেশে মাত্ৰ ৬৪ ৰাণতে প্ৰথম ইনিংছ সামৰিবলৈ বাধ্য হয়। দলটোৱে এটা সময়ত ৩৯ ৰাণতে ন উইকেট হেৰুৱাইছিল। দশম উইকেটত শ্বৰিফুল আৰু তাইজুল ইছলামে ২৫ ৰাণ যোগ দিয়ে। ১১ নম্বৰত বেট কৰিবলৈ নমা শ্বৰিফুলে সৰ্বাধিক ১৪ ৰাণ কৰে। তাইজুলে ১১ ৰাণত অপৰাজিত হৈ ৰয়। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই দিনান্তলৈ আঠ উইকেটৰ বিনিময়ত ১৮৫ ৰাণ সংগ্ৰহ কৰিছে। এই মুহূৰ্তত দলটোৱে ১০১ ৰাণৰ অগ্ৰগতি অৰ্জন কৰিছে। প্ৰাৰম্ভিক বিপৰ্যয়ৰ পাছত ষ্টিভ স্মিথ (৪৮) আৰু কেমেৰ'ন গ্ৰীণে দলক সকাহ দিছিল। স্মিথ আউট হোৱাৰ পাছতে অষ্ট্ৰেলিয়াৰ আন চাৰিটা উইকেটৰো সোনকালে পতন ঘটে। দিনান্তলৈ গ্ৰীণে ৫১ আৰু নাথন লায়নে ১০ ৰাণত অপৰাজিত হৈ ৰয়।



## বৈভৱক শীঘ্ৰেই টেষ্ট দলত বিচাৰিছে দ্ৰাৱিড়ে

**নিউজ ব্যুৰ'**
**লণ্ডন, ২২ আগষ্ট ঃ** ইতিমধ্যে টি-২০ত ভাৰতৰ হৈ অভিষেক ঘটিছে বৈভৱ সূৰ্যবংশীৰ। কম সময়তে তাৰকাত পৰিগণিত হৈছে ১৫ বছৰীয়া কিশোৰ বেটাৰজন। অৱশ্যে ৰঙা বলৰ ক্ৰিকেটত তেওঁ এতিয়াই ভাৰতীয় দলত সুযোগ পোৱাৰ সম্ভাৱনা কম। যদিও প্ৰাক্তন অধিনায়ক তথা প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়ৰ মতে, বৈভৱৰ দৰে ক্ৰিকেটাৰক যিমান পাৰি সোনকালে টেষ্টত খেলোৱা উচিত। ইয়াৰ ফলত টেষ্ট সংস্কৰণৰ উন্নতি হ'ব বুলিয়ে ধাৰণা কৰে দ্ৰাৱিড়ে। উল্লেখ্য যে দ্ৰাৱিড়ৰ প্ৰশিক্ষণতে ৰাজস্থান ৰয়েলছৰ হৈ বৈভৱৰ উত্থান ঘটিছিল। লণ্ডনত আয়োজিত এক অনুষ্ঠানত দ্ৰাৱিড়ে কয়, 'মই ভাবো, সকলো সময়তে এক ভাৰসাম্য বিচৰাৰ প্ৰয়োজন। আমি সকলোৱে বিচাৰো যে টেষ্ট ক্ৰিকেট বাচি থাকক, টেষ্ট ক্ৰিকেটৰ উন্নতি হওক। সেয়ে বৈভৱৰ দৰে ক্ৰিকেটাৰে যাতে সকলো সংস্কৰণৰ ক্ৰিকেট খেলিব পাৰে, সেয়া চোৱাটো দৰকাৰ।' উল্লেখ্য যে বৈভৱক এইবাৰ দলীপ ট্ৰফীৰ পূৰ্বাঞ্চল দলত সহঃ অধিনায়ক কৰা হৈছে।

## অৱসৰৰ চৰ্চাক আঁতৰাই ৰাখি অনুশীলন আৰম্ভ কৰিলে ৰোহিতে

**নিউজ ব্যুৰ'**
**মুম্বাই, ২২ আগষ্ট ঃ** ইংলণ্ডৰ বিপক্ষে খেলাৰ সময়তে ৰোহিত শৰ্মাই অৱসৰ ল'ব বুলি চৰ্চা হৈছিল। আনকি নিৰ্বাচকে তেওঁক এই বিষয়ে নিৰ্দেশ দিয়া বুলিও চৰ্চা হৈছিল। যদিও ৰোহিতে তেতিয়া অৱসৰ লোৱা নাছিল। আনকি বিচিচিআইৰ সচিব দেৱজিত শইকীয়াই জনাইছিল যে ৰোহিতে এই মুহূৰ্তত খেল অব্যাহত থাকিব। তাৰ পাছতো বিভিন্ন মহলত এই বিষয়টো চৰ্চাত আছিল। যদিও সকলো জল্পনাৰ ওৰ পেলাই সম্প্ৰতি মুম্বাইত অনুশীলন আৰম্ভ কৰিছে ভাৰতৰ প্ৰাক্তন অধিনায়কজনে। অহা মাহত এদিনীয়া শৃংখলা খেলিবলৈ ৱেষ্ট ইণ্ডিজ দল ভাৰতলৈ আহিব। সেই শৃংখলাত খেলাৰ বাবেই তাৰকা অপেনাৰজনে নিজক সাজু কৰি তোলাৰ বাবেই অকলে অনুশীলন আৰম্ভ কৰিছে।



দেওবৰীয়া দৈনিক
অগ্ৰদূত
Regn No. RNP/GH-085/2024-2026
গুৱাহাটী, ২৩ আগষ্ট, ২০২৬ দেওবাৰ পৃষ্ঠা ১৬



# অৱশেষত হোৱাইট হাউছতে ট্ৰাম্পৰ বিলাসী বলৰূম নিৰ্মাণ আৰম্ভ

চৌখিন জীৱন যাত্ৰাত অভ্যস্ত মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ৰাষ্ট্ৰপতিৰ কাৰ্যালয় হোৱাইট হাউছতে এক নাচ-গান-পাৰ্টিৰ বিলাসী (বলৰূম) নিৰ্মাণৰ অনুমতি পাইছে। এই কক্ষ নিৰ্মাণত অলপতে মাৰ্কিন সৰ্বোচ্চ ন্যায়ালয়ে অনুমতি প্ৰদান কৰে। সেই অনুসৰি হোৱাইট হাউছৰ ছাউথ লনত ৩৮ হেজাৰৰো অধিক কোটি টকা ব্যয়ৰে এই কক্ষ নিৰ্মাণ হ'ব। ইতিমধ্যে ইয়াৰ নিৰ্মাণ কাৰ্য আৰম্ভ হৈছে।

## থাকিব কে'বাটাও বাংকাৰ-হাস্পতালো ঃ ৩৮ হেজাৰৰো অধিক কোটি টকা ব্যয়

**নিউজ ব্যুৰ'**

**ৱাশ্বিংটন ডিচি, ২২ আগষ্ট ঃ** চৌখিন জীৱন যাত্ৰাত অভ্যস্ত মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ৰাষ্ট্ৰপতিৰ কাৰ্যালয় হোৱাইট হাউছতে এক নাচ-গান-পাৰ্টিৰ বিলাসী (বলৰূম) নিৰ্মাণৰ অনুমতি পাইছে। এই কক্ষ নিৰ্মাণত অলপতে মাৰ্কিন সৰ্বোচ্চ ন্যায়ালয়ে অনুমতি প্ৰদান কৰে। সেই অনুসৰি হোৱাইট হাউছৰ ছাউথ লনত ৩৮ হেজাৰৰো অধিক কোটি টকা ব্যয়ৰে এই কক্ষ নিৰ্মাণ হ'ব। ইতিমধ্যে ইয়াৰ নিৰ্মাণ কাৰ্য আৰম্ভ হৈছে। অৱশ্যে পূৰ্বে এখন নিম্ন আদালতে ট্ৰাম্পৰ এই বিলাসী কক্ষ নিৰ্মাণত বাধা আৰোপ কৰিছিল। পৰৱৰ্তী সময়ত উচ্চতম ন্যায়ালয়ে নিম্ন আদালতৰ নিষেধাজ্ঞা বাতিল কৰি হোৱাইট হাউছত বিলাসী কক্ষটো নিৰ্মাণত অনুমতি দিয়ে। সেই মৰ্মে এই বিলাসী কক্ষ নিৰ্মাণৰ কাম আগবাঢ়িছে। কক্ষটো ইমানেই বিলাসী হ'ব যে ইয়াৰ স'তে কে'বাটাও বাংকাৰ আৰু হাস্পতালো সংলগ্ন হৈ থাকিব। এই বিলাসী কক্ষ হোৱাইট হাউছৰ ছাউথ লনৰ ভাঙি পেলোৱা ইষ্ট উইঙৰ স্থানত নিৰ্মাণ কৰা হৈছে। এই বলৰূম সম্পৰ্কত ট্ৰাম্পে সদৰী কৰা মতে কক্ষটোৰ ভূগৰ্ভত বোমাৰ পৰা ৰক্ষা পৰাৰ কক্ষ, চিকিৎসাৰ সা-সুবিধা, ড্ৰ'ন আৰু ক্ষেপণাস্ত্ৰৰ সুৰক্ষা কক্ষও থাকিব। এই কক্ষক ৰাষ্ট্ৰপতিজনে এটা বৃহৎ, ব্যয়বহুল আৰু অতি জটিল গোট আখ্যা দিছে। এই নিৰ্মীয়মাণ বলৰূমে ৯০ হেজাৰ বৰ্গফুট ভূমি আগুৰি ধৰিব। উল্লেখ্য যে দেশখনৰ প্ৰথম মহিলাৰ কাৰ্যালয় স্থাপনৰ বাবে হোৱাইট হাউছৰ ইষ্ট উইং ভাঙি পেলোৱা হয়। এই ইষ্ট উইং ১৯০২ত তদানীন্তন ৰাষ্ট্ৰপতি থিয়ড'ৰ ৰুছভেল্টৰ অধীনত নিৰ্মাণ কৰা হয়। পৰৱৰ্তী সময়ত ১৯৪২ত তদানীন্তন ৰাষ্ট্ৰপতি ফ্ৰেংকলিন ৰুছভেল্টৰ অধীনত এই ইষ্ট উইঙৰ সম্প্ৰসাৰণ ঘটোৱা হয়। গতিকে এই ইষ্ট উইং ভাঙিবলৈ লোৱাৰ বাবে ট্ৰাম্প প্ৰশাসনৰ বিৰুদ্ধে দেশখনৰ ঐতিহাসিক সম্পদ সংৰক্ষণৰ ৰাষ্ট্ৰীয় ন্যাস আদালতৰ দ্বাৰস্থ হৈছিল। কাৰণ ইষ্ট উইং ভঙাৰ বাবে প্ৰয়োজনীয় অনুমতি সংসদৰ পৰা ট্ৰাম্প প্ৰশাসনে লোৱা নাছিল। ইয়াকে লৈ চলা আইনী যুঁজ শেহতীয়াভাৱে অন্ত পৰিছে। উচ্চতম ন্যায়ালয়ে ট্ৰাম্পৰ সপোনৰ বলৰূম নিৰ্মাণত অনুমতি প্ৰদান কৰে। এই বলৰূমৰ ওচৰতে এখন হেলিপেডো নিৰ্মাণ কৰি থকা হৈছে।



**বৰপথাৰত ভূ-মাফিয়াৰ বিৰুদ্ধে ৰাইজৰ উত্তাল প্ৰতিবাদ**

# ছেৱাগুৰিৰ ধনশিৰি নদীৰ পাৰত মাজনিশা অবৈধ বালি-পলস খননক লৈ উত্তেজনা

**অগ্ৰদূত বাৰ্তা**

**বৰপথাৰ, ২২ আগষ্ট ঃ** সৰুপথাৰ সমজিলাত ভূ-মাফিয়া আৰু বনদস্যুৰ দৌৰাত্ম্যৰ বিৰুদ্ধে এইবাৰ ৰাজপথলৈ ওলাই আহিল ক্ষুব্ধ ৰাইজ। বৰপথাৰ খণ্ড বন বিষয়াকাৰ্যালয়ৰ অধীনৰ ছেৱাগুৰিৰ ধনশিৰি নদীৰ পাৰত দীৰ্ঘদিন ধৰি চলি অহা বুলি অভিযোগ উঠা অবৈধ বালি-পলস খননক কেন্দ্ৰ কৰি শুকুৰবাৰে নিশা সৃষ্টি হয় উত্তপ্ত পৰিস্থিতিৰ। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, ৰেলৰে ঠিকাদাৰৰ সহযোগত হৰেন বৰা ওৰফে হৰ নামৰ এজন বনদস্যুৰ নেতৃত্বত দিনে-নিশাই ধনশিৰি নদীৰ পাৰৰ পৰা অবাধে বালি-পলস খনন চলি আহিছে। ফলত নদীৰ পাৰৰ লগতে মথাউৰিটোও ভয়াৱহভাৱে দুৰ্বল হৈ পৰাৰ অভিযোগ উঠিছে। যিকোনো সময়তে ধনশিৰি নদীৰ জলস্তৰ বৃদ্ধি পালে মথাউৰি ভাঙি ছেৱাগুৰি, কৰদৈগুৰি, সৰুপথাৰ আৰু বৰপথাৰ অঞ্চলত বান পৰিস্থিতিৰ সৃষ্টি হোৱাৰ আশংকা কৰিছে স্থানীয় ৰাইজে। অবৈধ খননৰ বিৰুদ্ধে ক্ষুব্ধ ৰাইজে অভিযান চলাই বালি-পলস কঢ়িওৱা কে'বাখনো ডাম্পাৰ আৰু এখন এক্সকেভেটৰ জব্দ কৰি বন বিভাগক চমজাই দিয়ে। ঘটনাস্থলীত সৰুপথাৰ সমজিলাৰ দুজনকৈ দণ্ডাধীশ উপস্থিত হোৱাত পৰিস্থিতিয়ে বিশেষ গুৰুত্ব লাভ কৰে। ইফালে, অত্যধিক ওজনৰ গধুৰ ডাম্পাৰৰ অহৰহ চলাচলৰ ফলত কেৱল নদীৰ মথাউৰিয়েই নহয়, অঞ্চলটোৰ গ্ৰাম্য পথসমূহো বিধ্বস্ত হৈ পৰা বুলি অভিযোগ কৰিছে ৰাইজে। গধুৰ যান-বাহনৰ চলাচলৰ বাবে সঘনাই পথ দুৰ্ঘটনাৰ আশংকাও বৃদ্ধি পাইছে। বিশেষকৈ বিদ্যালয়লৈ অহা-যোৱা কৰা কণ-কণ ছাত্ৰ-ছাত্ৰীসকলে বিপদসংকুল পৰিস্থিতিৰ মাজেৰে যাতায়াত কৰিবলগীয়া হৈছে বুলি স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰে। ধনশিৰি নদীৰ পাৰৰ অবৈধ খননে আগন্তুক দিনত বৃহৎ বিপদ মাতি আনিব পাৰে বুলি আশংকা প্ৰকাশ কৰি ৰাইজে শীঘ্ৰে খনন বন্ধ কৰাৰ লগতে সমগ্ৰ ঘটনাৰ নিৰপেক্ষ তদন্ত আৰু দোষীৰ বিৰুদ্ধে কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। এতিয়া ধনশিৰি নদী, মথাউৰি আৰু বৃহত্তৰ সৰুপথাৰবাসীৰ সুৰক্ষাৰ স্বাৰ্থত প্ৰশাসনে এই অভিযোগ সমূহৰ বিৰুদ্ধে কিমান কঠোৰ পদক্ষেপ গ্ৰহণ কৰে, সেয়া লক্ষ্যণীয় হ'ব।

# নলবাৰীত ৰাষ্ট্ৰপতি প্ৰয়াত ফখৰুদ্দিন আলী আহমেদৰ নামত থকা বিদ্যালয় নিঃশেষ কৰাৰ ষড়যন্ত্ৰ



**বিশেষ সংবাদদাতা**

**নলবাৰী, ২২ আগষ্ট ঃ** সংস্কাৰৰ নামত ৰাজ্য চৰকাৰে অসমৰ চৰকাৰী শিক্ষাখণ্ডলৈ ইটোৰ পাছত সিটো ভূমিকা গ্ৰহণ কৰি আহিছে যদিও সেয়াই চৰকাৰী শিক্ষাখণ্ডক নিঃশেষ কৰাৰ এক ষড়যন্ত্ৰ বুলিহে বাৰম্বাৰ চৰ্চিত হৈ আহিছে। অতি শেহতীয়াভাৱে ৰাজ্যৰ শিক্ষা বিভাগে তদানীন্তন ৰাষ্ট্ৰপতিৰ নামত থকা নলবাৰীৰ এখন শিক্ষানুষ্ঠান বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাষ্ট্ৰপতিৰ নামেৰে এনে ঐতিহ্যময় শিক্ষানুষ্ঠানখন হৈছে প্ৰাক্তন প্ৰভাৱশালী মন্ত্ৰী তথা বৰ্তমানৰ বিধায়ক চন্দ্ৰ মোহন পাটোৱাৰীৰ গৃহ সমষ্টিৰ অন্তৰ্গত চামতাৰ এফ আলী আহমেদ হাইস্কুল। ইপিনে চৰকাৰৰ এনে সিদ্ধান্ত সদৰী হোৱাৰ লগে লগে স্থানীয় ৰাইজ আৰু শিক্ষাৰ্থীৰ প্ৰতিবাদত আজি উত্তাল হৈ পৰে এফ আলী আহমেদ হাইস্কুল প্ৰাংগণ।

লক্ষ্যণীয় যে মাধ্যমিক শিক্ষা বিভাগৰ সঞ্চালকৰ আদেশ মৰ্মে যোৱা আঠ আগষ্টত জাৰি হোৱা মেম' নম্বৰ ই/৫১৯২০৭/৩৪৪-এৰ জৰিয়তে এফ আলী আহমেদ হাইস্কুলখনক প্ৰায় তিনি-চাৰি কিলোমিটাৰ দূৰত্বত থকা আমনি জনকল্যাণ হাইস্কুলৰ স'তে সংলগ্নকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখ্য যে ১৯৭৬ত স্থানীয় ৰাইজ আৰু শিক্ষানুৰাগী লোকৰ সহযোগত স্থাপিত হোৱা এফ আলী আহমেদ হাইস্কুলখন অঞ্চলটোৰ এক আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে পৰিচিত। চামতা, ৰূপীয়াবাথান, আমনি, শোলমাৰী-ভয়ৰা, গন্ধিয়া-বালাপাৰা, পশ্চিম চামতা, পখুৰা, ঘিলাজাৰী, শুকেকুছি আদি বিভিন্ন অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে দীৰ্ঘদিন ধৰি এই বিদ্যালয়খনত শিক্ষাগ্ৰহণ কৰি আহিছে। প্ৰথম অৱস্থাত ভাৰতৰ পঞ্চম ৰাষ্ট্ৰপতি ড° ফখৰুদ্দিন আলী আহমেদৰ নামেৰে ফখৰুদ্দিন আলী আহমেদ এমই মাদ্ৰাছা হিচাপে পৰিচিত বিদ্যালয়খন পৰৱৰ্তী সময়ত এফ আলী আহমেদ হাই মাদ্ৰাছা আৰু বৰ্তমান এফ আলী আহমেদ হাইস্কুল নামেৰে পৰিচিত হয়। প্ৰায় পাঁচটা দশক পুৰণি বিদ্যালয়খনৰ শৈক্ষিক সাফল্যও উল্লেখযোগ্য। ১৯৮৪ত বিদ্যালয়খনৰ পৰা প্ৰথমবাৰৰ বাবে হাইস্কুল শিক্ষান্ত পৰীক্ষাত পাঁচগৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ লগতে ১৯৯২ত বিদ্যালয়খনৰ ছাত্ৰী ফৰিদা বেগমে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমৰ ভিতৰত তৃতীয় স্থান লাভ কৰিছিল। ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰতো বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন পৰ্যায়ত সুনাম অৰ্জন কৰি আহিছে। বিদ্যালয়খনৰ উত্তীৰ্ণৰ হাৰো এশ শতাংশ বুলি দাবী কৰে পৰিচালনা সমিতি আৰু স্থানীয় ৰাইজে। ইয়াৰ মাজতে সমগ্ৰ শিক্ষা অভিযানৰ অধীনত প্ৰায় ১৯ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰা বিজ্ঞানাগাৰ ভৱন সম্পূৰ্ণ হোৱাটোৱেও বিদ্যালয়খনৰ শৈক্ষিক আন্তঃগাঁথনি শক্তিশালী কৰাৰ দিশটো স্পষ্ট কৰিছে। তদুপৰি দুটাকৈ ভোটগ্ৰহণ কেন্দ্ৰ আছে বিদ্যালয়খনত। কিন্তু এনে সময়তে বিদ্যালয়খনক আন এখন বিদ্যালয়ৰ স'তে সংলগ্নকৰণৰ চৰকাৰী আদেশে শিক্ষাৰ্থী আৰু অভিভাৱকসকলক হতভম্ব কৰি তুলিছে। এই আদেশ বাতিলৰ দাবীত শনিবাৰে বিদ্যালয় পৰিচালনা সমিতি, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থা, অভিভাৱক-অভিভাৱিকা আৰু স্থানীয় ৰাইজে বিদ্যালয়খনৰ সন্মুখত ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে 'ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষা নিশ্চিত কৰক', 'বিদ্যালয় দূৰলৈ স্থানান্তৰ কৰি শিক্ষাৰ্থীৰ জীৱন আধাতে শেষ নকৰিব', 'ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ সুবিধা দিয়ক', 'শিক্ষাৰ অধিকাৰ আইন ৰক্ষা কৰক', 'ছাত্ৰ-ছাত্ৰীৰ পৰিপন্থী শিক্ষানীতি বন্ধ কৰক' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলৰ দাবী— এফ আলী আহমেদ হাইস্কুলখনৰ সংলগ্নকৰণৰ সিদ্ধান্ত শীঘ্ৰে বাতিল কৰি পূৰ্বৰ দৰেই বিদ্যালয়খনত শিক্ষাদান অব্যাহত ৰখা হওক। লগতে ছাত্ৰ-ছাত্ৰীসকলৰ যাতায়াত, সুৰক্ষা আৰু শিক্ষাৰ অধিকাৰৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে বিষয়টো পুনৰ বিবেচনা কৰাৰ দাবী জনায়। অৱশ্যে চৰকাৰ তথা শিক্ষা বিভাগে বিদ্যালয়খনৰ সংলগ্নকৰণৰ সিদ্ধান্তৰ সন্দৰ্ভত কি পদক্ষেপ গ্ৰহণ কৰে, সেয়া পৰৱৰ্তী সময়ত লক্ষ্যণীয় হ'ব।

# তেজপুৰৰ নগেন চন্দ্ৰ বৰাই গৰকিলে শতায়ু



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২২ আগষ্ট ঃ** তেজপুৰ ঘৰপৰা চুবুৰিৰ এগৰাকী ব্যক্তিয়ে ১০১ বছৰ অতিক্ৰম কৰি ১০২ বছৰত নিজৰ বৰ্ণাঢ্য জীৱন পৰিক্ৰমাত খোজ দিবলৈ অগ্ৰসৰ হোৱাৰ আনন্দত কালি গাঁওবাসীয়ে পৱিত্ৰ নামঘৰত তেওঁক উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। ১০১ বছৰ অতিক্ৰম কৰাৰ পাছতো আজিও সুস্থ হৈ থকা নগেন চন্দ্ৰ বৰাক কাষত লৈ সকলোৱে গালে জীৱন জীয়াৰ গান। উল্লেখ্য যে ঘৰপৰা চুবুৰিৰ নিবাসী বৰাই জীৱনৰ ১০১ বছৰ অতিক্ৰম কৰি আজিও খোজকাঢ়ি অহা-যোৱা কৰিব পাৰে। তেজপুৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী বৰাই কঠোৰ নিয়মানুৱৰ্তিতা আৰু অধ্যৱসায়েৰে নিয়ন্ত্ৰিত জীৱনশৈলীৰে জীৱন যাপন কৰি গাঁওখনৰ শতায়ু গৰকা ব্যক্তি হৈ পৰে। বৰাই গাঁওখনৰ লগতে তেজপুৰৰ ইতিহাস বুকুত সামৰি ৰাখিছে। গাঁওখনৰ সকলো ৰাজহুৱা কৰ্মতে বৰা জড়িত থাকি সমাজখনক আগুৱাই নিয়াত যথেষ্ট অৱদান যোগাই আহিছে। কালি ভাদমহীয়া নাম-প্ৰসংগৰ মাজতে ঘৰপৰা চুবুৰিৰ নামঘৰত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত ৰাইজে তেওঁক উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে।

উল্লেখ্য যে যোৱা ২৮ জুনত বাৰ্ষিক বৰ সবাহৰ দিনাও ৰাইজে হৰিধ্বনিৰে বৰাৰ নামত তেজপুৰ পৌৰসভাৰ অন্তৰ্গত ১৬ নম্বৰ ৱাৰ্ড অন্তৰ্ভুক্ত ঘৰপৰা চুবুৰিৰ এটা উপপথৰ নামকৰণ কৰিছিল।



# ভাষাৰ পৰিধি ভাঙি সংগীতৰ যাদু ঃ এঘণ্টা ১৫ মিনিটত ৩০টা ভাষাত সুৰ তুলিলে কণমানি মাহদিয়াই

## 'ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছ'ত নাম লিপিবদ্ধ ৰাখিলে

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২২ আগষ্ট ঃ** ভাষাৰ পৰিধি ভাঙি সংগীতৰ যাদুৰে উজলিল মাহদিয়া খানম আহমেদ। এক ঘণ্টা ১৫ মিনিটত ৩০টা ভাষাত সুৰ তুলিলে কণমানি মাহদিয়াই। শোণিতপুৰ জিলাৰ মিছামাৰীৰ ১১ বছৰীয়া কিশোৰী মাহদিয়া খানম আহমেদে ব্যতিক্ৰমী প্ৰতিভাৰ জৰিয়তে ইণ্ডিয়া বুকছ অৱ ৰেকৰ্ডত নিজৰ নাম সন্নিবিষ্ট কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়ালে। মাত্ৰ এক ঘণ্টা ১৫ মিনিট সময়ৰ ভিতৰত একেৰাহে ৩০ টা বিভিন্ন ভাষাত গীত পৰিৱেশন কৰি মাহদিয়াই 'ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছ'ত নিজৰ নাম সোণালী আখৰেৰে লিপিবদ্ধ কৰিবলৈ সক্ষম হৈছে। বৰছলা বিধানসভা সমষ্টিৰ বাঁহবেৰা গাঁৱৰ নিৰাসী মইনুল আহমেদৰ কন্যা তথা মিছামাৰী স্প্ৰিংডেল ইংলিছ স্কুলৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী মাহদিয়াই মাত্ৰ পাঁচ বছৰ বয়সৰ পৰাই নিয়মীয়াকৈ সংগীতৰ সাধনা আৰম্ভ কৰিছিল। এই কম বয়সতে ভাষিক বৈচিত্ৰ্যক সংগীতৰ মাধ্যমেৰে ফুটাই তোলাৰ তেওঁৰ এই অসাধাৰণ ক্ষমতা সঁচাকৈয়ে বিস্ময়কৰ। মাহদিয়াই অসমীয়া, হিন্দী, ইংৰাজী, তামিল, নেপালী, স্পেনিছ, আৰবী, বড়ো, ডিমাছা, পাঞ্জাবী, বাংলা, মাৰাঠীকে ধৰি মুঠ ৩০টা বিভিন্ন স্থানীয় আৰু আন্তঃৰাষ্ট্ৰীয় ভাষাত গীত গাই নিজৰ বহুমুখী প্ৰতিভাৰ পৰিচয় দিয়ে। উল্লেখ্য যে যোৱা ১৭ আগষ্টত 'ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছ'ৰ সম্পাদনা সমিতিয়ে সকলো পৰীক্ষা-নিৰীক্ষা আৰু তথ্য-প্ৰমাণ চালি-জাৰি চোৱাৰ অন্তত মাহদিয়াৰ এই ৰেকৰ্ডক 'শিশুগৰাকীৰ দ্বাৰা সৰ্বাধিক বহু ভাষিক গীত পৰিৱেশন' শিৰোনামাৰে আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় ৰেকৰ্ড হিচাপে ঘোষণা কৰে। ইয়াৰ পূৰ্বেও বিগত ২০২৫ত মাহদিয়া খানম আহমেদে জুবিন গাৰ্গৰ জনপ্ৰিয় কালজয়ী গীত 'মায়াবিনী' ১৪ টা বেলেগ বেলেগ ভাষাত গাই মাহদিয়াই সংগীতপ্ৰেমী ৰাইজৰ বিপুল সমাদৰ লাভ কৰিছিল। ১১ বছৰীয়া কণমানি মাহদিয়াৰ এনে বিস্ময়কৰ সাফল্যই মিছামাৰী অঞ্চলৰ লগতে সমগ্ৰ শোণিতপুৰ জিলা তথা ৰাজ্যবাসীক গৌৰৱান্বিত আৰু উৎফুল্লিত কৰি তুলিছে। ভৱিষ্যতে সংগীত ক্ষেত্ৰত আৰু অধিক সফলতা অৰ্জন কৰি বিশ্ব দৰবাৰত জিলিকি উঠিবলৈ স্থানীয় ৰাইজে মাহদিয়াক আন্তৰিক শুভেচ্ছা আৰু আশীৰ্বাদ জ্ঞাপন কৰিছে।




# চৰকাৰী বিভাগৰ নিৰ্লিপ্ততাৰ সুযোগ লৈ তেজপুৰত ব্যৱসায়ী-দালালে বিক্ৰী কৰিলে হস্তী কৰিড'ৰৰ মাটি

**ষ্টাফ ৰিপ'টাৰ**

**তেজপুৰ, ২২ আগষ্ট ঃ** হস্তীকৰিড'ৰৰ এই অবৈধ ক্ৰয়-বিক্ৰয় আৰু নিৰ্মাণ কাৰ্যৰ বিৰুদ্ধে বৰ্তমান দেশৰ উচ্চতম ন্যায়ালয়ে কঠোৰ স্থিতি গ্ৰহণ কৰিছে যদিও ৰাজ্যৰ লগতে তেজপুৰৰ একাংশ মাটিৰ দালাল তথা ব্যৱসায়ীয়ে এই সকলোকে উপেক্ষা কৰি নিজ স্বাৰ্থ সিদ্ধিৰ বাবে কালৈকো কেৰেপ নকৰা হৈছে। আনকি ৰাজনৈতিকভাৱেও সুবিধা গ্ৰহণ কৰি তেজপুৰৰ অতি স্পৰ্শকাতৰ অঞ্চলৰ ভূমিও সম্প্ৰতি এক বহিৰাগত ব্যৱসায়ীয়ে দুই দালালৰে মিলি বিক্ৰী কৰিবলৈ সক্ষম হোৱাত ভৱিষ্যতে তেজপুৰৰ পৰা ঢেকিয়াজুলি হৈ গুৱাহাটী সংযোগী ৰাষ্ট্ৰীয় ঘাইপথ বানত ডুব যোৱাৰ পথ প্ৰশস্ত হৈছে। উল্লেখ্য যে যোৱা ১৭ আগষ্টত দিয়া এক ৰায় দানত দেশৰ উচ্চতম ন্যায়ালয়ে স্পষ্ট কৰি দিয়ে যে কোনো ধৰণৰ উদ্যোগ বা বাধাৰ দোহাই দি বন্যপ্ৰাণীৰ হস্তীকৰিড'ৰসমূহ অৱৰুদ্ধ কৰিব নোৱাৰিব। কিন্তু এই নিৰ্দেশ ওলোৱাৰ পূৰ্বেই বনৰীয়া হাতীৰ যাতায়াত কৰা পথ হিচাপে চিহ্নিত দিপোটাৰ বহু অংশ মাটি দালালৰ সহযোগত এক বহিৰাগত ব্যৱসায়ীয়ে বিক্ৰী কৰে আন এক বহিৰাগত পক্ষক। এই ক্ষেত্ৰত শোণিতপুৰ প্ৰশাসন আৰু বন বিভাগৰ ভূমিকাও সন্দেহৰ উৰ্দ্ধত নহয়। কিন্তু সম্প্ৰতি এই বিষয়টো চৰ্চিত হোৱাৰ পাছত চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি, উচ্চতম ন্যায়ালয়ৰ শেহতীয়া নিৰ্দেশৰ পাছতে বৰ্তমান দিপোটা অঞ্চলৰ ভূমিৰ নতুন পঞ্জীয়ন আৰু ক্ৰয়-বিক্ৰয়ৰ সমগ্ৰ প্ৰক্ৰিয়াটোৰ ওপৰত প্ৰশাসনৰ তৰফৰ পৰা তীব্ৰ নজৰ ৰখা হৈছে। উল্লেখ্য যে দিপোটা হস্তীকৰিড'ৰৰ অন্তৰ্ভুক্ত আৰু ইয়াৰ কাষৰীয়া ভূমি অবৈধভাৱে ক্ৰয়-বিক্ৰয় কৰাৰ বাবে ব্যৱসায়ী আৰু দালালৰ মাজত এটা বৃহৎ অংকৰ ধনৰ বুজাবুজি হয়। এই প্ৰক্ৰিয়াটোত তিনি ভূমি দালাল জড়িত হয় আৰু ২০২৫ৰ ছেপ্টেম্বৰৰ পৰা ২০২৬ৰ জুলাইৰ ভিতৰত এই সমগ্ৰ অবৈধ প্ৰক্ৰিয়াটোত অতি সক্ৰিয় হৈ পৰে। সেই অনুসৰিয়েই ২০২৫ৰ ছেপ্টেম্বৰত ভূমি মাফিয়া আৰু একাংশ অনা-থলুৱা ব্যৱসায়ীয়ে এই হস্তীকৰিড'ৰৰ ভূমি গোপনে কিনা-বেচা কৰাৰ প্ৰক্ৰিয়া তীব্ৰতৰ কৰি তোলে আৰু চক্ৰটোৱে মাটি বিক্ৰীৰ পথ সুগম কৰাৰ উদ্দেশ্যে ২০২৫ৰ ২৮ ছেপ্টেম্বৰৰ নিশা অঞ্চলটোত থকা বন বিভাগৰ চৰকাৰী চিনাক্তকৰণ পকী ফলক এখন ৰাতিৰ ভিতৰতে ভাঙি পেলায়। অভিযোগ উত্থাপন হৈছে যে কোনো চৰকাৰী জাননী অবিহনেই তেজপুৰ ৰাজহ চক্ৰৰ একাংশ অসৎ বিষয়াৰ সহযোগত এই ম্যাদী বা চৰকাৰী ভূখণ্ডসমূহৰ শ্ৰেণীও সলনি কৰা হৈছে। অভিযোগ অনুসৰি, শোণিতপুৰ জিলা প্ৰশাসন আৰু ৰাজহ বিভাগে বন বিভাগৰ সহযোগত একাংশ উদ্যোগপতিক লাভান্বিত কৰিবলৈ এই কৰিড'ৰৰ অন্তৰ্ভুক্ত ভূমি উদ্যোগ খণ্ডৰ বাবে হস্তান্তৰ কৰাৰ চূড়ান্ত প্ৰস্তুতি চলাইছে। আনকি জুলাইত বন বিভাগে পুনৰ স্থাপন কৰা পকী ফলক এক্সেভেটৰেৰে ভাঙি মাটি বিক্ৰী কৰা এই দালাল আৰু ব্যৱসায়ী চক্ৰটোৰ প্ৰতি ৰাজনৈতিক আশীৰ্বাদ থকাৰ বাবেই অনাগত দিনত বনৰীয়া হাতীৰ পথ বাধাগ্ৰস্ত হৈ নতুন নতুন অঞ্চলত হাহাকাৰ পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ লগতে এই দ অংশত নিৰ্মাণকাৰ্য হ'লেই ৰাষ্ট্ৰীয় ঘাইপথ পানীত ডুব যোৱাৰ পথো মুকলি হ'ব। কিন্তু এই ক্ষেত্ৰত চৰকাৰী বিভাগৰ কোনো গুৰুত্ব নথকা তথা দুবাৰকৈ ফলক ভঙা দুৰ্বৃত্তৰ বিৰুদ্ধে কোনো তদন্তই নোহোৱাৰ আঁৰত ৰাজ্যৰ চৰকাৰী বিভাগ বন্যপ্ৰাণীৰ ক্ষেত্ৰত কিমান দায়িত্বশীল সেই কথা পুনৰ এবাৰ উদঙাই দিছে।

# আকাশৰ পৰা চাহ বাগিচাত পৰিল জাৰ্মানীৰ বিশেষ বেলুন



**অগ্ৰদূত বাৰ্তা**

**খুমটাই, ২২ আগষ্ট ঃ** খুমটাইৰ সেন্দুৰিটিং চাহ বাগিচাত আকাশমাৰ্গৰ পৰা পৰি অহা জাৰ্মানীত নিৰ্মিত এটা বিশেষ বেলুন উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। তথ্য মতে, বাগিচাৰ শ্ৰমিকে বেলুনটো পৰি থকা প্ৰত্যক্ষ কৰি খুমটাই আৰক্ষীক খবৰ দিয়ে। পাছত আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ বেলুনটো উদ্ধাৰ কৰে। বেলুনটোত ছেন্সৰ সংযুক্ত থকাৰ লগতে এটা সৰু বিশেষ যন্ত্ৰ সংলগ্ন হৈ থকা বুলি জানিব পৰা গৈছে। বহিঃৰাষ্ট্ৰত নিৰ্মিত বেলুন এটা চাহ বাগিচা অঞ্চলত উদ্ধাৰ হোৱাক লৈ স্থানীয় ৰাইজৰ মাজত সৃষ্টি হৈছে আতংক আৰু উৎকণ্ঠাৰ। বেলুনটো ক'ৰ পৰা আহিল, কি উদ্দেশ্যত আকাশলৈ প্ৰেৰণ কৰা হৈছিল আৰু ইয়াৰ স'তে সংযুক্ত যন্ত্ৰটোৰ প্ৰকৃত উদ্দেশ্য কি-সেই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। আৰক্ষীৰ তদন্ত সম্পূৰ্ণ হোৱাৰ পাছতহে বেলুনটোৰ প্ৰকৃত ৰহস্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ৯১০১২৩৮০০৩ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com